ৰাংছিনাৰ সুৰ

সম্পাদক

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

সহযোগী সম্পাদক

শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য্য

১৯৬৮

অসম সাহিত্য সভা

RANGSINAR SUR—Addresses, Reports etc of the Forty nineth Session of Asam Sahitya Sabha, held in the Rangsina Nagar at Diphu (Karbi Anglong) on 23 24, and 25 April 1982 Edited by Editor Prof Durgeswar Sarma and Associated editor Prof Prafulla Chandra Bhattacharyya and Published by Sri Amal Rajkhowa General Secretary, Asam Sahitya Sabha, Chandrakanta Handique Bhawan, Jorhat, Asam 1988

প্ৰথম প্ৰকাশ
২০ ফেব্ৰুৱাৰী ১৯৮৮

ৰাংচিনাৰ সুৰ— ১৯৮২ খ্ৰীষ্টাব্দৰ ২৩, ২৪ আৰু ২৫ এপ্ৰিলত ডিফুৰ (কাৰ্বি আংলং) ৰাংছিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ঊনপঞ্চাশৎ অধিবেশনৰ ভাষণ, প্ৰতিবেদন আদিৰ সংকলন।
সম্পাদক : শ্ৰীদুৰ্গেশ্বৰ শৰ্মা। সহযোগী সম্পাদক : শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য্য।
প্ৰকাশক : শ্ৰীঅমল ৰাজখোৱা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম।
মুদ্ৰক : পেপাৰ প্ৰিণ্টিং প্ৰেছ, ডিব্ৰুগড়—৭৮৬০০১

প্ৰধান সম্পাদকৰ একাষাৰ

অসম সাহিত্যসভাৰ বাৰ্ষিকীসমূহ উনবিংশতিতম গোৱালপাৰা সন্মিলনৰ পৰাই সন্তালনিকৈ প্ৰকাশিত হৈছে। সন্মিলনৰ বিভিন্ন অভিভাষণ, আলোচনা, সিদ্ধান্ত, প্ৰস্তাৱ আদি একেলগে সংকলন কৰি প্ৰকাশ কৰাটো এটি ঐতিহাসিক গুৰুত্ব আছে। বিশেষকৈ যি সকলে সভাৰ বাৰ্ষিক সন্মিলনসমূহ ভোজমেল বা বাৰ্ষিক আৱৰন পূৰ্ণ মেলা বুলি সমালোচনা কৰে—সেই সকলৰ বাবে এই বাৰ্ষিকীসমূহেই প্ৰকৃত উত্তৰ আৰু প্ৰয়োজনীয়তাৰ সন্ধান দিব পাৰিব। সভাৰ উনপঞ্চাশতম সন্মিলন, প্ৰখ্যাত কবি নীতানাথ ব্ৰহ্মচৌধুৰীৰ সভাপতিত্বত কাৰ্বি আংলং জিলাৰ ডিফু নগৰত, অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ মধ্য ভাগতেই অনুষ্ঠিত হৈছিল। পাৰ্বত্য অঞ্চলত ১৯৫০ চনত শ্বিলং নগৰীত সন্মিলন বহাৰ পাছত এইখন হল দ্বিতীয় সন্মিলন। অসম আন্দোলনৰ মাজত আয়োজন কৰা এই সন্মিলনৰ গুৰুত্বও অধিক। চৰকাৰী পক্ষৰ বাধাৰ মাজে। ডিফু তথা কাৰ্বি আংলং বাসীৰ অক্লান্ত যত্নত ডিফু সন্মিলন সফলতাৰে সম্পন্ন হোৱাটোও অতি গৌৰৱৰ বিষয়।

ঐতিহাসিক ডিফু সন্মিলনৰ বাৰ্ষিকী "বাছিনাৰ সুৰ"ৰ সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল সেই সময়ৰ প্ৰধান সম্পাদক অধ্যাপক দুৰ্গেশ্বৰ শৰ্মাক। শৰ্মাই অতি যত্নেৰে সংকলনটি যুগুতাই দিলে তেখেতক সহায় কৰোঁতা আন এগৰাকী প্ৰাক্তন প্ৰধান সম্পাদক অধ্যাপক শ্ৰী প্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য্যকো, কাৰ্যনিবাহক সমিতিৰ অনুমোদন ক্ৰমে সহযোগী সম্পাদক স্বৰূপে দায়িত্ব দিয়া হৈছিল ভট্টাচাৰ্য্যই সংকলনটি ছপাশালত দিয়াৰে পৰা প্ৰকাশ হৈ অহালৈকে সকলোখিনি কাম সম্পন্ন কৰিলে। সভাৰ পক্ষৰ পৰা দুয়োগৰাকীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পুথিখনি ছপাৰ সমুদায় ব্যয় ডিফু সন্মিলনৰ আদৰণী সমিতিয়ে বহন কৰাৰ বাবেই পুথিখনে প্ৰকাশৰ মুখ দেখিলে। এই ছেগতে আমাৰ শলাগ ডিফু সন্মিলনৰ আদৰণী সমিতি তথা ডিফু সাহিত্য সভালৈ জ্ঞাপন কৰিলোঁ।

পুথিখন ছপাই দিয়ে ডিব্ৰুগড়ৰ পেপাৰ প্ৰিণ্টিং প্ৰেছে। উক্ত ছপাশালৰ কৰ্মীবৃন্দ আৰু বেটুপাত শিল্পীলৈকো শলাগ আগবঢ়ালোঁ। প্ৰসংগক্ৰমে ছপাত বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবেও শেষত ক্ষমা বিচাৰিলোঁ। ইতি,

অমল ৰাজখোৱা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
যোৰহাট।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট।

গ্ৰন্থ সম্পাদকৰ একাষাৰ

অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনে শীৰ্ষ স্থানত অৱৰোহন কৰাৰ সময়তে অসম সাহিত্য সভাৰ উৎপঞ্চাশৎ অধিৱেশন অনুষ্ঠিত হৈছিল ১৯৮২ চনত ডিফুৰ ৰাংছিনা নগৰত। সেই সময়ৰ ৰাজ্য চৰকাৰে সভাৰ প্ৰতি সৰ্ব প্ৰকাৰ অসহযোগিতা দেখুৱাৰ লগতে সন্মিলন পতাতো বাধা আৰোপ কৰিছিল। আনকি অধিৱেশনৰ প্ৰস্তাৱিত স্থান ৰাংছিনা নগৰ অৰ্দ্ধসামৰিক বাহিনীৰ লোকেৰে আগুৰি ৰাখিছিল। মহানুভৱ ব্যক্তি শ্ৰীছুৰছিং টেৰণ আৰু কবি-সাহিত্যিক শ্ৰীছামছিং হাঞ্চেৰ নেতৃত্বত কাৰ্বি ৰাইজে অহিংসভাৱে অৰ্দ্ধ সামৰিক বাহিনীৰ বন্দুক-বাৰুদৰ মুখামুখি হ'ল আৰু এদিন সন্মিলন থলীত ৰভাঘৰৰ প্ৰথম খুটাটো পুতিলে। খাৰ-বাৰুদৰ চৰকাৰী হেঙাৰ ধূলিত দলিয়াই যুদ্ধকালীন তৎপৰতাৰে আগুৱাবলৈ ধৰিলে সন্মিলনৰ আয়োজন। অসমৰ বিভিন্ন অঞ্চলৰ পৰা হেজাৰ-বিজাৰ লোক সন্মিলনৰ সময়ত ৰাংছিনা নগৰত সমবেত হ'ল। ডিফুৰ ৰাংছিনা নগৰৰ এই অধিৱেশন ৰাজ্য চৰকাৰৰ বিৰোধিতাৰ প্ৰতি এক বলিষ্ঠ প্ৰত্যাহবান, কাৰ্বি জনগণে কপালৰ ঘাম মাটিত পেলাই সফল কৰা অসম সাহিত্য সভাৰ এক ঐতিহাসিক সন্মিলন। এই সন্মিলনৰ স্মৃতিয়ে স্বেচ্ছাচাৰিতা আৰু অন্যায়ৰ বিৰুদ্ধে জনগণক এক আৰু ঐক্যবদ্ধ হোৱাত অনুপ্ৰাণিত কৰিব বুলি আমাৰ ধাৰণা।

ডিফুৰ ৰাংছিনা অধিৱেশনৰ ভাষণাৱলী আৰু প্ৰতিবেদন সমূহৰ সংকলন "ৰাংছিনাৰ সুৰ'। অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধাণ সম্পাদক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্যৰ সহযোগত গ্ৰন্থখনি সংকলন আৰু সম্পাদনা কৰা হ'ল। 'ৰাংছিনাৰ সুৰে' কাৰ্বি লোকৰ মনোবল আৰু সাহিত্য সভাৰ আদৰ্শৰ প্ৰতি থকা তেওঁলোকৰ গভীৰ আগ্ৰহৰ কথা সোঁৱৰাই থাকিব যে তাত বিন্দুমাত্ৰ সন্দেহৰ অৱকাশ নাই। ইতি

উত্তৰ গুৱাহাটী
১০ ফেব্ৰুৱাৰী, ১৯৮৮

দুৰ্গেশ্বৰ শৰ্মা

// সূচী-পত্ৰ //

		পৃষ্ঠা
// উনপঞ্চাশৎ সম্মিলনৰ কাৰ্যসূচী //		১
// পতাকা অভিবাদন //	শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী	৩
// অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ //	শ্ৰীছত্ৰছিং টেৰণ	৪
// উদ্বোধনী ভাষণ //	শ্ৰীৰঘুবীৰ সহায	১১
// মুখ্য অতিথিৰ ভাষণ //	ড° ভূপেন হাজৰিকা	১৮
// ডিফু বন্দনা //	অতুলচন্দ্ৰ হাজৰিকা	৩১
// সভাপতিৰ অভিভাষণ //	শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী	৩৫
// বিশিষ্ট অতিথিৰ ভাষণ //	ড° ভবেন্দ্ৰনাথ শইকীয়া	৫৬
// সম্বৰ্ধনা পত্ৰ		৫৭
// প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন ভাষণ //	শ্ৰীমতী লবংগলতা বৰুৱা	৫৯
// সাংস্কৃতিক সম্মিলনৰ উদ্বোধকৰ ভাষণ //	শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা	৬১
// স্মৃতিগ্ৰন্থ উন্মোচনী ভাষণ //	শ্ৰীমতী নিৰুপমা হাগজেৰ	৬৪
// সঁভাৰ প্ৰকাশন উন্মোচনী ভাষণ //	শ্ৰীবং লং তেৰা	৬৫
// বুৰঞ্জীসম্মিলনৰ সভাপতিৰ অভিভাষণ //	ড° ভুবনমোহন দাস	৬৬
// বুৰঞ্জীসম্মিলনৰ বিশিষ্ট বক্তাৰ ভাষণ //	শ্ৰীযজ্ঞাৰাম গগৈ	৮৫
	শ্ৰীফুকনচন্দ্ৰ যাংচ'	৯৪
	ড° গোপালচন্দ্ৰ মেধি	১০৬
// আলোচনা চক্ৰৰ উদ্বোধকৰ ভাষণ //	ড° নিৰ্মল প্ৰভা বৰদলৈ	১০৮
// আলোচনা চক্ৰৰ সভাপতিৰ অভিভাষণ //	ড° বীৰেন্দ্ৰনাথ দত্ত	১০৯
// আলোচনা চক্ৰৰ বিশিষ্ট বক্তাৰ ভাষণ //	শ্ৰীৰাজেন ৰাভা	১১৬
	শ্ৰীইন্দ্ৰেশ্বৰ পেগু	১৩৭
// কবি সম্মিলনৰ সভাপতিৰ অভিভাষণ //	শ্ৰীনলিনীধৰ ভট্টাচাৰ্য্য	১৪৬
// প্ৰধান সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন //	শ্ৰীদুৰ্গেশ্বৰ শৰ্মা	১৬৫
// উনপঞ্চাশৎ সম্মিলনৰ বিষয় বাচনী সভা //		১৭৮
// ডিফু অধিবেশন : এটি পৰ্য্যালোচনা //	শ্ৰীনৰেন্দ্ৰদেৱ শাস্ত্ৰী	১৯১
// শুভেচ্ছাবাণী //		২০৪

শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী
উনপঞ্চাশতম্ অধিবেশনৰ সভাপতি

অসম সাহিত্য সভা

উনপঞ্চাশৎ সন্মিলন, ডিফু

কাৰ্য্যসূচী

২৩ এপ্ৰিল শুক্ৰবাৰ : পুৱা ৮ বজাত পতাকা উত্তোলন ॥ ৮-৩০ বজাত স্মৃতি-তৰ্পণ ॥ ৯ বজাত স্মৃতিগ্ৰন্থ উন্মোচন ॥ ৯-৩০ বজাত সভাৰ প্ৰকাশন উন্মোচন ॥ ১০ বজাত প্ৰদৰ্শনীৰ দ্বাৰ-উদ্‌ঘাটন ॥ দুপৰীয়া ১২-৩০ বজাত বিষয়বাচনী সভা ॥ সন্ধিয়া ৬ বজাত সাংস্কৃতিক সমাৰোহ ॥ গধূলি ৮-৩০ বজাত বিষয়-বাচনী সভা ॥

২৪ এপ্ৰিল, শনিবাৰ পুৱা ৮-৩০ বজাত বুৰঞ্জী সন্মিলন ॥ দুপৰীয়া ১২-৩০ বজাত সভাপতিক লৈ শোভাযাত্ৰা ॥ দুপৰীয়া ১ বজাত প্ৰথম মেলি অধিবেশন ॥ সন্ধিয়া ৬ বজাত কবি সন্মিলন ॥ গধূলি ৮-৩০ বজাত সাংস্কৃতিক সমাৰোহ ॥

২৫ এপ্ৰিল, দেওবাৰ পুৱা ৮-৩০ বজাত আলোচনা-চক্ৰ ॥ দুপৰীয়া ১-৩০ বজাত দ্বিতীয় অধিবেশন ॥ সন্ধিয়া ৬-৩০ বজাত সাংস্কৃতিক সমাৰোহ ॥

দ্ৰষ্টব্য : ২২ এপ্ৰিল বৃহস্পতিবাৰ পুৱা ১০-৩০ বজাত কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক ॥ আবেলি ২ বজাত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দ্বাৰা প্ৰতিনিধি শিবিৰ মুকলি ॥

॥ উনপঞ্চাশৎ সন্মিলনৰ নিমন্ত্ৰিত বিশিষ্ট অতিথিসকল ॥

পতাকা উত্তোলন, স্মৃতি-তৰ্পণ আৰু সভাপতিত্ব কৰিব শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীয়ে ॥ স্মৃতিগ্ৰন্থৰ উন্মোচন শ্ৰীমতী নিৰুপমা হাগজেৰ ॥ সভাৰ প্ৰকাশন উন্মোচন শ্ৰীবংলং তেৰাং ॥ প্ৰদৰ্শনীৰ দ্বাৰ-উদ্‌ঘাটন : শ্ৰীমতী লবংগলতা বৰুৱা ॥ প্ৰথম সন্ধিয়াৰ সাংস্কৃতিক সমাৰোহৰ উদ্বো-

ধক শ্ৰীকামিনী নাজাৰী ॥ বুৰঞ্জী সন্মিলনৰ সভাপতি ড° ভুবন মোহন দাস, বক্তা : সৰ্বশ্ৰী ফুকন বাংচ', বজ্ৰোৰাম গগৈ আৰু ড° গোপাল চন্দ্ৰ মেধি ॥ প্ৰথম মুকলি অধিবেশনৰ উদ্বোধক শ্ৰীৰঘুনাথ সহায় ॥ মুখ্য অতিথি : ড° ভূপেন হাজৰিকা ॥ কবি-সন্মিলনৰ সভাপতি শ্ৰীনলিনীধৰ ভট্টাচাৰ্য্য ॥ কবি-সন্মিলনত বাইশগৰাকী বিশিষ্ট কবিয়ে অংশগ্ৰহণ কৰিব ॥ আলোচনা-চক্ৰ : বিষয়— অসমৰ লোক-সাহিত্যৰ বৈচিত্ৰ আৰু ঐক্য ॥ সভাপতি ড° বীৰেন্দ্ৰনাথ দত্ত ॥ উদ্বোধক : ড° নিৰ্ম্মলপ্ৰভা বৰদলৈ ॥ বক্তা : সৰ্বশ্ৰী ৰাজেন ৰাভা, তৰুণচন্দ্ৰ গোস্বামী ইন্দ্ৰেশ্বৰ পেগু আৰু তফজ্জুল আলি ॥ সন্মিলনত সম্বৰ্ধিত হ'ব শ্ৰীমতী বনেলি খংমেন ॥ শ্ৰীছং বে ॥ শ্ৰীমণিৰাম লাগন ॥

■ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকল, বড়ো সাহিত্য সভা আদি আগম কেবাং আৰু নামমেত আমেইৰ সভাপতিবৃন্দ আৰু প্ৰসিদ্ধ সাহিত্যিক ড° ভাবগ্ৰাহী নাথ শইকীয়া আৰু ড° দেবীপ্ৰসন্ন পট্টনায়ক বিশিষ্ট অতিথিস্বৰূপে সন্মিলনত অংশ গ্ৰহণ কৰিব ॥

— —

পতাকা অভিবাদন

শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী

প্ৰথমবাৰৰ বাবে কাৰ্বি আংলঙৰ ডিফুৰ ৰাংছিনা নগৰত অসম সাহিত্য সভাৰ ৪০ শং অধিবেশন অনুষ্ঠিত হোৱাত মই বৰ গৌৰৱ আৰু আনন্দ অনুভৱ কৰিছো। মোৰ দৃঢ় বিশ্বাস এই অধিবেশনে কাৰ্বি [illegible] অসমৰ বাকী কেইখন জিলাৰ ৰাইজৰ অধিক ওচৰ চপাই [illegible] পাৰিব।

আজি আমাৰ জাতীয় জীৱনৰ এটি অতি সংকটপূৰ্ণ মুহূৰ্ত্ত। ইয়াত সন্দেহ নাই যে আমি বিপদৰ মুখামুখি হৈ আছো, জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে অসমৰ গাঁও-নগৰৰ বসবাস কৰা সকলো লোকে ঐক্যবদ্ধভাৱে জাতীয় জীৱনৰ এই দুৰ্যোগৰ মুখামুখি হব পাৰিলে আমাৰ অস্তিত্ব যে কোনেও ধ্বংস কৰিব নোৱাৰে তাত অকণো সন্দেহ আৰু শংকা নাই। এই কথা আমি মনত ৰাখিব লাগিব যে যিসকলে অসমৰ অস্তিত্ব বিপদাপন্ন কৰিছে তেওঁলোক অবল অসমৰেই শত্ৰু নহয় ভাৰতবৰ্ষৰো শত্ৰু। এই শত্ৰুসকলে ধৰ্ম, ভাষা, সম্প্ৰদায়ৰ নামত আমাৰ জাতীয় জীৱন দুৰ্বল কৰিবলৈ চেষ্টা কৰিছে। এই চক্ৰৰ লোকসকলক সকলোৱে চিনি পাবলৈ যত্ন কৰিব লাগে। তেওঁলোকৰ প্ৰৰোচনামূলক কথাত পৰি যেন আমাৰ পুৰণিকলীয়া ঐতিহ্য আৰু সংহতি ধ্বংস হবলৈ দিব নালাগে। আমাৰ সংহতি আৰু পাৰস্পৰিক বিশ্বাসৰ ওপৰতে আমাৰ জাতীয় জীৱনৰ শক্তি নিৰ্ভৰ কৰিছে।”

শ্ৰীব্ৰহ্ম চৌধুৰীয়ে আৰু কয় “অসম সাহিত্য সভাই অকল অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে যত্ন কৰিয়ে ক্ষান্ত থকা নাই। সভাই অসমৰ জনজাতীয় ভাষা আৰু সংস্কৃতিৰ বিকাশৰ বাবেও আঁচনি হাতত লৈ কাম আৰম্ভ কৰিছে। ই বৰ সন্তোষৰ কথা। অসমৰ জনজাতীয় আৰু অজনজাতীয় সকলোলোকেই সাহিত্য সভাৰ কামত সহযোগ কৰিলে অসমীয়া ভাষাৰ লগতে জনজাতীয় ভাষা সমূহৰ বিকাশ সাধন নিশ্চিত ভাৱে সম্ভৱপৰ হব।”

(শ্ৰীব্ৰহ্মচৌধুৰীৰ মৌখিক ভাষণৰ ভিত্তিত এই টোকা যুগুত কৰা হৈছে - সম্পাদক)

অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আদৰণি ভাষণ

শ্ৰীছত্ৰছিং টেৰণ

অসম সাহিত্য সভাৰ সভাপতি পৰম শ্ৰদ্ধাভাজন শ্ৰীব্ৰজ চৌধুৰী দেৱ, উদ্বোধক শ্ৰীসহায় দেৱ প্ৰমুখে পূজনীয় সুধীবৃন্দ মাননীয় প্ৰতিনিধিসকল সমবেত ৰাইজ, আইসকল আৰু মৰমৰ ছাত্ৰ ছাত্ৰীসকল।

জয়ে জয়ে বহাগী সুবাসেৰে নতুন বছৰৰ লগে লগে জনাইছো আপোনা-সকললৈ আমাৰ সৌহাৰ্দ্যপূৰ্ণ আদৰণি জনাইছোঁ। আপোনাসকলৰ পদাৰ্পণত আজি ডিফু চহৰ তথা সমগ্ৰ কাৰ্বি আংলংবাসী ৰাইজ ধন্য হৈছে। ঊনপঞ্চাশতম অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ হৈ আপোনাসকলক আদৰণি জনোৱাৰ ভাৰ এই অভাজনৰ ওপৰত পৰিছে, এনে মহৎ কামৰ বাবে নিজকে অযোগ্য বুলি জানিও, সমিতিৰ আদেশ শিৰত লৈ আপোনাসকলৰ সন্মুখত আদৰণিৰ শৰাইখন সভক্তিৰে দাঙি ধৰিছোঁ। আপোনাসকলক যেনে ভাবে সেৱা-শুশ্ৰূষা কৰিব লাগে তেনেভাৱে কৰাৰ শক্তি সামৰ্থ আমাৰ দুখীয়া চাং-ঘৰৰ নাই। আমাৰ শক্তিৰে যি ক্ষুদ্ৰ আয়োজন কৰা হৈছে, তাতে যেন নিজ গুণে সন্তুষ্ট হয় আৰু সত্য সুন্দৰৰ মহান আলোকেৰে আমাক আশীৰ্বাদ কৰি থৈ যায়—এয়ে ভৰসা।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অতিথিসকলৰ আমাৰ কাৰ্বি জন জীৱনৰ সুৰুক উপলব্ধিৰ অৰ্থে আহি যিখন পাহাৰত একত্ৰিত হৈছেহি, এইখনেই পুণ্য ক্ষেত্ৰ ৰাংছিনা নগৰ। আপোনাসকলে জানি নিশ্চয় সুখী হ'ব যে কাৰ্বি সকল সংগীত প্ৰিয়। জন্মৰ পৰা মৃত্যুলৈকে সামাজিক নীতি নিয়মবোৰ গীতেৰেই সমাধান কৰা হয়। গীত আৰু ছন্দৰ সাৱলীল গতিৰে কাৰ্বিসকলৰ জীৱন প্ৰবাহক কালজয়ী কৰি তোলাত পুণ্যক্ষেত্ৰ ৰাংছিনা ছাৰপ'ৰ অৱদান অপৰিসীম। ঋমখেতিৰ পলসেৰে গঢ়া কাৰ্বি সংস্কৃতিৰ বুনিয়াদস্বৰূপ সংগীত আৰু কলাৰ বৈচিত্ৰময় ৰূপেৰে তেখেতে গঢ়ি থৈ গ'ল। লিপি-সাহিত্যৰ পৰা আঁতৰি থকা

জনগোষ্ঠী এটাই জীৱনৰ কাহিনীৰে বৰ্ণক গীতৰ কথা আৰু সুৰেৰে অনন্ত কাললৈ ধৰি ৰখাৰ বাবে যি মানসিক সাধনাৰ আৱশ্যক তেনে সাধনা মহান কলাকাৰ ৰাংছিনা ছাৰপৰ আশীৰ্বাদত কাৰ্বিসকলে লাভ কৰিছে। স্মৰণ যোগ্য যে স্বৰ্গ গমনৰ পবিত্ৰ ক্ষণত ৰাংছিনা ছাৰপাই কাৰ্বিসকলক এই অন্তিম বাণী দিছিল —

ম' পিৰথে লংলে ইংতাংক্
কাৰ্বি লুন আংথুন দপ'।

ইয়াৰ ভাৱাৰ্থ হ'ল এনে ধৰণৰ — নতুন যুগৰ পৃথিবীত, কাৰ্বি সংগীতৰ পৰম্পৰা পোহৰলৈ হৈ উঠিব।

এই মহান কলাকাৰৰ পবিত্ৰ স্মৃতিৰে গঠিত ডিফু চহৰৰ ৰাংছিনা নগৰত আপোনালোকক আদৰিবলৈ পাই আমি অভিভূত হৈছোঁ। আশা বান্ধিছোঁ ৰাংছিনাৰ অমৃতস্পৰ্শী সুৰে অসমৰ বিস্তীৰ্ণ জন-গোষ্ঠীক নতুন পথৰ সন্ধান দিব আৰু অসমৰ ভাষা সাহিত্যসংস্কৃতিয়ো নতুন ৰূপত পুনৰ প্ৰকাশ হৈ উঠাত প্ৰেৰণা দিব।

সাহিত্য সংস্কৃতিৰ সাধক পূজাৰীসকল !

অসম সাহিত্য সভাৰ সোণালী জয়ন্তী উৎসৱৰ আগমুহূৰ্তৰ অধিবেশন-খনি কাৰ্বি আংলঙৰ পবিত্ৰ ভূমিত অনুষ্ঠিত কৰিবলৈ সুযোগ দিয়াত আমি গৌৰৱবোধ কৰিছোঁ। বহু যুগৰ পৰাই অপ্ৰকাশিত হৈ থকা কাৰ্বি আংলঙৰ মাটি আৰু মানুহৰ চেতনাক আপোনাসকলৰ আগমনে উদ্বুদ্ধ কৰি তুলিছে। কাৰ্বি আংলঙৰ আকাশত আজি নতুন সূৰ্যৰ উদয় হৈছে। কাৰ্বি ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰতিটো ৰেণুৱে আজি নৱসূৰ্যৰ সুকোমল ৰশ্মিৰে উদ্ভাসিত হৈছে আৰু জাতীয় জীৱনৰ মূল প্ৰবাহৰ লগত প্ৰবাহিত হোৱাৰ মহাৰ্ঘ সুযোগ লাভ কৰিছে। আমাৰ জাতীয় জীৱন তথা জাতীয় সাহিত্যত অসমৰ বৰ্ণাঢ্য জনগোষ্ঠীৰ স্বাভাৱিক সংমিশ্ৰণৰ ঐতিহাসিক সত্যক স্বীকাৰ নকৰাৰ কোনো অৰ্থ নাই। আজি অনুষ্ঠিত চহৰখনৰ ব্যুৎপত্তিগত অৰ্থই এনে সংমিশ্ৰণৰ উজ্জ্বল দৃষ্টান্তকে দাঙি ধৰিছে। আপোনা সকলে জানে যে কাৰ্বি আংলঙৰ হৃদপিণ্ড স্বৰূপ এই ডিফু চহৰখন লুমবাজং অঞ্চলৰ মধ্যভাগত অৱস্থিত। এই চহৰৰ পশ্চিম দিশত লুৰ্নাডিং পাহাৰ, যাৰ আধুনিক নাম হ'ল লামডিং, উত্তৰ দিশত খাবামন ডিলাই দক্ষিণ-পূৱ দিশত সৰু বৰ পাহাৰৰ মাজত অৱস্থিত এই বহল মালভূমি সদৃশ অঞ্চলৰ নামেই লুমবাজং। এই শব্দটোৰ মূল খাছী ভাষা, যাৰ অৰ্থ হ'ল—কজলা মালভূমি। এই কজলা-বৰ্ণী মালভূমিৰ বুকুৰেদি প্ৰবাহিত হৈ যমুনা নৈত মিলিত হোৱা একা বেঁকা নৈ খনৰ পৰিচিত নাম হ'ল— ডিফু। নদীসূচক

এই নামটোত ডিমাছা কছাৰীসকলৰ প্ৰভাৱ স্পষ্ট। 'দি' অৰ্থে পানী আৰু 'ফু' অৰ্থে বোলা ৰঙক বুজাইছে। অৰ্থাৎ এই নৈখনৰ পানীৰ স্বাভাৱিক বৰণ হল বোকা আৰু সেই কাৰণেই কছাৰী জনগোষ্ঠীয়ে নৈখনৰ পৰিচয় দিলে দিফু। খাচী আৰু কছাৰীৰ সাংস্কৃতিক স্পৰ্শ থকা ডিফু নৈৰ দুয়ো পাৰৰ এই নতুন চহৰখন কাৰ্বি জনগোষ্ঠীৰ ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰাণ কেন্দ্ৰ ৰূপে আজি পৰিগণিত হল এইয়া জনগোষ্ঠী সংমিশ্ৰণৰ তৃতীয় স্তৰ। অসম সাহিত্য সভাখন এনে-হেন চহৰত অনুষ্ঠিত হোৱাত অসমৰ সাহিত্য সংস্কৃতিৰ মৌলিক উপাদান বোৰক অসমীয়া সংস্কৃতিৰে হৃদয়াঙ্গম কৰাত আমাক সহায় কৰিলে। অসমৰ এই ঐতিহাসিক প্ৰক্ৰিয়াক বাস্তৱ ৰূপ প্ৰেক্ষাপটৰূপত উদ্ভাসিত কৰা দেখিবলৈ পাই আমি কাৰ্বি আংলংবাসী বাইসকল অতি আনন্দিত হৈছো।

অসমৰ সুবৃহৎ এই জাতীয় অনুষ্ঠানটিক থাকি অনা জিলাখন অসমৰ ৰাজনৈতিক মানচিত্ৰত তেনেই নতুন। বহুতো দুৰ্যোগ সৃষ্টি কৰি জীয়াই থকা অসমৰ কাৰ্বি সকলৰ গভীৰ আশা-আকাংক্ষাক ৰূপায়িত কৰিবলৈ এখন জিলাৰ বাস্তৱ প্ৰয়োজনীয়তাৰ কথা দূৰদৃষ্টি সম্পন্ন কাৰ্বি পুৰুষ স্বৰ্গীয় সেমছন সিং ইংতিয়ে উপলব্ধি কৰিছিল। তেওঁৰ লগতে আৰু বহুকেইজন কাৰ্বি পুৰুষৰ ঐকান্তিক প্ৰচেষ্টাৰে গঠিত 'কাৰ্বি আদৰ-বাৰ'ৰ দাবীক সন্মান জনাই সুকীয়া মিকিৰ পাহাৰ জিলাখন গঠিত হল। 'মিকিৰ' নামটোৱে কাৰ্বি জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশত সীমা-বদ্ধতা থকা হেতুকে 'মিকিৰ পাহাৰ'ৰ সমান্তৰাল ৰূপত "কাৰ্বি আংলং" নামকৰণ কৰা হ'ল। কাৰ্বি শব্দ নামটোৱে যদিও কাৰ্বি জন-গোষ্ঠীক আলোকপাত কৰিলেও এইখন জিলাত বসতি কৰা সকলো জন গোষ্ঠীৰ লোককেই সমানভাৱে আলোকপাত কৰিছে। স্বৰূপ তথ্যত কাৰ্বি আংলংখন বৰ্তমান ক্ষুদ্ৰ অসম ৰূপত পৰিণত হৈছে। এই জিলাখনত বসবাস কৰা ডিমাছা, নগা, ৰেংমা নগা, কুকি, সিন্টু খাচীয়া, গাৰো - উত্তৰ-পূৰ্ব ভাৰতৰ এই বিভিন্ন জনগোষ্ঠীৰ উপৰিও অসমীয়া ভাষী, নেপালী চাহ-শ্ৰমিক, বিহাৰী আদি লোকসকলে জিলা পৰিষদৰ মাধ্যমত আত্ম প্ৰকাশৰ সুবিধা পাইছে। এইখন স্বায়ত্ব শাসিত জিলা হেতুকে অসমৰ আন জিলাবোৰৰ প্ৰশাসন কাৰ্য্যৰ লগত একে নহয়। কাৰ্বি সকলৰ আৰ্থ সামাজিক বিকাশৰ মূল গাঠনিৰ লগত ভাষা সাহিত্য সংস্কৃতিক স্বকীয় বিকাশৰ পথ মুকলি কৰি ৰখাৰ ক্ষমতা জিলা পৰিষদৰ হাতত সংবিধানে হস্তান্তৰ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ জন জাতিসকলৰ আত্ম বিকাশৰ ক্ষেত্ৰত স্বৰ্গীয় জৱাহৰলাল নেহেৰুৰ দৃষ্টিভঙ্গী অতি স্পষ্ট আছিল। তেখেতে এইদৰে লেখিছে— 'I felt that we should avoid two extreme courses one was to treat them as anthropological specimens for study and the other was to allow them to be engulfed by the masses of Indian humanity People should develop along the lines of their own genious and we should avoid imposing anything on them We should try to encourage in everyway their own traditional art and culture 'অসম সাহিত্য সভাৰ দৃষ্টিভঙ্গীতো এনে আদৰ্শ নিহিত আছে। এনে আদৰ্শৰ প্ৰতি আস্থা থকা বাবেই ৰংচিনা নগৰ আজি পবিত্ৰ তীৰ্থস্থানলৈ ৰূপান্তৰিত হ'ল। এনে মহাৰ্ঘ সুযোগেৰে আমি সাংস্কৃতিক সেৱা কৰিবৰ পোৱাত কাৰ্বি আংলং আজি নিজেই ধন্য হৈছে।

আধুনিক ৰাজনৈতিক জীৱনত যদিও তেনেই নতুন কাৰ্বিসকলৰ সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশবোৰ তেওঁলোকৰ লোকসাহিত্য আৰু লোক-কথাৰ মাজেৰে সোমাই আছে। পাহাৰৰ নৈসৰ্গিক পটভূমিত ঝুম-খেতীৰ উৰ্বৰ মাটিত, পুণ্যকুটিৰ দুচনীয়া চাং-ঘৰত, জুইশাল অপবিমেয় শান্তিৰ সান্নিধ্যত, কাৰ্বিসকলৰ সাংস্কৃতিক আৰু আধ্যাত্মিক চিন্তাৰ ভেটি নিৰ্মিত হৈছে। জীৱন সংগ্ৰামৰ বাস্তৱ স্মৃতিৰ পৰা আহৰণ কৰা অভি-জ্ঞতাই তেওঁলোকৰ কোমল অন্তৰত গীতি সাহিত্যৰ পৰিস্ফুৰণ ঘটাইছে। ৰাজা যেতিয়াই বনবাসত ঘূৰি ফুৰা পঞ্চ পাণ্ডৱৰ দৰেই ছদ্ম বেশৰ যুগ-তেই কাৰ্বিসকলেও ৰাজ্য হেৰুৱাই ইংতি, ইংহি তেৰণ, তেৰাং আৰু তিমু — এই পঞ্চ ভ্ৰাতৃয়ে চিনথং, ৰংহাং, আমৰি, নিলীপ-লুম বাজঙৰ বিস্তীৰ্ণ বনাঞ্চলত ভ্ৰমি নতুন জীৱনৰ স্বপ্ন ৰচিছিল। তেওঁলোকৰ জীৱন-বুৰঞ্জীত বহুতো ক্ষণজন্মা পুৰুষৰ সৃষ্টিও হৈছিল। কাৰ্বি সংস্কৃতিত সেই ব্যক্তিসকলৰ দেৱত্ব আৰোপিত উত্তৰণ ঘটি জাতিৰ বাবে চিৰ নমস্য হৈ ৰ'ল।

হেমফু, মুক্ৰাং ৰাছিংজা — এই তিনিগৰাকী দেৱতাক আধাৰ কৰি কাৰ্বি সমাজখন ঠন ধৰি উঠিছে। এই ত্ৰিদেৱতাৰ উপৰিও বিভিন্ন দেৱ-দেৱীৰ বিশ্বাসত গঢ় লোৱা কাৰ্বি সমাজখনত সময়ত কিছু বিশৃংখলতাই দেখা দিছিল। এনে সন্ধিক্ষণত কৃষিজীৱি সমাজ এখনৰ বাবে প্ৰয়োজনীয় সমাজ-গাঠনিক ব্যৱহাৰমে সংস্কাৰ কৰি থৈ গ'ল। লিন্দকপ', পিনপ,

হাবে আদিৰে কাৰ্বি সমাজতন্ত্ৰৰ ইতিহাস ৰচি থৈ গ'ল। এনে সুস্থিৰ সমাজ এখনত থং টেৰণৰ বীৰত্ব, ৰংফাৰপীৰ স্বজাতি প্ৰীতি, ৰাংছিনা ঢাৰপ'ৰ সংগীত, কাছেন ককাৰ নীতি-নিয়মৰ ঐতিহাসিক গীত, ছেৰদিহুনৰ বখন শিল্প, থিৰে ৰাংহাঙৰ চমাংকান নৃত্য— এইবোৰ কাৰ্বি লোকগাঁথাৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ। এই সম্পৰ্কে সাহিত্যিক বন্ধুবৰ শ্ৰীলংকাম টেৰণে "কাৰ্বি জনগোষ্ঠী" নামৰ কিতাপত বহলাই আলোচনা কৰিছে।

কাৰ্বি সাহিত্য এতিয়াও মৌখিক স্তৰতে আছে। আমাৰ শ্ৰদ্ধাভাজন স্বনামধন্য কাৰ্বি সাহিত্যিক শ্ৰীবংলং তেৰাং দেৱে নৃকাছেন, আদাম আছাৰ হাঙ্গৈ হেৰ হৃথম, কাৰ্বি ক'পুছন, আৰং আতে, আদি কাৰ্বি লোক সাহিত্যৰ আকৰবোৰ উদ্ধাৰ কৰি কাৰ্বি সাহিত্যৰ ভেটি নিৰ্মাণ কৰিলে। আধুনিক কাৰ্বি সাহিত্য সৃষ্টিত শ্ৰীতেৰাঙৰ অৱদান উল্লেখযোগ্য হৈ ৰব। কাৰ্বি লোক-সাহিত্যৰ সম্পূৰ্ণ উদ্ধাৰ এতিয়াও বহুত বাকী। অসমীয়া সাহিত্যৰ লগত কাৰ্বি সাহিত্যৰ সংযোগ এতিয়াও বিচ্ছিন্নপ্ৰায়। আশা কৰিছো, অসম সাহিত্য সভাৰ মঞ্চই এনে দূৰত্ব আঁতৰ কৰিবলৈ সক্ষম হ'ব।

এনে দৃষ্টিভঙ্গী আগত ৰাখি ১৯৫৯ চনত ডিফু শাখা সাহিত্য সভাৰ জন্ম হয়। এই অভাজনক প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্ব দি ১৯৫৯ চনৰ ৮ আগষ্টৰ দিনাখন সভাৰ প্ৰথম বৈঠক বহুৱা হৈছিল। শ্ৰীগঙ্গাধৰ গোস্বামীক সম্পাদকৰ দায়িত্ব দি সভাৰ কাৰ্য্য আৰম্ভ কৰা হৈছিল। এমুঠি মানুহৰে গঢ়া ডিফু শাখা সাহিত্য সভাখন এতিয়া বৃহৎ ৰূপ লৈ অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলনৰ দৰে বৃহৎ অনুষ্ঠানক আদৰিবৰ শক্তি লাভ কৰিলে। মোৰ বন্ধুবৰ স্বৰ্গীয় চন্দ্ৰসিং টেৰণে ১৯৬১ চনত পোন প্ৰথমবাৰৰ বাবে কাৰ্বি আংলং জিলাৰ কাৰ্য নিৰ্বাহক সদস্য ৰূপে দায়িত্ব বহন কৰি, আমাৰ উদ্দেশ্যক সফল কৰিলে। ডিফু ক্লাব ঘৰত অনুষ্ঠিত কাৰ্য নিৰ্বাহকৰ বৈঠকখনে অসম সাহিত্য সভাৰ লগত সংযোগৰ শুভ সূচনা কৰে। সপ্তম লেখক শিবিৰ ডিফু চহৰত অনুষ্ঠিত কৰি সাহিত্য-সংস্কৃতি বিনিময়ৰ পাতনি মেলা হয়। ডিফু শাখা সাহিত্য সভাই নিজা ৰবীয়াকৈ পুথি প্ৰকাশনৰ আঁচনি হাতত লৈ প্ৰতিধ্বনি, কাৰ্বি প্ৰসঙ্গ, ছাবিন আলুন— এই তিনিখন পুথি প্ৰকাশ কৰি কাৰ্বি জীৱনত আলোকপাত কৰাৰ প্ৰচেষ্টা লোৱা হ'ল। ডিফু শাখা সাহিত্য সভাৰ এটি থূলমূল পৰিচয় আমাৰ মহান অতিথিসকলক অৱগত কৰাৰ লোভ সামৰিব নোৱাৰাৰ বাবে ক্ষমা কৰিব।

অসমৰ সাহিত্য-সংস্কৃতিৰ সেবক সেৱীকাসকল। কাৰ্বি আংলং জিলাৰ সকলো শাখা সাহিত্য সভাৰ পূৰ্ণ সহযোগত ডিফু শাখা সাহিত্য সভাই উনপঞ্চাশতম অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনখন ডিফু চহৰত অনুষ্ঠিত কৰাৰ সাহস পালে। এইখিনিতে স্মৰণযোগ্য যে সভাখন ইয়ত অনুষ্ঠিত হোৱাৰ বিভিন্ন মহলৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কাৰ্বি আংলঙৰ বাহিৰ মানুহে অসম সাহিত্য সভাখনক আদাৰ অনাৰ মূলত অসমীয়া ভাষা সাহিত্য-সংস্কৃতিক জনজাতীয় বন্ধুসকলৰ ওপৰত জাপি দিয়াৰ উদ্দেশ্য নাই। আমাৰ মূল লক্ষ্য হল অসম সাহিত্য সভাৰ পদাৰ্পণে আমাৰ কাৰ্বি যুৱক-যুৱতীৰ বৌদ্ধিক চেতনাৰ জাগ্ৰত কৰিব আৰু সৃষ্টিশীল চেতনাৰে বিশ্ব সংস্কৃতিৰ লগত পৰিচয় ঘটাব। এনে ধৰণৰ বিকাশৰ বাবে আমাৰ সদায়তে সুস্থ, সুন্দৰ আৰু নিৰাপদ পৰিবেশৰ আৱশ্যক। এনে পৰিবেশ সাহিত্য সভাৰ নিচিনা সাংস্কৃতিক মঞ্চইহে গাঢ়ব পাৰে বুলি আমাৰ দৃঢ় বিশ্বাস আছে কাৰ্বি আংলং অসমৰেই এখন জিলা। কাৰ্বিসকলৰ সমাজ, সংস্কৃতি অৰ্থনৈতিক বিকাশ ঘটিলে অসমৰো বিকাশ ঘটিব। আমাৰ পৰম্পৰা সমাজ জীৱনৰ ওপৰত বিশ্বাস ৰাখি প্ৰগতিৰ পথত অগ্ৰসৰ হোৱা উচিত এইখিনিতে কবি T S Eliot ৰ এষাৰ কথা মনলৈ আহিল তেওঁ এনেদৰে লিখিছে— Our problem being to form the future we can only form on it the materials of the past we must use our heredity instead of denying it" তেওঁৰ পূৰ্বপুৰুষৰ জনগোষ্ঠীৰ সংস্কৃতিক পৰম্পৰাক ভেটি স্বৰূপে লৈ সেইসকলক বিকশিত কৰাৰ মহান দায়িত্ব অসম সাহিত্য সভাৰ আছে। এনে পৰিবেশ গঢ় তুলিবলৈ হ'লে বৃহৎ আকাৰৰ পৰিবৰ্তে লেখক শিবিৰৰ লেখীয়া কম খৰচৰ অনুষ্ঠানৰ মাজেৰে পাহাৰী জনগোষ্ঠীৰ অঞ্চলবোৰলৈ সভাৰ স্থান স্থিৰ কৰি সেই অঞ্চলৰ জনসাধাৰণক প্ৰকাশৰ সুবিধা দিব লাগে। অসমীয়া ভাষা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰেই ই উমৈহতীয়া ভাষা স্বৰূপ আৰু সেয়েহে এই ভাষাৰ বাস্তৱ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰাৰ কোনো অৰ্থ নাই। অসমীয়া সাহিত্য সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ অৱদান সকলোৰে জনা কথা। অসম সাহিত্য সভাৰ আগমনে কাৰ্বি আংলঙৰ সাহিত্য প্ৰাণ কাৰ্বি যুৱক-যুৱতীসকলৰ অন্তৰত আলোক পাব নিশ্চয় কৰিছোঁ। কাৰ্বি জীৱনৰ বিভিন্ন দিশক সাৰ্মাৰ প্ৰকাশ কৰা সাহিত্য সংকলনবোৰে কাৰ্বি সাংস্কৃতিক সম্পদবোৰক পোহৰলৈ অহাত সাহিত্য সভাৰ অধিৱেশনে পৰিবেশ ৰচনা কৰিলেহি।

বন্ধুসকল। পূবৰ বৃহৎ অসমখনৰে এতিয়া সাতখনীকৈ আমি ৰূপান্তৰিত হওঁ। ৰাজনৈতিক কাৰণত যদিও আমি পৃথক হ'লো আৰ্থ-সামাজিক সাংস্কৃতিক ক্ষেত্ৰত আমি পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল উত্তৰ-পূৰ্বাঞ্চলত বৈচিত্ৰ্যময় জন-গোষ্ঠীৰ ভাষা, উপভাষা দোৱানেৰে পৰিপূৰ্ণ। এনে ক্ষেত্ৰত জনজাতীয় সাহিত্যিক সকলৰ চিন্তনীয় বিষয় হ'ল— প্ৰকাশৰ মাধ্যম। এইটো অতি স্বাভাৱিক কথা যে বড়ো ভাষাত সাহিত্য সৃষ্টি কৰিলে কাৰ্বি পাঠকৰ বাবে বোধগম্য নহ'ব। তেনেদৰে কাৰ্বি ভাষাৰে লিখা সাহিত্যও বড়োসকলৰ বাবে অৰ্থহীন কথা। আনকি নগাভূমিৰ আও ভাষাত লিখা সাহিত্যই আংগামী সেমা গোষ্ঠীৰ বাবে কোনো কামতে নালাগিব। গতিকে জনজাতীয় ভাষাৰে সৃষ্টি হোৱা সাহিত্যৰ সম্ভাৰবোধক বিশ্বৰ বহল মানৱ গোষ্ঠীলৈ আগবঢ়াবলৈ হ'লে আমাৰ উমৈহতীয়া অসমীয়া ভাষাৰে ভাঙনি কৰি প্ৰকাশ কৰিব লাগিব। এই কাম অতি কষ্টকৰ। কিয়নো জনজাতীয় ভাষাজ্ঞান নাথাকিলে এইবোৰৰ ভাঙনি সম্ভৱপৰ নহয়। সেইবাবেই আমি ভাবোঁ অসমীয়া সাহিত্য। বন্ধুসকলে জনজাতীয় ভাষাক হৃদয়ঙ্গম কৰি অসমীয়া সাহিত্যৰ মাজেৰে তাদৰি নিৰীক্ষণ যত্ন কৰক এনে কৰিলে উত্তৰ পূৰ্বাঞ্চলৰ বৈচিত্ৰ্যময় সাহিত্য প্ৰকাশ হ'ব জাতীয় সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিব আৰু আমাৰ পুৰণি সম্প্ৰীতিৰ এনাজৰীডালো অটুট হৈ ৰ'ব।

উত্তৰ-পূৰ্বাঞ্চলৰ মহীয়া স্মৃতিৰ বাবে অসম সাহিত্য সভাৰ যথেষ্ট দায়িত্ব আছে এয়া দায়িত্বৰ কথা। উপলব্ধি কৰিব পাৰি তাৰ প্ৰকাশত, অসম সাহিত্য সভাখন ছিসাৎ অধিবেশনৰ আঠাইছ বছৰৰ মূৰত পোনপ্ৰথম বাৰৰ বাবে পাহাৰৰ জন জীৱনৰ পটভূমিত অনুষ্ঠিত কৰিছো। এনে সাহিত্য সভাৰ এইয়া নিশ্চয় শুভ পদক্ষেপ। পাহাৰৰ জীৱনক উপলব্ধি কৰাৰ বাবে এনে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ অনুৰোধ জনালো। আমাৰ মন সদায় মুকলি। মুকলি মন লৈ আমি আপোনালোকৰ বাবে ... এক ... ভাষা জনজাতীয় ভক্তিৰ পুষ্পাৰ্ঘ্য নিবেদন কৰিছোঁহি এই মহান কামত সফল কৰি তোলা নগালেণ্ডকে প্ৰমুখ্য কৰি অসমৰ সকলো লোকৰ আন্তৰিক সাহায্যৰ আহ্বানে সম্ভৱ হৈছেহেঁতেন। এনে অভূতপূৰ্ব সহযোগৰ আমাৰ জনতাৰ বাবে অভ্যৰ্থনা সমিতিৰ পৰা আমি সমূহ ৰাইজলৈ আন্তৰিক শলাগ জনালোঁ। বহু বাধা-বিঘিনি মূৰ পাতি লৈ অনুষ্ঠিত হোৱা এই সভাত অতিথি সকলৰ প্ৰতি সভাৰ প্ৰতিনিধি সকলৈ ... শুশ্ৰূষা ... নিশ্চয় বিচ্যুতি ঘটিছে। আশা কৰিছো আমাৰ ভুলশোধক মাৰ্জনা কৰি আমাৰ সম্প্ৰীতিক চিৰসেউজীয়া কৰি ৰখাত অবিহনা যোগাওক।

— —

উদ্বোধনী ভাষণ

শ্ৰীৰঘুবীৰ সহায়

সমবেত বন্ধু সকল আৰু সহযোগী সকলোলোককে মোৰ আন্তৰিক অভিবাদন জনাই মোৰ কৃতজ্ঞতাও জ্ঞাপন কৰিছোঁ এই কাৰণে যে মোক এই সন্মান যাচি এনে এখন সভী সমাজৰ আগত মোৰ কথা দুআষাৰ কবলৈ [illegible] এটা সুবিধা দিয়া হৈছে।

আমাৰ দেশলৈ এতিয়া এনে এটা সংকটৰ সময় আহি পৰিছে যে [illegible] চিন্তা আৰু কৰ্মৰ যোগসূত্ৰ একেবাৰে ক্ষীণ হৈ পৰিছে। কেৱল চিন্তাই কৰ্মৰ ঠাই [illegible] লোৱাৰে আৰু কৰ্ম ও আচৰণ চিন্তাৰ অবিহনে দিশাহাৰা হৈ পৰে। দুয়োৰে [illegible] পাৰস্পৰিক [illegible] সৃষ্টি [illegible] হওক বা বেপৰোৱা হওক। এনে হব পাৰে যে সমাজৰ কোনো আৱশ্যকীয় [illegible] আৰু [illegible] সুসমন্বয় [illegible] সম্ভৱ নহয়।

আজি আমি [illegible] যে, স্বাধীনতা [illegible] কৰা সংগ্ৰামৰ নাধানত [illegible] সেইবোৰ জন শক্তি [illegible] বিকশিত হব পৰা নাই। সেইবোৰত শক্তিৰ [illegible] শুকাই গৈছে। কোনো [illegible] আশা আকাংক্ষাৰ [illegible] নীতি আৰু নেতৃত্বৰ আলোক [illegible] প্ৰকাশ [illegible]। [illegible] সংগ্ৰাম [illegible] অসামঞ্জস্য ভাবে খুলি পেলাইছে আৰু সেই কাৰণেই [illegible] ভবিষ্যত [illegible] পাৰিছে। [illegible] সবহঁদৰ আলোচনা [illegible] কৰিবে।

আজি আমাৰ [illegible] অৱস্থা আহিছে। সমাজৰ ভাবধাৰা আৰু [illegible] ইচ্ছা [illegible] কোনো নৈতিক সম্পৰ্ক নাই। [illegible] দল আছে আৰু এ [illegible] আছে। [illegible] কামনা কৰাৰ বাহিৰে আন কোনো দৃষ্টিভংগীৰ [illegible] নাই। সাহিত্য, কলা ইতিহাস বিজ্ঞান আদি বিষয়বোৰকো [illegible] বন্ধু বুলি মানি সামুহিক জীৱনৰ এই দিশ বোৰতো হস্তক্ষেপ কৰে। মানৱ জীৱনৰ এই বিভিন্ন ক্ষেত্ৰভূমিত সামগ্ৰিক গতিবিধিয়ে নাগৰিক নায়ক যে

এটা ৰাজনৈতিক সত্তা দিয়ে সেই কথা বৰ্তমান ৰাজনীতিয়ে পাহৰিয়ে পেলাইছে। ইয়াৰ নিয়ামক সকলৰ মনত নতুন সমাজ এখনৰ স্বভাৱ কল্পনা বাসনা-ক্ষমতা ভোগৰ ধাৰণাৰে আৰম্ভ হয় আৰু তাতে শেষো হয়। ফল স্বৰূপে যি বোৰ লক্ষ্য সাধন কৰিবৰ উদ্দেশ্যে শাসন ক্ষমতা পোৱাটো উচিত বুলি ভবা হয় তেনে উদ্দেশ্য পূৰণৰ বাবে কোনো সময়েই নাথাকে। সেই বাবেহে শাসন ক্ষমতা পোৱাৰ পিছত, তাক নিষ্কণ্টক কৰি ৰাখিবলৈ যি ধৰণে কাম কৰা হয়, সেইবোৰ সভ্যৰ ক্ষমতা পোৱাৰ আগতে ঘোষণা কৰা লক্ষ্য সমূহৰ পৰিপন্থী হৈ পৰে। তথাপি ৰাজনৈতিক দল বোৰৰ বাহিৰত থকা যুৱশক্তিৰ মাজত সামগ্ৰিক দৃষ্টিভংগীৰ প্ৰতি হেঁপাহ নিশ্চিত ভাবে আজিও জাগ্ৰত হৈ থকা দেখি চাই অন্তশ্যে এইটো আশা কৰিব পাৰি যে আজিৰ পতনশীল বাতাবৰণতো চিন্তা আৰু কৰ্মৰ ছিন্ন হোৱা যোগসূত্ৰ পুনৰ জোৰা দিব পৰা হব। পিছত সেই ৰাজনৈতিক দলাদলিৰ বাহিৰত হব লাগিব। আজি দেশৰ আশাও সেয়ে।

ৰাজনৈতিক দলবোৰৰ এনে চৰিত্ৰ অৱশেষত গঠিত হব পোৱা নাছিলহেঁতেন। প্ৰচাৰ মাধ্যমবোৰৰ আৰু উপভোক্তা সংস্কৃতিৰ বিবিধ বিজ্ঞাপনে দিনে নকল আক্ৰোশ ভুৱা জনহিত আৰু মিছা পৰিৱৰ্তন প্ৰীতিয়ে বাহ্যিক মৰ্য্যাদা বঢাইছে। পৰিণাম স্বৰূপে গভীৰতাৰ মাজত আড়ম্বৰহীন ভাবে হবলগা কোনো সৃষ্টিশীল কামৰ বাবে ঠায়েই নাইকিয়া হল। মানুহৰ ন্যায়সঙ্গত অধিকাৰৰ বাবে সংগ্ৰামৰ ইতিহাস, তাৎকালিক স্বাৰ্থপূৰণৰ লোভৰ আঁৰত লুকাই যায়। যিবোৰ স্থানীয় সত্তা ব্যক্তিগত ন্যায় বিচাৰৰ মঞ্চ হব পাৰিলেহেঁতেন সেইবোৰ এতিয়া ব্যক্তিত্ব দমনৰ প্ৰভাৱশালী মাধ্যম হৈ পৰিছে। আমি এনে দমনৰ প্ৰতি-কাৰ বিচাৰি ৰাজনৈতিক দলবোৰৰ চিন্তাধাৰাক কোনো কৰ্মসূচী দিব পৰা নাই। একেদৰে কৰ্মসূচীকো কোনো চিন্তাধাৰা দিব পৰা নাই।

এনে অৱস্থাত সকলো নতুন শাসকে পুৰণি শাসকৰ অপকৰ্মবোৰকে আদৰ্শ মানি দাবী কৰিব যে বৰ্তমান অৱস্থাতো ভাল কিবা এটা কৰাৰ উদাহৰণ দাঙি দেখুৱাব পাৰে। পিছে আচলতে এওঁলোকে নিজে জানিব পাৰিছে তেনে কৰাটো সম্ভৱ নহয়।

আজিৰ পৰা কুৰি বছৰ আগতে আমাৰ শাসক সকলে ক্ষমতা আৰু ন্যায়ৰ ভিত্তিত সমাজৰ পৰিবৰ্তন সধাৰ আশ্বাস দিছিল। তেওঁলোকৰ কথা আৰু কামৰ মাজত থকা প্ৰভেদবোৰ এটা মিছা ৰাষ্ট্ৰীয় মৰ্য্যাদাৰ গৌৰৱৰ হেঁচাত লুকাই আছিল, পিছে সেইবোৰ ওলাই পৰিল এনে এটা ঘটনাৰ প্ৰবাহত যাৰ মূলতে আছিল আৰ্থসামাজিক নীতিৰ ভুল আৰু সংগঠিত ৰাজনৈতিক

দলবোৰৰ অযোগ্যতাৰ একত্রিত প্রভাব। চীনৰ লগত হোৱা সংঘৰ্ষই ভাৰতত কথা আৰু কামৰ মাজত থকা ভেদবোৰ উদঙাই দেখুৱাই দিলে।

আজি কুৰি বছৰৰ পিছতো আমি দেখিছো যে কথা আৰু কামৰ মাজত ভেদ থকাটো এটা পুৰণা ৰীতি হৈ আছে। নতুন সমস্যা আৰু ডাঙৰ। এক ভাগলৈ ৰাজৰ নোৱাৰিলে কথা আৰু কামৰ মাজৰ ভেদ গুচাবলৈ কৰা কোনো ৰাজনৈতিক প্রচেষ্টাই সফল হব নোৱাৰে। এই নতুন সমস্যা হৈছে দেশৰ সাংস্কৃতিক আৰু আৰ্থ-ৰাজনৈতিক পৰিবেশ বা ব্যৱস্থাৰ মাজত থকা পাৰ্থক্যৰ সমস্যা যাৰ কাৰণে বৰ্তমান ৰাষ্ট্ৰৰ একতা সংকটৰ সন্মুখীন হৈছে। এনে নহয় যে এই সমস্যা এতিয়ালৈকে চকুৰ আঁৰ হৈ আছিল। দেশক বিদেশীৰ গোলামীৰ পৰা মুক্ত কৰিবলৈ কৰা সংগ্রামৰ আৰম্ভণীতো আমি এনে সংকটৰ লগত পৰিচিত হৈছিলো। আমি জানিছিলো যে আগৰ কেইবাটাও শতিকা জুৰি বিভিন্ন ৰাজনৈতিক পৰিস্থিতত যেনেদৰে এখন ৰাষ্ট্ৰৰ কল্পনা কৰা হৈছিল সি সম্পূৰ্ণ ভাবে ৰাষ্ট্ৰীয় হোৱাৰ সম্ভাৱনাই নাছিল, কিয়নো আমাৰ স্বাধীনতা নাছিল। সম্পূৰ্ণভাৱে এক ৰাষ্ট্ৰৰ পৰিকল্পনাত প্রতি জন নাগৰিকে ৰাষ্ট্ৰ সম্পৰ্কে সৰু সৰু সিদ্ধান্ত গ্রহণৰ অধিকাৰ নিজৰ হাতত থাকিব লাগিব। সংগঠনৰ স্তৰত এনে ব্যৱস্থা থাকিব লাগিব যাতে সেই নাগৰিক অধিকাৰ সুষম ভাৱে সাৰ্থক কৰিব পৰা হয় আৰু তেনে সীমাবদ্ধ ৰূপে [illegible] অধিকাৰৰ অপব্যৱহাৰ কৰিবৰ আনৰ হুক নাথাকে। অধিকাৰৰ অংশীদাৰ হোৱাতোৱেই লোকতান্ত্ৰিক উপায় [illegible] ক্ষমতাৰ কেন্দ্ৰীয়কৰণ বিভিন্ন স্তৰৰ ব্যক্তিগত অধিকাৰ কাটি ৰাগৈত কৰিব পৰা হয়। এই প্রক্রিয়াই হি অন্যায়ৰ জন্ম দিয়ে তাৰ পৰা নিস্তাৰ পাবলৈ কেন্দ্ৰীয়কৰণ ব্যৱস্থাই কেৱল আৰু গহনা লব পাৰে। ফল স্বৰূপে নাগৰিকৰ ৰীতি নিয়ম বা নিৰ্দ্ধাৰণৰ অধিকাৰ নথকা বাবে দানহে বাঢ়ে। সেয়েহে অতি কম সময়তে শীৰ্ষ-স্থানীয় শক্তিৰ ক্ষৰণ আৰম্ভ হয় আৰু সেয়ে দমন শক্তিক নাগৰিকৰ লোকতান্ত্রিক অধিকাৰ ৰক্ষা কৰাৰ পৰিবৰ্তে তেনে অধিকাৰ খৰ্ব কৰাতহে ব্যৱহাৰ কৰা হয়। এই কথা বুজাবলৈ তৰ্কৰ অৱতাৰণা কৰাৰ প্রয়োজন নাই—ইতিহাসই তাৰ প্রমাণ। ইয়াতেই নহয়, বাট নিয়া অধিকাৰৰ বলত [illegible] চিন্তাৰ স্তৰ বা জীৱনৰ স্তৰৰ এখোপ [illegible]লৈ গৈ শাসনাধিকাৰী সকলৰ বাস [illegible] হব,—যিটো চোৰৰ প্রবৃত্তি স্বৰূপ। তেওঁলোকে জানে যে যি অধিকাৰ হাতত আছে, তেনে অধিকাৰ তেওঁলোকৰ আচলতে প্রাপ্য নোহোৱা বাবে-সৰহ সময় তাক লগত নাৰাখি ব্যৱহাৰ কৰি পেলোৱা ভাল। বিশেষকৈ তেতিয়া, যেতিয়া এওঁ-

লোকে গম পায় যে বগলেৰে ফল চিঙি দেঁৰাই লোৱা গছজোপাৰ ফল কমি আহিবলৈ ধৰিছে কিয়নো তাৰ শিপাও শুকাই যাবলৈ ধৰিছে। আমি যদি ৰাষ্ট্ৰক গছজোপা বুলি ধৰোঁ, তেন্তে তাৰ প্ৰাকৃতিক সম্পদ, শিপাক জনতা আৰু শিপাই মাটিৰ পৰা শুহি লোৱা ৰসক লোকশক্তি বোলোঁহক তেনেহলে শক্তিৰ কেন্দ্ৰীয়কৰণৰ পৰা হোৱা বা লাভো কাম যাৰ স্পষ্টকৈ দেখা পাওঁহক। শিক্ষা কেন্দ্ৰীয়কৰণ বাঢ়িহে গৈ আছে। তাৰ বিৰুদ্ধে যি চেতনা আজিও সজাগ হৈ আছে দি প্ৰাদেশিক স্বাধীনতাৰ বাবে বল খুজিছে। কিন্তু কেন্দ্ৰই এই প্ৰাদেশিক প্ৰবোধনীয়তাক স্বীকাৰ নকৰি তাক বিচ্ছিন্নতাবাদী দিশে সহযোগী নহয়। এতেকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে কাৰোবাৰ বিচ্ছিন্নতাবাদী প্ৰশ্ন দিয়া দেখিছো অসাৱত হব লগা একো নাথাকে নিজেই এনে পৰিস্থিতি আগামী ৰাজনীতিৰ আসন্ন মৃত্যুৰ সময় অধিকাৰ কেন্দ্ৰস্থ বাৰ থকা সহায়ক হিচাপে প্ৰয়োগ ব্যৱস্থা কাৰণেই বিচাৰো। উদাহৰণস্বৰূপে লোকে সম্পাদনৰ আইন, তথা পৰম্পৰাগত উদ্যোগ কৌশলবোৰ জৈবুৰ বয় ধৰিছে। মধ্যপ্ৰদেশৰ ছত্তিশগড়ৰ আদিবাসী এতিয়াও বছৰৰ দহ বিঘা মাটিৰ আহৰণ সংগ্ৰহ কৰি বাৰী সময়খিনি শহৰত বাহ কটাব লাগে। তেওঁ কাম বিচাৰি শিহৰে গৈ কাৰণে ক্ৰমেই নোপোৱা শ্ৰমিক মাত্ৰহে খাদিৰ জ্ঞান। তেওঁক যদি নিজৰ বৃত্তিত পুনৰ নগৰলৈ যাব হয়, তেতিয়া অহেতুক বিচৰণ বন্ধ কৰিব লাগিব আৰু তেওঁৰ ঘৰে লগা পৰিবেশো তেওঁ চাই পোৱাত থাকিব লাগিব। পিছে তেওঁ পানী আৰু সক্ষমতাৰ পৰ বাঞ্চিত হোৱা বাবে সমাজখনো পৰাই নিৰাসক্ত। তেওঁক যদি নিজৰ ক্ষেত্ৰত থাকি আপোন বৃত্তিত উদ্‌গতি লাভ কৰিবলৈ প্ৰশিক্ষণ দিয়া হয়, তেওঁ হয়তো দেশৰ সমাজৰ পৰা বহিষ্কৃত নহ'লহেঁতেন। এই উদাহৰণ অৰ্থনৈতিক শক্তিৰ কেন্দ্ৰীয়কৰণ আৰু তাৰ দ্বাৰাই মানুহৰ উৎসাহ আৰু উদ্যোগৰ অপহৰণৰ যি সাংস্কৃতিক অপৰিণাম দেখা গৈছে তাকে বুজাবলৈহে উত্থাপন কৰা হল। সেই মানুহজনৰ ব্যৱস্থা বৰ্ণই তেওঁক আমি কেৱল দুখীয়াই কৰা নাই দীনো কৰি পেলাইছোঁহক। দৈন্যতকৈ অন্য কোনো সাংস্কৃতিক পৰাজয় ডাঙৰ হব পাৰেনে ? এই দেশেই আমাৰ ৰাষ্ট্ৰীয় সন্মান বঢ়াব পাৰেনে ? কেৱল গৰীবি গুচোৱাই আমাৰ লক্ষ্য হোৱা উচিত নহয়, সমতাৰ অধিকাৰ দিয়া আৰু দাৰিদ্ৰ আঁতৰোৱাৰ লগে লগে সমতাৰ অধিকাৰ উপভোগ কৰাৰ শক্তি দিয়াটো লোকতন্ত্ৰৰ বাবে প্ৰয়োজনীয় কথা। দাৰিদ্ৰ দূৰ কৰাত সমতা স্থাপন নহয়, তাত ন্যায়ো নাথাকে, যি অন্যায়ৰ বাবে মানুহ দৰিদ্ৰ হয় তাৰো প্ৰতিকাৰ নহয়। ই একধৰণৰ প্ৰায়শ্চিত্তহে। প্ৰায়শ্চিত্তই দেশক আগবঢ়াই নিব নোৱাৰে।

আমি লিখক সকলে এতিয়া চিন্তা কৰিব লাগিব যে আৰ্থিক, সামাজিক ৰাজনৈতিক নীতি সমূহৰ কাৰণে সমাজৰ অংশীদাৰ সকলৰ একাংশ নিজ অংশৰ পৰা ইমানেই বঞ্চিত হৈ পৰিছে যে তেওঁলোকৰ মানস অমানবীয় হৈ পৰিছে আৰু তাৰ ওপৰত চলা অত্যাচাৰত অভ্যস্ত হোৱাৰ বাবেই হওক বা নিৰুপায় হৈয়েই হওক তেও অমানবীয় হৈয়েই থাকিব, কিয়নো তেওঁৰ আত্ম-সন্মান লোপ পাইছে। যি এই অত্যাচাৰ কৰে তেওঁতো অমানবীয় হয়েই-তেওঁৰ আত্মমৰ্য্যাদাও হ্ৰাস হৈ যায়-আৰু তাকে পুৰাবলৈ তেও অত্যাচাৰৰ আশ্ৰয় লয়। এই প্ৰক্ৰিয়া যোগ্যা বৃহত্তৰ ৰূপত প্ৰশাসন আৰু প্ৰচাৰ মাধ্যমৰ সহযোগিতাত ইমান প্ৰবল হৈ পৰে যে তাৰ বিৰুদ্ধে মানুহে কেৱল আইন বা প্ৰাৰ্থনাৰ সহায়তহে বাচি থাকে তেতিয়াহ ৰাষ্ট্ৰৰ ভেটি ঢিলা হৈ পৰে। তেতিয়া অতীতৰ গৌৰৱ ৰাষ্ট্ৰীয় নহৈ ক্ষেত্ৰীয় আত্মতাৰ প্ৰমাণ হৈ পৰে আৰু বিভিন্নতাই নিজৰ ঐতিহাসিক অৰ্থ এৰি বিভাজনৰ ৰূপ লবলৈ ধৰে।

আমাৰ বৰ্তমান ভাৰতীয় সভ্যতাই এনে মানুহ তৈয়াৰ কৰিবলৈ বিচাৰে লোক, যি জনে ভাৰতীয় সত্বাক পুথিগত অৰ্থত মানে অথচ সেইজনে ইতি-হাসৰ ধাৰা সম্পৰ্কত ভাগ লোৱা দূৰৰ কথা মানবীয় পীড়া অনুভৱ কৰাৰ যোগ্যতাও নাৰাখে। তেওঁ আক্ৰমণকাৰীৰ লগত থাকি গৌৰৱ অনুভৱ কৰে আৰু আক্ৰমণকাৰীৰ মাজত সমানতকৈ অধিক আক্ৰমণকাৰী আৰু সুৰক্ষিত সকলৰ মাজত থকাটোকে আটাইতকৈ গৌৰৱপূৰ্ণ কাম বুলি ভাবিবলৈ লয়। এনে ভাৰতীয় নাগৰিকে কোনো সময়তে ৰাষ্ট্ৰীয় গৌৰৱ ৰক্ষা কৰিব নোৱাৰে। তেনে লোকে সাম্ৰাজ্যৰ হেঁচাত দাসত্ব মানি লোৱাটো উচিত বুলি বিবেচনা কৰিবলৈ ধৰে। এই কথাও পাহৰিব যোগ্য উচিত নহয় যে সমাজৰ বহুত ৰহত এতিয়াও বিদেশীৰ দাসত্বত থকাৰ ইচ্ছা আৰু তাৰ পৰা পাব পৰা সুখৰ বাসনা ভাৰতীয় সমাজৰ বহুতো কৰ্ণধাৰৰ মনত আজিও উজ্জীৱিত হৈ আছে। এই দুই প্ৰবৃত্তিও যে দেশৰ সকলো সম্পদকে বেচি খাব পাৰে—সেই আশংকাও একেবাৰে নিৰ্ভুল নহয়।

সাহিত্য মানুহৰ দাসত্বৰ বিৰোধী। ই লিখককো মুক্ত কৰে, পাঠ-কককো। লিখকে অন্যায় আৰু অসমতাক সমৰ্থ কৰি সাহিত্যিক হব নোৱাৰে। তেনে লিখকে নাম আৰু ধন আৰ্জিব পাৰে পিছে এই দুইকো চিনি পাওঁতে বৈশিষ্ট্যক চিনিবলৈ থাকি যায়। বিশিষ্টতা আজি তাকে বোলা যায় যত লিখকে পাঠকক পীড়াৰ পৰা নোৱাৰিলেও ভয়, সংশয় আৰু গ্লানিৰ পৰা বহুল পৰিমাণে মুক্তি দিব পাৰে।

সাহিত্যৰ এয়ে ধৰ্ম, এয়ে স্বৰ্গও। সাহিত্যই আন বহু কিবা কৰিব

পাৰে কিন্তু সাহস দিব নোৱাৰেগে, ভয় হয় সি ভাষাক সাহিত্যৰ উদ্দেশ্য প্ৰয়োগ কৰা সঙ্ঘবোৰৰ দ্বাৰা জন-বিৰোধী কামত খটুওৱা হয়। সেয়ে হলে সাহিত্যৰ প্ৰয়োজনৰ ঠিক ওলোটা কাম হব। ৰচনাৰ বাবে অন্যান্য উপকৰণৰ ভিতৰত ভাষাই আটাইতকৈ টান আৰু দুষ্কৰ হয়। ৰচনাৰ আন উপকৰণবোৰ আন উদ্দেশ্যতো ব্যৱহাৰ কৰিব পৰা হয় কিন্তু ভাষাৰ প্ৰয়োগ জন সাধাৰণৰ বিৰুদ্ধে যিমান বেছিকৈ কৰিব পৰা হয় আন কোনো মাধ্যমেৰে নহয়। ইমানেই নহয়, যি সমাজত ন্যায় সমতাৰ খাতিৰত পৰিবৰ্তনৰ বাবে কাম কৰা বুলি দাবি কৰাঁতো ৰাজনৈতিক সঙ্ঘবোৰে ভাষাৰ অপব্যৱহাৰ কৰি ভ্ৰান্তি আৰু অজ্ঞানতা বিস্তাৰ কৰে, পৰিস্থিত আৰু বেছি ভয়ংকৰ হৈ পৰিব। আমাৰ সমাজত প্ৰায় এনে অবস্থাই গঢ় লবলৈ ধৰিছে।

এই সঙ্ঘ বাবে নিজা স্তৰবোৰত পৰিবৰ্তনৰ বাবে একেলকৰাকৈ যদি ইয়াকে ভাৱ বহি থাকে যে ক্ষমতাৰ কেন্দ্ৰীয়কৰণ কৰা হলেই এই উদ্দেশ্য সম্পূৰ্ণ সফল হৈ যাব, তেতিয়াহলে জনসাধাৰণক ফাকি দিয়া হব। তেতিয়া সাহিত্যই সমাজৰ পৰিবৰ্তন সাধনৰ সময় হবনে? এই প্ৰশ্নৰ উত্তৰ আমি সকলোৱে বিচাৰিব লাগিব। এই উত্তৰ সম্ভৱ এইযে হব-হয়, সমৰ্থ হবই। কিন্তু এই উত্তৰৰ লগত এই ভ্ৰান্তিও লগ হৈ থাকিব যে নিজকে অকলেই এই পৰিবৰ্তন সাধন কৰিব পাৰিব। এনে ভ্ৰান্ত এটা ধাৰণা লৈ ফুৰাটো আমাৰ বাবে এটা দুঃসাহসিক কাম নহবনে? আমি জনো নিশ্চয় এটা কথা স্পষ্ট ভাৱে লক্ষ্য কৰা নাই যে সমাজৰ বিভিন্ন সঙ্ঘবোৰ আপোন উদ্দেশ্য আৰু আদৰ্শৰ পৰা আঁতৰি আহিবলৈ ধৰিছে। তথাপি এইবোৰৰ এটা বাহ্যিক গঢ় আছে। এই গঢ়বোৰত প্ৰাণ প্ৰতিষ্ঠা কৰাটো অকল সাহিত্যৰে নহয় সঙ্ঘবোৰৰো একান্ত কৰ্তব্য। সাহিত্যই সত্যক যেনেকৈ দেখে তেনেকৈয়ে ব্যাখ্যাও কৰে। সাহিত্য সংগঠনৰ আৱশ্যকতা দেখুৱাব পাৰে, একতাৰ প্ৰতি আগ্ৰহ ওপজাব পাৰে অসত্য আৰু অত্যাচাৰৰ বিৰুদ্ধে জন মানসক সজাগ আৰু সচেতন কৰি ৰাখিব পাৰে কিন্তু সেয়ে যথেষ্ট নহয়। এতিয়া আৰু এনে এক সময় উপস্থিত হোৱা নাইনে? যে সাহিত্যিকসকলে স্থিৰ হৈ সমাজত নিজৰ অৱস্থান কৰি চিনি লয় তেওঁলোক বিশিষ্ট হৈ আঁতৰি নাথাকি এই কথা মানি লয় যে সমাজৰ পৰিবৰ্তনৰ বাবে আন আন সংগঠনৰ অগ্ৰগমনৰ লগে লগে তেওঁলোকৰ দায়িত্বও বাঢ়ি যায়? তেওঁৰ কামো টান হৈ গৈ থাকে। পিছে তেওঁলোকৰ অহমিকাও সিমানেই কমি যোৱা উচিত। জনসাধাৰণৰ লগত

সাহিত্যিকৰ সম্পৰ্কৰ কথা বহুবাৰ কোৱা হৈছে। জনসাধাৰণৰ লগত সংযোগৰ পৰিভাষা কেৱল ইমানেই নহয় যে সাহিত্যিকে ব্যক্তি বৰ্ণনা দি গলেই তেনে ব্যক্তিৰ লগত সংযোগ স্থাপন হৈ যায়। সময়ৰ লগে লগে ক্ষমতাৰ অসামঞ্জস্য গুচাবলৈ যি দায়িত্ব গোটেই ৰাষ্ট্ৰৰ ওপৰত ন্যস্ত হৈছে তাত এনে সাহিত্যিকেও ভাগ লৈছেনে? এই কথা জনাটোও সাহিত্যিকৰ জন-সাধাৰণৰ লগত সংযোগৰ বাবে অতি প্ৰয়োজনীয়। নিসন্দেহে জনসাধাৰণৰ লগত সংযোগৰ সেইটোৱেই সংযোগ সূত্ৰ। বাকীবোৰ শিল্প, কৌশল, কলা মাত্ৰ। আজি আমাৰ ৰাষ্ট্ৰৰ এনে এটা সংকটৰ ক্ষণ হৈছে যে আমি সমাজত দাসত্ব আৰু অন্যায়ৰ প্ৰতি অতি গভীৰ স্বীকৃতি দিছোঁহক যাৰ ফলত স্বাধীনতাৰ আদৰ্শই খণ্ডিত হৈ পৰিছে। ভবিষ্যতৰ বাবে আমাৰ কোনো চিন্তাই নাথাকিল যাতে নিজকে সম্পন্ন আৰু সুৰক্ষিত বুলি ভবা যায়। যি কন চিন্তা আছে সিও সুখে সম্পদে বাচি থকা দিন কেইটা কটাই দিয়া-টোলৈহে সীমিত। যাৰ কোনো সা সম্পত্তি নাই তেওঁ এইদৰে ভাবিবলৈ বাধ্য হয় যে যি কেইদিন বাচি থাকে এই মানুহৰ জগতে যেন মিলি থাকিব পাৰে। সেইদৰেই ৰাষ্ট্ৰৰ ভৱিষ্যত চিন্তাৰ বিষয়েই নোহোৱা হল। ভৱিষ্যতেই যেতিয়া লক্ষ্য নোহোৱা হল তেনে স্থলত অতীত জনাৰ প্ৰয়োজনেই নৰকাৰ দৰে হয়। তাকে ভাবি অধোগামী ভাৰতীয় সংস্কৃতিৰ নামত অতীতৰ গৌৰৱক কেৱল বৰ্তমান, বৰ্তমান কিয়, কেৱল তৎকালিক প্ৰয়োজনৰ সাধনতহে ব্যৱহাৰ কৰা হৈ আছে। ভাৰতৰ ভাৰতীয়ত্ব সমুদায়ৰ বিভিন্নতত এটা সংস্কৃতি, আৰু ঐক্যই, বিদেশৰ ওপজোৱা দাসত্বক নহয়, বৰং ইতিহাস নিৰ্মাণত সামগ্ৰিক ভাবে সোৱা ভূমিকাও পালন কৰি আহিছে। সাহিত্যয়ো এই দায়িত্ব পালনত নিজৰ ভাগ লৈছে। সংকটৰ সময়ত সাহিত্যই অৱশেষই এই ভূমিকা লব লাগিব। কিন্তু সাহিত্যিক অকলশৰীয়া নহয়, অসমে ইয়াৰ প্ৰমাণ দিছে, আৰু অকলশৰীয়া হৈ নাথাকেও। ইয়াত ভাৰতৰ এই খণ্ডত সাহিত্যিক সকলে যি পথ প্ৰদৰ্শন কৰিলে সি অথলে নাযায় আৰু যাব যে নোৱাৰেও সেই বিষয়ে কোনো সন্দেহ থকা উচিত নহয়।

(* মূল হিন্দী পাঠৰ পৰা শ্ৰীঅতুলানন্দ গোস্বামীয়ে কৰা অসমীয়া অনুবাদ সম্পাদক)

মুখ্য অতিথিৰ ভাষণ

ড° ভূপেন হাজৰিকা

পৰম শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া—শ্ৰদ্ধেয় উদ্বোধক ডাঙৰীয়া আমাৰ বুকুৰ আপোন, অতিথি সৎকাৰ কৰোঁতা, শ্ৰদ্ধেয় ক্যাব আংলঙৰ ৰাইজ, উপস্থিত অসমীয়া সাহিত্য-প্ৰেমী আৰু সাহিত্য সেৱক-সেৱিকাবৃন্দ—

জয় জয়তে আপোনাসকলক, এটাইকে মোৰ কার্দম, প্ৰণিপাত জনাইছোঁ।

কোনো ধৰণৰ যোগ্যতা নথকা স্বত্বেও এই নিকিণক আজিৰ এই সংগ্ৰামী অধিবেশনৰ মূল সভাৰ মুখ্য অতিথি পতাৰ বাবে শতবাৰ কৃতজ্ঞতা জনাইছোঁ। গধুৰ ভাষণ দিয়াৰ জ্ঞান আমাৰ নাই। মাথোঁ চমুকৈ দুই এটি মনৰ কথা প্ৰকাশ কৰাৰহে ইচ্ছা হৈছে। ইচ্ছা হৈছে, এই অধিবেশনক সংগ্ৰামী আখ্যা দিয়াৰ। এই ইচ্ছাৰ উদ্ভৱ হৈছে, অসমীয়া ভাষা সাহিত্যই নিজ বাসস্থানতে আজ কৰিব লগা হোৱা সংগ্ৰামৰ বাবে। এই সংগ্ৰাম জানো অকল আজিৰ? ১৮৩৬ চনৰ পৰা ১৮৭২/৭৪ চনলৈকে অসমৰ পৰা অসমীয়া ভাষাৰ আনুষ্ঠানিক ব্যৱহাৰক নিৰ্বাসন দিয়াৰ কু প্ৰচেষ্টাৰ কথা আমি আজি ১৯৮২ চনতো সুঁৱৰিব লগা হৈছে। আজি সুদীৰ্ঘ এশ সাতচল্লিশ বছৰৰ পৰাই সাম্ৰাজ্যবাদী হাক উপনিবেশবাদীৰ কু চক্ৰান্ত আছিল অসমীয়া ভাষাৰ স্বকীয়তা ঢাকি ধৰাৰ। এই কু চক্ৰান্ত আৰম্ভ হৈছিল অসমীয়া ভাষাক আন এটি ভাষাৰ 'অপভ্ৰংশ কৰি তোলাৰ প্ৰচেষ্টাৰ মাজেৰে। আজি কালি ইংৰাজী শ্বভিনিজম (Chauvinism) কথাষাৰৰ ব্যৱহাৰ প্ৰায় শুনা হৈছে। অসমীয়া ভাষাৰ সংগ্ৰামৰ বুৰঞ্জী প'ঢ়লে বুজা যায় যে যুগ যুগ অসমীয়া ভাষা সাহিত্যহে চিকাৰ হৈছিল আনৰ শ্বভিনিজমৰ। অসমীয়া ভাষা সাহিত্য কাহানিও শ্বভিনিষ্টিক নাছিল।

এক প্ৰকাৰৰ ধ ঞ্জয় বায়ুৰ পৰা উদ্ভৱ হোৱা চিকুটক, ৰসৰাজ লক্ষ্মীনাথে 'ধনঞ্জয় চিকুট' বুলি আখ্যা দি গৈছে। কেইটামান হাঁহি উঠা

নিদৰ্শন দি গৈছে। তাহানি অৰ্থাৎ এই শতিকাৰ প্ৰথম তিনিটা দশকৰ কোনোবা এটা সময়ত, কটকত থকা, সংস্কৃত ব্যাকৰণৰ শিক্ষা দিয়া জনৈক কলিকতীয়া বিদ্যানিধিয়ে যেতিয়া প্ৰমাণ কৰিব খুজিলে যে অসমীয়া ভাষা সুকীয়া ভাষাই নহয়, ই মাথোঁ আন এটি ভাষাৰ অপভ্ৰংশহে তেতিয়া ৺জ্ঞানদাভিৰাম বৰুৱাই 'মঞ্জৰী' কাকতত কি প্ৰত্যুত্তৰ দিছিল তাৰ উল্লেখ কৰিছে। তেখেতে এই বিদ্যানিধি মহাশয়ৰ অসমীয়া ভাষাৰ প্ৰতি থকা মহাগভীৰ জ্ঞানৰ নমুনা দিছে—হাঁহি হাঁহি। বিদ্যানিধিয়ে হেনো লিখিছিল 'স্ৰোতস্বিনী' শব্দৰ পৰাই অপভ্ৰংশ হৈ অসমীয়া 'সোঁৱৰণী' শব্দটো ওলাইছে। ক'ত স্ৰোতস্বিনী আৰু ক'ত 'সোঁৱৰণী' আৰু 'উপৰে যাওয়া' শব্দ দুটাৰ অপভ্ৰংশ হৈহে হেনো অসমীয়া 'ওপঙি' শব্দটো ওলাইছে। ক'ত 'উপৰে যাওয়া' আৰু ক'ত ওপঙি। এতিয়া ক'ত মাৰ মৰক। দুটা ভাষাৰ পাৰ্থক্য দৰ্শাবৰ বাবে যে বিদ্যানিধি মহাশয়ে ব্যাকৰণৰ পৰ্থকাও ইচ্ছাকৃত ভাবে লুকোৱাইছিল, তাকে জোকাই লক্ষ্মীনাথে লিখিছিল যে অসমীয়া ভাষাক হেয় প্ৰতিপন্ন কৰিবলৈ বিদ্যানিধিৰ বন্দুকটোৰ সকলোবোৰ আছে, মাথোন সৰ্বনাম অব্যয়, ক্ৰিয়াপদ আদিৰ ঘোঁৰা আৰু নালচাডাল নাই।

তাহানিয়েই জ্ঞানদাভিৰাম বৰুৱাদেৱে সুন্দৰ বঙলা ভাষাত বিদ্যানিধিৰ উদ্দেশ্যে লিখিছিল সজ্ঞানে কোনো অসমীয়াই অস্বীকাৰ নকৰে, যে ভাৰতৰ ভাষাৰ জন্মদাত্ৰী সংস্কৃত ভাষা। ভাৰতবৰ্ষৰ সমস্ত পৰা কাশ্মীৰ পৰ্য্যন্ত সকলো ভাষাই সংস্কৃতমূলক। সংস্কৃত সকলো ভাষাৰেই গৰ্ভধাৰিণী। 'অসমীয়া,' বাংলা, উড়িয়া, হিন্দী, মহাৰাষ্ট্ৰী, গুজৰাটী সকলই সহোদৰা। যেনে এক পেটৰ সন্তানৰ যি কোনো এজন ভাই-ভনীৰ চেহেৰা চিনা যাব, এজন ভাইৰ ভাৱভঙ্গী দেখিলে ভাই বুলি তৎক্ষণাৎ জনা যায়, আমাৰ সৈতে বাংলা ভাষাৰ সাদৃশ্যও ঠিক তেনেকুৱাই '। আৰু এঠাইত জ্ঞানদাভিৰামে লিখিছিল 'কিছুদিন পূৰ্ব জিব্ৰাল্টাৰে একখানি স্পেনিশ সংবাদপত্ৰ কিনিয়া-ছিলাম। স্পেনিশ ভাষা একেবাৰে জানিতাম না। কিন্তু লাটিন এবং ফ্ৰেঞ্চ ভাষাৰ সাহায্যে অনেকটা বুঝিতে পাৰিয়াছিলাম। এই সংবাদ পত্ৰ পাঠেৰ দ্বাৰাই যদি স্পেনিশ এবং ফ্ৰেঞ্চ ভাষা যে স্বতন্ত্ৰ নহে তাহা বুঝাইতাম তাহা হইলে লোকেৰ নিকট হাস্যাস্পদ হইতাম সন্দেহ নাই।

আজিৰ এই বিংশ শতাব্দীৰ, এই অষ্টম দশকতো অসমীয়া লিপিৰ সম্পৰ্কত আজিকালিৰ 'বিদ্যানিধি'সকলে যি একপক্ষীয় উদ্ভট মত নিক্ষেপ কৰে, তাৰে প্ৰতি উত্তৰত ড° মহেন্দ্ৰ বৰা ৰচিত 'দা এড ল্যাংগুৱেজ এণ্ড এচামিজ স্ক্ৰিপ্ট' পুথিখনে অতি অৰ্থপূৰ্ণ প্ৰমাণ দাঙি ধৰিছে। ড' বৰাৰ এই বাগ্মীৰ

নীলমণি ফুকন লেখকচাৰ জ্যানিয়ে অসমীয়া লিপিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাত আমাক বহুতো সহায় কৰিব।

যাহওক, স্রোতস্বিনীৰ পৰা যদি সোঁৱৰণী ওলাইছিল, তেন্তে নিশ্চয় 'উপৰে যাওয়া'ৰ পৰাই 'ওপাতি' অপভ্ৰংশ হয়। এনে উদ্ভট পাণ্ডিত্যৰ নিদৰ্শনৰ কথাৰ পৰাই কথা ওলায়। সিদিনা এই সপ্তম দশকত গুৱাহাটীৰে নতুনকৈ ৰাজধানী হোৱাৰ সিদ্ধান্তৰ কথা শুনি এদিন বিষ্ণু প্ৰসাদ ৰাভাদেৱে এই নিঃকিনক নাটকীয় ভঙ্গীত যি কথা ৰগৰ কৰি কৈছিল—তাকে কথোপ-কথনত লিখি পেলালে এনে হ'ব:

ৰাভাঃ ভূপেন, এইখন কি নগৰ?
মইঃ গুৱাহাটী নগৰ
ৰাঃ কোনে সাজিছিল?
মঃ নৰকাসুৰে
ৰাঃ মহাভাৰতৰ যুদ্ধত কোনে যুঁজিছিল?
মঃ হস্তীৰণত পাকৈত বীৰ ভগদত্তই
ৰাঃ এই নগৰ তাৰ পিছত কোনে শাসন কৰিছিল?
মঃ কিয়? আহোমসকলে— তেৰ শতিকাৰ পৰা
ৰাঃ তেওঁলোকে কাক পৰাস্ত কৰিছিল?
মঃ আফগানক—মোগলক—
ৰাঃ তাৰো আগতে আমাৰ দেশৰ পাহাৰ ভৈয়ামৰ মানুহৰ কৃষ্টিৰ কথা কোনে শলাগিছিল?
মঃ কিয়? চীনা পৰিব্ৰাজক হিউৱেনচাঙে।
ৰাঃ কোন শতিকাত?
মঃ সপ্তম শতিকাত
ৰাঃ এই দেশখনৰ নাম কি আছিল?
মঃ (কিছু চিঞৰি) প্ৰা-গ-জ্যো-তি-ষ-পু-ৰ
ৰাঃ (গদগদীয়া মাতেৰে) ভূপেন, এই লুইতৰ বা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পিনে অৱস্থিত এই নগৰখন থকা বিশাল ৰাজ্যৰ নাম আছিল প্ৰাগ-জ্যোতিষপুৰ। তাৰ পিছত (নাটকীয় ভাৱে) চব অপভ্ৰংশ, হাঃ হাঃ হাঃ প্ৰাগজ্যোতিষপুৰৰ অপভ্ৰংশ হ'ল জ্যোতিষপুৰ তাৰ পিছত ক্ৰমান্বয়ে হ'ল তিচপুৰ তাৰ পিছত সেই তিচপুৰ হৈ গ'ল - অতি নিকৃষ্ট আজিৰ দিচপুৰ হাঃ হাঃ হা

— সমগ্ৰ অসমীয়া জাতিটোক উপনদীৰ বলত বলিয়ান হোৱা বিশাল

লুইতৰ সৈতে বিজোৰা লবিষ্ণুপ্ৰসাদ ৰাভা দেশে ক্ৰোধ, অভিমান আৰু দুখ লুকুৱাই ৰাখি যে এই ব্যঙ্গ বা ৰগৰ কাৰ্বিহণ তাক আমি মনে মনে বুজাছিলো। আজি সেই দিচপুৰৰ পৰা আমোলাসকলে ৰত্ননয়ন দৰ্শাই হেনা কৈছে হে অসমৰ সাহিত্য প্ৰেমী সকল তোমালোকে অমুকটো কৰা বা তমুকটো নকৰা কাৰণে তোমালোকৰ অনুদান দিয়া নহব। সভা পাতিবলৈ ঠাই দিয়া নহব।' এই সাহিত্য সভাই, এই অগণন জনজাতি আৰু অজনজাতি সাহিত্য সেৱীয়ে আজি তাৰে উত্তৰত দৃঢ়কণ্ঠে ঘোষিছে— 'অনুদান ৰাইজৰ কৰৰ পৰা আহে। এটা জাতিৰ ভাষা সাহিত্য ৰাইজৰ বস্তু। তাত আমোলাসকলৰ ক্ৰোধ প্ৰকাশ অতি হাস্যকৰ। আমোলাতান্ত্ৰিক চৰকাৰে এটি জীৱন্ত, ঐতিহ্যপূৰ্ণ, ভাষা বা সাহিত্যক গঢ়িব বা ভাঙিব নোৱাৰে।' শঙ্কৰদেৱ' আজানফকীৰ লক্ষ্মীনাথ জ্যোতিপ্ৰসাদৰ পৰা আজিৰ সো সিদিনা জ্ঞানপীঠ' পুৰস্কাৰ বিজেতা ড' বীৰেন ভট্টাচাৰ্য্যলৈকে, — এওঁ সকলে দিচপুৰ অনুকম্পা বা দয়া গ্ৰহণ কৰি অসমৰ অসমীয়া ভাৰতীয় সাহিত্য সৃষ্টি কৰি যোৱা নাই—।

অসমৰ ভাষা সাহিত্য — মানুহৰ মনত গঢ়া সেতুসহে আহিলা, দিচপুৰৰ বিচৰা বিভেদৰ নহয়। অসমৰ সাহিত্য প্ৰকাশৰহে আহিলা। সম্পসাৰণৰ নহয়। তাহানি হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ বিশেষত্ব-যুক্ত আখৰ 'ৰ আৰু 'ৱ' সাহৰ সাঁচ নোপোৱাত মিছনাৰী চহাবসকলে আমেৰিকাৰ পৰা আনিহে অৰুণোদয়ত ব্যৱহাৰ কৰিছিল। অসমীয় ভাষা সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম' নামৰ পুথিত আজিও সবানন্দ ৰাজকুমাৰদেৱে সোঁৱৰাই দিবলগা হৈছে যে অসমীয়া ভাষাৰ শব্দসমূহত তাহানিৰে পৰা জীৱন্ত হৈ থকা সমন্বৰ বিষয়ে বিশ্লেষণ কৰিছিল সম্পাদক ডক্টৰ ব্ৰাউন চাহাবে। অৰুণোদয়ত ডক্টৰ ব্ৰাউনে লিখিছিল অসমীয়া শব্দৰ ১০০ টাৰ ভিতৰত অইন ভাষাৰ শব্দ এই অনুপাতত সোমাই আছে।

যথা—সংস্কৃত ৬৩ টা, খাৰ্মা ১ টা, শ্যামদেশীয় ১ টা, আঁকা ৭ টা, আৰৱ ১ টা, মিচিমি ১ টা মান ৫ টা, কাৰেং ৩ টা, মৰাণ ১ টা, দক্ষিণ টাঙ্কু ১ টা, হৈৰু ১ টা, মাৰিং ৩ টা, জাপানী ১ টা, ইয়াৰ বাহিৰেও অষ্ট্ৰীয় দ্ৰবিড় আৰবী পৰ্চী আদি শব্দও আছে। অকল ভাষা বিশ্লেষণ বা প্ৰবন্ধ পাতি লিখাই নহয় — এই পাদুৰী সকলে অসমীয়া ভাষাৰ হকে তেওঁলোকৰ স্বধৰ্মী আৰু স্বজাতীয় ইংৰাজ কৰ্মচাৰীসকলৰ লগত সংগ্ৰাম কৰিছিল।

সাহিত্য কথাষাৰত সমন্বয়ৰ অৰ্থ নিহিত আছে। সেই সংহতিৰ বাবেই আজিৰ অসমীয়া ভাষা সাহিত্যসেৱীৰ মাজত আজিও বিভেদৰ বীজ সিঁচিবৰ

কু প্ৰচেষ্টা চলাইছে কিছু অশুভ শক্তিয়ে। অসম সাহিত্য সভাত সমবেত হোৱা প্ৰত্যেকজনৰে এই বিষয়ত নিজকে নিজে বিশ্লেষণ কৰাৰ সময় আহিছে। আজ 'লিপি' আদিৰ অজুহাত লৈ, অসমবাসীৰ মাজত নেতিবাচক শক্তিয়ে অহৰহ কাম কৰাৰ প্ৰমান পোৱা গৈছে। তাৰ বিপৰীতে ইতিবাচক কাৰ্য্যসূচী কি হোৱা উচিত — সেই বিষয়ে নিশ্চয় এই অধিবেশনত গোট খোৱা সুধীজনে আলচ কৰি সিদ্ধান্ত গ্ৰহণ কৰিব। তথাপি, আমি সেই চিন্তাসমূহক কামত পৰিণত কৰিবলৈ অসমৰ বিভিন্ন ভাষা গোষ্ঠীৰ প্ৰতিনিধি সকলৰ বক্তব্য উপলব্ধি কৰা লোৱা ভাল। বড়ো ভাষাৰ সমস্যা আৰু অৱস্থাৰ বিষয়ে সমন্বয়সজাগ সাহিত্যিক শ্ৰীৰামদাস বসুমতাৰী দেৱে সাহিত্য সভাৰ প্ৰথম লেখক শিবিৰত কোৱা কথাখিনি আজিৰ সভাই শুনা উচিত। তেখেতে কৈছে: "থলুৱা ভাষাসমূহৰ ভিতৰত বিশেষভাৱে এটিয়া বড়ো ভাষা হাইস্কুল পৰ্যায়লৈ স্বীকৃত বুলি উল্লেখ কৰা হৈছে। ঠিক আশা কৰা মতে তেনে ধৰণৰ নহলেও প্ৰাৰম্ভনিৰ এই পৰ্যায়তে ভাল খিনি উচ্চ পৰ্যায়ৰ কিতাপ পত্ৰ এতিয়া ছপা হৈছে আৰু সেইমতে ল ৰা-ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। যদি সম্ভৱ হয় ভৱিষ্যতে বিশ্ববিদ্যালয় পৰ্যন্ত শিক্ষাৰ মাধ্যম হিচাবেই হয়তো স্বীকৃত হব পাৰে বা উন্নীত হব পাৰে। বসুমতাৰীদেৱে আৰু এঠাইত কৈছে অসমীয়া ভাষা থলুৱা উন্নয়নৰ ডাঙৰ সহায়ক এই কথাটো স্বীকাৰ কৰিবও নোৱাৰি আৰু অস্বীকাৰ কৰিব-লগীয়াও নহয়। থলুৱা ভাষাৰ অৱস্থাৰ উন্নতি কৰাত অকল অসমীয়া ভাষা নহয়, অসমীয়া ভাষা গোষ্ঠীৰলোক সকলহে ডাঙৰ সহায়ক হব পাৰে। এই যুক্তিৰ সূত্ৰ ধৰি সাহিত্য সভাই যত্ন চৰ্চাত আগবঢ়া উচিত হব বুলি ভাবো।

মিচিং কাব্যবিদ সুসাহিত্যিক শ্ৰীতৰুণ পায়েংগামৰ মতে 'মূল অসমীয়া ভাষাৰ গুৰুত্ব অতি গুৰুতৰ। ৰাজনীতিয়ে সেই গুৰুত্ব লাঘৱ নকৰে। মূল অসমীয়া ভাষাৰ জন্য যুক্তিই আমি উত্তৰ পূৰ্ব ভাৰত এনাজৰীৰে সাঙোৰ খাই থাকিব লাগিব।

শ্ৰীনাহেন্দ্ৰ পাদুনে এঠাইত লিখিছে। অসমীয়া সাহিত্যিকসকলে এই থলুৱা ভাষাবোৰৰ বিষয়ে গৱেষণা কৰি অসমীয়া লিপিতেই পুথি পত্ৰ ৰচনা কৰিলে এই ভাষাবোৰৰ সাহিত্য চৰ্চাত হব। অসমীয়া সাহিত্যিকেও এই ক্ষেত্ৰত আগবাঢ়ি আহিলে প্ৰীতিৰ বান্ধোন আৰু অধিক কটকটীয়া হব বুলি ভাবো।' শ্ৰীপাদুনৰ এইটো চিন্তা কামত পৰিণত কৰাৰ

পণ লব লাগে আজিৰ এই সভাই। নহলে পলম হব। ইতিমধ্যে কিছু পলম হৈছে বুলি কলে ভুল কোৱা নহব।

শ্ৰী বং বং তেৰাঙৱ মতে 'মিকিৰ পাহাৰ জিলা গঠন হোৱাত কাৰ্বি ভাষাৰ বিকাশ সাধনৰ পথ সুগম হৈছে যদিও, জিলাখনৰ বাহিৰত থকা কাৰ্বিসকলৰ সমস্যা যথেষ্ট আছে বুলিব পাৰি'। এই বিষয়ত উপায় উদ্ভাৱনা কৰাটো অতি আৱশ্যক। অসম সাহিত্য সভাই কাৰ্বিসকলৰ মাজত থকা ভাষা কৃষ্টি ধৰ্ম আদি তুলনামূলক ভাবেৰে অধ্যয়নৰ পথ মুকলি কৰিব পাৰে বুলিও শ্ৰীতেৰাঙে ভাবে। তেওঁ স্পষ্ট ভাবে কৈছে — 'উত্তৰ পূব ভাৰতত থকা বিভিন্ন জাতি উপ-জাতিৰ মাজত ভাবৰ আদান প্ৰদান কৰিবৰ বাবে মূল অসমীয়া ভাষাৰ প্ৰয়োজন অধিক বুলি কব খোজোঁ। উদাহৰণ স্বৰূপে এজন কাৰ্বি আৰু নগাৰ ভিতৰত কথা বতৰা পাতিবলৈ হলে মূল অসমীয়া ভাষাৰ সহায় লব লাগে। এনে এই দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে সংযোগী ভাষা স্বৰূপে অসমীয়া ভাষাৰ গুৰুত্ব উপলব্ধি নকৰি নোৱাৰি।'

শ্ৰীতেৰাঙে নিজ ভাষাত ৰাজনৈতিক কাৰণত আমি সুকীয়া সুকীয়া গোট হৈ নিজৰ ভাষা কৃষ্টিৰ বিকাশৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছোঁ তথাপিও আমাৰ অজানিতে ভৌগলিক সঙ্কীৰ্ণ সীমাৰেখা চেৰাই এই জনগোষ্ঠীৰ ভাষা কৃষ্টি পৰম্পৰৰ মাজত সানমিহলি হৈ পূৰ্বৰ অৰ্থাৎ অসমৰ সত্তাকেই উপলব্ধি কৰাইছে।'

'বিহু বুৰঞ্জীৰ কথা সাৰকথাই' শ্ৰীতেৰাঙে কোৱাৰ দৰে কৈছে, "এই কেন্দ্ৰীভূত শক্তিৰ কথা বুৰঞ্জীয়ে সোঁৱৰাই থকা স্বত্বেও আমি হৃদয়ঙ্গম নকৰি ভাষা আৰু লিপিক লৈ আমাৰ মাজত বেয়া বাতাবৰণ সৃষ্টি কৰিছোঁ। ভাষা আৰু লিপি গ্ৰহণত অনিচ্ছুক সকলৰ যুক্তিবোৰৰ পৰিপ্ৰেক্ষিতত এই খিনিকে কব পাৰি যে তেওঁলোকৰ যুক্তি অহেতুক আৰু যথেষ্ট তৰাং। ভাষা আৰু লিপি সম্পৰ্কে অসন্তুষ্টিৰ অন্তৰালত বাহিৰ শক্তিৰ প্ৰভাৱ থকা বুলি ভাবিবৰ থল আছে।"

আমি জনাত ড° ব্ৰুন্সন চাহাবে অসমীয়া লিপিত 'ধৰম আলাম আক্লাং ইকিথান' নামৰ কাৰ্বি পুথি শিৱসাগৰৰ পৰা ছপাই প্ৰকাশ কৰে। এইখনেই কাৰ্বি ভাষাত প্ৰকাশিত প্ৰথম পুথি। তাৰ পিছত কিছু মিছনেৰীয়ে ৰোমান লিপিত পুথি লিখে ধৰ্ম সম্বন্ধে। কিন্তু স্বৰ্গীয় হেমহন হিং

ইংৰাজৰ লেখাত বহুতো জনজাতীয় পাঠ্যপুথি অসমীয়া লিপিত প্ৰকাশিত হয়। তাৰ পিছত জিলা গঠন হোৱাৰ পিছত জিলা পৰিষদৰ প্ৰচেষ্টাত প্ৰাথমিক পৰ্যায়লৈ কাৰ্বি পাঠ্যপুথি প্ৰকাশিত হৈছে। আমি আনন্দেৰে মন কৰিছোঁ যে কাৰ্বি লেখকসকলৰ নতুন চামৰ মাজতো পুথি লিখাৰ আগ্ৰহ বাঢ়িছে। প্ৰকাশতো নতুন উদ্যম মন কৰিবলগীয়া। বৰ্তমান কাৰ্বি ভাষাৰ ৰূপ সুন্দৰ। প্ৰকাশো সৃজন মুখী বিকাশমুখী।

আমি আন্তৰিকভাৱে ভাবোঁ অসমৰ থলুৱা ভাষাসমূহৰ যেনে বড়ো, মিচিং কাৰ্বি আদি ভাষাৰ উৎকৰ্ষ সাধনত সক্ৰিয়ভাৱে সহায় কৰা অসম সাহিত্য সভাৰ এটি প্ৰধান আৰু পবিত্ৰ কৰ্তব্য হৈ উঠিব লাগে। এই ক্ষেত্ৰত চিন্তা চৰ্চা, পলমকৈ হলেও আৰম্ভ হৈছেটো। যুগ্ম সম্পাদক বিশেষকৈ প্ৰথম লেখক শিবিৰত প্ৰকাশিত অসমৰ থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যাৰ প্ৰশ্নাৱলীত থকা প্ৰশ্ন কেইটা গুৰুত্ব পূৰ্ণ হৈছে। তাৰ বিষয়ে জনজাতীয় ভাষাত ব্যুৎপত্তি থকা লেখকসকলেও এই শিবিৰত যোগদানে এটি ইতিবাচক প্ৰচেষ্টাকে সূচাইছে। এই সমূহ ভাষাত লিখিত পুথি পত্ৰ কিমান আছে—শব্দ সংখ্যা কিমান উৎপত্তিৰ ইতিহাস কি, ক্ৰমবিকাশৰ ধাৰা কলা বিজ্ঞান বাণিজ্য সকলো বিষয়ৰ পুথি কেনে কোন স্তৰলৈকে শিক্ষা দিব পৰা যায় আদি বিষয়ত নিয়মীয়া সমূহীয়া কৰ্মশালা বা শিবিৰ হোৱাটো বাঞ্ছনীয়। লিপিৰ বিষয়ে প্ৰশ্ন সমূহ হৈছে এই থলুৱা ভাষা কেইটাৰ নিজা লিপি আছেনে? নে মূল অসমীয়া ভাষাৰ লিপিয়েই থলুৱা অসমীয়া ভাষা সমূহৰো উমৈহতীয়া লিপি হব লাগে বা পাৰে? নে ৰোমান হৰফ বা দেৱনগৰী হৰফ হে গ্ৰহণ কৰিব খুজিছে। যদি খুজিছে কিয়? এই থলুৱা ভাষাৰ পৰা মূল অসমীয় ভাষালৈ কিমান শব্দ ভাণ্ডাৰ আহিছে, বা থলুৱা ভাষাৰ বিকাশৰ বাবে মূল অসমীয়া ভাষাৰ পৰাই শব্দ সম্ভাৰ গ্ৰহণ কৰিব লাগেনে বা পাৰিনে? এনে প্ৰশ্নাৱলী উপস্থিত কৰি সকলো গুণীলোক মিলি সহানুভূতিৰে খৰচি মাৰি আলচ কৰি সিদ্ধান্তলৈ আহিলে সকলো কেইটি ভাষাৰে উৎকৰ্ষ সাধন কৰা হব নিশ্চয়।

লিপিৰ প্ৰশ্নই অসমবাসীৰ ভাষা সাহিত্যৰ মাজত বিভেদ অনা বা বদ তেজ অনা কথাটো দুখৰ কথা। ই কাকো সহায় নকৰে। অৰুণোদয় ছপাবলৈ ইংৰাজ মিছনেৰী সকলেই অসমীয়া লিপি এদিন সংগ্ৰাম কৰি গ্ৰহণ কৰিছিল এই কথাটো সোঁৱৰাও যুক্তিসঙ্গত হব যেন লাগে। তেওঁলোকে বোধহয় দেখিছিল উত্তৰ পূব ভাৰতৰ সংযোগী ভাষা হিচাবে মূল অসমীয়া ভাষাৰ গুৰুত্ব। এই সংযোগ সময় ইতিহাস আৰু দৈনন্দিন জীৱনৰ চলন ফিৰনে হে বোধহয় দিছিল। কেনেও কাকো বলাৎকাৰ কৰা নিশ্চয় দিয়া

নাছিল। ন অসমীয়া পমুৱা মুছলমান ভাই, নেপালী, মণিপুৰীসকলে কিম্বা আমাৰ চাহখেতিত জড়িত বিভিন্ন ভাষা গোষ্ঠীয়ে অসমীয়া ভাষা গ্ৰহন কৰা সত্যটো নিশ্চয় স্বাভাৱিক জীৱন সংযোগৰ আৱশ্যকতাৰ পৰাই উদ্ভৱ হৈছিল। লিপিত কৈ দৃষ্টিভঙ্গীহে ডাঙৰ কথা। লিপি বা ভাষা বা সাহিত্যই মনে মনে সেতু হ গঢ়— নেপালে ১৯৬০ চনত ভাষা আন্দোলনত এই নিঃকিন এটি গীত লিখিছিলে

'ভাষা নুবুজিও
যুগে যুগে আছে
মানুহে মানুহৰ পিনে
মৰমৰ ভাষাৰে
আখৰ নাইকীয়া
বুজিব খুজিলেই চিনে—

—যুদ্ধোত্তৰ অসমীয়া সাহিত্যৰ সৈতে এই নিঃকিনৰ কিঞ্চিৎ চিনাকী হেছ। আমাৰ প্ৰতিনিধি আলোচনীখন প্ৰায় একুৰি বছৰ সম্পাদনা কৰাৰ কালত ন পুৰণি লেখক লেখকাৰ সমস্যাৰ বিষয়েও কিছু জনাৰ সুযোগ পোৱা হৈছিল। আমাৰ এই কেইটা কথা চকুত পৰিছে

যুদ্ধোত্তৰ অসমীয়া সাহিত্য দুটা ধাৰাত প্ৰৱাহিত হোৱা দেখিছো। — এটা পশ্চিমীয়া আধুনিকতবাদী। আনটো সমাজবাদী প্ৰগতিশীল। দ্বিতীয়টো ধাৰা 'জয়ন্তী'ৰ পাতত আৰু প্ৰথমটো পাৰাৰ বামধেনুৰ পাতত ব্যাপ্ত বটে। কবিতা গল্প উপন্যাসত নতুন ভাব, বিষয়বস্তু, আংগিকৰ প্ৰৱৰ্তন হয়।

পঞ্চাচৰ দশকৰ শেহৰ পৰা বিভিন্ন অৰ্থ সামাজিক সাংস্কৃতিক সমস্যাই মুৰ দাঙি উঠে— যেনে ১৯৫৮ ৰ তেল শোধনাগাৰ আন্দোলন, ১৯৬০ ৰ ভাষা আন্দোলন, ১৯৬২ ৰ চীন ভাৰত যুদ্ধ, ১৯৬৫ ৰ ভাৰত পাকিস্থান যুদ্ধ ১৯৬৭ ৰ খাদ্য আন্দোলন মুদ্ৰাৰ মূল্য হ্ৰাস। লাহে লাহে সংস্কৰ উদ্যোগ কিছু গঢ়ি উঠিবলৈ ধৰে"। ৬০ ৰ দশকৰ মাজৰ পৰা মাৰ্ক্সবাদী চিন্তা চৰ্চা প্ৰকাশিত হোৱা দেখা যায়। ৭০ ৰ দশকত তেনে চিন্তা চৰ্চাই প্ৰাধান্য বিস্তাৰ কৰা চকুত পৰে।

৫০ ৰ দশকতে ৰোমাণ্টিচজমে বিদায় ললে যদিও তাৰ এটি ৰেশ থাকি গৈছিল। ৭০ ৰ দশকত বাস্তৱবাদী ধাৰাই প্ৰতিষ্ঠা লাভ কৰা দেখা গ'ল। ইফালে ন আংগিক আৰু ৰীতিৰে কবিতা গল্প আৰু নাটকে প্ৰতিষ্ঠা লাভ কৰে। '৮০ ৰ দশকৰ আৰম্ভনত সামাজিক চেতনা বা সমাজবাদী চেতনাক জ্ঞানধৰ্মী নকৰি শিল্পৰূপ দিয়াৰ প্ৰৱণতা দেখিছো। ই এক শুভ লক্ষণ।

৬০ ৰ দশকৰ পৰা সাম্প্ৰতিক অসমীয়া সাহিত্যৰ নিজা ৰূপৰ বিকাশ দেখা গৈছে। কিছু প্ৰষ্টাৰ নাম লবৰ আমাৰ ইচ্ছা হৈছে। কবিসকল হ'ল— হেম বৰুৱা, নৱকান্ত বৰুৱা মহেন্দ্ৰ বৰা হৰি বৰকাকতি, অজিত বৰুৱা, বীৰেশ্বৰ বৰুৱা, হোমেন বৰগোহাঞি, মহিম বৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ৰাম গগৈ কেশৱ মহন্ত, বীৰেন বৰকটকী নলিনীধৰ ভট্টাচাৰ্য্য হীৰেণ ভট্টাচাৰ্য্য লক্ষহীৰা দাস, নিৰ্মল প্ৰভা বৰদলৈ, অমলেন্দু গুহ হেমংগ বিশ্বাস, প্ৰফুল্ল ভূঞা, নিৰঞ্জন ফুকন, হীৰেন দত্ত, নীলমণি ফুকন, ভাৰৎ বৰুৱা, দিনেশ গোস্বামী হৰেকৃষ্ণ ডেকা, আনিছ উজ জামান, ৰবীন্দ্ৰ সৰকাৰ, সনন্ত তাঁতি, চিৰঞ্জীৱ জৈন, জ্ঞান পূজাৰী।

চুটি গল্পৰ ক্ষেত্ৰত :— চৈয়দ আব্দুল মালিক ভবেন্দ্ৰ নাথ শইকীয়া, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, নিৰোদ চৌধুৰী, মহিম বৰা সৌৰভ কুমাৰ চলিহা, লক্ষ্মীনন্দন বৰা যোগেশ দাস, চন্দ্ৰ প্ৰসাদ শইকীয়া, হোমেন বৰগোহাঞি স্নেহ দেৱী নিৰুপমা বৰগোহাঞি, মোদ া চৌধুৰী মহেন্দ্ৰ বৰঠাকুৰ, ছাইদুল ইছলাম সদা শইকীয়া, হৰবাণ শ্বাহ অপূৰ্ব শৰ্মা, ন... শইকীয়া শীলেন্দ্ৰ কুমুদ গোস্বামী, পোলেন বৰকটকী, নলিনী শৰ্মা কমলা বৰগোহাঁই আৰু কেবাগৰাকীও।

উপন্যাস সৃষ্টিত :

চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য হোমেন বৰগোহাঞি, পদ্ম বৰকটকী যোগেশ দাস মহিম বৰা নিৰোদ চৌধুৰী লক্ষ্মীনন্দন বৰা, হিতেশ ডেকা চন্দ্ৰ প্ৰসাদ শইকীয়া লীলা গগৈ, নিৰুপমা বৰগোহাঞি মেদিনী মোহন চৌধুৰী নৱকান্ত বৰুৱা দেবেন্দ্ৰ নাথ আচাৰ্য্য ধীৰেন্দ্ৰ নাথ বৰঠাকুৰ, ৰং বং তেৰাং, জয়ন্ত ৰংপ, য়েচে দৰ্জে ঠংছে (মনপা) মামনি গোস্বামী, মহেন্দ্ৰ বৰঠাকুৰ, নবীন বৰুৱা, পোলেন বৰকটকী, অৰুণ শৰ্মা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য কৈলাশ শৰ্মা আৰু শিশু সাহিত্যত ৰংমন।

গীতি সাহিত্যত

জ্যোতি প্ৰসাদ, বিষ্ণুপ্ৰসাদ আৰু পাৰ্বতি প্ৰসাদৰ ধাৰাক সম্মান কৰি, অথচ বাস্তৱৰ ফালে কিছু ফালৰ কাটি, এই নিঃকিনে কিছু গীত লিখিছে। প্ৰায় সমসাময়িক ৰূপ পাইছে, কেশৱ মহন্ত, লীলা গগৈ নৱকান্ত বৰুৱা, নিৰ্মল প্ৰভা বৰদলৈ, লক্ষহীৰা দাস ধীজেন্দ্ৰ মোহন শৰ্মা আৰু কেইবাগৰাকীক।

নাটকৰ ক্ষেত্ৰত :—

ফণী শৰ্মা সত্য প্ৰসাদ বৰুৱা, প্ৰবীন ফুকন, লক্ষ্মধৰ চৌধুৰী, ফণী তালুকদাৰ প্ৰফুল্ল বৰা, অৰুণ শৰ্মা, বসন্ত ওজা, উত্তম বৰুৱা অতুল বৰদলৈ, মহেন্দ্ৰ বৰঠাকুৰ, ভবেন্দ্ৰ নাথ শইকীয়া, বসন্ত শইকীয়া, হিমেন বৰঠাকুৰ, আব্দুল মজিদ আৰু কেইবাগৰাকীও।

সমালোচনা সাহিত্যত :—

আগৰ সকলৰ মাজত ড° মহেশ্বৰ নেওগ, ত্ৰৈলোক্য গোস্বামী, ড° সত্যেন্দ্ৰনাথ শৰ্মা মুনীন বৰকটকী, হেম বৰুৱা, মহেন্দ্ৰ বৰা। তাৰ পিচত উল্লেখযোগ্য হোমেন বৰগোহাঞি চিৰণ গোহাই ভবেন বৰুৱা, ইমদাদ উল্লাহ, ধণী বৰা আৰু আনসকল।

বৰ্তমান অসমীয়া সাহিত্য সৃষ্টিত সংখ্যাগত বৃদ্ধি এন কাৰবৰণগীয়া। কিছু কিছু ক্ষেত্ৰত ই মাননি লগা যদিও দোষণীয় নহয়। যি গুনগত বৃদ্ধি দেখা গৈছে সেই বৃদ্ধি কিন্তু চকুত লগা হৈছে—বিশেষকৈ কবিতা আৰু গল্পৰ ক্ষেত্ৰত।

সাহিত্য হ'ল সমন্বয়ৰ আহিলা। অসমীয়া সাহিত্যৰ অতীত বৰ্তমানৰ সৃষ্টিত সংহতিৰ বীজ নিহিত আছে। যেতিয়া অসমীয়া ভাষা সাহিত্যৰ বিৰুদ্ধে এই শতকতো কোনোবাই বিদ্যানিধিৰ ধনঞ্জয় চিকুট মাৰিব খোজে তেতিয়াই আমি চিঞৰি সোঁৱৰাই দিব লগা হয় এই বুলি।

জুই লই নোখেলিবি —

শঙ্কৰ মাধৱৰ মহা মহা সৃষ্টিৰে উজ্বল লুইতৰে পাৰ
কতজনে শলাগিলে অসমীয়া লিখনী পদ্ম গোঁহাঞি বৰুৱাৰ।
বড়ো, ৰাভা, মিচিঙৰ ৰূপ ৰসে ভৰপুৰ জীয়া জীয়া আমাৰ ভাষাৰ
লিখাবোৰ কিয় বাৰু পঢ়ি পাঢ় চোৱা নাই পামেগাম বিৰুদ্ধাচাৰ।
আনন্দ চন্দ্ৰ, ৰজনীকান্ত আৰু অম্বিকাগিৰীৰ ভাষাৰ
একে ফুলনিতে জ্বালো ফুল ফুলা নাছিল মফিজ হাজৰিকাৰ?
আজান ফকীৰ আৰু লক্ষ্মীনাথৰ একে ধ্যান একেটি আশাৰ।
মোজাম্মিল অনিলো হ'ল একে শৰতৰে দুটি ফুল, একটি ভাষাৰ।
উপাধ্যায়, ত্ৰিপাঠী, আফাজ ভনিজ আৰু কৰ্মকাৰ চাহ বাগিচাৰ,
অসমীক আঁকোৱালি পাতিছে মনৰ কথা ভাষা নৱ অসমীয়াৰ।
বন্ধুতো বঙালী ভাই লুইতৰ পাৰ পাই হ'ল বান্ধ অসমীয়াৰ,
বুকুখনি উদঙাই ঢালি দিলে অসমে মৌ কোলা স্নেহ নিজৰাৰ

ন বোৱাৰীবো দেখোঁ প্ৰাণৰ তৃষ্ণা হয় পতিগৃহ আপোন কৰাৰ,
বহু যুগ অসমত থকা কিছু মানুহৰ দেখোঁ কিয় চাৱনী ঘৃণাৰ।
দুৰ্বাণৰ পৰা আহি যুগ যুগ ধৰিও অসমীক মাতৃ নোবোলাৰ,
কথা শুনি কিনো ক'ব সুন্দৰ আত্মাই জ্যোতি আগৰবালাৰ?
কবীন্দ্ৰ ৰবীন্দ্ৰ আৰু আচাৰ্য্য ৰায় অন্নদাশঙ্কৰ আৰু সুনীতি কুমাৰ,
এওঁলোকে জানে দেখোঁ ঐতিহ্য মহান আমাৰ মাতৃ ভাষাৰ।

এনে ঐতিহ্যপূৰ্ণ মহান সংহতিক ধ্বংশ কৰিব খোজা অশুভ শক্তিৰ বিৰুদ্ধে আমি সাৱধান হৈ থাকিব লাগিব।

আমি মন কৰিছোঁ যে '৭০ ৰ দশকত সৃষ্টিশীল ৰচনাতকৈ সমালোচনাত্মক দৃষ্টি ভঙ্গীৰ প্ৰকাশ অধিক হৈছে। এনে সমালোচনাত্মক কিছু লিখা যে আৱেগজড়িত সেই কথাটোও আমাৰ চকুত পৰিছে। আগতেই উল্লেখ কৰিছোঁ যে যুদ্ধোত্তৰ অসমীয়া সাহিত্য দুটা ধাৰাত প্ৰৱাহিত হৈছে— এটা পশ্চিমীয়া আধুনিকতাবাদী আনটো সমাজবাদী প্ৰগতিশীল। প্ৰথমটোৰ আঙ্গিক যিমানেই চমকপ্ৰদ নহওক মাটিৰ গোন্ধ নেথাকিলে সুঘ্ৰাণ বিলাব নোৱাৰে। দ্বিতীয়টো অৰ্থাৎ সমাজবাদী প্ৰগতিশীল ধাৰাত নানা গোষ্ঠী উপগোষ্ঠীৰ খেলি মেলিও দেখা গৈছে। প্ৰগতিশীল সাহিত্যৰ সুনিৰ্দিষ্ট সংজ্ঞা প্ৰায় অসম্ভৱ। মাথো কোণক আৰু খণ্ডিত আভাষ হয়তো দিব পৰা যায় — সেই আভাসো বিস্তৃ। বনানিত সূৰ্য্যৰ পোহৰৰ টুকুৰা সদৃশ। সাহিত্যতো ঔপনিবেশিক শাসন চলে। সাম্ৰাজ্যবাদ উপনিবেশবাদ, পুঁজিবাদ, মূল্যহ্ৰাস এক কথাত ৰাজনৈতিক আৰু অৰ্থনৈতিক হেঁচাই সাহিত্যকো প্ৰভাৱিত কৰি আহিছে। আমাৰ অসমৰ প্ৰায় সকল লেখক লেখিকা মধ্যবিত্ত পৰিয়ালৰ— সেয়ে সুবিধাবাদৰ লোভৰ উৰ্বশী মেনকা ৰম্ভাৰো সন্মুখীন হব লাগে সচেতন কিম্বা অসচেতন ভাৱে। স্ৰষ্টাৰ চৈতন্য যেহেতু সমাজ বিচ্ছিন্ন নহয় সেয়ে সামাজিক উত্থান পতনে স্ৰষ্টাক আলোড়িত কৰিবলৈ বাধ্য। সাহিত্যিকৰ হৃদয়ক যদি এটা মাইক্ৰোফোনৰ সৈতে ৰিজাওঁ তেন্তে সবাতোকৈ অধিক ইন্দ্ৰিয়স্পৰ্শী হৃদয় মাইক্ৰোফোনত সমাজৰ যি কোনো ধৰণৰ স্পন্দন প্ৰতিধ্বনিত হবই কিয়নো সাহিত্য স্ৰষ্টা সমাজৰ সবাতোকৈ সুক্ষ্ম কাৰিকৰ। আধুনিক যুগত শাশ্বত সাহিত্যৰ বিচাৰ বিশ্লেষণৰ ক্ষেত্ৰত দৃষ্টিভঙ্গীৰ সলনি হৈছে। ফলত পূৰ্বতে যি নন্দিত হৈছিল, সি বৰ্তমান নিন্দিত হৈছে। সময়ৰ সোঁত খোজ ৰাখি যি সকল অগ্ৰগামিতাৰ আৰু জীৱনৰ সপক্ষে, মানৱ কল্যাণৰ স্বাৰ্থত যি সকলে কাম কৰি যায়— তাতেই প্ৰগতি। মতবাদৰ পৰিৱৰ্তন

হটে কিযনো মতবাদত হ্ৰস্ব প্ৰত্তিয় কাৰবাৰ নাই। মতবাদৰ কাৰবাৰ হ'ল বিশেষ সময়ক বিশেষ যুগক কেন্দ্ৰ কৰিহে। ফলত তাৰ অধিকাংশ নিৰ্বাসিত হৈ যয়। এটি মতবাদৰ শিপা উঘালি ভিন্নতৰ মতবাদে শিপা প্ৰোথিত কৰে। ইজম বা বিশেষ মতবাদৰ দশ নৰ ক্ষেত্ৰও সাধাৰণত প্ৰগতি-শীলতা সময় কেন্দ্ৰিক। কিন্তু সাহিত্যৰ প্ৰগতিশীলতা তেনে হয় জানো? আ মৰ মনে কয়,—তেনে নহয়। শাশ্বত সাহিত্য সৃষ্টি হয় ক্ৰমাগতৰ যুগৰ পৰা যুগান্তৰত। ৰাজনৈতিক মতাদৰ্শত ভিন্নতা থাকিলেও বিশ্বা মূল ঢ'কাটোত পৰি-বৰ্তন সাধিত হলেও শাশ্বত সাহিত্য চিৰকালেই সমমৰ্য্যাদাৰে অভিনন্দিত হয়। সমগ্ৰ পৃথিৱীতে এতিয়া প্ৰগতিশীল সমালোচক সকলেও উচ্চাৰণ কৰা দেখা গৈছে যে প্ৰকৃততে যি সকলে যাৰ যাৰ যুগত যি কোনো মহৎ সৃষ্টি কৰি গৈছে তেওঁলোকেই প্ৰগতিশীল সাহিত্যিক। এজনৰ মতে 'যুগান্তৰৰ বাহিৰৰ প। অপ্ৰগতিশীল যেন লাগিলেও, অনুভূতিৰ নিভৃত খিৰিকী মেলি চালে দেখা যায় প্ৰগতিশীলতাৰ দীপ্তিময় জিলিকনি যাৰ যি কোনো যুগতে সাৰ্দ্ধাই প্ৰ চৰিৰ পৰা যায়।

৭০ অৰ দশকটোক পংক্তি যুগৰ অসমীয়া সাহিত্যৰ ন আৰম্ভণিৰ প্ৰস্তুতিৰ দশক বুলিব খোজোঁ। অসম সাহিত্য সভা ৰজাঘৰৰ মেৰপাকৰ পৰা এইবাৰ উন্মুক্ত আকাশৰ তললৈ আহিল। ই বৰ আনন্দৰ কথা। আৰু আনন্দৰ কথা হব যদি অসম সাহিত্য সভাৰ অঙ্গণখনি দলীয় ৰাজনীতিৰ বহু উৰ্দ্ধত থাকে। সু সাহিত্যই মুহূৰ্তে মহূৰ্তে দল সংস্থাৰ পটভূমিক উৎকৰ্ষ সাধন কৰিব নোৱাৰে। চমকপ্ৰদ শ্লোগান বা মেনিফেষ্টো সকলো সময়তে সাহিত্য নহয়। '৮০ ৰ দশকৰ আৰম্ভণিত দেখিছোঁ সামাজিক চেতনা বা সমাজবাদী চেতনাক শ্লগানধৰ্মী নকৰি শিল্পৰূপ দিয়াৰ প্ৰৱণতা। ই অতি শুভ লক্ষণ।

মাত্ৰ সিদিনা দেখিবলৈ উগ্ৰ কথাত উগ্ৰ, আনৰ উদ্ধৃতিত উগ্ৰ প্ৰগতিত উগ্ৰ, সিদ্ধান্তত উগ্ৰ কোনো সমালোচকে জনৈক নবীন কবিক ধমক মাৰি সুধিলে

— আৰ ইউ এ কমিটেড পয়েট? (তুমি দায়বদ্ধ কবি নে)

নতুন কবিজনে উত্তৰ দিলে এই বুলি,

— কমিটেড টু হোৱাট? (কিহৰ প্ৰতি দায়বদ্ধ বুলি সুধিছে, চাৰ?)

টু ইয়ৰ গ্ৰুপ? (তোমাৰ গোষ্ঠীৰ প্ৰতি?

তেতিয়া সমালোচক চাৰে সেমেনা সেমেনি কৰি আকৌ সুধিলে

— কমিটেড টু হোৱাট ডেন? (তেন্তে কাৰ প্ৰতি দায়বদ্ধ?)

তেতিয়া নতুন কবিজনে নিৰ্ভীকভাবে উত্তৰ দিলে।

— কমিটেড্ টু ট্রুথ, চাৰ (সত্যৰ প্ৰতি হে মই দায়বদ্ধ চাৰ)
তাৰ পিচত সুধি পেলালে চাৰক—
— চাৰ হেভ ইউ ডান এনি ক্ৰিয়েটিভ ৰাইটিং এপাৰ্ট ফ্ৰম ক্ৰিটিচাইজিং ? (চাৰ সমালোচনাৰ বাহিৰেও আপুনি সৃজনীমূলক কিবা লেখিছে নেকি চাৰ ?)

(চাৰৰ প্ৰস্থান)

অনাগত ভৱিষ্যতৰ অসমীয়া সাহিত্য হওক আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ সাহিত্য। কল্পনাবিলাসৰ বিপৰীতে সাহিত্য হওক সত্য-প্ৰশান্তিৰ ধ্যান। সমসাময়িক বাস্তৱে দিয়ক সৃষ্টিৰ অনুপ্ৰেৰণা। মনোমালিন্য কিম্বা ধ্বংসমুখী দৃষ্টিৰ বিপৰীতে সাহিত্যৰ মাধ্যমে আনক অনন্য শান্তি। সাহিত্যই জগাই দিয়ক জনৈক সংগ্ৰামী সৈনিকৰ মহাপ্ৰাণ।

"অতীতৰ ভাল খিনিলৈ, বৰ্তমানৰ বাস্তৱ সংযত খিনিৰ শক্তিলৈ আহিব ধৰা ভৱিষ্যতৰ নদিগন্তৰ সৰোবৰত সাহিত্যিকে কৰক পবিত্ৰ স্নান।

স্থিতিশীলতাৰ বিপৰীতে সময়ৰ তীব্ৰ গতিৰ সৈতে সাহিত্য হওক আগুৱান—আপোনাসবক সন্মান কৰি গীতেৰে গাবলৈ মোৰো মন গৈছে.

'মোৰ গান হওক বহু আস্থাহীনতাৰ
বিপৰীতে এক গভীৰ আস্থাৰ গান।'

এই আস্থাহীন বতৰত আপোনাসবে পণ কৰক আমি সৃষ্টি কৰিম গভীৰ আস্থাৰ গান—

('এই গীত নুবুজিলে শত গীত লিখি যাম
জগাই তুইতৰে পাৰ।
মোৰ শতকুটি প্ৰণাম লক।
কিবা দোষ কৰিছো যদি খেমিব।

ইংৰাজ, হাঞ্চে, তেৰাং বংপি সকলৰ শুভ হওক, কাৰ্বি আংলঙৰ সকলো আলে'ং অৰ্থাৎ স্বজাতি মানুহৰ শুভ হওক -
আপোনাসবৰ আতিথ্যৰ তুলনা নাই কাৰ্বি আংলঙৰ বংমিলিৰ হ হি হওক— চিৰ সেউজীয়া -

কাৰ্দ'ম
প্ৰণিপাত
বাংগৈ-

দিফ্লোল—

দিফু হ'ল তোমাৰে নাম, হওক মঙ্গল তোমাৰ
লুইতপৰীয়া ভাই ভনীৰ লোৱা নমস্কাৰ হে ॥
ইমান দিনে তোমালোকক মিকিৰ বুলিলোঁ
আনে বোলা দেখি সেঁহি, ভ্ৰান্ত কৰিলোঁ ॥
সুৰলা কাৰ্বি ভাষাতহে, 'কাৰ বি' মানে পাহাৰ
আলেং মানে মানুহ আৰু স্বজাতি আমাৰ ॥
'কাৰ' অৰ্থে পোহৰ আৰু 'বি' মানে কৰ্ম
কাৰ্বি জাতিৰ আদৰ্শ হ'ল কৰ্ম মানে ধৰ্ম ॥
দেৱতাৰ পূজা বেদীত শৰাই আগবঢ়ায়
সেঁহি প্ৰথাক 'থেক্ৰাৰ কিবি' বুলি জনা যায় ॥
কালক্ৰমত এই শব্দত থে লুপ্ত হয়
'ৰ' শব্দ লুপ্ত হে কাৰ্বি মাথোঁ ৰয় ॥
ঊনৈচশ একাত্ত চত্ত এ নিজেই শাসন কৰা
জিলা পৃথক কৰা এহি সত্তৰ চনৰ পৰা ॥
ছয় সত্তৰৰ অক্টোবৰৰ চেধ্যাদিন গৈল
জিলাৰ নাম কাৰ্বি আংলং হইলা ॥
কাৰ্বি জাতিৰ সুখ দুখৰ, জানো ইতিহাস
ইংৰাজ নেটিভ সকলোৰে পালা পৰিহাস ॥
এনে দিনত ছেমছন সিঙৰ হৈলা আবিৰ্ভাৱ
জাতিৰ থলুৱাৰ হই বিস্তাৰে প্ৰভাৱ ॥
শস্য চপোৱাৰ কালত, নাচা হাচ্ছাকাম
উৰল মাৰি লৈ নাচা, লেংপুম চকচন্‌ ॥
লাখিমী চপোৱাৰ কালত 'ৰংকেৰ' পূজা হয়
ৰিতনং হিংদিৰ প্ৰভাৱত খেতিৰ মান বয় ॥
চমাংকান, উচৰতহে নাচ চমাংকান হয়
ডেকা গাভৰুৱে নাচি ধৰিত্ৰী কপায় ॥
সুদূৰ কলিকতা নগৰীত মোক হাঁহে গৈ মাতে
তেতিয়াৰে পৰা আমাৰ তত নাই গাতে ॥
ৰ বং তেৰাঙ আৰু ৰংপি কতজনে
আমাক বুকুত সাৱটি সপোন ৰহণ সানে ॥
তোমাৰ আমাৰ মনৰ কথা বহুত দেখোঁ মিলে

শৰদ কিছু বুজি পাওঁ তোমাৰ ভাষা ক'লে ॥
নাৰিকলক 'নাৰিকই' নাঙলক 'নাঙই'
গাওঁবুঢ়াক 'কাং বুঢ়া', কপাহক 'কপাই' ।
ভাইটি চামছিঙৰ এই হাইমু কাহিনী
লুইতপৰীয়া সহস্ৰই, আজি পালে চিনি ॥
প্ৰাগজ্যোতিষপুৰ ভাঙি, হৈলা দিচপুৰ
দিচপুৰে এহি সভাত, হৈলাহে অসুৰ ॥
বং বঙে সোঁৱৰাই কাৰ্বিৰ'ৰ দান
'ৰ মিলিৰ হাঁহি' হৈলা চিৰজ্যোতিস্মান ॥
আজি ৰাংচিনা নগৰ, হৈলা জাতিস্কাৰ
গীতিকাৰ ভূপেন্দ্ৰই যাচে নমস্কাৰ ॥

——

ডিফু-বন্দনা

অতুলচন্দ্ৰ হাজৰিকা

(১)

যদিও ধনপতি মাৰিছে জেং
ৰমাপতি পুতিছে বগৰী-জেং
নষ্ট্য স্বার্থই ধৰিছে হেঙাৰ,
তথাপি ডিফুৱে কৰিছে পণ
বৈ উলিয়াব বিহুৱানখন
ভাষা জননীৰ সাহিত্য সভাৰ
হব মহাপূজা ষোড়শোপচাৰ

(২)

নহ'লেও হব দিল্লীৰ লাৰু
দিছপুৰে দিয়া সোণৰ খাৰু
ভুবন-মোহিনী আমাৰ আই,
তেজ ধুলে উটে, মঙহ ধুলে নুটে
তাকেই শিখিছে ডিফুৰ তাঁতে
বৰঅসমৰ বৰনাম গাই
বৰলুইতেও দুন্দুভি বজায় ॥

(৩)

নাম কটা নেতা অৰাজক দেশ
দুর্ভাগ্য অশেষ, সৌভাগ্য নিঃশেষ
ৰোগালী ভোগালী মিমিলে ভাত,
তথাপি ৰঙালি বান্ধিছে টঙালি
সোণালী সপোনে মেলিছে গজালি
মেঘালী-কোলাত বিজুলী তাঁৰ,
অমিয়াবৰষা সুৰীয়া মাত ॥

(৪)

চন্দ্ৰ হ'ল ৰজা, মন্ত্ৰী বৃহস্পতি
ভাগ্য-বিধাতাৰ হৰনে সুমতি
যাবনে যাতনা, বেদনা শেষ —
ধুমুহা আহিছে, মেঘে বৰষিছে
টিহিটি টিহিটি পে'পাটি বাজিছে
নাচিছে বিহুতী পাহৰি ক্লেশ,
অসমা সুষমা হক মোৰ দেশ ॥

(৫)

কঁহুৱা কেঁৰেৰে মহুৱা যাচিছে
নৈ-নিজৰাই গা কটালিছে
জীৱন-যৌৱন জাগিছে গাত,
বদন দদাই, শকুনি মোমাই
বৰদৈচিলাই দিলে যে হুৰাই
শঙ্কৰ গুৰুৱে মেলিছে নাট
লাচিতে পাতিছে শৰাইঘাট ॥

(৬)

নহয়, সুচল পিচল বাট
তথাপি বহিছে বিহুৰ হাট
সাহিত্য-সংস্কৃতি বেহানি তাত,
তগৰ ফুলিছে, নাহৰ ফুলিছে
পখিলা উৰিছে, নাচনী নাচিছে
জেতুকীয়ে দিছে বুলাই হাত
নন্দন নামিছে চন্দন চঁৰাত।

(৭)

নীল পৰ্বতত নৃত্য জননী
ৰাগ-ৰাগিনীক দিলে সঞ্জীৱনী
আকাশে বতাহে আশাৰ গাত,
সাহিত্য সূতা, সংস্কৃতি ফুল
সংহতিৰ আঁচু ৰামধেনু বোল
কামাখ্যা কবচ ডিফুৰ বিহুৱান
শৰাই ভৰাই অভিহণা আন।

——

শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী

অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক আৰু সদস্যবৰ্গ, অসম সাহিত্য সভাৰ প্ৰতিনিধি সকল আৰু সাহিত্যপ্ৰেমী সুধীবৃন্দ,

সৰ্বপ্ৰথমে মই আপোনালোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আগবঢ়াইছো। মই এজন অতি সাধাৰণ সাহিত্যপ্ৰেমী ব্যক্তি মোৰ অতি ক্ষুদ্ৰ শক্তিৰে অসমীয়া সাহিত্যৰ আৰু দেশৰ সেৱা কৰিবৰ চেষ্টা কৰি আহিছো। যোৱা বছৰ, দেশৰ দুৰ্দিনৰ সময়ত তিনিচুকীয়া অধিবেশনত আমাৰ দেশবাসীৰ কৰ্তব্য সম্বন্ধে কিছুমান কথা উনুকিয়াই আহিছিলো দেশৰ মঙ্গলৰ ফালে লক্ষ্য ৰাখি। এই বছৰো অসমবাসীয়ে অসম সাহিত্য সভাৰ সভাপতিৰ পদ এই অভাজনৰ ওপৰত জাপি দিছে। দেশবাসীৰ এই মৰম মই মূৰ পাতি গ্ৰহণ কৰিছোঁ, মোৰ অযোগ্যতা আৰু অক্ষমতা স্বত্বেও। মই মোৰ কৰ্তব্য পালন কৰিবৰ নিশ্চয় চেষ্টা কৰিম। দেশৰ এনেকুৱা বিপদৰ সময়ত অসম সাহিত্য সভাই সকলো প্ৰকাৰে সেৱা কৰিবৰ চেষ্টা কৰিবই লাগিব, তাৰ উপৰিও দেশবাসীক প্ৰেৰণা দিব লাগিব সংহতি আৰু সমন্বয়ৰ পথেদি আগুৱাই যাবলৈ, অতি সুন্দৰ দেশ এখন গঠন কৰি অসমীয়া জাতিক মহান জাতি এটাত পৰিণত কৰিবলৈ। আশা কৰোঁ, দেশবাসীয়ে মোৰ অক্ষমতাবোৰ ক্ষমা কৰি মোক সকলোপ্ৰকাৰে সহায় কৰিবলৈ নিশ্চয় চেষ্টা কৰিব। এয়েই মোৰ একান্ত অনুৰোধ।

আজি আমি কাৰ্বি ভাইভনী সকলৰ নিমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাই ডিফু নগৰীত আটায়ে মিলিত হৈছো। কাৰ্বি ভাইভনী সকলে আমাক হিয়াভৰা চেনেহ প্ৰীতিৰে নিমন্ত্ৰণ জনাইছে বুকুৰ কুটুম বুলি জানি। আমি অসমৰ সকলো অঞ্চলৰ পৰাই নিজ নিজ ঠাইৰ প্ৰতিনিধি হিচাপে আহিছো আমাৰ বুকুৰ কুটুম সকলৰ ওচৰত, কাৰ্বি আংলঙৰ প্ৰাণকেন্দ্ৰ ডিফু নগৰীত। আমি মিলিত হৈছো তেওঁলোকৰ আশা-আকাঙ্ক্ষাৰ লগত বুজাবুজি হবৰ বাবে আৰু তেওঁলোকৰ ভৱিষ্যত পৰিকল্পনাৰ লগতে পৰিচিত হবৰ বাবে। আমিও চাব লাগিব তেওঁলোকৰ আশা আকাঙ্ক্ষা, ভৱিষ্যতৰ পৰিকল্পনা, উন্নতিৰ প্ৰচেষ্টা সকলো প্ৰকাৰে সহায় কৰিবৰ বাবে। তেওঁলোক আমাৰ আটাইতকৈ আপোন।

কাৰ্বি আৰু অন্যান্য জনজাতি সকলৰ সমস্যা।

কাৰ্বি ভাইভনী সকলৰ বহুতো সমস্যা আছে। তেওঁলোকৰ নিজৰ ভাষা আছে যি ভাষা এতিয়াও অনুন্নত। সেই ভাষাৰ উন্নতিত আমিও যথেষ্ট অৰিহণা যোগাব লাগিব। আনহাতে ৰাজ্যভাষা অসমীয়াকো তেওঁলোকক শিকোৱাৰ ব্যৱস্থা কৰিব লাগিব। কাৰ্বি-অসমীয়া এই দুই ভাষাৰ কিদৰে উন্নতি কৰা যায় সেয়াও চিন্তা কৰিব লগা বিষয়।

কাৰ্বি সকলৰ দ্বাৰা অধ্যুষিত অঞ্চলবোৰ লৈ এই জিলাখন গঠিত হৈছে। এই জিলাখন আওহতীয়া আৰু অনুন্নত। এইবিলাক অঞ্চলত বাট পথ তৈয়াৰ কৰি উন্নত কৰি তোলাৰ ভাৰ আৰু উন্নতিৰ সকলো সুযোগ দিয়াৰ ভাৰ অসম চৰকাৰৰ। অসম চৰকাৰে এইবোৰ কামৰ দায়িত্ব এৰাই যাব নোৱাৰে। আমি আমাৰ বুকুৰ কুটুম্ব সকলক চিৰদিন অনুন্নত কৰি ৰাখিব নোৱাৰোঁ। আমি সকলোৱে একেখন দেশৰে অধিবাসী, এই দেশতে আমি অনন্তকাল বাস কৰিব লাগিব। সেয়ে এই দেশ অতি সুন্দৰ, সকলো প্ৰকাৰে আদৰ্শৰ আৰু শান্তিৰ দেশ কৰি গঢ়ি তুলিব লাগিব।

কাৰ্বি ভাইভনী সকলৰ যিদৰে নানা সমস্যা আছে, এনেকুৱা সমস্যা আন আন জনজাতীয় লোক সকলৰো আছে। মিচিং ভাই ভনী সকলৰ সমস্যাবোৰো প্ৰায় একেই। মিচিং ভাই-ভনী সকলেও নিজা ভাষা প্ৰচলন কৰিবলৈ চেষ্টা কৰিছে। সেইবুলি তেওঁলোকে ৰাজ্যভাষা অসমীয়া শিকিবলৈ প্ৰত্যাখ্যান কৰা নাই। তেওঁলোকৰ ভাষা সমস্যাৰ কথাও চিন্তা কৰিব লাগিব আৰু এইবোৰ সমস্যা সমাধানৰ পথো উলিয়াব লাগিব। তেওঁলোকো আওহতীয়া ঠাইত থাকে। বৰ্তমান সভ্যতাৰ সকলো সুযোগ তেওঁলোকক দিয়াৰ আৰু দিয়াবৰ ব্যৱস্থা কৰাৰ চেষ্টা কৰিব লাগিব।

টিৱা আৰু ৰাভা সম্প্ৰদায়ৰ কথাও প্ৰায় একে ধৰণৰ। ৰাভা সকলেও তেওঁলোকৰ ভাষা প্ৰচলনৰ যত্ন লৈছে। তেওঁলোককো আমি সকলো প্ৰকাৰে সহায় কৰিব লাগিব।

বড়ো ভাষাও বহুদূৰ আগ বাঢ়িছে। বৰ্তমানে বড়ো ল'ৰা-ছোৱালী বিলাকে স্নাতক শ্ৰেণীলৈকে বড়ো ভাষা M I L হিচাপে পঢ়িবলৈ লৈছে। বড়ো ভাষাৰ বিকাশো কিছুদূৰ আগবাঢ়িছে। বহুত বছৰৰ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত বড়ো ভাষাই আজি এই অৱস্থাত আহি পাইছে, এইদৰে চেষ্টা যত্ন চলাই থাকিলে বড়ো ভাষাই আৰু বহুদূৰ আগুৱাব পাৰিব।

অনুসন্ধান কৰিলে দেখা যায় প্ৰত্যেকটো ভাষা আৰু উপভাষাই সেই সেই জাতি আৰু উপজাতি বিলাকৰ একান্ত আগ্ৰহ আৰু সাধনাৰ ফলত আজি হেজাৰ হেজাৰ বছৰে চলি আহিছে। নিজৰ নিজৰ ভাষা উপভাষা মৰি যাওক, সেইটো কোনো জাতি বা উপজাতিয়ে কামনা নকৰে। কোনোবাই বা কোনো ৰাজশক্তিয়ে যদি হেঁচা দি থলুৱা কোনো ভাষা আৰু উপভাষা-বোৰ মাৰি পেলাবৰ চেষ্টা কৰে বা সেইবোৰ ভাষা আৰু উপভাষাবোৰৰ বিকাশত বাধা দিয়ে তেতিয়াই দেশত বিদ্ৰোহ আৰম্ভ হয় আৰু দেশৰ সৰ্বাঙ্গীন উন্নতিত বাধাপ্ৰাপ্ত হয়।

আমাৰ একমাত্ৰ সাধনা—সমগ্ৰ অসমৰ উন্নতি কৰা, কাৰণ এই দেশ আমাৰ দেশ, এই দেশখনক সকলো ফালৰ পৰা আমি উন্নত, আদৰ্শ আৰু শান্তিপূৰ্ণ দেশত পৰিণত কৰিব লাগিব। আমি এই দেশত আমাৰ পৰিয়ালবৰ্গক লৈ সুখ সন্তোষে বাস কৰিব লাগিব, আমাৰ ভবিষ্যত বংশধৰ সকলেও এই দেশতে অনন্তকাল বাস কৰিব। আমাৰ ভাগ্যক্ৰমে এই আৰ্যগোষ্ঠীৰ মানুহ বিলাকৰ বাহিৰেও বড়ো কছাৰি, ৰাভা, মিচিং তিৱা আদি বিভিন্ন জনগোষ্ঠীৰ মানুহ এই দেশত হেজাৰ হেজাৰ বছৰ বাস কৰি আহিছে। আমি হেজাৰ হেজাৰ বছৰ একেলগে মিলিজুলি বাস কৰি অহাৰ ফলত পৰস্পৰে আমাৰ অতি ঘনিষ্ঠ আত্মীয়তাৰ উদ্ভৱ হৈছে। পৰস্পৰে আমি সহায় কৰা কৰি কৈ এই দেশৰ সেৱা কৰিব লাগিব, কাকো আমি অৱহেলা কৰিব নোৱাৰোঁ।

থলুৱা প্ৰত্যেক জনগোষ্ঠীৰ মানুহ বিলাকৰ একোটা ভাষা আছে, সেইবোৰ ভাষা দোৱান বুলি উপগুণা কৰি গলে আমাৰ আত্মহত্যা কৰা হে হব, তাৰু তাৰ দ্বাৰা দেশৰ বিৰাট ক্ষতিহে কৰা হব।

অসম সাহিত্য সভা একমাত্ৰ অৰাজনৈতিক জাতীয় অনুষ্ঠান যি অনুষ্ঠানে ভাষা আৰু সাহিত্যৰ বিকাশত সহায় কৰিব পাৰে, এই দেশৰ বুৰঞ্জী জাতীয় কৃষ্টি সভ্যতা আদিৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰিব পাৰে।

গতিকে আমি সাহিত্য সভাই এই দেশৰ সকলো থলুৱা ভাষাবোৰৰ উন্নতি সাধনৰ চেষ্টা চলাব লাগিব—নিৰ্দিষ্ট সুপৰিকল্পিত আঁচনি হাতত লৈ বিভিন্ন জনগোষ্ঠীৰ মানুহ বিলাকৰ সহায়ত সমন্বয় আৰু সংহতিৰ বাটেদি বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বিলাকৰ পাঠক্ৰম আৰু আঁচনি বোৰকো সলনি কৰাব লাগিব—দেশৰ প্ৰয়োজনত। যি কোনো বিষয়ত অসুবিধা নঘটক, আমি সমাধানৰ সূত্ৰ উলিয়াই এই দেশৰ হিত সাধিব লাগিব।

খলুৱা ভাষা বিলাকৰ উন্নতি হলে অসমীয়া ভাষাৰ উন্নতিত বাধা পৰিব, এইদৰে ভাবিবৰ থল নাই। নিজৰ নিজৰ ভাষাৰ চৰ্চ্চাৰ উপৰিও অসমীয়া ভাষা ৰাজ্যভাষা হিচাপে সকলো জন গোষ্ঠীৰ মানুহে অকপটে গ্ৰহণ কৰিছে আৰু অসমীয়া ভাষাৰ উন্নতিত যথেষ্ট অৰিহণা আগবঢ়াইছে।

খলুৱা মানুহ বিলাক কোন কোন? অগণিত পৰা অৰ্থাৎ হেজাৰ হেজাৰ বছৰ ধৰি এই দেশত বাস কৰা আৰ্য্য গোষ্ঠীৰ আৰু বড়ো কাছাৰী, মিচিং টিৱা, আহোম আদি জনগোষ্ঠীৰ মানুহ বিলাক নহয়নে? এই কঠিন সত্য কথা অস্বীকাৰ কৰিবৰ সাহ কাৰ বুকুত আছে? এই নিগাজী খলুৱা মানুহ বিলাকৰ ভাষা কৃষ্টি আদিৰ সৰ্বাঙ্গীন উন্নতিৰ প্ৰচেষ্টা নকৰি স্বাধীনতাৰ পিছত অসমত আহি আশ্ৰয় লোৱা লাখ লাখ ভগনীয়া বিলাকৰ নাইবা চুৰকৈ বা গাৰ জোৰে আহি আমাৰ অস্তিত্ব আৰু স্বাধীনতা বিপন্ন কৰা লাখ লাখ বিদেশী প্ৰব্ৰজনকাৰী মানুহ বিলাকৰ, অথবা কেৱল অৰ্থোপাৰ্জনৰ বাবে ভাৰতৰ অন্যান্য প্ৰদেশৰ পৰা অহা লাখ লাখ সাধাৰণ শ্ৰেণীৰ আৰু অস্থায়ী বিদেশৰ মানুহ বিলাকৰ ভাষা কৃষ্টি আদিৰ উন্নতিৰ প্ৰচেষ্টা কৰিব? এইবোৰ কথা গভীৰভাৱে চিন্তা কৰি অসমীয়া মানুহ আৰু অসম চৰকাৰৰ সুদৃঢ় নীতি নিৰ্দ্ধাৰণ কৰিবৰ হল। অনন্তকাল এইদৰে খেলিমেলি অৱস্থা চলিব নোৱাৰে। চিৰদিন অসমৰ অস্তিত্ব বিপন্ন হৈ থাকিব নোৱাৰে, অচিৰতে এইবোৰ বিষয়ৰ সুমীমাংসা হব লাগিব, নহলে এই দেশৰ ধ্বংস অনিবাৰ্য্য। আমি এই দেশৰ নিগাজী অধিবাসী, আমি আমাৰ এই দেশ ৰক্ষা কৰিবৰ দৃঢ়পণ কৰিব লাগিব, আমি আমাৰ দেশ ধ্বংস হব দিব নোৱাৰোঁ।

সাহিত্য সভাৰ কাম

অসম সাহিত্য সভাই কি বিচাৰে? অসম সাহিত্য সভাৰ বৰ্ত্তমান কৰ্ত্তব্য কি? আমি সকলো কথাই গভীৰ ভাবে চিন্তা কৰি চাব লাগিব।

অসম সাহিত্য সভাই চিৰদিনেই আমাৰ সাহিত্যিক সকলক উচ্চ মানৰ সাহিত্য ৰচনাৰ প্ৰেৰণা যোগাইছে আৰু চিৰদিনেই সেই প্ৰেৰণা যোগাবৰ চেষ্টা কৰিব। আমাৰ সাহিত্যিক সকলে আমাৰ আগত দাঙি ধৰিব উচ্চ আদৰ্শ, আমাৰ মাতৃভূমিৰ সেৱাত যোগাব প্ৰেৰণা, কৰ্মত দিব অশেষ শক্তি, আমাৰ দেশ গঢ়ি তুলিব শান্তিৰ দেশ, শক্তিশালী আৰু মহীয়ান। অসম সাহিত্য সভাই ইয়াৰ বাহিৰে আন কথা ভাবিব নোৱাৰে।

অসমৰ বিপদৰ সময়ত অসম সাহিত্য সভাই চিৰদিনেই মাত মাতি আহিছে। অসম সাহিত্য সভাই কোনো দিনেই এই দিশৰ দায়িত্ব এৰাই যোৱা নাই। আনৰ প্ৰৰোচনাত বা হেঁচাত আমি কোনো দিন মত সলাব নোৱাৰোঁ। আমাৰ নিজ সিদ্ধান্ত মতে নিৰ্ভীক ধীৰভাবে আমি আগুৱাই যাব লাগিব আমাৰ কামত।

সাহিত্য সভাৰ চিন্তাধাৰা স্থবিৰ নহয়। স্থবিৰ আৰু ৰক্ষণশীল মনোভাব লৈ আজিৰ দিনত কোনো মহৎ কাম হব নোৱাৰে। মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ নিচিনা নতুন নতুন নদী নিজৰাক বুকুত সাবটি লৈ আমি মহাসমুদ্ৰৰ ফালে গতি লব লাগিব। সাহিত্য সভাক আমি মৰিবলৈ দিব নোৱাৰোঁ, ই জীয়াই থাকিব অনন্তকাল। ৰক্ষণশীল মনোভাববোৰ পৰিত্যাগ কৰিব লাগিব। ৰক্ষণশীল গঠনতন্ত্ৰ বোৰকো সংশোধন কৰিব লাগিব জীয়াই থকাৰ প্ৰয়োজনত।

নতুন নতুন কবি-সাহিত্যিক সকল আগুৱাই আহিছে নতুন ভাবধাৰা লৈ আমাৰ দেশৰ সাহিত্য সভাৰ বৃদ্ধিৰ কাৰণ, আমাৰ দেশক সকলো প্ৰকাৰে সেৱা কৰি উন্নত আৰু মহীয়ান কৰি তুলিবৰ বাবে। আমি তেওঁলোকক জনাইছোঁ মৰম প্ৰীতি, জনাইছোঁ স্বাগতম। সাহিত্য সভাই তেওঁলোকক বাদ দি চলিব নোৱাৰে। সাহিত্য সভা হব নতুন আৰু পুৰণি লিখকৰ মিলন কেন্দ্ৰ। নতুন-পুৰণি লিখকৰ মিলনৰ ফলত অসমৰ ভাবধাৰা, ঐতিহ্য আৰু কৃষ্টিৰ সৰ্বাঙ্গীন বিকাশ হব। এয়া আমাৰ অন্তৰৰ আশা।

সাহিত্যৰ সৃষ্টি আৰু বিকাশ অকল ডাঙৰ নগৰতেই হয়নে? গাওঁ অঞ্চলবোৰ বাদ দি অসমৰ জন জীৱন, কৃষ্টি সভ্যতা আদি চলিবনে? নচলে। অসমৰ সভ্যতা, অসমৰ ঐতিহ্য, কৃষ্টি বুৰঞ্জী আদি সকলো গাওঁ অঞ্চলবোৰৰ প্ৰেৰণাত সৃষ্টি হৈছে, গাওঁবোৰৰ লগত আমাৰ অন্তৰৰ নিবিড় সম্পৰ্ক। অসম সাহিত্য সভাই গাওঁ অঞ্চলবোৰত সাহিত্যৰ নতুন নতুন বাণী প্ৰচাৰ কৰিব লাগিব। আৰু গাওঁলীয়া জীৱনৰ সহজ সৰল জীৱন যাত্ৰাৰ কাহিনী, আশা আকাঙ্ক্ষাৰ কথা, আদৰ্শ আৰু ত্যাগৰ মহিমা সমস্ত বিশ্বত প্ৰচাৰ কৰিব লাগিব, গাওঁ আৰু নগৰৰ মাজত আনিব লাগিব অবিচ্ছেদ্য সম্পৰ্ক। টংলা, বিহপুৰীয়া, গোৱালপাৰা লক্ষীমপুৰ, কোকৰাঝাৰ আদি বিশেষকৈ গাৱঁলীয়া মানুহ অধ্যুষিত সৰু সৰু নগৰবোৰত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ অধিবেশন, লিখক শিবিৰ, শিক্ষক কৰ্মশালা, আলোচনা চক্ৰ, নগেন্দ্ৰ নাৰায়ণ শতবাৰ্ষিকী উৎসৱ আদি পাতি গাৱঁলীয়া জনসাধাৰণৰ পৰা অভূতপূৰ্ব সহাঁৰি আৰু শ্ৰদ্ধা-ভক্তি অসম সাহিত্য সভাই পাইছে। আমি এইদৰে গাওঁ আৰু

মগৰৰ ব্যৱধান কমাই আনিব লাগিব—গাঁৱৰ নতুন নতুন লেখক লেখিকা সকলেও অসমৰ সাহিত্য সমাজত স্থান পাব লাগিব।

অসমৰ সকলো উপজাতি-জনজাতিকে সাৱটি লৈ বৃহৎ অসমীয়া জাতি গঠন কৰিব লাগিব। বেলেগ বেলেগ দৃষ্টিভঙ্গী, ভিন ভিন কৰ্মধাৰা লৈ আমি জীয়াই থাকিব নোৱাৰো। বেলেগ বেলেগ ভাষা আৰু উপভাষাৰ মাজত সংহতি আৰু সমন্বয় স্থাপন কৰিব লাগিব আৰু এই ভাবেৰে কৰিব লাগিব অসমীয়া সাহিত্যৰ সৃষ্টি, যি সাহিত্যক অসমৰ সকলো জনগোষ্ঠীৰ লোক সকলেও আপোন বুলি বুকুত সাৱটি লব।

উদ্যমান বিশিষ্ট আৰু সংহতিৰ ক্ষেত্ৰত অৰিহণা যোগাব পৰা কিতাপৰ কাৰণে অসম সাহিত্য সভাই "বিষ্ণুৰাভা বঁটা"ৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে অসম সাহিত্য সভাক বহুতো বিশিষ্ট ব্যক্তিয়ে ওলগ জনাইছে। অসমৰ সকলো মানুহে-বিভিন্ন জাতি আৰু জনজাতিৰ মাজত সমন্বয় বিচাৰে।

কলাগুৰু বিষ্ণুৰাভা আছিল চিৰ বিদ্ৰোহী, তেওঁৰ বাহুত আছিল বল, চকুত আছিল অগ্নি তেওঁৰ বিদ্ৰোহ আছিল কুসংস্কাৰ আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে, অন্ধ আইন-কানুনৰ বিৰুদ্ধে নিয়মানুবৰ্তিতাৰ নামত কঠোৰ নিপীড়ণৰ বিৰুদ্ধে আকাংক্ষা আছিল বাধাহীন আৰু প্ৰাণপ্ৰাচুৰ্যেৰে উপচি পৰা এখন শান্তিপূৰ্ণ অপূৰ্ব সৌন্দৰ্যেৰে ভৰা আনন্দলোক স্থাপন কৰাৰ। তেওঁৰ সাধনা আছিল অসমৰ বিভিন্ন সমাজ বিভিন্ন গোষ্ঠী ভাষাভাষীৰ মাজত একতা আনি সকলোকে একেটা ডোলেৰে বান্ধি এখন উন্নত সমাজ আৰু জাতি গঠণ কৰা—তেওঁবিলাকৰ মৰ্য্যাদা ঐতিহ্য আৰু কৃষ্টিৰ বিকাশ সাধন কৰা।

এই মহাপুৰুষৰ নামত আমি যি বঁটাৰ সৃষ্টি কৰিছোঁ, আমি আশা কৰোঁ আমাৰ সাহিত্যিক সকলে সেই আদৰ্শ গ্ৰহণ কৰি অসমীয়া জাতিক সংহতি আৰু সমন্বয়ৰ পথত আগুৱাই লৈ গৈ মহান অসমীয়া জাতি গঠনত সহায় কৰিব।

অসমৰ বিভিন্ন জনগোষ্ঠীয় লোক সকলৰ জীৱন যাপনৰ প্ৰণালী, তেওঁলোকৰ সমাজ ব্যৱস্থা, ৰাজনীতি, তেওঁলোকৰ আশা আকাংক্ষা আৰু ভৱিষ্যতৰ কৰ্মপ্ৰণালী ইত্যাদিৰ লগত আমি গভীৰ ভাবে পৰিচিত নে? তেওঁলোকৰ ভাৱা ভাবধাৰা, আশা-আকাংক্ষাৰ প্ৰতি আমি সন্মান বা সহানুভূতি জনাইছোঁনে? এই বিষয়ে আমাৰ কবি সাহিত্যক সকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো। জনগোষ্ঠী অধ্যুষিত অঞ্চল বিলাকত সাহিত্যিক সকলৰ শুভেচ্ছাদল পঠিয়াই যেন জনগোষ্ঠী লোক সকলৰ বিষয়ে গভীৰ ভাবে

অধ্যয়ন, কবি তেওঁলোকৰ বিষয়ে বিভিন্ন দিশৰ দৃষ্টিভঙ্গীৰে লিখা ৰচনা আজি যাতে প্ৰকাশ কৰিবৰ সুযোগ পায়। স্বৰ্গীয় ৰজনী কান্ত বৰদলৈৰ "মিৰিজীয়ৰী আৰু ড বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইঙ্গম', "মৃত্যুঞ্জয়ৰ" নিচিনা কালজয়ী আৰু জনপ্ৰিয় উপন্যাস আৰু প্ৰবন্ধ কবিতা ওলাব বুলি মই আশা ৰাখোঁ। জনগোষ্ঠীৰ লোক সকলৰ লগত আমাৰ হব লাগিব অবিচ্ছেদ্য সম্বন্ধ। অসমীয়া সাহিত্যৰ উন্নতি সাধিব লাগিলে নতুন নতুন লিখক লিখিকাক সাহিত্য-সাধনাত প্ৰেৰণা দিব লাগিব। পুৰণি লিখক সকলৰ বহুতেই পুৰণি দৃষ্টিভঙ্গী এৰিব লাগিব, যুগোপযোগী নতুন নতুন ভাৱধাৰাৰ প্ৰতি সহাঁৰি জনাই।

জনজাতি ভাষা অজনজাতীয়ক শিকাবৰ ব্যৱস্থা আমি কৰিছোঁনে ? তেওঁলোকৰ ভাষা শিখি তেওঁলোকৰ প্ৰতি সন্মান দেখুওৱা, তেওঁলোকৰ ভাৱধাৰাৰ লগত গভীৰ ভাবে পৰিচিত হোৱা আমাৰ উচিত নহয়নে ? অসম চৰকাৰে এই বিষয়ত কিমানদূৰ আগবাঢ়িছে ? অসম সাহিত্য সভাই অতিসীমিত পুঁজিৰে কিমনদূৰ আগবাঢ়িব পাৰিব ?

অসম সাহিত্য সভাৰ উচিত কাম হব অসমৰ প্ৰত্যেকটো জনজাতীয় ভাষাৰ বিকাশত সহায় কৰা। আমি এই বিষয়ত গভীৰ ভাবে চিন্তা কৰি দৃঢ় পদক্ষেপে আগুৱাব লাগিব প্ৰয়োজন হলে উচ্চ বিদ্যালয় মহাবিদ্যালয় আদিৰ পাঠ্যক্ৰমৰ সালসলনি কৰি আংগিক ঐক্যসাধন কৰিব লাগিলে আমি বহু কাম কৰিব লাগিব গঠনমূলক কামৰ মাজেদি আৰু সাহিত্য সংস্কৃতিৰ ঐতিহ্যৰ বাটেদি।

অসম সাহিত্য সভা মেলামুখী হৈছে আৰু সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনত অনাৱশ্যক লাখ লাখ মানুহ গৈ উপস্থিত হয় বুলি বহুতে অভিযোগ কৰে। কিন্তু এই অভিযোগ অতি মূল্যহীন। অসম সাহিত্য সভা এটা সাৰ্বজনীন মহৎ অনুষ্ঠান। এই অনুষ্ঠানে অসমৰ ভাষা, কৃষ্টি, বুৰঞ্জী ঐতিহ্যত একতা আনি এইদেশ মহান দেশ এখনত পৰিণত কৰিবৰ চেষ্টা কৰি আহিছে। আজি ইমান বছৰে অসম সাহিত্য সভাই দেশৰ উন্নয়নত যথেষ্ঠ ভাবে অৱহনা যোগাই আহিছে। দেশৰ বিপদৰ সময়ত অসম সাহিত্য সভাই মাত মাতিছে। বিবুদ্ধ সমালোচক সকলে যিয়েই নকওক, সমগ্ৰ অসমবাসীৰ মনত অসম সাহিত্য সভা এটা অতি পবিত্ৰ অনুষ্ঠান বুলি পৰিগণিত হৈছে আৰু সেয়েহে অসম সাহিত্য সভাৰ অধিবেশনত অসমৰ সকলো প্ৰান্তৰ পৰা লাখ লাখ মানুহ আহে— সাহিত্য সভাৰ পৰা দেশৰ সেৱা আৰু উন্নয়নত প্ৰেৰণা পাবলৈ। প্ৰকৃততে সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনবোৰ অসমীয়া জাতিৰ মহামিলন কল্প আৰু

পবিত্ৰ তীৰ্থস্থানত পৰিণত হৈছে। ইয়াৰ ফলত দেশখনৰ ভিতৰত দেশৰ সকলো অধিবাসী, সকলো গোষ্ঠী আৰু সকলো সম্প্ৰদায় একতাৰ ডোলেৰে বান্ধ খাইছে। অসমত ইয়াতকৈ ডাঙৰ মহাতীৰ্থ কোন অনুষ্ঠানে সৃষ্টি কৰিব পাৰিছে? অৱশ্যে এইটো কথা সঁচা যে দেশবাসীৰ সকলো আশা-আকাংক্ষা অসম সাহিত্য সভাই এতিয়াও পূৰাব পৰা নাই। কিন্তু এইটো নিশ্চিত যে অসম সাহিত্য সভাই এই দেশৰ উন্নতি কৰিম বুলিয়েই দৃঢ় পদক্ষেপে আগুৱাই যাবৰ চেষ্টা কৰি আছিছে। অসমত লিখক আছে, প্ৰকাশকৰ সংখ্যাও আছে অৱশ্যে সেই সংখ্যা নিচেই তাকৰ। লিখকে কিতাপ লিখিব কেনেকৈ, যদি প্ৰকাশক নেপায়? প্ৰকাশকে হেজাৰ হেজাৰ টকা খৰছ কৰি কিতাপ ছপাই উলিয়াব কিয় যদি কিনোঁতা অৰ্থাৎ পাঠক শ্ৰেনী নাপায়? অসমীয়া সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰত প্ৰধান বাধা পাঠকৰ অভাৱৰ বাবেহে। আমি পাঠক সমাজ গঢ়ি তুলিব লাগিব। অসমীয়া সাহিত্যৰ বৃহৎ বজাৰ তৈয়াৰ কৰিব লাগিব। তাৰ অবিহনে সাহিত্যিক আৰু প্ৰকাশক কোনেও জীয়াই থাকিব নোৱাৰে।

আমাৰ দেশত গাৱেঁ গাৱেঁ পুথিভঁৰালৰ আন্দোলন মৰি গল চৰকাৰৰ উপযুক্ত সহায়ৰ অভাৱত, আমাৰ প্ৰচাৰকৰ অভাৱত। অসম সাহিত্য সভাৰ লাখ লাখ মানুহে অসম সাহিত্য সভালৈ আহে অসম সাহিত্য সভাক প্ৰাণৰ অনুষ্ঠান বুলি ভাবি, সাহিত্য সভাৰ পৰা প্ৰেৰণা লাভ কৰিব পাৰিব বুলি, আৰু আহে সাহিত্যিক সকলক নিজ চকুৰে চাই সম্বৰ্দ্ধনা জনোৱাৰ আৰু সেই সকল সাহিত্যিকৰ কিতাপ কিনাৰ মানসেৰে। বহুক্ষেত্ৰত লাখ লাখ টকাৰ কিতাপ বিক্ৰি হৈছে। এইদৰে পাঠক শ্ৰেণীৰ সৃষ্টি হৈছে গতিকে এই ক্ষেত্ৰত দেশৰ মঙ্গল হোৱা নাই বুলি কোনোবাই যদি কয় তেন্তে অত্যন্ত ভুল কোৱা হব। যদি কেতিয়াবা ভুলবশতঃ অসম সাহিত্য সভাই দেশৰ দ্ৰোহ আচৰণ কৰে নাইবা কিবা কাৰণত অসমৰ জনসাধাৰণে অসম সাহিত্য সভাৰ অধিবেশনবোৰত উপস্থিত হোৱাৰ পৰা বিৰত থাকে, তেতিয়াই হব অসম সাহিত্য সভাৰ মৃত্যু আৰু অসম দেশৰ কাৰণেও তেতিয়া ঘোৰ অমানিশা নামি আহিব। অসম সাহিত্য সভাই নাইবা অসমৰ জনসাধাৰণে এনেকুৱা ভুল কেতিয়াও কৰিব নোৱাৰে। অসম সাহিত্য সভাই এই দেশৰ অধিবাসী সকলৰ ভাষা, সাহিত্য, বুৰঞ্জী, সংস্কৃতি আৰু ঐক্যৰ বাহিৰে কোনো কথা চিন্তা কৰা নাই আৰু এই দেশৰ মঙ্গলৰ কাৰণেই পাৰ্যমানে চেষ্টা কৰি আছিছে। যিকোনো জাতীয় চৰকাৰে এনেকুৱা মহান অনুষ্ঠানত আৰ্থিক অনুদান আৰু অন্যান্য বিষয়ে সহায় কৰা উচিত। কিন্তু দুখৰ বিষয় এই যে যোৱা দুবছৰে আমি প্ৰতি পদে অসম চৰকাৰৰ পৰা নানা প্ৰকাৰে

বিৰূপ মনোভাব পাই আহিছে। অসম চৰকাৰ আমাৰ জাতীয় চৰকাৰ, বিদেশী চৰকাৰ নহয়। গতিকে আমাৰ জাতীয় অসম চৰকাৰে অসম সাহিত্য সভাৰ প্ৰতি বিৰূপ মনোভাব পৰিবৰ্তন কৰিব লাগে। বিষয়তে সহায় কৰিবলৈ আগবাঢ়ি অহাটো উচিত হব এইটো কথা সচা যে আমাৰ জাতীয় চৰকাৰে অসম সাহিত্য সভাক সহায় নকৰিলেও আমাৰ সাহিত্য সভাক আমি দেশবাসীয়ে জীয়াই ৰাখিব লাগিব, আমাৰ জাতিক জীয়াই ৰখাৰ স্বাৰ্থত। আজি অসমৰ জনসাধাৰণক মই অতি বিনীত ভাবে এই কথা নিবেদন কৰিব বিচাৰো।

অসম দেশৰ ভাষা, সাহিত্য, কৃষ্টি আৰু জাতীয় জীৱনৰ কাৰণেই অসম সাহিত্য সভা জীয়াই থাকিব লাগিব আৰু এই দেশৰ মানুহৰ প্ৰয়োজন হব আৰ্থিক অনুদান, সকলো প্ৰকাৰৰ সহায় আৰু সহযোগ ইত্যাদি দি অসম সাহিত্য সভাক জীয়াই ৰখাৰ, এই কথাটো আমাৰ দেশবাসীয়ে মনত ৰাখিলে অত্যন্ত সুখী হম

বিষ্ণু প্ৰসাদ ৰাভাই জনগণৰ মাজত থাকি জনগণৰ আশা আকাংক্ষাক জনগণৰ ভাষাৰে ৰূপ দিবলৈ বিচাৰিছিল। আজিকালিৰ বহু লিখকে ড্ৰইং ৰুমত বহি জনতাৰ হৃদকম্পন নবুজাকৈ জনতাৰ পৰা যোজন যোজন দূৰৈত থাকি তেওঁলোকৰ দুখ বেদনা ৰূপায়ন কৰিবলৈ যত্নত আচলতে সত্যৰূপত প্ৰকাশ কৰিবলৈ সমৰ্থ নহয়। জনগণৰ দুখ বেদনাক সাহিত্যৰ জৰিয়তে ৰূপ দিব পাৰ।

কিছুসংখ্যক অসমীয়া লেখকৰ কাৰণে অৱশ্যে এইদৰে সাহিত্যৰ সাধনাত ব্ৰতী হোৱাটো অসুবিধাজনক কাম হয় যদিও প্ৰকৃত সাহিত্য-সাধক সকলে কেনে অসুবিধাক গণিতা কৰিব নালাগিব।

অসমীয়া সাহিত্যৰ জৰিয়তে অসমৰ সকলো শ্ৰেণীৰ জনমনক ৰূপায়িত কৰিব পাৰিব লাগিব। কিন্তু কেনে প্ৰচেষ্টা অসমীয়া সাহিত্যত খুব বেছি নহয়। অসমৰ বড়ো সমাজক লৈ এখনো উপন্যাস ৰচিত হৈছেনে? মিছিং সমাজক লৈ বহু পূৰ্বে স্বৰ্গীয় ৰজনী কান্ত বৰদলৈয়ে, নগা সমাজক লৈ ড বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই, অৰুণাচলৰ জন জীৱনক লৈ শ্ৰীলুম্মেৰ দায়ে আৰু কাৰ্বি সমাজক লৈ [illegible] প্ৰকাশ পোৱা শ্ৰীৰংবং তেৰাঙৰ উপন্যাস কেইখনৰ বাহিৰে আৰু কিমানখন গ্ৰন্থ প্ৰকাশ পালে? প্ৰতিখন সমাজ বা গোষ্ঠীৰ লোকৰ জীৱনক অসমীয়া সাহিত্যৰ জৰিয়তে ৰূপায়িত কৰিব নোৱাৰিলে সেই সেই সমাজৰ লোকৰ অসমীয়া ভাষাৰ প্ৰতি আদৰ

বাঢ়িবনে ? সমন্বয় আৰু সংহতিৰ অৰ্থে এনে ধৰণৰ প্ৰচেষ্টা অতি প্ৰয়োজনীয়। কিন্তু ৰাজ্য পুৰস্কাৰ এই আশা ৰাখিয়ে প্ৰদানৰ ব্যৱস্থা কৰা হৈছে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা সাহিত্যৰ সমলবোৰকো বুটলি আনি সহজ সৰল ভাষাৰে আকৌ তেওঁলোকক প্ৰদান কৰাৰ দিশতো কোনো কাম হোৱা নাই। অসমৰ গাঁৱে-ভুঞে সমাজৰ বিভিন্ন স্তৰে স্তৰে যুগ যুগ ধৰি প্ৰচলিত হৈ অহা গীত-মাত-প্ৰবাদ আদিকো শাখা সভা বিলাকৰ জৰিয়তে খুঁপাই আনি সম্পাদিত আৰু সংকলিত কৰি লব পাৰা যায়। অসমৰ চাহ বনুৱা সম্প্ৰদায়, চৰ অঞ্চলৰ লোকৰ মাজতো এনে ধৰণৰ সাহিত্যই জনপ্ৰিয়তা লাভ কৰিব পাৰিব।

সাংস্কৃতিক সমন্বয়

ৰাজনীতিৰ অস্ত্ৰবলৰ দ্বাৰা কোনো কালে কোনোৱে জনচিত্তক জয় কৰিব পৰা নাই। ভাৰতবৰ্ষৰ বুৰঞ্জীৰ পাত লুটিয়ালে আমি দেখোঁ সাংস্কৃতিক সমন্বয়েহে সমগ্ৰ ভাৰতবৰ্ষক এক কৰি ৰাখিছিল। সেই একে দৃষ্টিৰে এটা মহান অসমীয়া জাতি গঢ় তুলিবলৈ হলে সাংস্কৃতিক সমন্বয়েহে ই সম্ভৱপৰ হৈ উঠিব। ৰাজনৈতিক পৰাজয়ৰ গ্লানিক পৰাভূত কৰি ৰাখিব পাৰি, কিন্তু সাংস্কৃতিক পৰাজয়ে জাতি এটাক নিঃশেষ কৰি পেলায়। নিঃশেষ হবলৈ কোনেও ইচ্ছা নকৰে। কিন্তু সমন্বয় সকলোৱে বাঞ্ছা কৰে। আৰ্যসকলে অনাৰ্য্য সকলৰ আচাৰ ব্যৱহাৰ ৰীতি-নীতি, পূজাপাৰ্বন সৰ্বপ্ৰকাৰে গ্ৰহণ কৰাৰ গুণেহে আমাৰ সৰ্বশ্ৰেণীৰ লোকৰ মাজত সংস্কৃতিৰ জৰিয়তে একাত্মতা আহিল। সমন্বয়ৰ প্ৰক্ৰিয়া একালৰ পৰা আৰম্ভ নহয়। দুয়ো দিনৰ পৰাহে হয়। গতিকে এই দিশত অসমৰ সংস্কৃতি সেৱী সকলে চিন্তা কৰিব লাগে।

অসম সাহিত্য সভাই কৰিবলৈ লোৱা কামবোৰৰ বহু অংশ প্ৰত্যেক বছৰেই বাকী হৈ যায়। সেইদৰে যোৱা বছৰৰো বহুতো কাম অসম্পূৰ্ণ হৈ ৰল। যোৱা বছৰৰ আধৰুৱা কামবোৰ নতুন বছৰটোত কৰিব পৰা হব বুলি আশা কৰিব পাৰি।

বৰ্তমানে অসম সাহিত্য সভাৰ কামৰ পৰিসৰ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। অকল এজন নিৰ্বাচিত সম্পাদকৰ দ্বাৰা সুচাৰুৰূপে কাম সম্পাদন কৰা টান হৈ পৰে। বিভিন্ন বিষয়ত একোজনকৈ কৰ্মসচিব নিযুক্ত কৰাৰো প্ৰয়োজন হৈ পৰিছে নতুবা বহু কাম এনেয়েই পৰি থকাৰ সম্ভাৱনা।

শিশুকোষ ৰচনাৰ কাম সম্প্ৰতি কিছু অগ্ৰগতি লাভ কৰিছে। নতুন অসমীয়া অভিধান এখন ৰচনাৰ পৰিকল্পনা চলিছে। এই কামো অতি কঠিন কাম। আশাকৰোঁ এই বিষয়ে এই বছৰ কিছু আগবাঢ়িব

পৰা যাব। অন্যান্য কিছুমান মূল্যবান গ্ৰন্থ ৰচনাৰ ভাৰ যেওঁলোকৰ ওপৰত দিয়া হৈছিল, সেইবোৰো বহুপৰিমাণে আগবাঢ়িছে বুলি আশা কৰিব পাৰি। দুখৰ কথা যে যোৱা বছৰ দেশত সুস্থিৰ চৰকাৰ নথকাৰ হেতুকে কেনো কথাকে চৰকাৰৰ লগত আলোচনা কৰি কামত আগুৱাব পৰা নগ'ল।

উদ্দেশ্যধৰ্মী সাহিত্য

আমাৰ দেশৰ সাহিত্য উদ্দেশ্য ধৰ্মী হোৱা প্ৰয়োজন। যি যি বিষয়ত আমাৰ যেতিয়া প্ৰয়োজন হয়, সেইবোৰ বিষয়তে আমাৰ সাহিত্য ৰচনা হব লাগিব। সম্প্ৰতি আমাৰ আটাইতকৈ প্ৰয়োজন হৈছে অসমৰ বিভিন্ন গোষ্ঠি আৰু সম্প্ৰদায়ৰ ভিতৰত একতাৰ সৃষ্টি কৰাৰ। সকলো জাতি সম্প্ৰদায়, গোষ্ঠী মিলি এই দেশৰ উন্নতি বিধান কৰা। দেশৰ বাবে আমি বহু স্বাৰ্থ ত্যাগ কৰিব লাগিব। অতীতৰ শাসন প্ৰণালী, সমাজ ব্যৱস্থা আদি বুৰঞ্জী-মূলক তথ্যবোৰৰ যথেষ্ট গৱেষণা হব লাগিব। এই গৱেষণা মূলক ৰচনাবোৰ এনেদৰে লিখিত হব লাগিব যাতে কাৰো মনত সন্দেহ বা বিদ্বেষ ভাবৰ সৃষ্টি নহয়। পূৰ্বে কিছুমান বুৰঞ্জীবিদে এনে ভুল কেতবোৰ কৰি গৈছে যাৰ ফলত কছাৰী জাতিয়ে এতিয়াও বিৰক্তি প্ৰকাশ কৰে। সকলো গৱেষণা মূলক ৰচনা হব লাগিব এ দেশৰ স্বাৰ্থৰ বাবেহে।

আমাৰ সকলো সাহিত্য, গল্প উপন্যাস, কবিতা প্ৰবন্ধ আদি এনেদৰে ৰচিত হব লাগিব, যাতে এই ৰচনাই দেশৰ সমাজক, বিশেষকৈ নতুনকৈ উঠি অহা ডেকা গাভৰুক দেশসেবাৰ বাবে উদ্বুদ্ধ কৰি তোলে আৰু সৎকৰ্মৰ বাবে প্ৰেৰণা দিয়ে। অন্যান্য দেশৰ লোক সকলৰ মনো আমাৰ সাহিত্যই আকৰ্ষিত কৰি জয় কৰিব লাগিব।

অসমত এতিয়াও যথেষ্ট পৰিমাণে শিশু সাহিত্য ৰচনা হোৱা নাই। এইটো বৰ দুখৰ কথা। উপযুক্ত শিশু সাহিত্য ৰচনা নোহোৱা হেতুকে শিশু সকলৰ হাতত উপযুক্ত শিশু সাহিত্য তুলি দিব নোৱাৰো। লৰা ছোৱালী বিলাকৰ মনত নিৰ্মল আনন্দ দিব পৰা বিচিত্ৰ শিশুগল্প, জ্ঞান বিজ্ঞানৰ কথা, আমাৰ অতীতৰ মহাপুৰুষ সকলৰ কথা অতীত বুৰঞ্জীৰ কাহিনী আদি কিতাপৰ অভাৱৰ কাৰণে শিশুবিলাকৰ মন উন্নত আৰু সহিতে চৰিত্ৰবান কৰি তুলিবলৈ আমি যথেষ্ট অসুবিধা অনুভৱ কৰো। শিশুসাহিত্য ৰচনা কৰা অতি টান কথা। আমাৰ অভিজ্ঞ লিখক সকলে শিশু সাহিত্য ৰচনাত মন দিলে দেশৰ যথাৰ্থতে মঙ্গল কৰা হব। এই বিষয়ে শিশু মাহেকীয়া আলোচনী ইত্যাদি চলোৱাটো একান্ত প্ৰয়োজন।

অসমৰ মহিলা সকলৰ বিষয়েও সেই একে কথাকে কব পাৰি মহিলা সকলৰ শিক্ষাৰ কাৰণে উপযুক্ত আলোচনীৰ অভাৱৰ উপৰিও মহিলা সকলৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে নানা বিষয়ত যথেষ্ট পৰিমানে কিতাপ ৰচনা হৈছে বুলি কব নোৱাৰি। মহিলা সকলৰ কলা-শিল্প, শিশুপালন, গৃহ পৰিচালনাৰ উপদেশমূলক ইত্যাদি ইত্যাদি বিষয়ৰ কিতাপৰ প্ৰয়োজন অতি বেছি। আমাৰ মহিলা সাহিত্যিক সকলে এই বিষয়ৰ মন দিব নোৱাৰেনে? আশাকৰোঁ তেওঁলোকে এইবোৰ বিষয়ে গভীৰ ভাৱে চিন্তা কৰি চাব।

অসমত আমাৰ নিজৰ ভাষা, কৃষ্টি, ঐতিহ্য আছে। সেইবোৰ আমাৰ প্ৰাণৰ একান্ত আদৰণীয়, আমাৰ সাধনাৰ ধন। আমাৰ এইবোৰ সৃষ্টি আৰু ঐতিহ্য আন আন দেশতকৈ সুকীয়া। আন দেশৰ কৃষ্টি ভাষা সাহিত্যই আমাক আকৰ্ষিত কৰিব নাৱাৰে। আমাৰ সাহিত্যত গল্প উপন্যাস আৰু সকলো বিষয়ৰ ৰচনাত আমাৰ দেশৰ বৈশিষ্ট্য প্ৰকাশ পোৱাতো উচিত, তেহে জগতে আমাৰ বৈশিষ্ট্যৰ কথা জানিব আৰু অন্যান্য সকলে দেশৰ মানুহৰে অন্তৰ জয় কৰিব পৰা হব। আমাৰ উদাৰ দৃষ্টিভঙ্গী, আমাৰ মৰম চেনেহ প্ৰীতিৰে আমি সকলো দেশৰ অন্তৰ জয় কৰিব লাগিব। অশ্লীল সাহিত্য ৰচনা কৰি আমাৰ সাহিত্যিক সকলে যেন আমাৰ সাহিত্যৰ মানদণ্ড হ্ৰাস নকৰে আৰু দেশবাসীৰ মন বিকৃত নকৰে।

আমাৰ বহুতো বিষয়ত বহু কিতাপৰ অভাৱ আছে। সেই বোৰ লিখি উলিয়াওঁতে বহু বছৰ পলম হোৱাৰ সম্ভাৱনা। অসম বুৰঞ্জীও এতিয়াও সম্পূৰ্ণ নহয় এতিয়ালৈকে যিখনবোৰ বুৰঞ্জী ওলাইছে তাত অসমৰ সকলো সম্প্ৰদায়ৰ যেনে কোচ, কছাৰী ৰাভা, কাৰ্বি, মিচিং, চুতীয়া ইত্যাদি জাতিৰ বিস্তৃত আলোচনা মুঠেই হোৱা নাই। অতি দুখৰ কথা যে প্ৰাচীন কালত বড়ো কাছাৰী জাতিক কিৰাট, অসুৰ, দৈত্য, অসভ্য ইত্যাদি বুলি অভিহিত কৰিছিল। বড়ো কছাৰী বা অন্যান্য জনগোষ্ঠীৰ বিষয়ে কোনো বুৰঞ্জী ৰচনাৰ চেষ্টা কোনো-বাই কৰিছেনে? অসমৰ দুয়োখন বিশ্ববিদ্যালয়ে এই বিষয়ে মনকান দিয়া নাই। এনেকি অসমৰ দুয়োখন বিশ্ববিদ্যালয় স্নাতক আৰু স্নাতকোত্তৰ মহলাত ইতিহাসত অসম বুৰঞ্জী পঢ়োৱাৰ কোনো ব্যৱস্থ্যাই কৰা নাই। নিজৰ দেশৰ বুৰঞ্জী নপঢ়াই পৃথিৱীৰ সমস্ত দেশৰ বুৰঞ্জী পঢ়িলে জানো কিবা লাভ হব? এইদৰে সকলো জনগোষ্ঠীকে অৱহেলাৰ চকুৰে চাই অসমত একতা আনি অসমৰ সৰ্বাঙ্গীন উন্নতি কৰিব পাৰিবনে? নিশ্চয় নোৱাৰে।

অসমত গৱেষণামূলক কাম কৰিব লগা বহুত আছে, যিবোৰ বিষয়ে

গৱেষণাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। অসমৰ অতীত কালৰ শাসন আৰু সমাজ প্ৰণালী আৰু অসমৰ প্ৰাচীন কীৰ্তিৰ বিষয়ে আমি সৰ্বসাধাৰণে জানিব বিচাৰিলেও আমাৰ জানিবৰ উপায় নাই। চৰকাৰে যদি যথেষ্ট পৰিমাণে অনুদান আগনবঢ়ায় তেনেহলে আমি কোনো কামত আগবাঢ়ি যাব নোৱাৰোঁ।

অনুবাদ সাহিত্য

এখন দেশত মৌলিক ৰচনাৰ যিমান প্ৰয়োজন আছে সিমানেই প্ৰয়োজন আছে অনুবাদ সাহিত্যৰো। আমাৰ প্ৰাচীন কালৰ বেদ, বেদাঙ্গ পুৰাণ, কাব্য, জ্যোতিষ ইত্যাদি বহু বিষয়ৰ মূল্যবান কিতাপবোৰ এতিয়া আমাৰ ভাষাত অনুবাদ কৰাৰ প্ৰয়োজন আছে। অতীতৰ লগতো আমাৰ গভীৰ সম্পৰ্ক থাকিব লাগিব। অতীতক বাদ দি আমি কোনোমতে চলিব নোৱাৰো। অতীত আমাৰ পূৰ্বপুৰুষ, অতীতৰ ওপৰত ভিত্তি কৰিহে আমি আমাৰ বৰ্তমান আৰু ভৱিষ্যত ৰচনা কৰিব লাগিব।

পৃথিবীৰ অন্যান্য নানা ভাষাৰ দেশৰ পৰাও আমি জ্ঞান বিজ্ঞান, গল্প, কাব্য, উপন্যাস ইত্যাদি মূল্যবান কিতাপবোৰ আমাৰ ভাষাত অনুবাদ কৰিব লাগিব। পৃথিবীৰ সকলো দেশৰ সকলো জাতিৰ আশা আকাংক্ষা, হৃদস্পন্দনৰ লগত আমি ঘনিষ্ঠ ভাবে পৰিচিত হব লাগিব। এবাৰ কথাৰে কবলৈ গ'লে সমগ্ৰ পৃথিবীৰ পোহৰ আমাৰ ঘৰতো আহি পৰিব লাগিব। নহলে আমি এটা অতি সবল জাতিত পৰিণত হব নোৱাৰো।

আমাৰ মূল্যবান কিতাপবোৰকো নানা ভাষাত অনুবাদ কৰি প্ৰচাৰ কৰাৰ এটা ব্যৱস্থা কৰিব লাগিব। তেনেকুৱা কোনো ব্যৱস্থা নকৰালৈকে আমি আমাৰ ভাবধাৰা, আশা আকাংক্ষাৰ কথা সমস্ত বিশ্বৰ আগত কেনেকৈ প্ৰচাৰ কৰিম? সমগ্ৰ বিশ্ববাসীৰ মন আমাৰ প্ৰতি আকৰ্ষিত কৰিম কেনেকৈ? আমাৰ প্ৰতি মৰম চেনেহ শ্ৰদ্ধা আহিব কেনেকৈ? এইবোৰ কাৰণতেই আমাৰ সাহিত্যিক সকলে অতি উচ্চমানৰ সাহিত্য ৰচনা কৰিব লাগে যাতে বিশ্বৰ সকলো জাতিৰ মৰম, শ্ৰদ্ধা, আকৰ্ষণ কৰিব পাৰি।

অসম সেৱা আয়োগ

আজিৰ পৰা ৬ ৭ মাহ পূৰ্বে অসমৰ বিদ্যুৎ বোৰ্ডে কিছুমান কৰ্মী নিযুক্ত কৰিবৰ বাবে প্ৰাৰ্থী বিচাৰি বিজ্ঞাপন দিছিল আৰু তাৰ বৰে প্ৰাৰ্থী নিৰ্বাচন প্ৰতিযোগিতা পৰীক্ষাত কিছুমান বিষয়ত অসমীয়া ভাষাত পৰীক্ষা নোৱাৰো ব্যৱস্থা কৰিব বিচাৰিছিল। তেতিয়া অসমত ৰাষ্ট্ৰপতিৰ শাসন চলিছিল। ৰাষ্ট্ৰপতিৰ পৰামৰ্শদাতা সকলে এই নিযুক্তিৰ বাবে প্ৰতিযোগিতাৰ

প্ৰাৰ্থী বিচাৰি দিয়া বিজ্ঞাপন আৰু এই পৰীক্ষাৰ দ্বাৰা নিযুক্তিৰ ব্যৱস্থা বন্ধ কৰি দিলে। অসমীয়া ভাষাত পৰীক্ষা লোৱাৰ ব্যৱস্থা তেওঁলোকে সহ্য কৰিব নোৱাৰিলে। কিন্তু ভাৰতৰ অন্যান্য প্ৰদেশত নিজ নিজ ৰাজ্য ভাষাৰ জৰিয়তে পৰীক্ষা লৈ যোগ্য প্ৰাৰ্থীক নিযুক্ত দিয়া নাইনে? অসমত কিহৰ বাবে এই ব্যতিক্ৰম।

অসম লোক সেৱা আয়োগে (Assam Public Service Commission) অসম চৰকাৰৰ অধীনত কৰ্মচাৰী নিযুক্তিৰ বাবে অসমীয়া ভাষাত পৰীক্ষা লোৱাৰ কোনো ব্যৱস্থা এতিয়ালৈকে কৰা নাই। অসম সেৱা আয়োগে বেছিভাগ প্ৰতিযোগিতামূলক পৰীক্ষা অসমীয়া ভাষাতে লব পাৰিলেহেঁতেন। ভাৰতীয় সেৱা আয়োগে (Union Public Service Commission) দেশৰ উচ্চতম চাকৰিৰ (যেনে IAS, IPS, IFS ইত্যাদি) নিযুক্তিৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ কিছুমান বিষয় প্ৰত্যেক ৰাজ্যভাষাৰ মাধ্যমত পৰীক্ষা লোৱাৰো ব্যৱস্থা কৰিছে। ভাৰতীয় সেৱা আয়োগে যদি প্ৰত্যেক ৰাজ্য ভাষাতো পৰীক্ষা লৈ উপযুক্ত প্ৰাৰ্থী নিয়োগৰ ব্যৱস্থা কৰিব পাৰে, অসম সেৱা আয়োগে অসমত উপযুক্ত প্ৰাৰ্থী নিৰ্বাচনৰ পৰীক্ষা অসমীয়া ভাষাত কিয় লব নোৱাৰে কিয়? অসম সেৱা আয়োগ জানো বিদেশী অনুষ্ঠান আৰু অসম চৰকাৰ জানো বিদেশী চৰকাৰ?

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বিলাকৰ পাঠ্যক্ৰম

অসমৰ মহাবিদ্যালয়বিলাকত ১৯৭২ চনৰ পৰা ১৯৮২ চনলৈকে স্নাতক মহলা পৰ্যন্ত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা চলে লগে লগে চলে ইংৰাজী ভাষাৰ মাধ্যমতো। অসমীয়া ভাষাৰ মাধ্যমত যথাৰ্থৰূপে শিক্ষাদান চলিছিল বুলি কব নোৱাৰি। প্ৰকৃততে চলিছিল ইংৰাজী ভাষাৰ মাধ্যমতহে। ১৯৮২ চনতো এই ব্যৱস্থাৰ কোনো পৰিবৰ্তন নহল। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে আগৰ ব্যৱস্থাকে বহাল ৰাখিলে, আৰু প্ৰকাৰান্তৰে ইংৰাজী মাধ্যমকে অগ্ৰাধিকাৰ দিলে।

অৱশ্যে এইটো কথা সঁচা যে ১৯৭২ চনৰ পৰা ১৯৮২ চনৰ ভিতৰত যথেষ্ট পৰিমাণে অসমীয়া ভাষাৰ প্ৰাক-বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ পাঠ্যপুথি আৰু নানা বিষয়ৰ সহায়ক পুথি প্ৰকাশিত হোৱাও নাছিল। আমি জানিব পাৰো নে কিয় যথেষ্ট পৰিমাণে পাঠ্যপুথি আৰু নানা বিষয়ৰ সহায়ক পুথি ৰচনা কৰি প্ৰকাশ কৰা নহল? বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grants Commission) যথেষ্ট পৰিমাণে আমাৰ

বিশ্ববিদ্যালয় বিলাকত আৰ্থিক অনুদান নিদিলে কিয় ? অসমীয়া ভাষাত শিক্ষাৰ ব্যৱস্থা যথাৰ্থতে প্ৰাণৰ পৰাই প্ৰেৰণা নে ছলাহী মাত্ৰ ? দেশবাসীয়ে এইবোৰ কথা গভীৰভাবে চিন্তা কৰিলে সুখী হ'ম। বৰ্তমান অসমৰ বিশ্ববিদ্যালয় বিলাকত স্নাতক মহলাত তিনি বছৰীয়া পাঠ্যক্ৰম কৰাৰ পৰিকল্পনা চলিছে। হয়তো এই পৰিকল্পনা অচিৰেই কাৰ্য্যকৰী কৰা হব। যদি সেয়ে হয়, পাঠ্যক্ৰমত বিশেষকৈ অসমীয়া পাঠ্যক্ৰমত বহুতো খেলি মেলি লগাৰ সম্ভাৱনা। এই খেলিমেলি আঁতৰোৱাৰ ভাৰ আমাৰ বিশ্ববিদ্যালয় দুখনৰ বিশিষ্ট সাহিত্যিক সকলে গ্ৰহণ কৰিব লাগিব। এইটো কথা স'চা যে আমাৰ শিক্ষাপ্ৰণালী অতিৰিক্ত পৰীক্ষামূলক হৈ উঠিছে। পূৰ্ব'ৰ সুচিন্তিত দুবছৰীয়া আই, এ আৰু দুবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰম পৰিবৰ্তন কৰি ১৯৬৩ চনৰ পৰা এবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় আৰু তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হল। তাৰ কিছুবছৰৰ পিছ'ত ১৯৭৩ চনত ইয়াক পুনৰ পৰিবৰ্তন কৰি দুবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয় আৰু দুবছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰবৰ্তন কৰিলে। বৰ্তমানে আকৌ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম নিৰ্দিষ্ট কৰিব বিচৰা হল। ইয়াৰ পিছত স্নাতকোত্তৰ পাঠ্যক্ৰম তিনি-বছৰীয়া নে চাৰিবছৰীয়া কৰিব ? এনেকুৱা খেলি মেলি আৰু অস্থিৰ পাঠ্যক্ৰম আন কোনেবা দেশত চলিছেনে ?

পাঠ্যক্ৰম দীঘলীয়া কৰি দেশৰ লৰা-ছোৱালী বিলাকৰ সমগ্ৰ জীৱন অধ্যয়নত ৰত ৰাখি সংসাৰত কৰ্মবিমুখ কৰিবৰ এয়েই ভাল পন্থা নেকি ? ইয়াৰ দ্বাৰা কি উদ্দেশ্য সাধিত হব ?

ইংৰাজী মাধ্যমৰ বিদ্যালয়

আনহাতে ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰত্যেক জিলা'ত নতুন নতুনকৈ গঢ়ি উ'ঠছে আৰু অসম আৰু ভাৰত চৰকাৰৰ পৰা যথেষ্ট সহায় আৰু প্ৰেৰণা পাই আহি'ছে। এইবোৰ বিদ্যালয়ত শই শই ল'ৰা ছোৱালী ভৰ্তিও হৈ আছে। অনুমান কৰিব পাৰি অহা দহ বছৰৰ ভিতৰত এইবোৰ বিদ্যালয়ৰ সংখ্যা আৰু দহগুন বাঢ়িব। উচ্চ শ্ৰেণীৰ চাকৰিয়াল ধনী মহাজন আৰু উচ্চ পৰ্য্যায়ৰ লোক সকলে তেওঁলোকৰ লৰা ছোৱালী সকলক এইবোৰ বিদ্যালয়ত পঢ়ুৱায়।

অসমীয়া বিদ্যালয়বিলাক এনে অৱস্থাত দীঘ'দিন চলি থাকিবনে ? এনেকুৱা অৱস্থাত অসমীয়া ভাষা নিজৰ দেশতে গৌৰৱৰ আসন লৈ চলিব পাৰিব নে ? অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদান কেনেকৈ উন্নত ভাবে

চলিব ? আমি কোনো দিশে গতি কৰিব খুজিছোঁ ?

সাহিত্যিক পেঞ্চন

আজি কেইবাবছৰ আগৰ পৰাই অসম চৰকাৰে সাহিত্যিক পেঞ্চনৰ সৃষ্টি কৰিছে আৰু প্ৰতি বছৰে কেইবাজনো সাহিত্যিকক সাহিত্যিক পেঞ্চন দি আহিছে। বৰ্তমানে এই সাহিত্যিক সকলক মাহেকত চাৰিশ টকাক পেঞ্চন দি আছে।

অসমীয়া সাহিত্যিক সকলক সাহিত্য সাধনাত প্ৰেৰণা যোগাবলৈ এনে সাহিত্যিক পেঞ্চনৰ প্ৰয়োজন আছে অসমৰ প্ৰায় প্ৰতিজন সাহিত্যিকৰেই আৰ্থিক অৱস্থা ভাল নহয়। এইদৰে দুখীয়া প্ৰতিভাৱান লেখক সকলে সাহিত্যিক পেঞ্চনৰ ওপৰত নিৰ্ভৰ কৰি 'গোটেই জীৱন সাহিত্য চৰ্চাত নিয়োগ কৰিব পাৰে আৰু এনে ব্যৱস্থাৰ ফলত অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি যথেষ্ট পৰিমাণে হোৱাতো সম্ভৱ।

কিন্তু এই পেঞ্চন দিয়াৰ ব্যৱস্থাত যথেষ্ট খেলিমেলি আছে। চৰকাৰে ৰাজনৈতিক হেঁচাত বহু ক্ষেত্ৰত উপযুক্ত সাহিত্যিকক এই পেঞ্চন দিয়া নাই। ইয়াৰ ফলত এই সাহিত্যিক পেঞ্চনৰ মানদণ্ড ক্ৰমাৎ নিম্নমুখী হৈ আহিছে বুলি অনুমান কৰিব পাৰি। সাহিত্যিক পেঞ্চনৰ কাৰণে উপযুক্ত সাহিত্যিক নিৰ্বাচনৰ ভাৰ অসম সাহিত্য সভাক দিয়াহেঁতেন, এই সাহিত্যিক পেঞ্চনৰ মানদণ্ড আৰু বৃদ্ধি হলহেঁতেন। গতিকে অসম চৰকাৰে সাহিত্যিক পেঞ্চন দিয়াৰ বৰ্তমান পদ্ধতি সলনি কৰিলে সমগ্ৰ দেশবাসীয়ে অতি সন্তোষ পাব। এই পেঞ্চনৰ সম্বন্ধে বাইজৰ কিছু কৰণীয়াও আছে। অন্যান্য পেঞ্চনৰ দৰে এই সাহিত্যিক পেঞ্চনৰ মৰণীয়া বানচ, চিকিৎসাৰ বাবে অনুদান আদি একেবাৰেই নাই। প্ৰায় প্ৰতি বছৰে এই পেঞ্চনৰ টকা বৃদ্ধিৰ কাৰণে অসম সাহিত্য সভালৈ অনুৰোধ আহে। সেয়ে এই পেঞ্চনৰ মূল্য জীৱিকাৰ নিম্নতম মানদণ্ড পূৰাব পৰাকৈ বৃদ্ধি হোৱা উচিত।

ৰাজ্যভাষা

যোৱা এবছৰৰ ভিতৰত অসমত ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ ব্যৱস্থা কৰা একেবাৰেই দেখা নগ'ল। অসম সাহিত্য সভাই অসম চৰকাৰৰ লগত এই বিষয়ে আলোচনাও কৰিব নোৱাৰিলে। অসম সাহিত্য সভাই অসম চৰকাৰৰ লগত অসমত ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ বিষয়ে ক'ত হেঙাৰ আছে অসুবিধাবোৰ কিহত এইবোৰ বিষয়ে আলোচনা কৰিব বিচাৰে আৰু

এই বিষয়ে অসম চৰকাৰক সকলো ক্ষেত্ৰত সহায় আৰু প্ৰেৰণা দিব বিচাৰে কিন্তু এই বছৰৰ অধিকাংশ সময় ৰাষ্ট্ৰপতিৰ শাসন চলাত এইবোৰ বিষয়ে আলোচনা হোৱাত যথেষ্ট পৰিমাণে অসুবিধাৰ সৃষ্টি হল।

বৰ্তমানে অসমত ৰাজ্যভাষা অসমীয়া নামতহে চলিছে, কামত চলা নাই। বাইজৰ সকলো কাম সকলো স্তৰতে ইংৰাজীতেই চলি আছে, অসমীয়াত নহয়। মনৰ পৰাই আকুল ভাবে প্ৰশ্ন আহে, অসমত অসমীয়া ৰাজ্যভাষা কেতিয়াৰ পৰা চলিব? বৰ্তমান যে নামত মাত্ৰ অসমীয়া ভাষা চলিছে — ৰাজ্যভাষাৰ অধিকতৰ প্ৰচলন কেতিয়াৰ পৰা চলিব আৰু প্ৰচলনৰ কাৰণে ব্যৱস্থা কি কৰিব?

অতীতত অসমৰ অতি ক্ষুদ্ৰ স্বাৰ্থৰ বাবেও সমগ্ৰ অসমীয়া জাতিয়ে বাৰে বাৰে আন্দোলন কৰিব লগীয়া হৈছে। ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ কাৰণেও সমগ্ৰ অসমীয়া জাতিয়ে পুনৰায় আন্দোলন কৰিব লাগিব নেকি?

সাতভনীৰ দেশ

ৰাজনৈতিক ভাবে বৰ্তমান অসম খণ্ড বিখণ্ড হৈ গ'ল। অসমৰ আটাইতকৈ দুৰ্ভাগ্যৰ বিষয় এই যে অসমৰ নেতা সকলে এই বিভাজন ৰোধ ক'ৰিব নোৱাৰিলে আৰু আমাৰ মাজত একতাৰ বাণী প্ৰচাৰ কৰিব নোৱাৰিলে। আমাৰ নেতাসকলে জনগোষ্ঠী অঞ্চলবিলাকৰ স্বাৰ্থ সংৰক্ষণৰ ব্যৱস্থা নকৰাৰ বাবে আৰু তেওঁলোকৰ উন্নতিৰ বাবে আশা আকাংক্ষা পূৰণ নকৰাৰ বাবে আমাৰ জাতীয় জীৱনত এই দুৰ্য্যোগ নামি আহিল। কিন্তু আমি এইটো বিষয়ে কেৱল দুখ কৰিলেই নহ'ব। আমি কিবা কোনো বিষয়ে সূত্ৰ ধৰি আকৌ মিলি-জুলি জীয়াই থকাৰ ব্যৱস্থা কৰিব লাগিব।

বৰ্তমান উত্তৰ পূৰ্বাঞ্চল সাতভনীৰ দেশ নামেৰে সকলোৰে মাজত পৰিচিত। অসমীয়া সংস্কৃতি আৰ্য্য সংস্কৃতি নহয়। অসমৰ প্ৰাচীন ঐতিহ্যও আৰ্য্যমূলীয় নহয়। অসমৰ অষ্ট্ৰিক, মঙ্গোলীয় আৰু আৰ্য্যৰ মিলন সূত্ৰত গঢ়ি উঠা সংস্কৃতিৰ পৰাই অসমীয়া সংস্কৃতি আৰু ঐতিহ্যৰ উৎস। এতিয়াও এইটো পৰিবেশ আমাৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিস্তৃতি লাভ কৰিছে আৰু এই কাৰণেই আমাৰ একান্তভাবে মিলন সম্ভৱ।

আমাৰ উত্তৰ পূৰ্বাঞ্চলবাসীৰ আশা আকাংক্ষা আৰু চিন্তাধাৰাত পৰিকল্পনা প্ৰায় একে থকায়। আমাৰ সংস্কৃতি, ঐতিহ্য, অতীত আৰু বৰ্তমান কৃষ্টিৰ মিল আছে। এইভাবে ঐতিহ্য আৰু সংস্কৃতি বাঁটিশুতাৰে গঠন কৰি

আমি মিলিজুলি জীয়াই থাকিব লাগিব আৰু খোজত খোজ মিলাই নিৰ্দিষ্ট পন্থা হাতত লৈ উন্নতিৰ বাবে দৃঢ় পদক্ষেপ দিব লাগিব, কাৰণ আমাৰ অৱস্থা বিলাক প্ৰায় একেই। ভাৰত চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলৰ দ্বাৰা প্ৰায় সকলো বিষয়তে আমি অৱহেলিত। আমি সাত ভনীৰ দেশৰ মানুহ—আমাৰ কৃষ্টি আৰু ঐতিহ্যৰ মাজেদিহে মিলন সূত্ৰত আৱদ্ধ হৈ একেলগে জীয়াই থাকিব লাগিব। বেলেগ বেলেগ হৈ আমি কেতিয়াও জীয়াই থাকিব নোৱাৰোঁ। কেৱল অসমেই নহয়, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ ভাৰত বাহিৰ উপনিবেশত পৰিণত হব দিব নোখোজোঁ। ভাৰতৰ অঙ্গৰাজ্য হিচাপে অন্যান্য অঙ্গৰাজ্যৰ নিচিনা সমান অধিকাৰ আৰু সুযোগ লৈ জীয়াই থকাৰ অধিকাৰ আমাৰ আছে।

বৰ্ত্তমান আন্দোলন

আজি প্ৰায় দুবছৰতকৈও অধিক সময় অসমত প্ৰবল আন্দোলন চলি আছে। এনেকুৱা অভূতপূৰ্ব আৰু দেশৰ সৰ্বসাধাৰণৰ সহঁাৰি পোৱা আন্দোলন আগে পিছে পৃথিবীৰ ক'তো হোৱা নাছিল। এই আন্দোলন কিহৰ কাৰণে কৰিবলগীয়া হৈছে ?

লাখ লাখ বিদেশী মানুহৰ প্ৰব্ৰজনে অসমৰ অস্তিত্ব সভ্যতা আৰু কৃষ্টি বিপন্ন কৰি পেলাইছে। চৰকাৰে বিদেশীৰ এই প্ৰব্ৰজন অতি হঘু-ভাবে চাইছে আৰু এই সকল বিদেশীক নানা ভাবে ৰক্ষণাবেক্ষণ দিবৰ চেষ্টা কৰি আহিছে। গতিকে বিদেশী বিতাৰণৰ কোনো চেষ্টাই এতিয়ালৈকে চৰকাৰে গ্ৰহণ কৰা নাই। আন্দোলনৰ নেতা সকলৰ লগত ভাৰত চৰকাৰে বাৰে বাৰে আলোচনা কৰিলে, কিন্তু দুখৰ বিষয় এই যে এতিয়ালৈকে এই সমস্যাৰ সমাধানৰ সূত্ৰ উলিয়াব পৰা নাই। বিদেশী বিতাৰণত ভাৰত চৰকাৰৰ আপত্তি কিহৰ কাৰণে ?

যিকোনো আন্দোলনে দীৰ্ঘকাল স্থায়ী হব নোৱাৰে, যদি আন্দোলনৰ পিছত সমগ্ৰ দেশৰ জনসাধাৰণৰ সমৰ্থন নাথাকে। সৰ্বসাধাৰণে আন্দো-লন কেতিয়াও সমৰ্থন নকৰে, যদি আন্দোলনৰ বিষয়বস্তুত ভিত্তি বা সত্যতা নাথাকে। এই আন্দোলন দেশৰ সৰ্বসাধাৰণৰ। দেশৰ ডেকা শক্তিয়ে এই আন্দোলনত প্ৰাণ বিসৰ্জন দিছে। এই আন্দোলনৰ এটা সুমীমাংসা হবই লাগিব। দেশৰ সৰ্বসাধাৰণৰ আশা আকাঙ্ক্ষা এদিন নহয় এদিন সফল হ'বই।

আন্দোলন যিমানেই দীৰ্ঘমিয়াদী হ'ব সিমানেই দেশৰ অমঙ্গল ঘটিব।

আলোচনা বিলোচনা কৰি দীঘদিন সময় কটালে কেৱল উত্তপ্ত পৰিৱেশহে সৃষ্টি হ'ব। এই আন্দোলনো শেষ নহয় আৰু দেশতো শান্তি নাহে। ভাৰতৰ সকলো ৰাজ্যৰ প্ৰায় সকলো নেতাই আমাৰ এই আন্দোলনৰ প্ৰয়োজনীয়তাৰ কথা কথা মানি লৈছে। যোৱা দুবছৰে এই আন্দোলনৰ ফলত দেশত অস্থিৰ অৱস্থা থকাৰ কাৰণে দেশবাসীয়ে বহুতো নিকাৰ ভূগিলে, দেশত কোনো গঠনমূলক কাম কৰিব পৰা নগ'ল।

আমাৰ চৰকাৰ বিদেশী চৰকাৰ নহয। তথাপি অতি সোনকালে এই সমস্যাৰ এটা সুমীমাংসা কৰিব নোখোজে কিয়? বিদেশীৰ ভয়ত নে বিদেশী ৰাষ্ট্ৰৰ ভয়ত? ভাৰতৰ এই দুৰ্বল নীতিৰ কাৰণে অসমে কেইবাবাৰো নানা লাঞ্ছনাভূগীব লগীয়া হৈছে? ভৱিষ্যতেও "অসমীযা ভাইসকল, তোমালোকৰ দুখত আমিও যথাৰ্থ ভাবে দুঃখিত" বুলি আমাক বিদায় দিব নেকি বিদেশীৰ হাতত আমাক সমৰ্পণ কৰি?

সময় থাকোঁতেই ভাৰত চৰকাৰে এইবোৰ কথাৰ সুমীমাংসা কৰাটো উচিত হ'ব। অসম বিৰোধী চক্ৰই অসমৰ মঙ্গল কেতিয়াও কামনা কৰা নাই। এওঁবিলাকে সমগ্ৰ ভাৰতৰো মঙ্গল কামনা কৰিব নোৱাৰে এই কথাটো ভাৰত চৰকাৰে জনা উচিত।

অৱশেষত ভাৰত চৰকাৰৰ ওচৰত এটি বিনীত নিবেদন জনাব বিচাৰোঁ। অসম ভাৰত যুক্তৰাষ্ট্ৰৰ এটি সৰু অঙ্গৰাজ্য। ভাৰতৰ অন্যান্য অঙ্গৰাজ্য বিলাকে যিদৰে ভাৰত ৰাষ্ট্ৰৰ পৰা সহায় সহানুভূতি, আৰ্থিক অনুদান আদি পাইছে, অসমেও তেনেকুৱা সহায়, সহানুভূতি অনুদান আদি বিচাৰে আৰু এই ৰাজ্য অন্যান্য অঙ্গৰাজ্যৰ নিচিনা সমানে সকলো বিষয়ে উন্নত হব বিচাৰে অসম কেৱল বিদেশীৰ বাসস্থানত পৰিণত হওক, ভাৰতৰ অন্যান্য অঙ্গ ৰাজ্যৰ নিবনুৱাৰ দলে লাখে লাখে অসমত আহি অসমত স্থায়ীভাবে নানা সমস্যাৰ সৃষ্টি কৰক আৰু কোটিপতি সকলে অসমত নানা কল কাৰখানা পাতি থলুৱা মানুহক বঞ্চিত কৰি কেৱল অন্যান্য অঙ্গ ৰাজ্যৰ মানুহবোৰৰ অন্ন সংস্থাপনৰ ব্যৱস্থা কৰি দিয়ক, এনে ব্যৱস্থা অসমবাসীয়ে কেতিয়াও নিবিচাৰে। ৰেল বিভাগ, তাঁৰ বিভাগ, বেঙ্ক বীমা নিগম আদিয়ে অসমত ব্যৱসায় সম্প্ৰসাৰণ কৰি থলুৱা মানুহক চাকৰি আদিৰ পৰা বঞ্চিত কৰা অসমবাসীয়ে সহ্য নকৰে। আমি সমগ্ৰ অসমবাসীয়ে অসম অঙ্গৰাজ্যখন গোটেই ভাৰতৰ উপনিবেশত পৰিণত হব দিব নোৱাৰোঁ। ভাৰত চৰকাৰে এইবোৰ কথা মনত ৰখা উচিত হব আৰু এইবোৰৰ উপযুক্ত বিধিব্যৱস্থা কৰিলে অসমবাসী নিশ্চয় সুখী হব।

ভাৰতৰ অন্যান্য সৰু সৰু অঙ্গৰাজ্য বিলাকৰ বিষয়েও এই একে কথাই। সকলো সৰু সৰু অঙ্গৰাজ্যৰ সৰ্বাঙ্গীন উন্নতিৰ ব্যৱস্থা কৰিব লাগিব, এইবোৰ অঙ্গ ৰাজ্যক নিষ্পেষণৰ পৰা ৰক্ষা কৰিব লাগিব, প্ৰয়োজন হলে ভাৰত শাসনতন্ত্ৰ সংশোধন কৰি হলেও। কিছুমান সৰু সৰু অঙ্গৰাজ্য দুৰ্বল হৈ থাওক, আনৰ অঙ্গৰাজ্যবোৰৰ মাত্ৰ উন্নতি হওক, এনেকুৱা ভাৱিব নোৱাৰি।

সুধী সকল!

অসম সাহিত্য সভাই বহু সময়ত বহু সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে আৰু নানাভাবে এইবোৰ সমস্যা সমাধানো কৰিবৰ চেষ্টা কৰি আহিছে। এইবাৰো আমি তেনেকুৱা বহু সমস্যাৰ সন্মুখীন হৈছোঁ। প্ৰথম সমস্যা—অসম চৰকাৰে আমাক বহু বিষয়ত সহযোগিতা কৰা নাই। আৰ্থিক অনুদান চৰকাৰৰ ফালৰ পৰা নোহোৱা হৈ আহিছে।

যুগে যুগে আমি দেখি আহিছোঁ, প্ৰত্যেক ৰাজ্যতে সেই সেই দেশৰ ৰজা মহাৰজা বা চৰকাৰৰ তত্বাৱধানত উৎসাহ আৰু আৰ্থিক অনুদানৰ ফলত বহু মূল্যবান সাহিত্য কৃষ্টি আৰু সভ্যতাৰ বিকাশ ঘটিছে। বৰ্তমান অসম চৰকাৰেও অসম সাহিত্য সভাক তেনেকৈ আৰ্থিক অনুদান আৰু অন্যান্য সহায় দিয়াৰ প্ৰয়োজন আছিল। কিন্তু দুখৰ বিষয় এই যে আমি সেইখিনিৰ পৰা বঞ্চিত হবৰ উপক্ৰম হৈছোঁ। কিন্তু ইয়াৰ ফলত অসম চৰকাৰৰ কিবা লাভ হ'বনে, নে সমগ্ৰ অসমীয়া জাতিৰ শ্ৰদ্ধা, মৰমপ্ৰীতি অসম চৰকাৰে লাভ কৰিব?

দ্বিতীয়তে—এইবোৰ আকৌ প্ৰবলভাবে গুজব উঠিছে যে অসম চৰকাৰে এখন নতুন সাহিত্য সভা প্ৰতিষ্ঠা কৰিব, আৰু চৰকাৰৰ পক্ষীয় কিছুমান সাহিত্যিকক লৈ এই নতুন সাহিত্য সভাৰ গুৰি ধৰাৰ ব্যৱস্থা কৰিব তেনেহলে অসম প্ৰকাশন পৰিষদৰ মৃত্যু ঘটিব নেকি? অসম সাহিত্য সভাৰ অৱস্থা তেতিয়া কেনেকুৱা হ'ব? অসম চৰকাৰে অসম সাহিত্য সভাক এইদৰে তিলে তিলে নিঃশেষ কৰি পেলাব পাৰিবনে?

এইবোৰ কথা আপোনালোকৰ আগত নিবেদন কৰিবৰ নিতান্ত প্ৰয়োজন। আমি প্ৰয়োজন হলে সমগ্ৰ অসমৰ জনসাধাৰণৰ ওচৰত আৰ্থিক সাহায্যৰ কাৰণে ভিক্ষাৰ জোলোঙা লৈ ওলাম আৰু আমি দৃঢ়ভাবে বিশ্বাস কৰোঁ যে আপোনালোকে অসম সাহিত্য সভাক কেতিয়াও নিঃশেষ হৈ যাবলৈ নিদিয়ে। অসম সাহিত্য সভা চিৰজীৱী হ'ব, কিয়নো এই দেশৰ সাহিত্য

কৃষ্টি, ঐতিহ্যৰ সেৱা কৰি অসমৰ সৰ্বাঙ্গীন শ্ৰীবৃদ্ধি কৰক, সাহিত্য সভাৰ কাৰণে আপোনালোকৰ পৰা এই আশীৰ্বাদ কামনা কৰোঁ।

অসমীয়া জাতি অতীজৰ পৰাই মঙ্গোলীয় আষ্ট্ৰিক আৰু আৰ্য্যগোষ্ঠীৰ লোকসকলৰ এটা মিশ্ৰিত জাতি, আৰু এই কাৰণেই অতীজৰ পৰা এই জাতিয়ে অসমৰ নানা জাতি, নানা গোষ্ঠীৰ লগত মিলিজুলি এই দেশতে বাস কৰি আহিছে আৰু একেলগে মিলিজুলি এই দেশৰ ভাষা, সাহিত্য আৰু কৃষ্টিৰ সেৱা কৰি আহিছে। অসমীয়া জাতি চিৰদিনেই দেশপ্ৰেমিক আৰু নিৰ্ভীক জাতি। অসমীয়াই যুগে যুগে নানা সমস্যাৰ সন্মুখীন হ'ব-লগীয়া হৈছিল যদিও প্ৰত্যেক বাৰতেই সকলো বিপদ অতিক্ৰম কৰি আহিছে। আহোম যুগতো মোগলৰ যোগান শক্তিৰ নিচিনা বিৰাট শক্তিৰ আক্ৰমণৰ পৰা অসমীয়াই আত্মৰক্ষা কৰিছে। বৃটিছৰ আমোলতো ভাৰতীয় নেতাসকলে ভাৰতৰ 'গ্ৰুপিঙত' সমৰ্পণ কৰিব খোজা ভুলৰ পৰা অসমীয়াই আত্মৰক্ষা কৰিছে। গতিকে অসমীয়াই অতীতৰ পৰা নানা সমস্যাৰ মাজেদিও নিজৰ অস্তিত্ব ৰক্ষা কৰি আহিছে।

স্বদেশৰ প্ৰতি গভীৰ প্ৰেম থকা, স্বদেশৰ ভাষা, সাহিত্য আৰু কৃষ্টিৰ একান্তভাৱে সেৱা কৰা একো অপৰাধ নহয়। অসমীয়া জাতিয়েও একো অপৰাধ কৰা নাই। দেশৰ ভাষা, সাহিত্য আদিৰ সেৱা কৰাৰ আমাৰ এটা জন্মস্বত্ব আছে। এই অধিকাৰৰ পৰা আমাক কোনেও বঞ্চিত কৰিব নোৱাৰে। কোনোবা কুচক্ৰীয়ে যদি আমাৰ ভাষা সংস্কৃতি ধ্বংস কৰিব বিচাৰে তেন্তে সি কোনোদিনেই কৃতকাৰ্য্য নহ'ব। অৱশ্যে যুগে যুগে প্ৰতি দেশতে কেইজনমান বিভীষণ, বা এদিন নাইবা 'Quisling' ৰ জন্ম হৈছে আৰু এন্ধাৰত থাকি ইহঁতে পশ্চাৎঘাতীৰ কাম চিৰদিনেই কৰি আহিছে। অসমতো সেয়েই হৈছে। ইহঁত এন্ধাৰৰেই মানুহ। দিনৰ পোহৰত এনেলোক কেতিয়াও ওলাই নাহে। ভগৱানে ইহঁতক সুমতি দিয়ক। আমাৰ জয়যাত্ৰাৰ পথ সদায় সুগম হৈ থাকিব। আমাক বোধ কৰিব পৰা ক্ষমতা সিহঁতৰ নাই।

ডিব্ৰুগড় এই বাংহিনা নগৰ অতি পবিত্ৰ ঠাই। এই অঞ্চলতে মহাপুৰুষ বাংহিনাই কাৰ্বি সকলৰ মাজত কৃষ্টি, সভ্যতা আৰু জাতীয়তাৰ বিকাশ ঘটাই ছিল, সমগ্ৰ কাৰ্বি জাতিৰ একতা আৰু উন্নতিৰ হকে। কাৰ্বি আৰু অসমীয়া জাতিৰ মাজত কোনো পাৰ্থক্য নাই আমি একে ভাই ভাই, বুকুৰ কুটুম এই কথা যেন আমি আজিৰ পৰা গভীৰ ভাৱে উপলব্ধি কৰিব পাৰোঁ। সৰ্বশেষত এই কথাটোকে কৈ মই আপোনালোকৰ পৰা বিদায় লব খোজোঁ।

—o—

বিশিষ্ট অতিথিৰ ভাষণ

ড° ভবেন্দ্ৰ নাথ শইকীয়া

বাংহিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ উনপঞ্চাশৎ সন্মিলনৰ দ্বিতীয় মুকলি অধিৱেশনত অসম সাহিত্য সভাৰ কেইবাগৰাকীও প্ৰাক্তন সভাপতিৰ উপৰিও বিশিষ্ট কথা-সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াই বিশিষ্ট অতিথিৰূপে যোগদান কৰে। তেখেতে ভাষণ প্ৰসংগত কয় "অসমীয়া সাহিত্য এতিয়া আৰু পিচপৰি থকা নাই। ভাৰতবৰ্ষৰ আন ৰাজ্যৰ সাহিত্যৰ দৰে অসমীয়া সাহিত্যইয়ো বিকাশ লাভ কৰিছে। বিশেষকৈ কবিতা আৰু গল্পৰ ক্ষেত্ৰত অসমীয়া সাহিত্যই ভাৰতবৰ্ষৰ ভালেমান ৰাজ্যৰ সাহিত্যতকৈ অগ্ৰগতি লাভ কৰাটো গৌৰৱ আৰু আনন্দৰ কথা। কিন্তু আমি ইয়াৰ বাবে আত্মতুষ্টি লাভ কৰি সাধনাৰ পথ ৰুদ্ধ কৰিব নালাগে। যুগে যুগে সাহিত্যৰ দৃষ্টি ভংগী আৰু প্ৰকাশৰ কলা কৌশলৰো পৰিবৰ্তন লক্ষ্য কৰা যায়। সাহিত্যত স্থবিৰতাৰ স্থান নাই। আমাৰ নতুন লেখক সকলে বিশ্বৰ বিভিন্ন দেশৰ সাহিত্য অধ্যয়ন কৰি নতুন আঙ্গিক আৰু দৃষ্টিভঙ্গীৰ লগত পৰিচয় হব লাগিব। সাহিত্য প্ৰচাৰৰ মাধ্যম নহয় স'চা, কিন্তু সাহিত্যিকে সামাজিক দায়বদ্ধতা অস্বীকাৰ কৰি চলিবলৈ যত্ন কৰাটো সমীচীন বুলি ভাবিব নোৱাৰি।"

ড° শইকীয়াই আৰু কয়" ডেকা সাহিত্যিক সকলক উৎসাহ দান কৰা সাহিত্য সভাৰ কৰ্তব্য। যুৱক সাহিত্যিক সকলক উৎসাহ দিবৰ কাৰণে সাহিত্য সভাই পৰীক্ষামূলক ভাবে এখনি আলোচনী উলিয়াব লাগে। তাত কেৱল ডেকা সাহিত্যিক সকলৰ ৰচনা প্ৰকাশ কৰক। এই আলোচনী প্ৰথম অৱস্থাত পাছ বছৰলৈ চলাওক। প্ৰথম পাছ বছৰৰ আৰ্থিক লাভ-ক্ষতিৰ হিচাপ-নিকাচ কৰি পৰৱৰ্তী কাৰ্য্য ব্যৱস্থা হাতত লব পৰা যাব। এইটো নিশ্চিত ইয়াৰ ফলত সভাৰ কিছু ক্ষতি হলেও, এচাম নতুন সাহিত্যিকৰ জন্ম হব। প্ৰকৃততে এনে ব্যৱস্থাই অসমীয়া সাহিত্যৰ উপকাৰ সাধিব বুলি মোৰ দৃঢ় বিশ্বাস। অসম সাহিত্য সভাক এনেবোৰ কামত সহায় কৰিবলৈ অসম প্ৰেমী লোকসকল আগবাঢ়ি আহিব লাগে। সকলোৱে জানে আৰ্থিক দিশত সভা কিছু সংকটৰ সন্মুখীন হৈছে। কিন্তু বৰ গৌৰৱ আৰু আনন্দৰ কথা সংকটৰ সন্মুখীন হোৱা সত্বেও সভাই নিজৰ কাম অক্ষুন্ন ৰাখিব পাৰিছে।"
(ড° শইকীয়া দেৱৰ মৌখিক ভাষণৰ আধাৰত এই টোকা যুগুত কৰা হৈছে— সম্পাদক)

শ্ৰীমতী বনেলী থংমেনলৈ
সম্বৰ্ধনা-পত্ৰ

কাৰ্বি আংলঙৰ প্ৰথম বিদুষী মহিলা হিচাপে আদৰ্শ স্থাপন কৰা শ্ৰদ্ধেয়া বনেলী থংমেন মহোদয়া, অসম সাহিত্য সভাই আপোনাক সভাৰ উনপঞ্চাশৎ সন্মিলনত সম্বৰ্ধনা জনাবলৈ পাই আনন্দ লাভ কৰিছে।

এগৰাকী বিশিষ্টা শিক্ষাব্ৰতী হোৱাৰ উপৰিও আপোনাৰ ৰাজনৈতিক জীৱনেৰে জনজাতীয় জীৱনক গতিশীলতা প্ৰদান কৰাৰ বাবে অসম সাহিত্য সভাই আপোনাক জনাইছে আন্তৰিক সম্বৰ্ধনা। আপুনি আমাৰ সম্বৰ্ধনা গ্ৰহণ কৰক। ইতি,

২৪ এপ্ৰিল, ১৯৮২ খ্ৰীষ্টাব্দ
শিবিৰঃ ৰাংছিনা নগৰ, ডিফু
কাৰ্বি আংলং

ভৱদীয়
শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

শ্ৰীমনিৰাম লাংনেলৈ
সম্বৰ্ধনা-পত্ৰ

কাৰ্বি সমাজ উন্নয়ণক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা শ্ৰদ্ধেয় সমাজ সেৱী শ্ৰীমণিৰাম লাংনে ডাঙৰীয়া, অসম সাহিত্য সভাই সভাৰ উনপঞ্চাশৎ সন্মিলনত আপোনাক সম্বৰ্ধনা জনাবলৈ পাই আনন্দ লাভ কৰিছে।

কাৰ্বি জাতীয় জীৱনক গৌৰৱান্বিত কৰি তুলিবলৈ আপুনি কৰা নিষ্ঠাবান প্ৰয়াসৰ বাবে অসম সাহিত্য সভাই আপোনাক জনাইছে আন্তৰিক সম্বৰ্ধনা। আপুনি আমাৰ সম্বৰ্ধনা গ্ৰহণ কৰক।

আপোনাৰ সুদীৰ্ঘ জীৱন আৰু সুন্দৰ স্বাস্থ্য কামনা কৰিছোঁ। ইতি

২৪ এপ্ৰিল, ১৯৮২ খ্ৰীষ্টাব্দ
শিবিৰঃ ৰাংছিনা নগৰ, ডিফু
কাৰ্বি আংলং

ভৱদীয়
শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

শ্ৰীছুংবেলৈ

সম্বৰ্দ্ধনা-পত্ৰ

কাৰ্বি জাতিৰ সংগঠন আৰু উন্নয়ণমূলক সমাজ সেৱাত নিজকে উছৰ্গা কৰাৰ নিদৰ্শন স্বৰূপে অসম সাহিত্য সভাৰ পক্ষৰ পৰা শ্ৰদ্ধেয় সমাজ-সেৱী শ্ৰীছুংবেক এই সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হ'ল।

অসম সাহিত্য সভাই তেখেতৰ সুদীৰ্ঘ জীৱন আৰু সুন্দৰ স্বাস্থ্য কামনা কৰিছে। ইতি

ভৱদীয়

২৪ এপ্ৰিল ১৯৮২ খ্ৰীষ্টাব্দ
শিবিৰ: বাংছিনা নগৰ, ডিফু
কাৰ্বিআংলং

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটনি-ভাষণ

শ্ৰীমতী লৱংগলতা বৰুৱা

স্নেহ আৰু শ্ৰদ্ধাৰ উপস্থিত বাই-ভনী আৰু ভাই-ককাইসকল,

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক মহোদয় অভ্যৰ্থনা আৰু কাৰ্য্য-নিৰ্বাহক সমিতিৰ সমূহ বিষয়ববীয়া সুহৃদসকল :

চিৰ চেনেহী অসম সাহিত্য সভাৰ এই ঐতিহ্যমণ্ডিত ডিফুৰ ৰংছিন নগৰত আয়োজিত সংস্কৃতিৰ প্ৰদৰ্শনী অনুষ্ঠানৰ দ্বাৰ মুকলি কৰিবলৈ কৰুণা কৰি মোক সুযোগ দি মোৰ নিচিনা অকিঞ্চন এজনক যি মান আৰু মৰম যাচিছে তাৰবাবে প্ৰথমতে প্ৰধান সম্পাদক প্ৰমুখ্যে সমিতিৰ সকলো উদ্যোক্তা আৰু সদৌ কৰ্মকৰ্তাসকলক মই মোৰ অন্তৰৰ শ্ৰদ্ধা আৰু চিৰ কৃতজ্ঞতা জনাইছোঁ। তদুপৰি ভাষা জননীৰ এই পবিত্ৰ অনুষ্ঠানক যিসকল ৰাইজে তেওঁলোকৰ অমূল্য উপস্থিতিৰে আপ্যায়িত কৰি আমাক উৎসাহিত আৰু আনন্দিত কৰিছে। তেওঁলোককৈ মোৰ অন্তৰৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা অৰ্পণ কৰিছোঁ।

কাৰ্বি আংলঙৰ ঘৰমৰ মাজিয়াত বিক্ষিপ্ত হৈ থকা ধৰ্ম সংস্কৃতি ললিত কলা শিল্প আদিৰ সুস্থিৰ সমন্বয়ত অসমীয়া সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটি আছে। কাৰ্বি ভাই-ভনীসকল ব্ৰহ্মা, এহোদাই মহাদাই মহামাধ্যা), আৰনাম হেকুম, হেমাৰি প'বিজা চিনথং আৰনাম আদি লৌকিক দেৱতাৰ পূজা-বিধি আৰু ধৰ্মপ্ৰাণ ঈশ্বৰৰ বিশ্বাসী 'হংহাৰ' কাৰ্বি ককাইসকলৰ চকেৰ্ম্ম (লখিমী উৎসৱ), চমাংকান, মাচৰা কোহিৰ (শ্ৰাদ্ধৰ গীত), কাঁবিকেম্লাং (সৃষ্টি তত্ত্ব), চাবিনআলুন (ৰামায়ণী) গীত-মাতৰ সুৰাদি সুৰেৰে অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে।

তদুপৰি "বাংছিনা" নগৰৰ বাটে-পথে সিঁচৰিত হৈ থকা নানা কলা শিল্পৰ চিকুণ চানেকি বিক' (গামোছা), বানকক (পেটি) পেকক পিনিং কাম কলাক (মেখেলা) পিন্ধি সাতভনীৰ এজনী হৈ সদায় আমাক আদৰি আছে ।

শিল্প নিপুণ অসমক কাৰ্বি আংলঙে আবহমান কালৰপৰাই তেওঁ লোকৰ সুপ্ৰাচীন বাঁহ বেতৰ কাম হুতন (খৰাহী) , ইংক্ৰু (চালনী), বুবুপ (খালৈ) আৰু বাথালি (দুদাল গুণযুক্ত ধনু) আদিৰে অবিহুণা যোগাই আহিছে । আজিও কাৰ্বি আংলঙৰ শিল্পই সকলোকে সততে মুহি আছে । কিন্তু ইয়াৰ প্ৰচাৰ আৰু আধুনিক বিকাশৰ আৱশ্যক হৈছে ।

অসম সাহিত্য সভাৰ এই প্ৰদৰ্শনীৰ নিচিনা আশাশুধীয়া প্ৰচেষ্টাই নিশ্চয় কাৰ্বি ভাই-ভনীসকলৰ উন্নতিত অশেষ অনুপ্ৰেৰণা দিব । শিল্পকলা বিহীন দেশ আৰু জাতি জগতত অখ্যাত । সাহিত্য সভাই কেৱল ভাষা জননীৰ সুৱদি-শুৱলা ভাষাৰ গাঁথা শুনালেই যে নহ'ব তাকে জানি শিল্প কলাৰো সংৰক্ষণ, উদ্ধাৰ আৰু পূৰ্ণ-বিকাশৰ যি প্ৰস্তুতি চলাইছে, তাৰবাবে মই ব্যক্তি-গতভাৱে আৰু বাহুজৰ হৈয়ো মোৰ অন্তৰৰ অশেষ কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগবঢ়ালোঁ। নমস্কাৰ' জয় আই চিৰ চেনেহী ভাষা জননী ।

—০—

সাংস্কৃতিক সম্মিলনীৰ উদ্বোধকৰ ভাষণ

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

(কাৰ্বি আংলঙৰ ৰাংছিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৪৯ তম, বাৰ্ষিক অধিবেশনৰ প্ৰথম দিনৰ গধূলিৰ সাংস্কৃতিক অধিবেশন উদ্বোধন কৰি দিয়া ভাষণ ।—সম্পাদক)

সমবেত সংস্কৃতি প্ৰেমী মাননীয় ৰাইজ ! জয় জয়তে আপোনালোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা সম্ভাষণ জনাইছোঁ । আজি কাৰ্বি আলঙ অঞ্চলৰ এটি স্মৰণীয় দিন । এই অভূতপূৰ্ব দিনৰ ৰঙে ৰসে ভৰপূৰ জনতাৰ উৎসাহ, উদ্যোগ আৰু কৰ্মকুশলতা অসম ৰাজ্যৰ এটি নতুন যুগৰ পদক্ষেপ ৰাংছিনা নগৰৰ এই বিপুল সমাৰোহত সমাগত নৰনাৰায়ণৰ উদ্দেশ্যে আমি পুনৰ কাৰদম জনালোঁ । যিজন কণ জন্মাপুৰুষৰ চেষ্টাত কাৰ্বিসকল সময়ৰ লগত খাপ খোৱাকৈ সংগঠিত হৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছে । সেইজন পুৰুষৰ নামত প্ৰতিষ্ঠিত নগৰত এই সমাৰোহ ৰঞ্জিতা খাই পৰিছে । মৰম-প্ৰীতিৰ চিনস্বৰূপে অসমৰ সকলো দিশৰ ৰাইজৰ প্ৰতিনিধিয়ে কাৰ্বি ভাইসকলৰ লগত হাত মিলাই এটি মহান জাতি স্বৰূপে ইয়াত সমবেত হৈছে । এই বিপুল সমাবেশৰ প্ৰেৰণা যাউতিযুগীয়া হোৱাটোকে আমি কামনা কৰোঁ । আজিৰ সংস্কৃতিক অনুষ্ঠানেও তাকে সূচাইছে ।

আজি দিনত আৰম্ভ হোৱা অসম সাহিত্য সভাৰ ৪৯ তম বাৰ্ষিক মুকলি অধিবেশনৰ পিছত চলিত ৰীতি মতেই সন্ধ্যা প্ৰথম দিনৰ সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হৈছে, তাতে আপোনালোকৰ উপস্থিতিয়ে ইয়াৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰিছে । লগতে আনন্দ আৰু সন্তোষৰ আহিলা বিৰিঙিছে । আজি সন্ধ্যাৰ যি অনুষ্ঠান সি সাধাৰণতে, সুবিধাজনক ভাবে, নৃত্য গীত, বাদ্য, আবৃত্তি আদি সুকুমাৰ কলাৰে গঠিত । সুকুমাৰ কলাই সাৰত্য আন কিছুমান শিল্প ইয়াৰ পৰা বাদ পৰি থাকিব । তথাপি আমি ওপৰে ওপৰে ইয়াকে সাংস্কৃতিক অনুষ্ঠান বুলি ভাবো। এটা জাতিৰ সংস্কৃতি বুলিলেই, বহুতকেই বুজায় । কিছুমান সংস্কৃতিৰ নিদৰ্শন সাহিত্য সভাই যুগুত কৰা প্ৰদৰ্শনীতেই দেখা পোৱা হৈছে । সাহিত্য সভাৰ মুকলি অধিবেশনৰ উদ্বোধনৰ লগে লগেই প্ৰদৰ্শনীখো উদ্বোধন হৈ গৈছে । কিছুমান সংস্কৃতি, ব্যক্তি, সমাজ আৰু জাতিৰ আচাৰ ব্যৱহাৰত উন্নতি হৈ অহা এনে প্ৰদৰ্শনীৰ যোগেই দেখিবলৈ পাওঁ । আমাৰ সংস্কৃতিৰ উঠন

পতনৰ জোখ, সময়ে সময়ে যুগুত কথা প্ৰদৰ্শনীয়েই দেখুৱাই দিয়ে। সেয়েহে সকলো থলৰ সংস্কৃতিৰ প্ৰদৰ্শনেই জাতীয় জীৱনৰ আৱশ্যকীয় সম্পদ।

অসমৰ অন্যতম স্মৰণীয় পুৰুষ ৰাংছিনা ছাকেই অসমৰে এক বুজন অংশৰ লোকক সংগঠিত কৰিবলৈ যাইকৈ গীতৰেই আশ্ৰয় লৈছিল। তেখেতে সহকৰ্মীসকলৰ সৈতে গীতৰ যোগেই ৰাইজক জগাই তুলিবলৈ সমৰ্থ হৈছিল। সেয়ে কাৰ্বি সকলৰ নৱজাগৰণৰ প্ৰথম সোপান। এইদৰে অসমীয়া জাতিৰ সংগঠনত অৰিহণা যোগাইছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। সূৰ্য্যক বেষ্টিত কৰি ৰথা গ্ৰহসকলৰ দৰে শঙ্কৰ সূৰ্যকো গ্ৰহ স্বৰূপে কাৰ্বি ভকতসকলে চৌপাশে থাকি ধৰ্ম সমাজ সংস্কৃতি আদিৰে অসমৰ নতুন যুগ প্ৰবৰ্তন কৰাত সহায় কৰিছিল। এইদৰে যুগে যুগে মহাপুৰুষসকলৰ আবিৰ্ভাৱ আৰু জাতিৰ সংস্কাৰ আৰু সংগঠন স্বাভাবিকভাৱে চলি আহিছে। কাৰ্বি সকলৰ এই গীত বোৰত তেওঁবিলাক কেনেকৈ সংগঠিত হ'ব লাগে, কেনেকৈ দৈনন্দিন জীৱন অতিবাহিত কৰিব লাগে কেনেকৈ পাৰস্পৰিক মৰম চেনেহেৰে আদান প্ৰদান কৰিব লাগে, এই সকলো বিলাক আছে। এই দূৰদৰ্শী পুৰুষ ৰাংছিনাৰ আহিঁতেই কাৰ্বিসকল নৃত্য গীত আদিবিষয়ত পৌৰাণিক গন্ধৰ্বস্বৰূপ। বৰ্তমান উদীয়মান কাৰ্বি ডেকা গাভৰু সকলে, সেইবিলাক আৱশ্যক বুজি সময়ৰ লগত মিলাই লবলৈও সমৰ্থ হৈছে বৰ্তমান কৃতজ্ঞ ৰাইজে অতি উপযুক্ত ভাৱেই, এই সদ্য প্ৰতিষ্ঠিত নগৰখনৰ নাম ৰাংছিনা নগৰ দিছে। ডিফুৰ নামটো তল পেলাই ৰাংছিনাৰ নামটো ওপৰলৈ গলেও বোধকৰো ৰাইজে বেয়া নাপাব। যি জনে এটা জাতিক সংগঠিত কৰিব পাৰে, তেওঁৰ নামটো মুখে মুখে থাকিলে ৰাইজ আদৰ্শ ভ্ৰষ্ট হোৱাত ভয় নাথাকে।

অসমৰ ভাষা সাহিত্য সংস্কৃতি থলুৱা উপ-ভাষাৰ পাৰস্পৰিক আদান প্ৰদানত বিচিত্ৰতাময় হৈ পৰিছে। সৰল, সহজ, শান্তি প্ৰিয় কাৰ্বিসকলৰ অৱদানত এই বিচিত্ৰতা যথেষ্ট উজ্জ্বল হৈ পৰিছে আৰু কাৰ্বি সকলেও বিচিত্ৰ অসমৰ নাগৰিক হৈ উপকৃত নোহোৱাকৈ থকা নাই। আজিৰ নিচিনা সৰ্বৱহী সাংস্কৃতিক অনুষ্ঠানে অসমৰ ৰাইজক শক্তিশালী কৰি তোলাত নিশ্চয় সহায় কৰিব কোনেও কাকো এৰি যাবলৈ ইচ্ছা নকৰিব, বৰং 'মৰম' প্ৰীতিৰ বান্ধোনত আঁত থাই থাকিবলৈহে যত্ন কৰিব। অসম মাতৃৰ কোলাত ভাতৃৰ দীঘল হৈ শান্তিপূৰ্ণ জীৱন নিৰ্বাহ কৰিবলৈ সুবিধা পোৱা সকলোৱেহে এনে বিধৰ অনুষ্ঠানে আগবঢ়োৱা সমন্বয়ত নিজৰ নিজৰ থল চিনি লৈ, পাৰস্পৰিক উন্নতি সাধনত নিশ্চয় আগবাঢ়িব পাৰিব, আমাৰ সেৱাৰ বাবে মহাপুৰুষসকলে এনেদৰেই দেখুৱাই গৈছে। কলা কৃষ্টি সমন্বয়ৰ অতি

আৱশ্যকীয় সম্পদ। এজন সুকুমাৰ কলা শিল্পীয়ে নিজকে কোনো এটা জাতিৰ বেলেগ মানুহ বুলি সাধাৰণতে ভাবিব নোৱাৰে, 'বসুধৈৱ কুটুম্বকম' এও বিলাকতে বিশেষকৈ খাটে, এনেলোক সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। আমাৰ কলা কৃষ্টিক আগ বঢ়াই নিয়া, নতুন ৰঙেৰে আমাৰ সংস্কৃতিক বোলাই দিয়া মহান শিল্পীসকললৈ আমি ঘূৰি চালে, কি দেখোঁ। তেখেতসকল এনে সমন্বয়ৰ সমুদ্ৰ মন্থনত উঠা ৰত্ন নহয় জানো? আজি আমাৰ আন্তজাতিক খ্যাতি সম্পন্ন, অতি মৰমৰ আৰু গৌৰৱৰ ড° ভূপেন হাজৰিকা এনে সমন্বয়েৰে পৰিপুষ্ট মহান শিল্পী নহয় জানো? তেখেতে নিজৰ গুণেৰেই পৃথিৱীখনকে আপোন কৰি লব পাৰিছে।

শিল্পী, জাতীয় সংহতি তথা মানৱ সংহতি ৰক্ষা কৰাৰ অপৰিহাৰ্য্য মাধ্যম, অশান্ত পৃথিৱীক হলেৰে শান্ত কৰিব নোৱাৰে। শান্তিৰ বাহক শিল্পীয়ে পৃথিৱীৰ স্থায়ী শান্তি ৰক্ষাত যথেষ্ট সহায় কৰিব পাৰে, শিল্পীৰ সঙ্গীতত আপোন পাহৰা হৈ থকা শ্ৰোতাসকলে জাতি ধৰ্ম ভাষা আদিৰ কথা পাহৰি একমাত্ৰ মানুহৰ কথাহে ভাবে, শিল্পীয়ে যেই ভাষাতেই গীত গক লাগে, শ্ৰোতাই তাক বুজি পায়, শৰীৰৰ অঙ্গী ভঙ্গীৰে ইন্দ্ৰিয়ৰ চালনাৰে অন্তৰৰ কথা প্ৰকাশ কৰাত শিল্পী অভ্যস্ত। শব্দৰ মাহমাৰে শ্ৰোতাক অভিভূত কৰিব পৰা শক্তিও শিল্পীৰ আছে। নৃত্যৰ ভঙ্গিমাই দৰ্শকক অনেক কথা বুজাই দিব পাৰে, এনে শিল্পী সকলৰ সমাৰোহে ৰাইজক বিমল আনন্দ দিব পাৰে আৰু সামাজিক বিশৃঙ্খলতা অপায় অমঙ্গল আদিৰ পৰা আঁতৰত ৰাখিব পাৰে।

সাহিত্য আৰু সংস্কৃতি বাই-ভনীৰ নিচিনা, পৰস্পৰে পৰস্পৰৰ উন্নতিত সহায় কৰে। সংস্কৃতি আগবাঢ়ি নগলে সাহিত্যও আগবাঢ়ি যাব নোৱাৰে, সেইহে আমাৰ সাহিত্য সভাৰ নিয়মাৱলীয়ে প্ৰথমতেই সাহিত্য সভাৰ কৰ্তব্যৰ বিষয়ত সাহিত্য আৰু সংস্কৃতিৰ উন্নতি সাধন কৰাই প্ৰথম স্থান পাইছে। আজি এই আনন্দ মুখৰ দিনত মহান শিল্পী আৰু সাহিত্য প্ৰেমী ৰাইজৰ সমাগমত কবি আংল ভথা অসমৰে এটি স্মৰণীয় মাঙ্গলিক দিন হব বুলি আশা কৰিলোঁ। অহক, আমি সকলোৱে সাহিত্য সংস্কৃতি আদি সকলোৰে উন্নতি সাধন কৰি অসম মাতৃৰ মুখ উজ্জলতৰ কৰি তোলোঁ। এইখিনিৰে কথাৰেই অসম সাহিত্য সভাৰ ৪৯ তম বাৰ্ষিক অধিবেশনৰ প্ৰথম দিনৰ সাংস্কৃতিক সন্মিলনী উদ্বোধন কৰিলোঁ।

স্মৃতিগ্ৰন্থ উন্মোচনী ভাষণ

শ্ৰীমতী নিৰুপমা হাগজেৰ

"অসম সাহিত্য সভাৰ এই অধিৱেশনত যোগদান কৰিবলৈ পাই মই বৰ আনন্দ আৰু গৌৰৱবোধ কৰাৰ লগতে নিজকে পৰম ভাগ্যৱতী বুলি অনুভৱ কৰিছোঁ। মোৰ দৃঢ়বিশ্বাস এই অধিৱেশনে পৰ্বত আৰু ভৈয়ামৰ জনসাধাৰণৰ মাজত যুগ যুগ ধৰি বৰ্তি থকা যশ, সদ ভাৱ আৰু সম্প্ৰীতিৰ সাঁকো খনি অধিক শক্তিশালী কৰিব। বৰ্তমান সময়ত আমি ধৰ্ম, সম্প্ৰদায় আৰু আঞ্চলিক চেতনাৰ কথা পাহৰি ঐক্যবদ্ধভাৱে অসমৰ সংহতি আৰু উন্নতিৰ কাৰণে চিন্তা কৰিব লাগিব। ইতিহাসে দেখুৱাই দিছে অসমৰ বিপদৰ সময়ত ক্ষুদ্ৰ স্বাৰ্থৰ কথা পাহৰি পৰ্বত আৰু ভৈয়ামত বাস কৰা আমাৰ পূৰ্বপুৰুষসকলে মিলিতভাৱে জাতীয় বিপদৰ মুখামুখী হৈছিল বাবে কোনো শক্তিয়ে অসমৰ ক্ষতি সাধন কৰিব পৰা নাছিল। য'তেই আমি বিভক্ত হৈছো ত'তেই আমি বিপদৰ হাতত পৰাজিত হৈছোঁ। ইতিহাসৰ এই শিক্ষাৰ আজি আমি পুনৰ স্মৰণ কৰিব লাগিব।"

শ্ৰীমতী হাগজেৰে আৰু কয় "এই অধিৱেশনৰ ফলত কাৰ্বি ভাষা আৰু সংস্কৃতিৰ ভালেমান তথ্যপাতি পোহৰলৈ আহিল। কাৰ্বি সংস্কৃতিৰ চৰ্চ্চা সম্প্ৰসাৰিত হ'ল। এই তথ্যপাতিসমূহে গৱেষকসকলক কাৰ্বি ভাষা আৰু সংস্কৃতিৰ চৰ্চ্চা কৰিবলৈ উৎসাহিত কৰিব। ই কাৰ্বি ৰাইজৰ বাবে বৰ গৌৰৱৰ কথা। মই উক্ত অধিৱেশন উপলক্ষে যুগুত কৰা স্মৃতিগ্ৰন্থ 'ৰঙ্‌জাৰ আহিৰ' উন্মোচন কৰিলোঁ আৰু এই ঐতিহাসিক অধিৱেশনৰ সৰ্বতো প্ৰকাৰে সফলতা কামনা কৰিলোঁ।

(শ্ৰীমতী নিৰুপমা হাগজেৰৰ মৌখিক ভাষণৰ আধাৰত এই টোকা লিপিবদ্ধ কৰা হৈছে— সম্পাদক)

সাহিত্য সভাৰ প্ৰকাশন ঃ

উন্মোচনী ভাষণ

শ্ৰী বংলং তেৰাং

"মই বিশিষ্ট সাহিত্যিক নহওঁ। তথাপি আপোনালোকে মোক অসম সাহিত্য সভাৰ বৰ্তমান বছৰৰ প্ৰকাশন সমূহ উন্মোচন কৰিবলৈ আহবান জনাই মোৰ প্ৰতি যি স্নেহ আৰু শ্ৰদ্ধা যাচিলে তাৰ বাবে অসম সাহিত্য সভাৰ কৰ্ণধাৰ-সকলৰ লগতে আপোনাসকলোটিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। মই জানিব পাৰি আনন্দ পাইছোঁ যে অসম সাহিত্য সভাই এই পৰ্যন্ত প্ৰায় তিনিশ খন মান বহুমূলীয়া গ্ৰন্থ প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। বৰ্তমান বছৰতো প্ৰায় পচিছ খন গ্ৰন্থ প্ৰকাশ হোৱাটো গৌৰৱৰ কথা।

অসম সাহিত্য সভাই অসমৰ জনজাতীয় ভাষা সমূহৰ বিকাশৰ বাবেও চিন্তা কৰাৰ লগতে আঁচনি গ্ৰহণ কৰা বুলি জানিব পাৰি মই সন্তোষ পাইছোঁ। ইতিমধ্যে বৰো কাৰ্বি আৰু মিচিং ভাষা আৰু সংস্কৃতি সম্পৰ্কে সাহিত্য সভাই কেইবাখনিও গ্ৰন্থ প্ৰকাশ কৰি এই ভাষা সমূহৰ বিকাশত অংশ গ্ৰহণ কৰিছে। সাহিত্য সভাৰ এই কামৰ মই ভূয়সী প্ৰশংসা কৰিলোঁ। মোৰ দৃঢ় বিশ্বাস জনজাতীয় ভাষাসমূহৰ বিকাশ হলে অসমীয়া ভাষাৰো বিকাশৰ পথ সুগম হব। অসমীয়া ভাষাই প্ৰকৃত অৰ্থত উত্তৰ পূব ভাৰতৰ সংযোগী ভাষা। তাক সেই স্থানৰ পৰা কোনেও আঁতৰ কৰিব নোৱাৰে।

পৰ্বত ভৈয়ামৰ সম্প্ৰীতি চিৰযুগীয়া কৰিব লাগিব। এই সম্প্ৰীতিৰ বান্ধোন যি সকলে ছিন্ন কৰিব বিচাৰিব তেওঁলোক পৰ্বতৰো বন্ধু নহয় ভৈয়ামৰো বন্ধু হব নোৱাৰে। পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি, পাৰস্পৰিক সদভাব আৰু একতাৰ ওপৰত অসমৰ উন্নতি নিৰ্ভৰ কৰিছে। আমি চিৰদিনেই ভাই ভাই ৰূপে বাস কৰি আহিছোঁ, এতিয়াও থাকিব লাগিব। পৰ্বত থাকিলে ভৈয়ামক কোনেও মাৰিব নোৱাৰে আৰু ভৈয়ামৰ ভাইসকল থাকিলে পৰ্বত কোনে খহাব পাৰিব?

আপোনালোকক আজি কাৰ্বি আলঙৰ এই ডিফু চহৰৰ বাংহিজাত দেখিবলৈ পাই আনন্দত মোৰ হৃদয় নাচি উঠিছে। আপোনালোকক মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি সাহিত্য সভাৰ প্ৰকাশন সমূহ উন্মোচন কৰিলোঁ।

(শ্ৰী বংলং তেৰাঙৰ মৌখিক ভাষণৰ সাৰাংশ চমুকৈ লিপিবদ্ধ কৰা হ'ল।)

বুৰঞ্জী সম্মিলনৰ সভাপতিৰ অভিভাষণ

ড° ভুবন মোহন দাস

অসমৰ নৃতাত্ত্বিক আৰু সাংস্কৃতিক ইতিহাসৰ পটভূমিত কাৰ্বি সমাজ আৰু সংস্কৃতিৰ ইতিহাস—

অসমৰ নৃতাত্ত্বিক আৰু সাংস্কৃতিক ইতিহাসৰ পটভূমিত কাৰ্বি সকলৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ লোৱাৰ আগতে পাতনি বা মুখবন্ধ স্বৰূপে কেইটামান বিষয়ৰ চমু উল্লেখ অপ্রাসঙ্গিক নহ'ব যেন লাগে।

নৃতত্ত্বৰ পৰিসৰ বৰ বিশাল, সেইবাবে নৃতত্ত্ব শব্দটোৱেই আলোচ্য বিষয়ৰ বহু দিশ সাঙুৰিছে। ভাষাতত্ত্বৰ অৰ্থত মানৱ অধ্যয়নেই নৃতত্ত্ব বুলি ক'ব পাৰি যদিও, প্ৰকৃতপক্ষে 'মানুহ' আৰু তাৰ সংস্কৃতিৰ বৈজ্ঞানিক পৰ্য্যবেক্ষণেই নৃতত্ত্বৰ মূল উদ্দেশ্য। সমাজ আৰু সংস্কৃতিৰ মাজত এৰাব নোৱাৰা সম্বন্ধ। সমাজ অবিহনে সংস্কৃতিৰ ধাৰা প্ৰবাহিত হ'ব নোৱাৰে। গতিকে নৃতত্ত্বৰ পটভূমিত কোনো জন-সমষ্টিৰ বিষয়ে আলোচনা কৰিবলৈ গৈ সমাজ আৰু সংস্কৃতিক বাদ দিলে পূৰ্ণাঙ্গ অধ্যয়ন হ'ব নোৱাৰে।

জন-সমষ্টি এটাৰ ওপৰত দুটা দিশৰ পৰা দৃষ্টিপাত অপৰিহাৰ্য্য। জন-সমষ্টি এটাৰ সমাজ থাকে আৰু সেই সমাজ মানুহৰ দ্বাৰা গঠিত। জন সমষ্টি শব্দটোৱেই বুজায় যে ই জন বা মানুহৰ গোট। পৃথিবীৰ নানান প্ৰাণীৰ দৰে মানুহো এটা জীৱ। মানুহৰ স্বকীয় জৈৱিক বৈশিষ্ট্য কিছুমান আছে আৰু তাৰ দ্বাৰাই মানুহ অন্য জীৱৰ পৰা আবয়বিক দিশত পৃথক। একোটা মানৱ গোষ্ঠীৰে অন্তৰ্ভুক্ত বিভিন্ন জন-সমষ্টিবোৰৰো প্ৰত্যেকটোৰে আকৌ নিজস্ব আবয়বিক বৈশিষ্ট্য আছে। মানুহৰ সমাজ আৰু সাংস্কৃতিক ইতিহাসত মানুহৰ জৈৱিক দিশৰো অৱদান কম নহয়। আধুনিক বিজ্ঞানে কয় মানৱ বিৱৰ্তনৰ গুৰিতে মানুহৰ জৈৱিক আৰু সাংস্কৃতিক দিশৰ মাজত হোৱা প্ৰতিক্ৰিয়া। এটাক আনটোৰ পৰা পৃথক কৰি মানৱ ইতিহাস অধ্যয়ন কৰিব নোৱাৰি কিয়নো এটা আনটোৰ পৰিপূৰক। জৈৱিক বৈশিষ্ট্য জিন'ৰ জৰিয়তে পুৰ্ব-

পুৰুষৰ পৰা উত্তৰ পুৰুষলৈ গতি কৰে। আনহাতে সাংস্কৃতিক বৈশিষ্ট্যৰ ধাৰা প্ৰবাহত সমাজৰ ভূমিকা বিশেষভাৱে মন কৰিবলগীয়া।

কোনো জন সমষ্টিৰ 'প্ৰজাতীয় ইতিহাস' ৰচনাত আৱয়ৱিক লক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কিন্তু তাকে কৰিবলৈ গৈ জন-সমষ্টিৰ সমাজ আৰু সংস্কৃতিক উলাই কৰিব নোৱাৰি। কিয়নো মানুহ সংস্কৃতিসম্পন্ন সামাজিক জীৱ আৰু সেইখিনিতেই মানুহৰ বিশেষ বিশেষত্ব। আধুনিক কালত কোনো এটা জন গোটৰ নৃতাত্ত্বিক অধ্যয়নত নৃতত্ত্বৰ প্ৰাচীনপন্থী পদ্ধতিবোৰ প্ৰয়োগ কৰাৰ লগতে জন গোটটোৰ ইতিহাস, ভাষা আদি নানান তথ্য-পাতি চালি জাৰি চোৱা হয়। তাৰ দ্বাৰা জন-গোটটোৰ সামগ্ৰীক প্ৰতিচ্ছবি এটা পাব পাৰি।

জন সমষ্টিৰ অধ্যয়নত স্থান, কাল পাত্ৰ এই তিনিটা বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰাটো নিতান্ত বাঞ্ছনীয়। কালৰ গতিত বা স্থান ভেদে বিভিন্ন প্ৰতিক্ৰিয়াযোগে সমাজ আৰু সংস্কৃতিৰেই যে পৰিৱৰ্তন হয় তেনে নহয় মানুহৰ আৱয়ৱিক বৈশিষ্ট্যৰো ৰূপান্তৰ ঘটিব পাৰে। প্ৰাণী হিচাবে মানুহক পৃথিৱীৰ প্ৰাণীজগতৰ শ্ৰেষ্ঠ জীৱ বুলি কোৱা হয় মানুহে আধুনিক মানুহৰ ৰূপ পাবলৈ বিৱৰ্তনৰ যোগে কেইবাটাও স্তৰ পাৰ হৈ আহিবলগীয়াত পৰিছিল। আধুনিক মানৱৰ সৃষ্টিৰ লগে লগে বিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ নিষ্ক্ৰিয় হৈ যোৱা বুলি ভাবিলে ভুল কৰা হব। উৎপৰিবৰ্তন, 'জিনৰ' প্ৰব্ৰজন, আনুবংশিক সম্প্ৰবাহ আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ ফলত আধুনিক কালৰ মানুহৰ মাজতো বিৱৰ্তন প্ৰক্ৰিয়া এতিয়াও বিভিন্ন ধৰণে চলি আছে। এনে বিৱৰ্তনৰ ফলত হোৱা পৰিৱৰ্তনবোৰ ইমান সূক্ষ্ম যে বৈজ্ঞানিক দৃষ্টিৰে পুঙ্খানুপুঙ্খভাৱে পৰ্য্যালোচনা নকৰিলে সেইবোৰ দৃষ্টিগোচৰ নহয়। সেই বাবে এনে বিৱৰ্তনক অনুবিৱৰ্তন আখ্যা দিয়া হৈছে। পৃথিৱীৰ বিভিন্ন ঠাইৰ নানান জন-সমষ্টিৰ মাজত এনে অনুবিৱৰ্তনৰ বিভিন্ন ৰূপ চকুত পৰে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ কোনো কোনো জন-সমষ্টিৰ মাজতো অনুবিৱৰ্তনৰ প্ৰক্ৰিয়া চলি থকাৰ কথা এই বক্তাই তেওঁৰ বিভিন্ন লিখনিত ১, ২, ৩ প্ৰমাণ কৰি দেখুৱাইছে।

স্থান ভেদত একোটা জনসমষ্টিৰ মানুহৰ মাজত অৱয়ৱিক দিশত বৈচিত্ৰ্য পৰিলক্ষিত হয়। এই বক্তাই তেওঁৰ সহকৰ্মী ড. প্ৰিয়বালা দাস আৰু ড ৰেণুকা দাসৰ সহযোগিতাত অসমীয়া, বামুণ, কলিতা, কেৱৰ্ত মুছলমান ৪, ৫, ৬, ৭ আদি লোকসকলৰ আৱয়ৱিক বৈশিষ্ট্য অধ্যয়ন কৰি ক্ষেত্ৰভেদে বিভিন্নৰূপ দেখা পাইছে। কোনো কোনো ক্ষেত্ৰত প্ৰভেদবোৰ বেচ স্পষ্ট,

আনহাতে কোনো কোনো ক্ষেত্ৰত এনেবোৰ প্ৰভেদ একেবাৰেই নগণ্য। অৱশ্যে মূলত এই জনগোটবোৰ গাইগুটীয়া হিচাপে লগতে উমৈহতীয়া ভাবে একেই পাহাৰী গাৰো আৰু ভৈয়ামৰ গাৰোৰ মাজতো শাৰীৰিক লক্ষণত থকা কিছুমান প্ৰভেদ এই বস্তাই লক্ষ্য কৰিছে[৮]। পাহাৰী কাৰ্বি আৰু ভৈয়ামৰ কাৰ্বিৰ মাজতো এনে ধৰণৰ প্ৰভেদ আছে নে নাই সেইটো ড° অনিল কুমাৰ দেৱে[৯] বিচাৰ কৰি চাইছিল। তেওঁ পাইছে যে এ-বি-অ ৰক্ত সমষ্টি, স্বাদ ক্ষমতা হস্তাঙ্গুলি অনুৰেখাকৃতি আদি বিষয়ত এই দুইবিধ কাৰ্বিৰ মাজত কোনো গুৰুত্বপূৰ্ণ পাৰ্থক্য নাই। কিন্তু নৃদেহ মাপতাত্ত্বিক দিশত কিছুমান বিষয়ত দুইবিধ লোকৰ মাজত কিছু পাৰ্থক্য চকুত পৰে।

পাত্ৰ বোলোতে কাৰ্বি, ৰাভা, কছাৰী, খাছীয়া, নগা, বিভিন্ন অসমীয়া জাতি সেই আদি জন-সমষ্টিবোৰক বুজুৱা হৈছে। এই জন-সমষ্টিবোৰৰ কোনটোৰ লগত কাৰ্বিৰ কেনে সাদৃশ্য বা বৈসাদৃশ্য আছে সেই বিষয়ে পিছত চমুকৈ উল্লেখ কৰা হ'ব।

অসমীয়া ভাষা মূলতঃ এটা। কিন্তু অঞ্চলভেদে কথিত ভাষাৰ ৰূপ বেলেগ। গোৱালপৰীয়া অসমীয়া, কামৰূপী অসমীয়া, শিৱসাগৰীয়া অসমীয়া আদিৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। আকৌ কামৰূপতে বৰপেটা, নলবাৰী, শুৱালকুছি আদি অঞ্চলভেদে বিভিন্ন কথিত ভাষা কাণত পৰে। সেইদৰে সামাজিক ৰীতি-নীতি, লোক-সংস্কৃতি আদিও অঞ্চলভেদে ভিন ভিন হোৱা দেখা যায়। কাৰ্বি সংস্কৃতিৰ ক্ষেত্ৰতো নিশ্চয় ইয়াৰ ব্যতিক্ৰম দেখা নাযায়।

কোনো জন-সমষ্টি মূলতঃ একে হ'লেও স্থান, কাল, পাত্ৰভেদে বিভিন্ন প্ৰতিচ্ছবি চকুত পৰে বাবেই আধুনিক কালৰ গবেষকে জন-সমষ্টি অধ্যয়নত এই তিনিটা দিশলৈ বিশেষ দৃষ্টি ৰাখে। কোন ঠাইৰ পৰা তথ্য সংগ্ৰহ কৰা হ'ল, কাৰ পৰা কৰা হ'ল কেতিয়া কৰা হ'ল ইত্যাদি বিষয়ৰ উল্লেখ নাথাকিলে তেনে অধ্যয়নে প্ৰকৃত মৰ্য্যাদা লাভ কৰিব নোৱাৰে। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কাৰ্বিসকলৰ সমাজ-সংস্কৃতিৰ অধ্যয়ন কৰিবলৈ বিচাৰিলে সেইবোৰ দিশ আওকাণ কৰিলে অধ্যয়ন অসম্পূৰ্ণ হ'ব। অৱশ্যে আজিৰ এই আলোচনা সময় আৰু প্ৰকৃত তথ্য-পাতিৰ অভাৱত তেনে দৃষ্টিকোণৰ পৰা কৰাটো সম্ভৱপৰ নহয়। তাৰ পৰিবৰ্তে ইয়াত স্থূলমূল বিৱৰণ এটাহে দাঙি ধৰা হ'ব।'

সংস্কৃতি বুলিলে সহজেই মনলৈ আহে সাংস্কৃতিক সন্মিলন, সাংস্কৃতিক প্ৰদৰ্শনী আদিৰ কথা য'ত ধলুৱা সংস্কৃতিৰ নিদৰ্শন স্বৰূপে নৃত্য গীত আদি

পৰিৱেশন কৰা হয়, শিল্প কলা, ভাস্কৰ্য্য, সাহিত্য আদিৰ চানেকী প্ৰদৰ্শন কৰা হয়। এইবোৰ যে সংস্কৃতিৰ এবাব নোৱাৰা অঙ্গ তাত কোনো সন্দেহ নাই। কিন্তু সংস্কৃতিৰ অৰ্থ ব্যাপক নৃতাত্বিকে অৰ্থত সংস্কৃতি শব্দটোৰ বিশেষ তাৎপৰ্য্য আছে। সংস্কৃতিৰ সংজ্ঞা নানানজন নৃতাত্বিকে নানাভাবে দিছে। সেইবোৰ জটিলতালৈ নগৈ সাধাৰণভাৱে ইয়াকে কব পাৰি যে এটা জন সমষ্টিৰ জীৱন যাত্ৰাৰ ধাৰা, যিটো জন-সমষ্টিটোৱে অভিজ্ঞতাৰ দ্বাৰা আহৰণ কৰে সেয়ে জন-সমষ্টিটোৰ সংস্কৃতি। অৰ্থাৎ মানুহৰ ধ্যান ধাৰণা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ ইত্যাদিৰ সমষ্টিয়েই হ'ল সংস্কৃতি। সংস্কৃতি পূৰ্বাপুৰুষৰ পৰা উত্তৰ পুৰুষলৈ ভাষা আৰু অনুকৰণৰ সহায়ত প্ৰবাহিত হয়। বংশগতভাৱে আহৰণ কৰা লক্ষণৰ পৰা ই পৃথক। সংস্কৃতিৰ মাজেৰে প্ৰকাশিত হয়। মানুহে অভিজ্ঞতাৰ দ্বাৰা আহৰণ কৰা সমাজৰ স্বীকৃতি প্ৰাপ্ত মাৰ্জিত ৰুচি আৰু আচৰণ।

আন এক দৃষ্টিকোণৰ পৰাও সংস্কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰি। মানুহে তিনি প্ৰকাৰ পৰিৱেশৰ লগত বজিতা খুৱাই চলিব লগীয়া হয়। সেই তিনিটা প্ৰকাৰ হ'ল ভৌগোলিক পৰিৱেশ, সামাজিক পৰিৱেশ আৰু আধিলৌকিক বা অলৌকিক পৰিৱেশ। মানুহে জন্মৰ পৰা মৃত্যুলৈকে জীৱন যাপন কৰিবলৈ নিজৰ জীৱদ্দশাত প্ৰয়োজনীয় জ্ঞান কৌশল, দক্ষতা আচৰণ আদি আয়ত্ব কৰি লব লাগে যাতে এই তিনি পৰিৱেশৰ লগত খাপ খুৱাই চলি সমাজৰ এজন হিচাপে বৰ্তি থাকিব পাৰে। গতিকে পৰিৱেশৰ লগত মিলাই চলিব'ল কোনো জনসমষ্টিৰ বস্তুগত আৰু বৌদ্ধিক প্ৰচেষ্টাৰ সামগ্ৰিক ৰূপকেই সংস্কৃতি আখ্যা দিব পাৰি।

সংস্কৃতিৰ ওপৰত ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ বিশেষভাৱে মন কৰিব-লগীয়া। মানুহৰ মুখ্য প্ৰয়োজনীয় তিনিটা বস্তু, যেনে খাবলৈ আহাৰ আৰু পানীয় থাকিবলৈ আশ্ৰয়স্থল বা গৃহ আৰু পিন্ধিবলৈ বস্ত্ৰ, প্ৰাকৃতিক বা ভৌগোলিক পৰিৱেশৰ পৰাই মানুহে আহৰণ কৰি লবলৈ যত্ন কৰে। মানুহৰ গাইগুটীয়া আৰু উমৈহতীয়া চেষ্টা আৰু অভিজ্ঞতাই জন সমষ্টিক ভৌগোলিক পৰিৱেশত লালন-পালন কৰে। ভৌগোলিক পৰিৱেশ ভেদে মানুহৰ প্ৰয়োজনীয় বস্তুৰ তালিকা বা চাহিদা পূৰণ প্ৰণালীও বেলেগ বেলেগ হয়।

সমাজৰ সৰুলোটকৈ সৰু আৰু মূল গোটটোৰ নাম পৰিয়াল যিটো পিতৃ-মাতৃ আৰু সন্তানেৰে গঠিত আৰু স্বজনতাৰ ভেটিত প্ৰতিষ্ঠিত। শিশুৱে জন্ম লোৱাৰ লগে লগে সেই পৰিয়ালৰ অন্তৰ্ভুক্ত হয় আৰু সেই পৰিয়াল

যোগে সমাজৰ এজন হিচাপে স্বীকৃতি লাভ কৰে। পৰিয়াল বা সমাজৰ স্বীকৃতি লাভ কৰি মানুহে হয়তো সা-সুবিধা পোৱাৰ লগতে পৰিয়াল বা সমাজৰ প্ৰতি অলিখিত দায়িত্ব কিছুমানো আহি পৰে। মানুহজনে পৰিয়াল, বংশ, গোত্ৰ আদি বিভিন্ন সামাজিক গোটৰ নিৰ্দেশ আৰু নিয়ম নীতি মানি চলিব লগীয়া হয়। সমাজৰ স্বীকৃতি লৈ সমাজৰ এজন হিচাপে তেওঁ যি কৰে সময়ত সেয়ে সেই সংস্কৃতিৰ অঙ্গ হৈ পৰে।

মানুহৰ সাধাৰণ বিচাৰ বুদ্ধিয়ে ঢুকি নোপোৱা, ৰহস্য ভেদ কৰিব নোৱাৰা নানান ঘটনাৰ বুজ লবলৈ যি মানুহে নিজেই সৃষ্টি কৰিলে আন এটা পৰিবেশ যাক অলৌকিক পৰিবেশ বুলিব পাৰি। এই অলৌকিক পৰিবেশৰ লগত খাপ খুৱাবলৈ যাদুবিদ্যা মৌজিক ধৰ্মীয় বিশ্বাস, তন্ত্ৰ-মন্ত্ৰ আদি মানৱ

সংস্কৃতিৰ অন্তৰ্গত হৈ পৰিল।

ভৌগোলিক পৰিবেশ অকল অঞ্চল ভেদেই ভিন ভিন নহয়, কালৰ গতিতো পৰিবৰ্তনশীল। এইখিনিতে উল্লেখ কৰিব পাৰি যে মানুহৰ দ্বাৰা সাধিত ভৌগোলিক পৰিবেশৰ সূক্ষ্ম পৰিবৰ্তনৰ ফলত দিহপুৰৰ ওচৰৰ বাভা গাওঁ এখনৰ লোক সকলৰ সংস্কৃতিৰ ওপৰত কেনে ধৰণে প্ৰভাৱ পৰিছে সেয়া ড০ ভগবান চন্দ্ৰ লহকৰে তেওঁৰ অধ্যয়ন যোগে স্পষ্টৰূপ দেখুৱাইছে। ভৌগোলিক পৰিবেশৰ দৰে মানৱ সমাজো পৰিবৰ্তনশীল। মানুহৰ জ্ঞানৰ পৰিধি বঢ়াৰ লগে লগে অলৌকিক পৰিবেশেও ৰূপ সলায়। এনে অৱস্থাত মানুহৰ সংস্কৃতি যে স্থিতিশীল হৈ থাকিব নোৱাৰে সি সহজেই অনুমেয়। কাৰ্বি সমাজ সংস্কৃতিও নিশ্চয় যুগ যুগ ধৰি স্থিতিশীল হৈ থকা নাই। কালৰ সোঁতে গুৰিডাল লবাব নোৱাৰিলেও ঠাল-ঠেঙুলি বা পাত ফুলত নিশ্চয় আঁচোৰ পেলাইছে। ক'ত তেনেদৰে পৰিবৰ্তন হৈছে সেইটো বিচাৰ্য্য বিষয়।

সমাজ সংস্কৃতিৰ পৰিবৰ্তন আন কাৰণতো হ'ব পাৰে স্থিতিশীল সমাজ সংস্কৃতি মৰণমুখী, গতিশীলতা প্ৰাণ প্ৰাচুৰ্য্যৰ লক্ষণ। প্ৰাণ শক্তিৰ ফলত স্বতঃস্ফূৰ্তভাৱে সমাজ সংস্কৃতিৰ পৰিবৰ্তন হৈ আহে। আকৌ বিভিন্ন জন সমষ্টিৰ মাজত সাংস্কৃতিক যোগাযোগ ঘটিও বিনিময় বা গ্ৰহণৰ ফলত সমাজ সংস্কৃতিৰ ৰূপান্তৰ হব পাৰে। এইখিনিতে এটা কথা উল্লেখ কৰি যাব পাৰি যে জৈৱিক চৰিত্ৰৰ বিনিময়ৰ বাবে যৌন মিলন অপৰিহাৰ্য্য, কিন্তু সাংস্কৃতিক উপাদান এটা জন-সমষ্টিৰ পৰা আন এটালৈ দৈহিক মিলন নোহোৱাকৈ গতি কৰিব পাৰে। কাৰ্বি সকলৰ লগত নিশ্চয় আন

জন-সমষ্টিৰ সাংস্কৃতিক যোগাযোগ ঘটিছে, দৈহিক মিলন হোৱাটোও একো আশ্চৰ্য্য কথা নহয়। কিয়নো পৃথিৱীৰ কোনো জন-সমষ্টিয়েই সংমিশ্রিত নোহোৱাকৈ থকা নাই। এনে অৱস্থাত কাৰ্বি সকলৰ আৱয়ৱিক লক্ষণত আৰু সাংস্কৃতিক জীৱনত কিদৰে প্ৰভাৱ পৰিছে সেইটোও অধ্যয়নৰ বিষয়।

ইন্দ আৰ্যসকল ভাৰতবৰ্ষলৈ আহি ইয়াৰ যি কেইবিধ আদিবাসী লোকক লগ পাইছিল তাৰে প্ৰধান দুবিধ হ'ল নিষাদ আৰু কিৰাত। কিৰাত আৰু নিষাদৰ মাজত আৱয়ৱিক দিশত থকা প্ৰভেদবোৰ বৰ স্পষ্ট। নিষাদৰ চমৰ্বৰ্ণ গাঢ়-পিঙ্গল, আনহাতে কিৰাতসকল পীত চৰ্মী। কিৰাতসকল গুৰিতে মঙ্গোলীয়। তেতিয়া কিৰাত শব্দটোৱে চীনা, তিব্বতীয় আৰু ভাৰতৰ আন আন সকলো মঙ্গোলীয় লোকক সাঙুৰিছিল। হিমালয়ৰ পাদদেশ আৰু ভাৰতৰ উত্তৰ পূৰ্ব অঞ্চল কিৰাতসকলৰ বাসভূমি আছিল।

প্ৰাচীন সংস্কৃত গ্ৰন্থবোৰৰ বিভিন্ন ঠাইত কিৰাতৰ উল্লেখ আছে। যজুৰ্বেদতে প্ৰথম কিৰাতৰ উল্লেখ পোৱা যায়। পুৰুষমেধ যজ্ঞৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ভিতৰত গুহাবাসী বা গুহাৰ বাবে কিৰাত লোকৰ প্ৰয়োজন আছে বুলি কোৱা হৈছে। তাৰ পিছত অথৰ্ববেদতো কিৰাত ছোৱালী এজনীয়ে পৰ্বতৰ শিখৰত বনৌষধি বিচাৰি মাটি খান্দি থকাৰ উল্লেখ আছে। বেদৰ পিছত ৰচিত ৰামায়ণ মহাকাব্যতো কিৰাতৰ নাম পোৱা যায়। মহাভাৰতৰ সভাপৰ্বত নকুলে লগ পোৱা চৰ্মবস্ত্ৰ পৰিহিত, গছৰ ফলমূলেৰে জীৱন নিবাহ কৰা কিৰাত সকল অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত দুৰ্ধৰ্ষ লোক আছিল। ভীমে দিগ্বিজয় কৰিবলৈ ওলাই পূৱ দিশলৈ যাত্ৰা কৰি বিদেহ ৰাজ্য পাৰ হৈ সাতজন কিৰাত ৰজাক পৰাস্ত কৰাৰ উল্লেখ মহাভাৰতত আছে। ৰজা ভগদত্তই বিৰাট কিৰাত সৈন্যবাহিনী লৈ কুৰুক্ষেত্ৰ মহাসমৰত যোগদান কৰিছিল। ৰামায়ণত কিৰাতৰ আৱয়ৱিক লক্ষণ আৰু তেওঁলোকৰ প্ৰকৃতিৰ চমু পৰিচয় পোৱা যায়।

বিষ্ণুপুৰাণ আৰু মাৰ্কণ্ডেয় পুৰাণত সেইসময়ত কিৰাতৰ ভৌগোলিক বিভাজনৰ আভাস পোৱা যায়। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকলে ভাৰতৰ মধ্যাঞ্চলত, কিৰাত সকলে পূৰ্বাঞ্চলত আৰু যৱনসকলে পশ্চিমাঞ্চলত বাস কৰিছিল। প্ৰথম শতিকাৰ গ্ৰীক গ্ৰন্থ 'পেৰিপ্লাছ অব দি এৰিথ্ৰীয়ান ছি'ত উল্লেখ কৰা কিৰাহাডি বোলা লোকসকল যাৰ বিস্তাৰ পশ্চিম বঙ্গলৈ আছিল সেই সকল যে কিৰাত তাত কোনো সন্দেহ নাই।

প্ৰাচীন সংস্কৃত গ্ৰন্থত কিৰাতৰ উল্লেখ সমন্ধে আঙুলিওৱাৰ উদ্দেশ্য কিৰাত

সকলে যে অতীজৰে পৰা ভাৰতভূমিত বসবাস কৰি আহিছে তাকে প্ৰতিপন্ন কৰা। লগতে কিৰাতসকল যে অন্য জন-সমষ্টিৰ সংস্পৰ্শলৈ আহিছিল সেই-টোৱো ইয়াৰ পৰা ওলাই পৰে। কিৰাতসকলে কেতিয়া ভাৰতলৈ প্ৰব্ৰজন কৰে সেই বিষয়ে সঠিককৈ জনা নাযায়। কিন্তু এইটো নিসন্দেহে ক'ব যে ইন্দ আৰ্যসকল অসমলৈ অহাৰ বহু আগৰে পৰাই কিৰাতসকলে অসমত বাস কৰি আহিছে। এই কিৰাতসকলেই ইণ্ড মঙ্গোলীয় নামেৰে পৰিচিত।

হোৱাংহো আৰু ইয়া চিকিয়াং নদীৰ নিকটবৰ্তী চীন দেশৰ উত্তৰ-পশ্চিমাঞ্চল তিব্বতো বৰ্মী ভাষা-ভাষীলোকৰ আদি বাসস্থান বুলি কোৱা হয়। প্ৰজাতীয় দৃষ্টি কোণৰ পৰা কবলৈ গ'লে এওঁলোক মঙ্গোলীয় প্ৰজাতিৰ লোক। এই লোকসকলৰ এজনে এজনলৈ তিব্বত, নেপাল, ভুটান আদিলৈ প্ৰব্ৰজন কৰে। পিছত এইদল লোকৰ বহুতো লোকেই দলে দলে বিভিন্ন সময়ত দক্ষিণলৈ গতি কৰি অসমত প্ৰবেশ কৰে। এনে এটা ঠালৰ লোকেই কাৰ্বি সকলৰ আদি পুৰুষ বুলি ভাবিবৰ থল আছে। কিন্তু গাৰো বা ৰাভা জন জাতিৰ মাজত প্ৰচলিত কিম্বদন্তি আৰু সাংস্কৃতিক উপাদানৰ আশ্ৰমত যদৰে সেইবোৰ জন জাতিৰ প্ৰব্ৰজনৰ পথ কিছুদূৰ নিৰ্দ্ধাৰণ কৰিব পাৰি কাৰ্বিৰ ক্ষেত্ৰত সেইটো সম্ভৱপৰ নহয়। অৱশ্যে অসমত কাৰ্বি সকলে বিভিন্ন কাৰণত ঠাই সলাই ঘূৰি ফুৰি কিদৰে এতিয়াৰ বাসস্থানত থিতাপি লাগিল সেই বিষয়ে কিছু কথা জনা যায়।

উত্তৰ-পূব ভাৰতত কাৰ্বি সকলৰ প্ৰব্ৰজন সম্বন্ধে কেইবাজনো লিখকে অভিমত প্ৰকাশ কৰি থৈ গৈছে। সেইবোৰৰ ওপৰত ভিত্তি কৰি সাধাৰণ ভাৱে ইয়াকে ক'ব পাৰি যে খাছীয়া জয়ন্তীয়া পাহাৰৰ পূৰ্বাঞ্চল কাৰ্বি সকলৰ আদি বাসস্থান আছিল। কিন্তু খাছীয়া আৰু জয়ন্তীয়া লোকৰ লগত তেওঁ-লোকে শান্তিৰে বসবাস কৰিব নোৱাৰি পিছলৈ কছাৰী ৰাজ্যলৈ গমন কৰে। তেওঁলোক গৈ প্ৰাচীন ডিমাপুৰত উপস্থিত হয়। এতিয়া কুকীসকলে বসবাস কৰি থকা, তেতিয়াৰ কছাৰী ৰাজ্য কাছাৰৰ দক্ষিণ পূব-অঞ্চললৈ কাৰ্বিসকল বিস্তৃত হৈ পৰিছিল বুলি ভাবিবৰ যুক্তি আছে, কিয়নো সেইবোৰ অঞ্চলৰ কোনো ঠাই বা নদী এতিয়াও কাৰ্বি নামেৰেই পৰিচিত। কছাৰীসকলৰ লগত থাকিও কাৰ্বিসকলে বিশেষ সা-সুবিধা নোপোৱাত তেওঁলোক আহোম ৰজাৰ ওচৰ চাপে আৰু আহোম ৰজাৰ যুক্তি পৰামৰ্শত কাৰ্বিসকলে এতিয়াৰ ঠাইত বসবাস কৰিবলৈ লয়। গতিকে দেখা যায় বিভিন্ন সময়ত কাৰ্বিসকলে খাছীয়া-জয়ন্তীয়া, কছাৰী আহোম আদি নানান লোকৰ সংস্পৰ্শলৈ আহিছিল।

তাৰফলত সেইবোৰ জন-সমষ্টিৰ লগত যোগাযোগৰ ফলত কাৰ্বি সমাজ সংস্কৃতি আৰু আৱয়ৱিক লক্ষণৰ ওপৰত কেনে প্ৰভাৱ পৰিল সেইটো বিচাৰ্য্য বিষয়।

অস্পষ্টভাৱে হ'লেও কাৰ্বিসকলে তেওঁলোকৰ নিজৰ পুৰণি ৰাজ্য এখনৰ প্ৰতিচ্ছবিৰ কথা সোঁৱৰে। সেই ৰাজ্যৰ ৰজাৰ নাম আছিল ছুং ৰেচ। সেই ৰজাৰ কাহিনীৰ মাজত হিন্দুৰ সত্য, ত্ৰেতা দ্বাপৰ আৰু কলিযুগৰ আভাস পোৱা যায় বুলি কোনোৱে ক'ব খোজে।

প্ৰাচীন কাৰ্বি ৰাজ্য বাৰটা লংৰি বা খণ্ডত বিভক্ত আছিল। প্ৰতিটো লংৰিতে একোজনকৈ বিৰগা আছিল আৰু তেওঁক হাবাই বুলি কোৱা হৈছিল। কাৰ্বি সমাজত হাবাইৰ স্থান বৰ সন্মানজনক। প্ৰতিটো লংৰিতে কেবাখনো গাওঁ আছিল। একোখন গাওঁৰ দায়িত্ব একোজন গাওঁবুঢ়াৰ ওপৰত ন্যস্ত আছিল।

কাৰ্বি সকলে নিজৰ স্বাৰ্থ অটুট ৰাখিবলৈ অন্য জন-সমষ্টিৰ লগত যুদ্ধ বাগৰত লিপ্ত হবলগীয়া হৈছিল যদিও অন্য জন জাতিৰ তুলনাত তেওঁলোক শান্তিপ্ৰিয় লোক ৰণ বিগ্ৰহ তেওঁলোকে ভাল নাপায়। তেওঁলোকে নিজৰ স্থানত সুখে-শান্তিৰে বসবাস কৰিব বিচাৰে।

মঙ্গোলীয় লোকসকলক উত্তৰ পূৱ অঞ্চলৰ অতি প্ৰাচীন লোক বুলি আগতে কৈ অহা হৈছে যদিও, ভাৰতৰ অন্য অঞ্চলৰ লগত এই অঞ্চলৰো আদিম অধিবাসী অন্য এক প্ৰকাৰৰ লোক বুলি গণ্য কৰা হয়। সেইবিধ লোক অষ্ট্ৰেলীয় বা প্ৰায় অষ্ট্ৰেলীয়, প্ৰাক্-দ্ৰাবিড়, ভেদ্দীদ, নিষাদ আদি নানান নামেৰে পৰিচিত। ইয়াত অষ্ট্ৰেলীয় শব্দটোকে ব্যৱহাৰ কৰা হব। অষ্ট্ৰেলীয়ৰ আৱয়ৱিক লক্ষণৰ বৰ্ণনা সাধাৰণভাৱে এইদৰে দিব পাৰি তেওঁলোকৰ চৰ্মবৰ্ণ গাঢ় পিঙ্গল, কেশ তৰঙ্গায়িত বা বক্ৰ। অধ্যাক্ষি মোটা আৰু টকুত পৰা। কপাল ভালদৰে বৃদ্ধিপ্ৰাপ্ত নহয় আৰু ই পাচলৈ এচলীয়া। তেওঁলোকৰ নাসিকা প্ৰশস্ত, নাসিকামূলদেশ লক্ষণীয়ভাৱে অৱনত। তেওঁলোক দীৰ্ঘ মস্তকী ক্ষীণকায় আৰু খৰ্বকায়। আনহাতে সাধাৰণভাৱে কবলৈ গ'লে মঙ্গোলীয়ৰ চৰ্মবৰ্ণ পীত বা পীত-পিঙ্গল। তেওঁলোকৰ কেশ কলা, ঋজু আৰু অমসৃণ। ডাড়ি গোফ আৰু গৰ লোম তাকৰ। মুখমণ্ডল চেপেটা আৰু বহল। গালৰ হনু বৰ স্পষ্ট। নেত্ৰ নেত্ৰচ্ছেদ ভাঁজযুক্ত, নেত্ৰ বক্ৰ আৰু নেত্ৰকোণ ঠেক।

অসমত অষ্ট্ৰেলীয় প্ৰজাতিৰ জন-সমষ্টি এতিয়া এটাও নাই। কিন্তু সংগ্ৰহীত তথ্য পাতি বিশ্লেষণ কৰি এই বক্তাই ৭, ১০, ১২ কেবাটাও লিখনিত দেখুৱাইছে যে অতি প্ৰাচীন কালত অষ্ট্ৰেলীয় লোকে অসমলৈ প্ৰব্ৰজন

কৰিছিল। অনুমান কৰিব পাৰি যে মঙ্গোলীয় লোকৰ আগমনৰ আগতে অষ্ট্ৰেলীয় লোকে এই অঞ্চলত প্ৰৱেশ কৰে। কালৰ গতিত অষ্ট্ৰেলীয় লোকসকল মঙ্গোলীয় লোকৰ লগত আংশিক বা সম্পূৰ্ণভাৱে সংমিশ্ৰিত হৈ নিজৰ বৈশিষ্ট্য হেৰুৱাই পেলায়। কিন্তু তেওঁলোকৰ কোনো কোনো লক্ষণ মঙ্গোলীয়ৰ মাজত এতিয়াও বৰ্তি আছে। বৈজ্ঞানিক দৃষ্টিৰে সূক্ষ্ম ভাৱে অধ্যয়ন কৰিলে কছাৰী, ৰাভা, খাছীয়া আদি জন সমষ্টিৰ মাজত তেনেবোৰ লক্ষণ দৃষ্টিগোচৰ হয় বুলি এই লিখকে প্ৰমাণ কৰি দেখুৱাইছে। বিশ্লেষণ কৰি চালে কাৰ্বিসকলৰ মাজতো অষ্ট্ৰেলীয় লক্ষণ চকুত পৰিব পাৰে বুলি ভাবিবৰ থল আছে। অসমৰ প্ৰজাতীয় উপাদান সম্বন্ধে আলোচনা কৰোতে অন্য জন জাতিৰ লগতে কাৰ্বিৰ মাজতো দীৰ্ঘমস্তকী, প্ৰশস্ত মস্তকী, প্ৰাচীন প্ৰাক্ দ্ৰাবিড় (অষ্ট্ৰেলীয়) উপাদান থকাৰ সম্ভাৱনাৰ কথা হেডনেও[১৮] উল্লেখ কৰি গৈছে। বাক্সটনেও[১৯] কৈ গৈছে যে ভাৰতৰ উত্তৰ পূৱ সীমান্তৰ অধিবাসীৰ মাজত থকা মূল প্ৰজাতীয় প্ৰকাৰটো প্ৰাক দ্ৰাবিড়ীয় 'অষ্ট্ৰেলীয়'। অ'ত ত'ত বিস্তৃত হৈ থকা বিভিন্ন জন জাতিৰ লোকৰ মাজত এই প্ৰকাৰ উপাদানৰ উপস্থিতি চকুত পৰে। অকল যে জনজাতিৰ লোকৰ মাজতেই এনে প্ৰজাতীয় উপাদান সীমাবদ্ধ তেনে নহয় ভাৰতৰ আন অঞ্চলৰ লগতে অসমৰ কোনো কোনো জাতিগোটৰ মাজতো অষ্ট্ৰেলীয়ৰ লক্ষণ পৰিলক্ষিত হয়।

১৯৩০ চনতেই ৰাজেন্দ্ৰ[২০] পোণ প্ৰথম ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ নৃদেহমাপতাত্ত্বিক শাৰীৰিক বৈশিষ্ট্য সম্বন্ধে তথ্য পাতি সংগ্ৰহ কৰি প্ৰকাশ কৰে। তেওঁ ৩৩ টা জনসমষ্টিৰ ৫৮৪ জন মানুহৰ নৃদেহমাপতাত্ত্বিক দেশৰ পৰা জোখ মাখ লয়। ইয়াৰ ভিতৰত ১৮ জন কাৰ্বি লোকো আছিল। ৯১৭ চনত ড° কান্তিভূষণ পাকৰাশীয়ে[২১] কাৰ্বিসকলৰ শাৰীৰিক বৈশিষ্ট্য সম্বন্ধে এটা প্ৰবন্ধ প্ৰকাশ কৰে। অলপতে ড° অনিল কুমাৰ দেৱে[২২] কাৰ্বিসকলৰ আৱয়ৱিক লক্ষণত বিভিন্ন দিশ সম্বন্ধে অধ্যয়ন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

সংগ্ৰহীত তথ্য পাতিৰ ওপৰত ভিত্তি কৰি কাৰ্বিসকলৰ শাৰীৰিক বৈশিষ্ট্যৰ বৰ্ণনা মূলমূলভাৱে এনেদৰে দিব পাৰি। তেওঁলোকৰ চৰ্মবৰ্ণ পাণ্ডুৰ পিঙ্গল। মঙ্গোলীয় বৈশিষ্ট্যপূৰ্ণ পীত বৰ্ণৰ আভাসো চকুত নপৰা নহয়। তেওঁলোকৰ কেশ কলা বা গাঢ় পিঙ্গল, ঋজু বা নিম্ন তৰঙ্গায়িত। কেশ বিন্যাস খহটাৰ পৰা মধ্যমীয়া" কেশ ঘন-ডাড়ি-গোঁফ আৰু গাৰ লোম তাকৰ তেওঁলোকৰ কপাল মধ্যমীয়াভাৱে উন্নত, মধ্যমীয়াভাৱে বহল আৰু

মধ্যমীয়াভাবে পাচলৈ এঢলীয়া। অধ্যক্ষি লক্ষণীয়ভাবে স্পষ্ট নহয়। কাৰ্বিৰ নেত্ৰবৰ্ণ কৃষ্ণ বা গাঢ় পিঙ্গল। নেত্ৰবিবৰ মধ্যমীয়া বা ঠেক আৰু হেলনীয়া। 'মঙ্গোলীয় নেত্ৰচ্ছেদ ভাঁজ' প্ৰায়বোৰ মানুহৰ মাজতেই কম বেছি পৰিমাণে দেখা যায়। কপোলাস্থি মধ্যমীয়াভাবে লক্ষণীয়। কাৰ্বিসকলৰ নাসিকাদণ্ড ঋজু, নাসিকা পট অনুভূমিক বা উৰ্দ্ধাভিমুখী আৰু নাসিকামুলদেশ মধ্যমীয়াভাবে অৱনমিত। তেওঁলোকৰ দৈহিক গঠন মধ্যমীয়া। এইবোৰ লক্ষণ খালি চকুৰেই নিৰীক্ষণ কৰিব পাৰি। ইয়াৰ বাহিৰে নৃদেহমাপতাত্ত্বিক দিশৰ পৰাও কাৰ্বিসকলৰ আৱয়িক লক্ষণৰ বৰ্ণনা দিব পাৰি।

দৈহিক উচ্চতা বিষয়ত কাৰ্বিসকলক নিম্ন মধ্যকায় বুলি কব পাৰি। তেওঁলোকৰ মাজত মধ্য মস্তকীলোকৰ সংখ্যাই সৰহ, আৰু গড় হিচাপেও তেওঁলোক মধ্য মস্তিকী, যদিও দীৰ্ঘ মস্তকী আৰু প্ৰশস্ত মস্তকীলোকৰ সংখ্যাও একেবাৰে উলাই কৰিব নোৱাৰি। অৱশ্যে পাকৰাশীয়ে গড় হিচাপে তেওঁলোকক দীৰ্ঘ মস্তকী বুলিহে কৈছে। সম্পূৰ্ণ মুখমণ্ডলৰ দৈৰ্ঘ্য আৰু প্ৰস্থ অনুপাতে কাৰ্বিৰ মুখমণ্ডল বিভিন্ন ধৰণৰ যদিও গড় হিচাপে মধ্যমীয়া বুলি কব পাৰি। নাসিকাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ অনুপাতে কাৰ্বি সমাজত মধ্য নাসিকী লোকৰ সংখ্যা সৰহ। গড হিচাপেও তেওঁ মধ্য নাসিকী।

আধুনিক কালৰ আৱয়বিক নৃতাত্ত্বিকে দেহ নিৰীক্ষক আৰু দেহনীতি লক্ষণৰ উপৰিও জনসমষ্টিৰ বিভিন্ন জৈৱিক লক্ষণ অধ্যয়ন কৰে। তাৰ ভিতৰত কাৰ্বি সকলৰ এ-বি-অ ৰক্তসমষ্টি, এবিধ ৰাসায়নিক দ্ৰব্যৰ স্বাদ ক্ষমতা তাৰ হস্তাঙ্গুলি অনুৰেখাকৃতি সম্বন্ধে ইয়াৰ চমুকৈ উল্লেখ কৰিব পাৰি। কাৰ্বিৰ মাজত বি ৰক্তসমষ্টিৰ সংখ্যা এ বিধতকৈ অলপ বেছি। অ'প্ৰকাৰৰ সংখ্যা এতকৈয়ো কম। কাৰ্বিসকলৰ বেছি ভাগৰে স্বাদ ক্ষমতা আছে, মাত্ৰ শতকৰা প্ৰায় ১৮ ভাগ লোকেহে সেইবিধ ৰাসায়নিক পদাৰ্থৰ স্বাদ নাপায়। কাৰ্বিৰ মাজত চক্ৰ অনুৰেখাকৃতিৰ (প্ৰায় ৫৪%) সংখ্যা শঙ্খ অনুৰেখাকৃতিতকৈ (প্ৰায় ৪৪%)বেছি।

ড° দেবে কাৰ্বিসকলক ভাৰতৰ উত্তৰ পূৰ অঞ্চলত বিভিন্ন জনজাতিৰ (যিবোৰ জনজাতিৰ বিষয়ে প্ৰয়োজনীয় তথ্য-পাতি পোৱা যায়) লগত তুলনা কৰি এই সিদ্ধান্তত উপনীত হৈছে যে নৃদেহমাপতাত্ত্বিক লক্ষণত অন্য জনজাতিৰ লোকতকৈ খাছীয়া আৰু বড়ো লোকৰ লগত কাৰ্বিৰ সাদৃশ্য বেছি। এই খিনিতেই এটা কথা উল্লেখ কৰিব পাৰি যে কাৰ্বিসকলে গুৰিতে খাছীয়া-জয়ন্তীয়া

পাহাৰত আছিল। একালত তেওঁলোকে কছাৰীৰাজ্যতো বসবাস কৰিছিল। গতিকে সেই সময়ত আৰু এতিয়াও খাহীয়া আৰু বড়োৰ মাজত কাৰ্বিৰ সংমিশ্ৰণ ঘটা সম্ভাৱনাৰ কথা ভাবিব পাৰি। অৱশ্যে কেনেকৈ কিমান দূৰ সংমিশ্ৰিত হৈছে আৰু তাৰ ফলত কি পৰিবৰ্তনে দেখা দিছে সেইটো বৈজ্ঞানিক অনুসন্ধানৰ বিষয়। এই সন্দৰ্ভত আৰু এটা সম্ভাব্য ঘটনাৰ উল্লেখ বিশেষভাবে তাৎপৰ্য্যপূৰ্ণ। কেইবাশ বছৰ ধৰি কাৰ্বি, বিশেষকৈ ভৈয়ামৰ কাৰ্বি আৰু অসমীয়া জাতি গোটৰ লোক ওচৰা-ওচৰিকৈ সৌহাৰ্দ্য-পূৰ্ণভাবে বসবাস কৰি আহিছে। এনে অৱস্থাত তেওঁলোকৰ মাজত জৈবিক দিশতো সংমিশ্ৰণ হোৱাৰ সম্ভাৱনা নথকা নহয় যাৰ ফলত ইটো গোটৰ আৱয়বিক লক্ষণ সিটো গোটত প্ৰৱেশ কৰিব পাৰে। দৰাচলতে ক'বলৈ গ'লে ওচৰা ওচৰিকৈ থকা অসমীয়া জাতি গোট আৰু কাৰ্বি গাওঁৰ মাজত থকা পাৰ্থক্যবোধ সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ নকৰিলে কোতিয়াবা ধৰিবই নোৱাৰি এইকথা বৰ্তমান শতিকাৰ আৰম্ভণীতেই লাইল আৰু ষ্টেক[17] লক্ষ্য কৰি লিখি থৈ গৈছে যে তিৰোতো বৰ্মী লোকতকৈ সাধাৰণ শ্ৰেণীৰ অসমীয়া জাতিগোটৰ মানুহৰ লগত কাৰ্বিৰ সাদৃশ্য বেছি।

অসমৰ বিভিন্ন ঠাইত চলি থকা এক প্ৰক্ৰিয়াযোগে কিদৰে মঙ্গোলীয় জনজাতিৰ প্ৰজাতীয় উপাদান কৰেছীয় জাতি গোটত প্ৰৱেশ কৰিছে তাৰ উদাহৰণ দিবলৈ গৈ কোচ নামৰ জনসমষ্টিটোৰ বিষয়ে উল্লেখ কৰিব পাৰি। অৱশ্যে কোচ শব্দটো ব্যৱহাৰ কৰোতে যথেষ্ট সাৱধানতাৰ প্ৰয়োজন। কোনো কোনো ঠাইত কোচ আৰু ৰাজবংশী শব্দ দুটা একে অৰ্থত ব্যৱহৃত হয়। কোনো কোনো মানুহে আকৌ কোচ নামৰ জনজাতি এটাৰ কথা কয়। আনহাতে কোচ নামৰ জাতিগোট এটাও আছে। এই কোচ জাতি-গোটটো গুৰিতে মঙ্গোলীয় জনজাতিৰ লোকৰ দ্বাৰা গঠিত। কছাৰী, লালুং, কাৰ্বি, টিৱা আদি জনজাতিৰ লোক বিধিমতে হিন্দুধৰ্ম গ্ৰহণ কৰি কোচ জাতিৰ অন্তৰ্ভূক্ত হৈ পৰে। কোচ জাতিগোট এটা গঠন কৰাৰ লগে লগে পূৰ্বৰ জনজাতীয় গোটৰ পৰা পৃথক হৈ পৰিল। কোচৰ মাজতে বৈবাহিক সম্বন্ধ স্থাপিত হবলৈ ধৰাত কোচ সকলে স্বকীয় বৈশিষ্ট্য কিছুমান আহৰণ কৰিবলৈ ললে। আকৌ তাৰ লগতে নানান কাৰণত কোচৰ লগত অন্য হিন্দু জাতিৰ লোকবো বিয়া বাৰু হোৱাত, মঙ্গোলীয় লক্ষণ কোচ যোগে অন্য জাতিত প্ৰবেশ কৰি বিভিন্ন গোটৰ মাজত সংমিশ্ৰণ ঘটালে। এই প্ৰক্ৰিয়াত কাৰ্বি সকলেও ভাগ নোলোৱাকৈ থকা নাই।

ভাৰতৰ উত্তৰ পূৰ্ব অঞ্চলৰ জনজাতিবোৰক ভৌগোলিক বিস্তাৰ সাংস্কৃতিক সাদৃশ্য, ভাষা, নৃগোষ্ঠীৰ পটভূমি আদি নানান দিশলৈ লক্ষ্য ৰাখি বিভিন্ন ভাগত ভাগ কৰিব পাৰি, যেনে, নগা, বড়ো, খাছীয়া, লুচাই-কুকি আদি। কিন্তু কাৰ্বি সকলক তাৰে কোনোটো ভাগৰ অন্তৰ্ভুক্ত কৰিবলৈ গলে নানান সমস্যাৰ সন্মুখীন হোৱা যায়। অৱশ্যে এটা কথা ঠিক যে সকলোবোৰ জনজাতিকে মূলতঃ আৰু প্ৰধানতঃ মঙ্গোলীয় বুলি কোৱা হয় আৰু সেই ফালৰ পৰা সকলোকে ইণ্ড-মঙ্গোলীয় গোটৰ অন্তৰ্ভুক্ত কৰা হৈছে। সাম্প্ৰতিক নৃতাত্ত্বিক জ্ঞানে জনায় যে নানান কাৰণত এটা জনসমষ্টিয়ে বিশেষ আৱয়ৱিক বৈশিষ্ট্য আহৰণ কৰি বা পুৰণি নিজস্ব বৈশিষ্ট্য বজায় ৰাখি অন্য জনসমষ্টিৰ পৰা আৱয়ৱিক দিশত পৃথক হৈ থাকিব পাৰে। কাৰ্বি সকল ইণ্ড মঙ্গোলীয়ৰ অন্তৰ্ভুক্ত হৈয়ো, অন্য ইণ্ড মঙ্গোলীয় জনসমষ্টিবোৰৰ লগত নানান আৱয়ৱিক দিশত সাদৃশ্য প্ৰদৰ্শন কৰিও কিছু স্বকীয় বৈশিষ্ট্য ধাৰণ কৰি আছে। এইখিনিতে এই বক্তাই আৰু তেওঁৰ সহযোগী ড° ৰঞ্জন ডেকা আৰু ড° ৰেণুকা দাসে ৮ ১৯ কৰা অধ্যয়নৰ উল্লেখ অপ্ৰাসঙ্গিক নহব যেন লাগে। গাড়ো ৰাভা, কছাৰী, টিৱা, কাৰ্বি আদিৰ এ বি-অ ৰক্ত সমষ্টি আৰু আৰ এইছ্ ৰক্তঘটক পৰ্যবেক্ষণ কৰি এই দুই বিষয়ত এই জনজাতিবোৰৰ মাজতে বিশেষ কোনো তাৎপৰ্য্যপূৰ্ণ পাৰ্থক্য পোৱা নাই। আনহাতে খাছীয়া সকলৰ পৰা কাৰ্বি সকল এ বি অ' ৰক্তসমষ্টিত পৃথক। কিন্তু খাছীয়া সকলৰ এটা ভাগ ভৈৰ লগত কাৰ্বিৰ কিছু সাদৃশ্য দেখা যায়। সেই অঞ্চলত ভৈ আৰু কাৰ্বি সকল ওচৰা ওচৰিকৈ থকা বাবে আৰু দুই গোটৰ মাজত সংমিশ্ৰণ ঘটাৰ উদাহৰণো নথকা নহয় বাবে এনে সাদৃশ্য দেখা যাব পাৰে। এ-বি-অ' ৰক্তসমষ্টিৰ ক্ষেত্ৰত এনে প্ৰতিচ্ছবি দেখা যায় যদিও হিম'গ্লবিন ই বুলি আন এটা লক্ষণত ইয়াৰ বিপৰীত অৱস্থা পৰিলক্ষিত হয়। হিমগ্লবিন-ইৰ সংখ্যা ৰাভা, গাৰো কছাৰী আৰু খাছিয়াৰ মাজত সৰহ, আৰু তাৰ তুলনাত কাৰ্বিৰ মাজত ইয়াৰ সংখ্যা নিচেই নগণ্য। অৰ্থাৎ এই লক্ষণটোৰ পৰাও ক'ব পাৰি যে কাৰ্বিয়ে আন কেইটাৰ পৰা পৃথক গোট এটা গঠন কৰিছে। কিন্তু কম সংখ্যক হ'লেও কাৰ্বিৰ মাজত এই হিমগ্লবিন-ইৰ উপস্থিতিয়ে হয়তো প্ৰমাণ কৰে যে কাৰ্বিৰ লগত আন কেইটা জনসমষ্টিৰ সংমিশ্ৰণ ঘটিছে।

কাৰ্বি সকলৰ আৱয়ৱিক নৃতত্ত্বৰ বিষয়ে আলোচনাৰ সামৰণি মৰাৰ আগতে আকৌ দোহাৰিব পাৰি যে অসমৰ জনজাতিবোৰ মূলতঃ মঙ্গোলীয় আৰু তেওঁলোক ইণ্ড-মঙ্গোলীয় গোটৰ অন্তৰ্ভুক্ত। এনে অৱস্থাত যদিও

নানান কাৰণত (ভৌগলিক পৰিবেশ, প্ৰাকৃতিক নিৰ্বাচন, প্ৰব্ৰজন, সংমিশ্ৰণ, যুগে যুগে ধৰি চলা অন্তৰ্বিবাহ আদি) প্ৰত্যেকটো জনসমষ্টিয়ে কম বেছি পৰিমাণে স্বকীয় শাৰীৰিক বৈশিষ্ট আহৰণ কৰিছে, তথাপি তেওঁলোকৰ মাজত নানান বিষয়ত সাদৃশ্য পৰিলক্ষিত হয় আৰু এটাক আনটোৰ পৰা একেবাৰে বিচ্ছিন্ন কৰি দেখুৱাবলৈ গ'লে সমস্যাৰ সন্মুখীন হোৱা যায়। কাৰ্বি সকলেও অন্য জনসমষ্টিৰ লগত সাদৃশ্য প্ৰদৰ্শন কৰাৰ লগতে নিজস্ব বৈশিষ্ট্যৰে পৰিপুষ্ট হৈ এটা সুকীয়া জনজাতীয় গোট গঠন কৰিছে।

আগতেই উল্লেখ কৰি অহা হৈছে যে নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা কোনো এটা জনসমষ্টিৰ অধ্যয়ন একমাত্ৰ আৱয়বিক লক্ষণতে সীমাবদ্ধ নহয়। সমাজ প্ৰিয় সংস্কৃতি সম্পন্ন জনসমষ্টিৰ সমাজ সংস্কৃতিৰ ওপৰত পূৰ্ণ দৃষ্টিপাত নকৰিলে নৃতাত্ত্বিক বা সাংস্কৃতিক ইতিহাস অসম্পূৰ্ণ হৈ ৰব।

ভাষা সংস্কৃতিৰ এটা অঙ্গ। শব্দবোৰ অনায়াসে এটা জন সমষ্টিৰ পৰা আন এটাত অনুপ্ৰবেশ কৰে। কাৰ্বি সকলৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। তেওঁলোকৰ ভাষাত অন্যান্য জনসমষ্টিৰ শব্দ সোমাই পৰিছে, সেইদৰে কাৰ্বি শব্দও অন্য জনজাতিৰ ভাষাৰ অঙ্গ হৈ পৰিছে। তাৰ দ্বাৰা কাৰ্বি ভাষাৰ কোনো সৌষ্ঠৱ হানি হোৱা নাই, বৰং কাৰ্বি ভাষা চহকীহৈ পৰিছে।

গ্ৰীয়াৰছনে[১০] ভাষাৰ ফালৰ পৰা কাৰ্বিক নগা আৰু কুকী চীনৰ অন্তৰ্বৰ্ত্তী অৱস্থাত স্থান দিছে। লাইনে[১১] ভাষাৰ ভিত্তিত অন্য জনজাতিৰ মাজত কাৰ্বিৰ স্থান সম্বন্ধে সুন্দৰ আলোচনা এটা আগবঢ়াইছে। তেওঁৰ মতে ভাষাৰ ফালৰ পৰা কাৰ্বি আৰু খাছিয়াৰ মাজত বিশেষ কোনো সম্বন্ধ নাই। সেইটো হোৱাটোৱে স্বাভাৱিক, কিয়নো খাছিয়া সকলে অষ্ট্ৰীক ভাষা কয়, আনহাতে কাৰ্বিকে আদি কৰি অন্য জনজাতি সকলৰ ভাষা তিব্বেতো বৰ্মী। তেওঁ উদাহৰণ দি দেখুৱাইছে যে কাৰ্বি আৰু কুকী চীন ভাষাৰ মাজত যথেষ্ট সাদৃশ্য আছে। ভাষাৰ লগতে অন্যান্য সাংস্কৃতিক উপাদানৰ ক্ষেত্ৰতো এই দুই গোটৰ মাজত থকা সাদৃশ্য মন কৰিবলগীয়া। আনহাতে বড়ো আৰু কাৰ্বিৰ মাজত সিমানখিনি সাদৃশ্য দেখা নাযায়। বৰং পশ্চিমীয়া নগা সকলৰ লগত কাৰ্বিৰ ভাষাগত সম্বন্ধ বড়োতকৈ বেছি, কিন্তু কুকী চীনতকৈ কম। আকৌ দক্ষিণাঞ্চলৰ নগা, বিশেষকৈ টাংখুল সকলৰ (যি সকলৰ স্থান নগা আৰু কুকীৰ অন্তৰ্বৰ্ত্তী অৱস্থাত) লগত কাৰ্বি সকলৰ ভাষাগত সম্বন্ধ মন কৰিবলগীয়া। এনে অৱস্থাত কাৰ্বি ভাষা সম্বন্ধে আধুনিক প্ৰণালীৰে এক পূৰ্ণাংগ অধ্যয়নৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

আবয়বিক নৃতত্ত্বৰ দৰে ভাষাৰ ক্ষেত্ৰতো এটা কথা মনত ৰখা উচিত যে তিব্বোতো বৰ্মী ভাষা পৰিয়ালৰ অন্তৰ্গত জনসমষ্টিবোৰৰ মাজত কিছু ভাষাগত সাদৃশ্য খুবেই সম্ভৱপৰ।

সংস্কৃতিৰ আন আন উপাদানৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। সংস্কৃতিত যোগাযোগৰ ফলত জনসমষ্টিবোৰৰ মাজত সাংস্কৃতিক উপাদানৰ বিনিময় ঘটাৰ কথা আগতেই উনুকিয়াই অহা হৈছে। কাৰ্বিৰ লগত অন্য জনজাতিৰ সাদৃশ্য এনে সংস্কৃতিক যোগাযোগৰ বাবেই সে মূলতঃ তেওঁলোক একে আছিল বাবে, জনসমষ্টিভেদে উপাদানবোৰ বিভিন্ন ৰূপত হৈ গ'ল সেইটো বিচাৰ্য বিষয়। অৱশ্যে ককেছীয় জাতিগোটৰ লগত কাৰ্বিৰ সাংস্কৃতিক সাদৃশ্য সাংস্কৃতিক যোগলাভৰ ফলত ঘটিছে বুলি কোৱাৰ পূৰ্ণ যুক্তি আছে।

কাৰ্বি সকলে বহুদিন ধৰি খাছিয়া জয়ন্তীয়াসকলৰ সংস্পৰ্শত বাস কৰিছিল আৰু এতিয়াও ঠাই বিশেষে বাস কৰি আছে। গৰ্ডন[21] আৰু লইলে[17] সাঙ্গ পাৰ, অলংকাৰ ব্যক্তিৰ নাম, মঙ্গল চোৱা পদ্ধতি, মৃতকৰ সংস্কাৰ মৃতকৰ স্মৃতিৰ উদ্দেশ্যে স্থাপন কৰা শিল-স্তম্ভ আদি নানান বিষয়ত কাৰ্বি আৰু খাছিয়াৰ মাজত থকা সাদৃশ্যৰ বিষয়ে আলোচনা কৰিছে। কাৰণ কাচি কাজিৰ, কাবেন আদি কাৰ্বি ছোৱালীৰ নাম। উল্লেখযোগ্য যে খাছিয়া ভাষাত 'কা'ৰ দ্বাৰা স্ত্ৰীলিংগ বাচক শব্দক বুজায়। গোৱেক কাৰ্বি ভাষাত কুৰ বুলি কোৱা হয়। খাছীয়া সকলেও একে অৰ্থত কুৰ শব্দটো ব্যৱহাৰ কৰে। কন্যাৰ কানো কাৰ্বিসকলে খাছিয়াৰ দৰে শিকলে বুলি কোনো কোনোৱে কৰ খোজে। চাকৰ সহায় লোপোৱাকৈ হাতেৰে মাটিৰ পাত্ৰ সজা প্ৰথাটোও খাছিয়া আৰু কাৰ্বি সকলৰ একে। আনহাতে ডেকাচাং টেঙু কৃষি ভূমি বৰ্ত্তন আদি বিষয়ত নগা আৰু কাৰ্বিৰ মাজত থকা সাদৃশ্য মন কৰিব লগীয়া। আকৌ বহুতো লোকগাথা বিভিন্ন জনজাতিৰ উমৈহতীয়া সম্পদ যদিও জনজাতি ভেদে সেইবোৰ ৰূপ সলাইছে, জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত নানান আচৰণ বিধিৰ ক্ষেত্ৰতো উমৈহতীয়া লক্ষণ কিছুমান পৰিলক্ষিত হয়। কাৰ্বিৰ চাবিন আলুন যোগে ৰূপায়িত ৰামায়ণৰ কথাই অসমীয়া জাতি গোটৰ মাজেৰে কাৰ্বি সমাজত হিন্দু ধৰ্মৰ প্ৰভাৱৰ প্ৰমাণ কৰে।

কাৰ্বিৰ বিষয়ে বৰকটকী[22] গৰ্গে[23] টেৰণ[24] লাইল[17] প্ৰমুখ্যে কেইবা গৰাকী ব্যক্তিয়ে প্ৰবন্ধ আৰু কিতাপ লিখিছে। সেই বোৰত কাৰ্বি সমাজ সংস্কৃতিৰ বিভিন্ন দিশ দাঙি ধৰা হৈছে। তাৰ পুনৰাবৃত্তি ইয়াত নিষ্প্ৰয়োজন।

জন বোধ হয়। সেইবোৰ লিখনিত কাৰ্বি সকলৰ সাংস্কৃতিক উপাদানৰ খুলেমূল আভাস পোৱা যায়। গীত মাত, লোকগাঁথা আদিৰ জৰিয়তে কাৰ্বি সমাজৰ প্ৰতিচ্ছবিও ওলাই পৰে।

ড° শইকীয়াই[২০] এখন গাওঁ অধ্যয়ন কৰি কাৰ্বি সমাজত দেখা পৰিবৰ্তন সম্বন্ধে বিশদভাৱে আলোচনা কৰিছে। পৰিবৰ্তন সকলো ঠাইতে একে ধৰণে নহয়। পৰিবৰ্তন অনাৰ পুৰিতে থকা কাৰকবোৰৰ বিভিন্নতা অনুযায়ী পৰিবৰ্তনো বেলেগ বেলেগ। এনে দৃষ্টিকোণৰ পৰাও কাৰ্বিক অধ্যয়ন কৰাৰ বিশেষ প্ৰয়োজন আছে। ১৯০১ চনতেই হাডোলে[২০] এনে ধৰণৰ পৰিবৰ্তনৰ সম্ভৱনাৰ ইংগিত দি গৈছে কামৰূপৰ কাৰ্বি সকলে তেওঁলোকৰ পাৰ্শ্ববৰ্তী ভৈয়াম অঞ্চলৰ হিন্দু অসমীয়া জাতিগোটৰ নানান আচাৰ, ৰীতি নীতি অনুকৰণ কৰি দুই জনসমষ্টিৰ মাজত থকা প্ৰভেদবোৰ অস্পষ্ট কৰি পেলাইছিল সেইবোৰ কথাও তেওঁ মন কৰিছিল। তেতিয়াৰ পৰা প্ৰায় ৮০ বছৰ পিছত আজি পৰিবৰ্তনে কি ৰূপ লৈছে তাক জানিবৰ ইচ্ছা নাযায় জানো?

বহুতো কাৰ্বিয়ে হিন্দু ধৰ্ম মানে। কোনো কোনোৱে খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছে। বহুতে আকৌ এতিয়াও নিজ ধৰ্ম পালন কৰি আছে। হিন্দু ধৰ্মৰ প্ৰভাৱ তেওঁলোকৰ জীৱন যাত্ৰাত বৰ স্পষ্ট। যিযে নহওঁক, মৌলিক ধৰ্মীয় ৰীতি-নীতি, আচাৰ ব্যৱহাৰত এই সকলোবোৰ কাৰ্বিৰ মাজত বহুতো পৌৰাণিক অৰু থলুৱা বৈশিষ্ট্য সংৰক্ষিত হৈ আছে।

অসমৰ অন্য লোকৰ দৰে কাৰ্বিসকলো প্ৰধানতঃ কৃষিজীৱি পৰ্বতীয়া পৰিৱেশৰ লগত খাপ খুৱাই জীৱন যাপন নিৰ্বাহ কৰিবলৈ পাহাৰী কাৰ্বিসকলে ঝুম খেতি কৰে। ঝুম খেতিৰ বাবে প্ৰয়োজনীয় ঠাইৰ সন্ধানত পাহাৰী কাৰ্বিয়ে ঠাই সলাই ফুৰিব লগীয়া হয়। সেই বাবে তেওঁলোকক আংশিক যাযাবৰ আখ্যা দিব পাৰি। তেওঁলোকে পুৰণ বসতি এৰি নতুন স্থানত গাওঁ পাতে। সেই অৰ্থত কাৰ্বি গাওঁ ঠিক স্থায়ী ভৌগোলিক গোট নহয়, সামাজিক আৰু অৰ্থনৈতিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত গোটহে। সামাজিক আৰু অৰ্থনৈতিক ডোলেৰে গাৱঁৰ মানুহবোৰ বান্ধ খাই থাকে। সকলোৰে আস্থাভাজন আৰু আশা ভৰসাৰ স্থল গাৱঁৰ গাওঁবুঢ়াজন। তেওঁৰ নামেৰেই গাৱঁৰ নামকৰণ কৰাও দেখা যায়। কিন্তু ভৈয়ামৰ কাৰ্বিয়ে অসমত সাধাৰণ ভাৱে প্ৰচলিত পদ্ধতিৰে নাঙলৰ সহায়ত খেতি কৰে।

খেতি চপোৱাৰ পিছত বা অৱসৰৰ সময়ত কাৰ্বিসকলে সৰু সৰু দল বান্ধি বা গাইগুটীয়কৈয়ো হাবিলৈ যায়। হাবিৰ পৰা আলু কচু, গছ পাত ফুল আদি নানান তৰহৰ খাদ্য-দ্ৰব্য সংগ্ৰহ কৰি আনে। তাৰে কিছুমানে সেই সময়তে খায়, কিছুমান শুকুৱাই লৈ সংৰক্ষণ কৰে বছৰৰ বিভিন্ন বতৰত খাবলৈ। এনে ধৰণে খাদ্য দ্ৰব্য এই অঞ্চলৰ অন্য জনজাতি আৰু অসমীয়া জাতি গোটৰ লোকেও সংগ্ৰহ আৰু সংৰক্ষণ নকৰে জানো ?

পৰ্বতীয়া পৰিৱেশৰ উপযোগী কৰি পাহাৰী কাৰ্বিয়ে চাংঘৰ সাজি বাস কৰে। আনহাতে ভৈয়ামৰ কাৰ্বি আৰু চুবুৰীয়া লোকৰ মাজত বিশেষ পাৰ্থক্য দেখা নাযায়। এই অঞ্চলৰ অন্য জনজাতিৰ দৰে কাৰ্বিৰো বৰ প্ৰিয় পানীয় চাউলৰ পৰা প্ৰস্তুত কৰা এবিধ মদ। সামাজিক আচাৰ অনুষ্ঠানত এই মদে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। খাচীয়াসকলৰ মুখৰ পৰা তামোল নুগুছেই বুলি কোৱা হয়। তামোল কাৰ্বিসকলৰো প্ৰিয়। অসমৰ বিভিন্ন জন সমষ্টিৰ মাজত তামোলৰ স্থান বিশেষ ভাবে মন কৰিবলগীয়া।

এনে ধৰণে এটা এটাকৈ সাংস্কৃতিক উপাদান বিশ্লেষণ কৰি চাব পাৰি কোনটো কাৰ্বিসকলৰ নিজস্ব কোনটো অন্য জন-জাতিৰ পৰা গ্ৰহণ কৰা, কোনটোত অসমীয়া জন গোটৰ প্ৰভাৱ পৰিছে। সেইদৰে এইটোও বিচাৰ কৰি চাব পাৰি কোনবোৰ কাৰ্বি উপাদান অন্য জনজাতিৰ বা অসমীয়া জাতিগোটৰ সংস্কৃতিৰ এৰাব নোৱাৰা অঙ্গ হৈ পৰিছে। তেনে বিশদ আলোচনালৈ যাবলৈ আজি সময় আৰু সুবিধাৰ অভাৱ। সেইবাবে মোখনি মাথোঁ ইমানকে ক'ব পাৰি যে কাৰ্বি জনসমষ্টিত প্ৰত্নজাতীয় দিশৰ পৰা অষ্ট্ৰেলীয়, মঙ্গোলীয় আৰু ককেছীয়ৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে যদিও মূলতঃ কাৰ্বিসকল মঙ্গোলীয়। দ্বিতীয়তে অসমৰ সংস্কৃতিয়ে গঢ় লৈছে কাৰ্বি প্ৰমুখ্যে মঙ্গোলীয় জনসমষ্টি আৰু ককেছীয় জাতি গোটৰ উমৈহতীয়া অৰিহণাৰ ফলত। অসমৰ সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰত অতীজৰে পৰা কাৰ্বিয়ে বিশেষ ৰূপে মন কৰিবলগীয়া ভূমিকা গ্ৰহণ কৰি আহিছে। অসমৰ সংস্কৃতিৰ অঙ্গ-প্ৰত্যঙ্গ এই সকলোবোৰ জনসমষ্টিৰ অৰিহণাৰে পৰিপুষ্ট। বিভিন্ন জন-সমষ্টিৰ আৱয়ৱিক আৰু সাংস্কৃতিক উপাদান সমূহ অসমৰ লোকৰ আৰু অসমৰ সংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গ।

শেষত এই বক্তাৰ নিজস্ব এক অভিজ্ঞতা আৰু উপলব্ধিৰ উল্লেখ নিশ্চয় অপ্ৰাসঙ্গিক নহব। গুৱাহাটীৰ ওচৰৰ কাৰ্বি গাওঁৰ এঘৰ মানুহৰ ঘৰলৈ গ'লে

যঁাহৰ নতুনামুখ পাৰ হৈ চাৰিওফালে থকা ঘৰৰ দ্বাৰা পৰিবেষ্টিত চোতালত প্ৰৱেশ কৰাৰ লগে লগে গৃহস্থৰ নিৰ্দেশত ল'ৰা-ছোৱালীয়ে পিৰালীত পাৰি দিয়া পীৰাত বহিবলৈ কৈ গৃহস্থ যেতিয়া ওচৰত বহে আৰু কন্তেক পিছতে ঘৰৰ গৃহিণীয়ে তামোল-পান লৈ ওচৰতে বহি তামোল কাটি বটাত দি আগবঢ়াই দিয়ে, তেতিয়া মনলৈ নাহে সেইখন কাৰ ঘৰ নে কোনো অসমীয়া জাতি গোটৰ ঘৰ। তেতিয়া সংস্কৃতিৰ সূক্ষ্ম উপস্থানবোৰ বিশ্লেষণ কৰাৰ চিন্তাই মনত ঠাই নাপায়। অসমৰ এক বিশাল সংস্কৃতিৰ পৰিবেশত অন্য সকলো কথা গৌণ হৈ পৰে। এই সংস্কৃতিৰ সংৰক্ষণ, বিকাশ, প্ৰসাৰ আৰু প্ৰচাৰ সকলোৰে মহান আৰু পবিত্ৰ কৰ্ত্তব্য।

উল্লেখিত লিখনিসমূহ

1 Das, B M On some aspects of variation and ongoing human evolution, Presidential address, Section of Anthropology & Archaeology 66th Indian Science Congress, Hyderabad 1973 Man in India, 59, 1979

2 Das B M Microevolution, New Delhi, 1981.

3 Das B M · Variation in physical characteristics in the Khasi population of North East India Gauhati, 1978

4 Das B M, Das, P.B & Das, R : Physical anthropology of the Brahmins of Assam UGC Report Study No 4 1980

5 Das, B M, Das P B & Das R Biological variation in the Kalita, a caste of Assam. UGC Report Study No 3, 1980

6 Das B M, Das, R Variation in physical characteristics of the Kaibartas of Assam UGC Report, Study No 5 1980

7 Das. B M, Das, P B, Das R. The Assamese Muslims, their physical features, UGC Report, Study No 6, 1980

8 Das, B M, : Somatic variations among the Hill and Plains Garos of Assam Man in India, 49, 2, 1960

9 Deb, A K : Comparison between the Hill and Plains Mikirs of Assam in respect of certain anthropogenetic traits and their ethnic position Unpublished Ph. D thesis of Dibrugarh University, 1981

10 Lahkar B,C Socio-economic profile of a tribal community in an urban fringe Unpublished Ph. D. Thesis of Dibrugarh University, 1976.

11. Das, B M Ethnic Affinities of the Rabha, Gauhati University 1960.
12. Das, B M : Anthropometry of the tribal groups of Assam, India Miami, U S A, 1970
13. Haddon A C : The Races of Man, Cambidge, 1924
14. Buxton, L H D The Peoples of Asia, London, 1925
15. Waddell L A The Tribes of the Brahmaputra Valley Journal, Asiatic Society Bengal, L XIX Part III 1901
16. Pakrashi, K A study of the physical characters of the Arlengs (Mikirs) Jr Gauhati University, IV 1953.
17. Lyall, C & Stack, F : The Mikirs 1908,
18. Das, B.M., Deka, Ranjan & Das, Renuka . ABO Blood Groups and Rh-factor in six populations of Assam (in press)
19. Das B M , Deka Ranjan & Das, Renuka Haemoglobin E in six populations of Assam Jr Indian Anthrop Soc 15 1980
20. Grierson, G A : Linguistic Survey of India Calcutta
21. Gurdon P R T The Khasis, London, 1907
22. Barkataki, S The Mikirs, 'Tribes of Assam,' New Delhi, 1969
23. Gogoi, J : Mikir, 'Asomor Janajati' Jorhat 196'
24. Teron, L : Karbi Janagosthi, Jorhat, 1974
25. Saikia, P D. : Changes in Mikir Society Jorhat 1968.

— —

বিশিষ্ট বক্তা : শ্ৰী যজ্ঞোৰাম গগৈ

অসমৰ নৃতাত্ত্বিক আৰু সাংস্কৃতিক ইতিহাস — এক সমন্বয় আৰু সংহতিৰ ইতিহাস। প্ৰাচীন ঐতিহ্য-সম্পন্ন অসমীয়া সংস্কৃতিয়ে বহু জনগোষ্ঠীৰ সংস্কৃতিৰ সোন-কণী বুকুত বান্ধি - এক বৃহৎ সংস্কৃতিৰ লুইত হৈ বাগৰিছে। সহস্ৰমুখী জুৰি-জান একমুখী কৰাৰ অন্তঃশক্তি জাতিয়ে পাইছে ক'ৰ পৰা ? ই হৈছে জনচেতনাৰ জাগ্ৰত শক্তিৰ লগত গতিকৰাৰ যি চেতনা—সিয়েই মহাকালৰ গৰ্ভত জীৱন্ত হৈ ৰোৱাৰ অমোঘ অস্ত্ৰ।

ভাৰত তীৰ্থত এক মিলন মন্দিৰ গঢ়িবৰ বাবে আৰ্য্য অনাৰ্য্য, দ্ৰাবিড়, চীন, মোগল - পাঠান - শক হুন সকলোকে কবিকুলে মাতিছে, সাধকে যুগে যুগে যেনেকৈ স্বাগত জনাই আহিছে, অসম তীৰ্থতো তেনেকৈ অসমৰ প্ৰকৃতিয়ে যুগে যুগে বহু জনগোষ্ঠীক বুকুত সাবটি লৈছে। ফলত—গঢ় উঠিছে আমাৰ লৌহিত্যৰ সভ্যতা।

কোটিকল্পীয়া অসমৰ ভৌগোলিক পৰিবেশটো আজিও এবাৰ চকু ফুৰাই চালে সেই অপৰূপ ৰূপৰাশি চিৰ সেউজীয়া ৰূপতেই ধৰা দিয়ে।

সেই মহাকবি কালিদাসৰ দেৱাত্মা হিমালয় বিৰহী যক্ষৰ ৰামগিৰি, সেই নগা-ভূমিৰ বুৰঞ্জীয়ে সঁচৰা নগাপৰ্বতৰ আৰু গদাপানীৰ - পদচিহ্ন সেই চটাই পৰ্বত আৰু চিৰিলুইত, সেই শদিয়া আৰু দিক্কৰ বাসিনী, সেই বিভিন্ন নামধাৰী - টিলাও - লুইত - বুলুংবুথ - ব্ৰহ্মপুত্ৰৰ চিৰন্তন যৌৱন প্ৰবাহ, সেই অসংখ্য নদী উপনদী দিচাং, দিখৌ, দিহিং, দিমৌ, দিচৈ, দিচৰ (ধনশ্ৰী) দিফু আৰু সেই নদী উপনদীৰ বালিত তৰপে তৰপে পৰি ৰোৱা— বড়ো, কছাৰী কাৰ্বি লালুং সকলৰ সংস্কৃতিৰ—সোন চেকুৰা।

এইখন ভূমিক বছৰৰ ছয় ঋতুৱে আজিও পৰশি যায়। পঞ্চমহা বিৰিখৰ পঞ্চপল্লৱ পল্লৱিত কৰে, আমমুকুল মুকুলিত কৰে বসন্তই, কবিৰ কণ্ঠই বৰষা মেঘৰ মাদল বজায় হৰৰ ডম্বৰু বজায়, শাৰদ লক্ষ্মীয়ে আকাশৰ নীল পথাৰত অলক মেঘৰ শুভ্ৰ ৰথ চলায়, হেমন্তৰ হিমৰ কণিকাই লজ্জাশীলৰ ওৰণি টানে, ফাগুনে মনজুই আৰু বণজুই জ্বলায়, শীতে গছ-বিৰিখৰ লগতে জনজীৱনৰো বহু মনউপকূল জীৰ্ণ কৰে।

এয়ে আমাৰ ভৌগোলিক পৰিবেশ। এই পৰিবেশৰ মাজত ৰূপলক্ষ্মী অসমী কামৰূপা মাতৃৰ চিৰকাল হৃদয় দ্বাৰ উন্মুক্ত, সেয়েহে উত্তৰ-দক্ষিণ-পূব-

পশ্চিম দুৱাৰেদি বৈ আহিছিল জনস্রোত : ভিন ভিন জন গোষ্ঠীৰ প্ৰবাহ। লিপিবদ্ধ হ'ল এই ভূমি পত্ৰৰ ওপৰত মাতৃৰ জন্ম-পত্ৰিকা : প্ৰাগজ্যোতিষ হ'ল, কামৰূপ হ'ল, সৌমাৰ পীঠ হ'ল, কামপীঠ হ'ল, ৰত্নপীঠ হ'ল, মহিৰঙ্গ আহিল, নৰকাসুৰ আহিল, কামাখ্যা জাগৃত হ'ল, শঙ্কৰ গুৰুৰ হৰিনামৰ ঢৌ উঠিল, তাৰো পূৰ্বে পৰিব্ৰাজক হিউৱেনচাং আহিছিল সপ্তম শতিকাতে সংহতিৰ লাইখুটা পুতিবলৈ — সুদূৰ চীনৰ পৰা।

আজি দেশমাতৃৰ সন্তান-সন্ততি সকলে সেই অতীত সংস্কৃতিৰ প্ৰাগ-জ্যোতিষপুৰ, কামৰূপ আৰু অসমৰ মৌচাকতে নতুন ৰহঘৰা নিৰ্মাণৰ আয়োজন কৰিছে।

কিন্তু অসমীয়ে আজি এই সংস্কৃতিৰ সূৰ্য্যৰ ৰ'দ লবলৈ কাক কাক মাতিব? ৰ'দ পুৱাবলৈ আকিমাৰি ওলাই অহা শকুন্তলা-সুপো 'পাঁইহাইহা' দিলীপ ফুকুৰি পৰ্ণনিমৰ্লীয়াইঁতে কাৰ কাৰ খোজ চিনি ল'ব?

যাৰ পদক্ষেপত ভূমিখন ধন্য হৈছিল তেওঁলোক আলাপাইন নৰ্দিক প্ৰাক-অষ্ট্ৰেলীয় আৰু মঙ্গোলীয়। দ্ৰাবিড় সকল পোনপটীয়া ভাৱে অসমলৈ নাহিলেও দ্ৰাবিড় সংস্কৃতিৰ সম্বল প্ৰাক অষ্ট্ৰেলীয় সকলৰ ভিতৰেদি অসম সোমাইছিল। ভূমধ্য সাগৰীয় দল-উপদল বাৰেও অসমত পদ চিহ্ন ৰাখিছে।

মানৱ জাতিৰ সংস্কৃতিৰ স্ৰোত প্ৰবাহ প্ৰত্যেক সমাজৰ ক্ষুদ্ৰতম গোট পৰিয়ালৰ পৰা গোষ্ঠী আৰু সমাজলৈ বাগৰি যায়। সেই বাবেই সমাজ সুসংগত হওঁতে বহুকাল লাগে।

পৃথিৱীত পোনতে মানুহ উৎপত্তি হোৱাৰ কালত মানুহৰ শৰীৰৰ গঠন, মাতকথা, আহাৰ-বিহাৰ কেনে আছিল আজিৰ মানুহে দেখা নাছিল, কিন্তু পুৰুষে পুৰুষে চলি অহা কিম্বদন্তি আৰু মৌখিক কথাই প্ৰাকৃঐতিহাসিক যুগৰ কিছু সম্ভেদ মানুহক দিয়ে। তদুপৰি সেইযুগৰ মানুহে ব্যৱহাৰ কৰা সঁজুলি, থকাঠাই, চিত্ৰ, জন্তু আৰু মানৱ শৰীৰৰ অৱশেষবোৰে প্ৰত্নতত্ত্বজ্ঞ ভূ-বিজ্ঞানী আৰু গণিত শাস্ত্ৰজ্ঞ সকলৰ ভিতৰেদি আজিৰ মানুহক নৃতত্ত্বৰ বহু জ্ঞান দিয়ে।

আজিৰ মানৱ দেহ ক্ৰমবিকাশৰ ফল। দহলাখ বছৰৰো আগতেই সৃষ্টি হোৱা মানুহ নামৰ এই প্ৰাণীটোৱে বহু পৰিবৰ্তনৰ মাজেদি যুগৰ পৰা যুগান্তৰলৈ গতি কৰিছে। প্ৰত্নপ্ৰস্তৰ যুগৰ কাঠ, বাঁহ, শিল আৰু গছৰ বাকলিৰ পৰা আৰম্ভ কৰি নব-প্ৰস্তৰ যুগৰ কৃষিলৈকে গতি কৰোতে মানুহৰ বহু শতাব্দী লাগিছিল। বুৰঞ্জীবিদসকলৰ মতে বিগত ত্ৰিশ হাজাৰ বছৰৰ ভিতৰত মানৱ দেহৰ গঠনৰ বিশেষ একো পৰিবৰ্তন হোৱা নাই।

কিন্তু দেশভেদে আৰু ভৌগোলিক পৰিবেশ ভেদে মানব-শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ সংখ্যা সমান হলেও বাহ্যিক চেহেৰা একে নহয়, আনকি শৰীৰৰ পদাৰ্থৰ অনুপাতো কম বেচ আছে। উদাহৰণ স্বৰূপে লণ্ডন বিশ্ববিদ্যালয়ৰ নৃতত্ত্বৰ অধ্যাপক ড° টি, বি, নায়কৰ এটি হিচাব দাঙি ধৰিব পাৰি।

তেখেতে কৈছে যে মেকফাৰলেনে ভীল জাতিৰ পৰা ৪২ জন পুৰুষ মহিলাৰ ৰক্ত পৰীক্ষা কৰিছিল। তেওঁলোক আছিল আউৰঙ্গবাদ জিলাৰ কানিপাদ তালুকৰ।

ৰক্তৰ হিচাব এনে ধৰণৰ : ৩১ ৮% অ' ৩৩ ৬% এ ১২ ৭% বি আৰু ২ ৭% এবি। অন্য এটা টোকাত আছে ১৪০ জন ভীলৰ ৰক্ত পৰীক্ষাত- ১৮%অ', ২৫ ৬% এ, ৪০ ৪%বি আৰু ১৬ ৪% এবি'।

কিন্তু সেই একেটা জাতিৰে মানুহক পৰীক্ষা কৰোতে ড° ডি, এন, মজুমদাৰৰ হিচাব এনে, ৩৭% অ' ২৭ ৫ এ ২৬ ৫% বি আৰু ৯% এবি, ড° মজুমদাৰে এই হিচাব উলিয়াইছিল—৩৬৯ জনৰ ৰক্ত পৰীক্ষা কৰি।

পুনৰ ৰাজপিপলাৰ ১৫০ জন ব্যক্তিৰ ৰক্ত পৰীক্ষাৰ হিচাবেৰে ড° মজুমদাৰে এনেদৰে দাঙি ধৰিছিল : ৩৮ ৪% অ, ২৪ ৩% এ, ২৮ ৮% বি, ৮ ৫% এবি।

ড° নায়কে সকলো দিশ চাই ড° মজুমদাৰৰ মতটোকে সমৰ্থন কৰিছে।

যিহেতু অসমৰ চাহ শ্ৰমিকৰ মাজত ভীল জাতিৰ লোক আছে, মুণ্ডা, কোল আদি জাতিও আছে অসমতো একে গৱেষণাৰ প্ৰয়োজন নোহোৱা নহয়।

অসমৰ কাৰ্বি জাতিৰ মাজত কুষ্ঠ ৰোগৰ সংক্ৰান্ত কাৰ্বি আংলঙলৈ আহোঁতে ভাৰতৰ আদিম জাতি সেৱক সংঘৰ নেতা ড° বাদেকাৰে কয় যে অসমৰ বড়ো কাৰ্বি আদি জনজাতিৰ মাজত বৈজ্ঞানিক ভাৱে শৰীৰ পৰীক্ষাৰ আৱশ্যক।

অসমৰ নৃতাত্ত্বিক পটভূমিত কাৰ্বি সমাজ আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ-যাওঁতে অসমৰ সম্মিলিত গোষ্ঠী-সমূহৰ পূৰ্বস্থান আৰু গতিপথৰ কথাও স্মৰণ কৰিব লাগিব।

প্ৰাক্ অষ্ট্ৰেলীয় সকল বসতি কৰিছিল ভাৰতৰ পূব-প্ৰান্তত-ব্ৰহ্ম, ইন্দো-চীন আৰু তাৰ চৌপাশে থকা দেশসমূহত। তেওঁলোকৰ দৈহিক গঠনৰ লগত মিল পোৱা যায় খাচীয়া আৰু জয়ন্তীয়াৰ মাজত।

পশ্চিমবঙ্গ উৰিষ্যা আৰু অসমত আলপাইন গোষ্ঠীৰ মানুহ পৰিলক্ষিত হয়।

নর্দিক বা আৰ্য্য গোষ্ঠীৰ মানুহেই ভাৰতলৈ সৰ্বশেষত আহে। এতিয়াৰ পৰা চাৰিহাজাৰমান বছৰৰ পূৰ্বে নৰ্দিক সকলে সিন্ধু উপত্যকাত বসতি কৰে।

মঙ্গোলীয় গোষ্ঠীৰ মানুহৰ তিব্বত, নেপাল, ব্ৰহ্ম, আৰু ভূটানৰ বসতি, সিন্ধু উপত্যকাত নৰ্দিক বসতিৰ সমকালিন। অসমলৈ নৰ্দিক গোষ্ঠীৰ আগমন তাৰ বহুত পিছত।

অসমলৈ বড়ো, কাৰ্বি আদি গোষ্ঠী সমূহ অহাৰ পিছত ত্ৰয়োদশ শতিকাত মঙ্গোলীয় আহোম সকল আহে। আহোম সকলৰ আগমনেই অসমৰ নৃতত্ত্ব আৰু সংস্কৃতিৰ পটভূমিত এক নতুন অধ্যায়ৰ সূচনা কৰিলে।

সেইবাবেই ১২২৯ চনৰ আহাৰ মাহটো এক স্মৰণীয় সময়। সেই মাহতেই নীল সেউজীয়া সাত পৰ্বতৰ সিপাৰৰ পৰা এদল সাহসী যোবান আৰু কেইগৰাকীমান যুৱতী লৈ নাম আহিছিল দিগ্বিজয়ী বীৰ চ্যাওলুং চুকাফা। চৰাইদেউ পৰ্বতে সেইজন বীৰক পথ এৰি দিলে লাংখুটা পুতিবলৈ। দিগ্বিজয়ীৰ ৰণহস্তী দৰ্ত্তাল মথনাবোৰ স্থবিৰ নহল, প্ৰতিজন স্বৰ্গদেৱৰ দিনত হাতীমুৰীয়া সকলৰ সুদক্ষ পৰিচালনাত সিহঁত আগবাঢ়িল, চাওঁতে চাওঁতে ৰাজ্যৰ সীমা কৰতোৱা পালেগৈ।

একে ভৌগোলিক পৰিসীমাৰ মাজত দীৰ্ঘকাল ধৰি বসতি কৰাৰ ফলত বিভিন্ন গোষ্ঠীৰ মাজত শাৰীৰিক সংমিশ্ৰণ কিছু ঘটিছিল যদিও বৈবাহিক বিষয়ত ৰক্ষণশীলতাৰ প্ৰভাৱ থকাত দেহ গঠনত বিভিন্ন গোষ্ঠীৰ বৈশিষ্ট্যখিনি ৰৈ গৈছে। মঙ্গোলীয় সকলৰ সাধাৰণতঃ হালধীয়া গাৰ বৰণৰ লগত আৰ্য্যগোষ্ঠীৰ বগা বৰণৰ তুলনা কৰা হয়, মঙ্গোলীয়ৰ মধ্যম নাসিকাৰ লগত আৰ্য্যৰ উন্নত নাসিকাৰ ব্যৱধান ৰৈ গৈছে, মঙ্গোলীয়ৰ সৰল কেশ, সৰু চকুৰ লগত আৰ্য্যৰ ঢৌ খেলা চুলি বা কুঞ্চিত কেশ আৰু হৰিণ চকুৰ কিছু পৰিমাণে পাৰ্থক্য আছে লোমাল শৰীৰ জনজাতিৰ মাজত কম। জনজাতি পুৰুষৰ বক্ষস্থলত শ্ৰীবৎস পাতি দেখা নাযায়।

সামাজিক ৰক্ষণশীলতাৰ জাপখন ফালি দিবৰ কাৰণে আহোম স্বৰ্গদেউ সকলে বিয়াবাৰু বিষয়ত উদাৰ নীতি গ্ৰহণ কৰিছিল। নিজ মাতৃভূমিৰ পৰা আঁহোতে তিৰোতা মানুহ খুব কমেই আনিছিল। ইয়াতে বিবাহ কৰি ইয়াৰে ধৰ্ম গ্ৰহণ কৰাৰ ফলত আহোম ৰাজশক্তিৰ সৌজন্যত এক সংকৰ জাতি গঠন হ'ল। আহোম স্বৰ্গদেউ সকলৰ এই আদৰ্শত অনুপ্ৰাণিত হৈ আনৰ অন্য গোষ্ঠীৰ মাজতো কিছু পৰিমাণে বিবাহৰ প্ৰচলন হ'ল।

চুখাম্‌ফা-খোৰা ৰজাৰ দিনত নৰা ৰজাৰ কন্যা আমাৰ ৰজাদেৱলৈ বিয়া দিছিল, ঢেকেৰি ৰজাই কন্যা চান্দকলাৰ প্ৰীতিৰ কাৰণে ৰজাদেৱলৈ বিয়া দিছিল, স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহৰ দিনত বোম্বোৰা কটকীৰ যোগে কোছ ৰজাই কন্যা দান কৰে। এইজন ৰজাৰ দিনতে বিৰকাজিয়ে জীয়েক লক্ষ্মীপুৰীযাক আৰু নাতিনীয়েক হেমপুৰীযাক আনি যথাক্ৰমে ৰজাদেৱলৈ আৰু ত্যাওপঙ্গি গোহাঁইদেৱলৈ বিয়া দিলে। আহোমৰ ছশ বছৰীয়া শাসন কালৰ ভিতৰত ৰজাঘৰীয়া সন্ধি সূত্ৰত কন্যাদান আৰু কন্যা গ্ৰহণ কৰাৰ উপৰিও সাধাৰণ প্ৰজা বৰ্গৰ মাজতো বহুতো কন্যাৰ আদান প্ৰদান ঘটিছিল। এনেবোৰ সমন্বয়ৰ ফলত অসমীয়া জাতিৰ দৈহিক ব্যবধান খিনি ধীৰে ধীৰে কমি আহিছে। এতিয়া অসমৰ জন সমুদ্ৰৰ মাজত বিভিন্ন জন গোষ্ঠীৰ মানুহ ঠিয় হৈ থাকিলে— স্থূল দৃষ্টিত কোনজন কোনটো গোষ্ঠীৰ ধৰা কঠিন কিন্তু এনে থন সমুদ্ৰৰ মাজত এজন নিগ্ৰো বা এজন কাবুলি মানুহ ঠিয় হৈ থাকিলে তেওঁলোকৰ চিনাকী সহজে ওলাই পৰে।

অসমীয়া জাতি গঠনত সকলো গোষ্ঠীৰে অৱদান আছে। একোটি সাহসী বীৰ জাতিত উদ্ভৱ হোৱা কন্যাৰ গৰ্ভত বীৰ পুত্ৰ জন্ম হৈছে। মহাভাৰতৰ - হিড়িম্বাৰ গৰ্ভত ঘটোৎকচ জন্ম হোৱাৰ দৰে, অৰ্জুনৰ ঔৰসত বভ্ৰুবাহণৰ জন্ম হোৱাৰ দৰে পণ্ডিত ডাকৰো উদ্ভৱ হৈছিল অসবৰ্ণ মিলনৰ ফলস্বৰূপে। বহু গোষ্ঠীৰ মিলনৰ ফলতেই, বগা ক'লাৰ অসবৰ্ণ বিবাহৰ ফলতেই মাৰও নমৰা পৰিও নপৰা বাণ ভগদত্ত-চুকাফাৰ বংশধৰ সকলে ন-সম অসমক জগত জিলিকা কৰিব পাৰিছিল।

অসমীয়া জাতিৰ গঠনত জনজাতি সংস্কৃতিৰ বহুমুখী অৱদান আছে। সৰ্বানন্দৰ টীকা সৰস্বত আছে—"ভাৰতবৰ্ষস্য অন্তদেশ শিষ্টাচাৰ ৰহিত কামৰূপাদি ম্লেচ্ছদেশ" যি সকল লোকক সমগ্ৰ ভাৰততে একালত দাস-দস্যু, নিষাদ বুলি কোৱা হৈছিল, অসমতো সেই দানৱ, কিৰাত আৰু তান্ত্ৰিক সকলক ম্লেচ্ছ বুলি কোৱা হৈছে।

কিন্তু সাংস্কৃতিক পটভূমিত সকলোৰে অৱদান ৰৈ গৈছে। বড়ো, আহোম, কাৰ্বি, মিচিং, লালুং, নগা আদি জনজাতি সকলে অসমীয়া ভাষালৈ বিবিধ শব্দ সম্ভাৰ আগবঢ়াই গ'ল। নগাসকলে অসমীয়া শিশুৰ "আধাফুটা মোসণা মাতেৰে - নাগামিজ" সৃষ্টি কৰিলে, প্ৰাচীন বড়ো সকলে নদীবাচক শব্দৰ উপৰিও বৈজ্ঞানিক প্ৰণালীৰে গঠন হোৱা বহু শব্দ আমাক দিছে। তাৰ ভিতৰত -থৰ, (মুৰ) খোপোং (খোৰাং) খানাই (চুলি) খোনা (কান), খাধাৰ (ঠুটৰি) উল্লেখযোগ্য।

নদী আৰু স্থান বাচক শব্দ প্ৰায় সকলো গোষ্ঠীৰ পৰাই অসমীয়া ভাষালৈ আহিছে। বড়ো ভাষাৰ পৰা অহা শব্দ দিহিং, দিখৌ, দিচৈ, দিচৰ আদি শব্দৰ উপৰিও টাই ভাষাৰ নামতি, নামদাং চক্ৰাই নামৰূপ, খামটি—আদি শব্দ সম্ভাৰে অসমীয়া ভাষা চহকী কৰিছে। অসমীয়ালৈ পোণে পোণে প্ৰবেশ কৰা কাৰ্বি ভাষাৰ স্থলবাচক আৰু নদীবাচক শব্দবোৰে আমাৰ ভাষাৰ ভাণ্ডাৰ চহকী কৰিছে। উদাহৰণ স্বৰূপে লাংপি, (বৰপানী) ৰঠাংশাংচ ৰদিলাংচ', লাংপাৰপান, আদিৰ নাম উল্লেখ কৰিব পাৰি। ওম্‌তিনি, ওমৰাচ, ওমচেৰা আদি শব্দবে খাচীয়া অবদানৰ পৰিচয় দিয়ে। অসমলৈ ইংৰাজ অহাৰ লগে লগে ইংৰাজী শব্দই আৰু মুচলমানৰ বসতিৰ লগে লগে উৰ্দু আৰু পাৰ্চী শব্দযো অসমীয়া ভাষাৰ গৌৰব বঢ়ায়। কাৰ্বি-গাৰো আদি জনজাতিৰ ভাষাৰ অসমীয়া ভাষাৰ লগত প্ৰথম মিল বাক্য গঠন প্ৰণালীত (Word order) কৰ্তা কৰ্ম আৰু ক্ৰিয়াৰ স্থান অসমীয়া বাক্যৰ দৰে। যেনে — মই ভাত খাওঁ বাক্যটো কাৰ্বিত লিখিলে নে আণ চতাল হয আৰু গাৰো ভাষাত লিখিলেও আঙা মি চাগেন হয গতিকে বাক্যৰ গঠন ইংৰাজীৰ দৰে নহয়, সংস্কৃতৰ দৰেও অগা পিছা কৰিব নোৱাৰি।

ভাষাৰ পাচতেই অসমৰ ধৰ্মৰ বিষয়ে আলোচনা কৰিব লগা হয। আৰ্য্য হিন্দু ধৰ্মৰ প্ৰাধান্য থকা স্বত্বও—দ্বাদশ শতিকাত মুছলমান ধৰ্ম আৰু উনবিংশ শতিকাত খৃষ্টান ধৰ্মই অসমত প্ৰবেশ কৰে। ইযাৰ মূলত আছিল ৰজাঘৰৰ উদাৰতা

আৰ্য্য হিন্দু সকলে অসমৰ আদিমবাসী সকলৰ মাজত প্ৰচলিত দেবী-পূজা, প্ৰকৃতি পূজা, শিৱপূজা আৰু স্থানীয় উপদেৱতাদিৰ পূজাও হিন্দুধৰ্মৰ অন্তৰ্ভূক্ত কৰি সকলোকে সামৰি লয।

কাৰ্বিসকলো প্ৰকৃতিৰ উপাসক। তেওঁলোকৰ মতে টিলাই টিলাই-দেৱতা, গছে বনে ভূতপ্ৰেত। কল্পনাৰ দেবতা পূজাৰ উপৰিও কাৰ্বি সকলে বীৰ পূজা কৰে আৰু পূৰ্ব পুৰুষক স্মৰণ কৰে। তিব্বত বৰ্মী সকলো মঙ্গোলীয গোষ্ঠীবেই পূৰ্ব পুৰুষৰ উপাসনাৰ বিধান আছে। টাই মঙ্গোলীয় সকলে 'মাদামমেফী'ৰ স্মৰণৰ ভিতৰেদি অতীত ইতিহাসৰ পৰা প্ৰেৰণা বিচাৰে। চীনদেশৰ ধৰ্মৰ পৰাও আমি তিব্বতবৰ্মী সকলৰ ধৰ্মৰ ধাৰা কিছু বুজিব পাৰো —

' The cult of the ancestors is often called the real religion of china "

"Are not fidal devotion and respect for elders the very foundation of an unselfish life?" (saying of confucious)

কাৰ্বি সকলৰ - প'ৰিঙ্গা, পিৰিঙ্গা, কাংটাং আদিৰ স্মৰণ পিতৃ মাতৃ পূজাৰেই লক্ষণ।

পঞ্চদশ শতিকাৰ শঙ্কৰ গুৰুৰ নাম ধৰ্মৰ প্ৰভাবো কাৰ্বি সমাজৰ ওপৰত নপৰাকৈ থকা নাই। সকলো জনজাতিৰ মাজতেই গুৰুজনাই শিষ্য লাভ কৰিছিল—নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ আতৈ, মুচলমানৰ চাঁদসাই—আজিও উজ্জল ঐতিহাসিক চৰিত্ৰ।

অসমৰ কলা শিল্প স্থাপত্য-ভাস্কৰ্য্য অসমৰ উৎসৱ, সবাহ-ভাওনা, অসমৰ কৃষি অৰু ঘৰদুৱাৰ সজাৰ প্ৰণালী এই সকলো বোৰৰ মাজতে কাৰ্বি সমাজখন সোমাই আছে।

অসমীয়া সমাজৰ প্ৰাচীন স্থাপত্য— বাঁহ কাঠৰ। শিল ইটাৰ প্ৰয়োগ বহু পাছত হৈছে। অসমীয়া খনিকৰৰ হেঙ্গুল হাইতালৰ প্ৰয়োগ অতি প্ৰাচীন।

কাৰ্বি সমাজৰো স্থাপত্যবিদ্যা বাঁহ কাঠৰ। জাতীয় প্ৰতীক জাম্বেলী আঠণ ডালি-কাঠেৰে-নিৰ্মিত। বাঁহৰ চৰু বাঁহৰ চুঙা, বাঁহৰ বাতি, বাঁহৰ ঘৰ, বাঁহৰ চোতাল, বাঁহৰ জখলা কাৰ্বিৰ প্ৰাচীন সংস্কৃতিৰ সম্বল।

চমাংকান কাৰ্বি সমাজৰ স্বয়ং সম্পূৰ্ণ সাংস্কৃতিক উৎসৱ। ধান চপোৱাৰ শেষত উদযাপিত-চাকৰম্ম উৎসৱে কাৰ্বিসমাজৰ এটি চকা-মকা পোহৰৰ অৱহনে পূৰ্ণ আলোকপাত কৰিব নোৱাৰে। কিন্তু চমাংকনে কাৰ্বি কৃষ্টিৰ পূৰ্ণতাৰ চিত্ৰ এটি ভাৰতীয় মহা জাতিৰ সম্মুখত ডাঙি ধৰে। কাল্পনিক হ'লেও যমৰাজ্যৰ ছবি অকা শিল্পী এজনো কাৰ্বি সমাজতো জন্ম হৈছিল। বৰপেটাৰ কীৰ্ত্তন ঘৰৰ চৌৰেৰত অঙ্কিত যম যন্ত্ৰনাৰ ছবিবোৰৰ সমাজ সংস্কাৰৰ সাৱধান-বাণী কাৰ্বি চিত্ৰকৰৰ চিত্ৰপটত ঠেকা খাই উঠে।

টাইসকলৰ 'সুবচনী' পূজাৰ বলিবিধান আৰু উচৰ্গাৰ মন্ত্ৰ ধ্বনি কাৰ্বি সকলৰ চঞ্জুন্-পূজাৰ ধ্বনিত যেন প্ৰতিধ্বনিত হয়, টাইসকলৰ পূজাৰীয়ে কুকুৰাৰ ঠেং কাটি মঙ্গল চোৱাৰ বিধানৰ লগত কাৰ্বিসকলৰ বিবাহত বংচীনৰ (শুকান জাতিলাওৰ পাত্ৰ) পৰা হৰলাং (পানীয় দ্ৰব্য) ঢালি দিওঁতে পাত্ৰৰ মুখত লাগি থাকিলে অশুভ বুলি কোৱা কথাষাৰ সমতুল্য।

বড়ো-গোষ্ঠীৰ 'বলাইৰাম'— অসমৰ নীলকণ্ঠ। আতুৰত, দুখ বেদনাত সকলো সমাজতে ইষ্ট-দেৱতা বা গুৰুৰ নাম উচ্চাৰণ কৰাৰ নিয়ম আছে।

'বলাইৰাম'ৰ নামটো আতুৰৰ শুশ্ৰুষাহ ভয়াতুৰৰ ভয় আৰু শোকাতুৰৰ চকুৰ লোতকৰ প্ৰতিষেধক মন্ত্ৰ।

বড়ো সকলৰ নৃত্যই আমাক উষা-চিত্ৰলেখাৰ যুগলৈ টানি নিয়ে। আধুনিক পঞ্জাবত গঢ়ি উঠা পঞ্জাবী গাৰ্বা নৃত্যটো ড° সুনীতি কুমাৰ চাটাৰ্জীৰ মতে বড়ো সকলৰ পৰা পোৱা। উষা-চিত্ৰলেখাৰ ইতিহাসটো যদি সঁচাই হয় – অনিৰুদ্ধৰ বিবাহত উষাৰ আগবঢ়াই থবলৈ যোৱা—নৃত্যশীলা বড়ো গাভৰু সকলৰ নৃত্যৰ ভঙ্গীটো গাৰ্বা নৃত্যৰ লগত মিলি যোৱা। বিশেষকৈ গাৰ্বা শব্দটোও বড়ো শব্দ— যাৰ অৰ্থ এৰি অহা। বড়ো সকলৰ মাজৈ পূজাৰ নত্যটোৰ আবেগ ধৰ্মীয় অসমৰ দেওধ্বনিৰ দৰে নৃত্যৰ আবেগো ধৰ্মীয়। অসমৰ লোকনৃত্যৰ ইতিহাসৰ বুকুতো জনজাতিৰ সংস্কৃতিৰ সোণ চেকুৰা বিদ্যমান।

সাঁচিপাতৰ ভাব আৰু চিফুঙৰ আশা অসমৰেই আশা। চিফুঙৰ সুৰত আজি বড়ো-কছাৰী গাভৰুৱে আধুনিক নাচ নাচানো নাচ।

অসমৰ ঢোল অষ্ট্ৰীক গোষ্ঠীৰ দান হলেও এই ঢোলৰ শব্দই পৃথিবীৰ মাটিক কঁপাইছে। ভোটৰ তোৰ তালে আজিও নামঘৰ বৰসবাহৰ ৰভাঘৰ থলক লগাই আছে। 'নগাৰ চাঙতে বৰ কাঁহ বাজিলে ডফলাত বাজিলে ঢোল' বুলি গোৱা বিহু নামে —টকা, পেঁপা, গগনাৰ কথাও সোঁৱৰাই দিয়ে। মিচিং দেউৰী সমাজৰ বিহুতলিৰ কনেংইতৰ আকাশ কঁপাই যোৱা যুগ-জয়ীগীত বোৰে অসমৰ কণীযাবৰৰ আৰু বিহ (বিহু) গুৰিৰ কথাকে সোঁৱৰাই দিয়ে। বেবা কবিৰ কামাবশংকৰ' ৰবীন্দ্ৰনাথৰ কাঁশৰ গুচ্ছৰ মাজেদি সৰ্বাক আহি পাৰ্বতী প্ৰসাদৰ হাতত শুকুলা ডাৱৰৰ তলত কঁহুৱাৰ ফুল হোৱাৰ দৰে অসম সংস্কৃতিৰ পটভূমিতে বহু কলা সংস্কৃতিৰ মিলন ঘটিছে সেই বাবেই, একেখন কাঠঁলিৰ কাঠেৰে সজা ঢোলবোৰে একেটাৰ জন্তুৰ চালেৰে গঢ়া সৰ্বাতিৰ মৰমৰ তানত একেদৰেই বাজে। মানুহে কথা কোৱাৰ আগৰে পৰা, লিখনি লোৱাৰ আগৰে পৰা ঢোল বাজিছিল আৰু বহু বাজনা বাজিছিল। আজিও বাজে -অসমীয়া ঢোল-মৃদং খোল বাজে, মিচিং ঢোল বাজে কাৰ্বিৰ চেংবুৰুপ বাজে। আফ্ৰিকাৰ অশান্তি (Ashanti) ঢোলে কথা কয়

mimicking the rhythm and pitch of speech on drums, so that the drums literally talk

আমাৰ ওজা সকলৰ ঢোলৰ মাজিয়ে বতা চৰাই উৰি যোৱা মালিতাবে শ্ৰোতাৰ লগত কথা পতাৰ দৰে কাৰ্বি সকলৰ চমাংকাণৰ চেং বুৰুপ ঢোলেও নৃত্যৰত-নৃত্যৰতা ডেকা-গাভৰু সকলৰ লগত কথা পাতে।

আদৰ্শৰ সংঘাতৰ কথা সকলো জাতিৰ সকলো সংস্কৃতিতে আছেই। যিখন পৃথিবীত ৰকেত চলিছে সেইখন পৃথিবীত গৰু গাড়ীও চলি আছে। "কাৰ্বিৰ বান কটা, মৰিয়াৰ বান কটা" মাণিক মুকুতাহ'তৰ বান কটা মন্ত্র সাহিত্যৰ যুগৰ পৰা, মৌখিক সাহিত্যৰ পৰা মনস্তত্বৰ যুগলৈ অসমৰ অসমীয়া সমাজ আগবাঢ়ি আহোঁতে আদৰ্শৰ সংঘাতৰ পৰা কোনো জাতিৰৰ পৰা নাই। শিক্ষা জগতৰ সংঘাতৰ দৰেই ভাষা-সংস্কৃতিৰ জগততো সংঘাত বিদ্যমান। এনে সংঘাতৰ ভিতৰেদি পৃথিবীৰ বুকুত মানুহে নতুন ইতিহাস ৰচিব খোজে। ৰুচদেশৰ অক্টোবৰ বিপ্লৱে, ফৰাচী বিপ্লৱে মানুহক বাট দেখুৱাই গ'ল নতুন জীৱনৰ বাবে।

সাহিত্য জগতৰ মানসিক সংঘাত এনে বিধৰ। কবি নলিনীবালা দেৱীয়ে দেখিছিল—'জন্মান্তৰ ক্ষীণস্মৃতি সপোন পাৰৰ' কিন্তু প্ৰগতিবাদী কবি কেশৱ মহন্তই আকৌ সেই আদৰ্শৰ কথা জানিও শ্ৰদ্ধাৰে নতুন আদৰ্শৰ সম্ভেদ দিয়ে এই বুলি—"অতীত জন্মৰ কথা নোৱাৰো ভাবিব মধুৰ সপোন নাই দূৰ ভৱিষ্যত, হাতুৰীৰ কোবে কোবে নাঙলৰ খোচে খোচে তৃষ্ণা মোৰ জাগিছে ভোকৰ।"

'ভাণ্টজনীৰ ৫ঠৰ হাঁহি' লৈ আজি আকাশৰ কামধেনু নামিছে, প্ৰকৃতিবাদীক চেলেঞ্জ কৰি বস্তুবাদীয়ে কৈছে—ৰদ বৰষুণ হয় মানুহৰ আঙুলিৰ নিৰ্দেশত।"

কাৰ্বি সমাজতো সাহিত্য, ধৰ্ম, কলা-সংস্কৃতি সকলোতে সংঘাত হৈছে আৰু অতীতৰ অন্ধ-বিশ্বাস দূৰ কৰি কাৰ্বি সমাজ আৰু সংস্কৃতিয়ে অসম আইৰ বুকুতে অসমীয়া সংস্কৃতি বৃক্ষৰ এপাহি সুগন্ধ পুষ্প হৈ ফুলিবলৈ বিচাৰিছে।

সেইবাবেই কাৰ্বি কবিৰ কাম শোষণৰ সামাজিক আৱৰ্জনা দূৰ কৰাৰ বৈপ্লৱিক ধ্বনি—

'মে আকাৰ! মে আকু!! মে আতুৰ!!
কপি মে আকাৰ? আকু? আতুৰ?
× ×
দোকান আলং হালাকে
মে আকাৰ ফেৰে মেমে
কাৰাছিং আলাম ইজিন ছিকাহিনি॥

অসমৰ সাংস্কৃতিক জয় যাত্ৰাত আমি যেন অকলশৰীয়া নহয়—লগত ছামসিং হান্সে আছে, ছাৰএংহান্সে আছে লং তিছ আছে, ছিংক্ৰ আছে' পানীৰাম ইংটি আছে, টণাসং বে আছে আৰু বিদৰ সিং সমন্বিতে আধুনিক কাৰ্বি কবিকুল আছে।

——

বুৰঞ্জী সন্মিলনৰ

বিশিষ্ট বক্তা : শ্ৰীফুকন চন্দ্ৰ ফাংচ'

কাৰ্বিসকলৰ বিষয়ে বিজ্ঞানসন্মত বা ধাৰাবাহিক কোনো ইতিহাস আজলৈকে সৃষ্টি হোৱা নাই। তেওঁলোকৰ পুৰণি সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক ঘটনাৱলী লিপিবদ্ধ কৰি ৰখাৰ ব্যৱস্থা কৰা হোৱা নাই কাৰণেই আজিকোপতি এখন ধাৰাবাহিক ইতিহাস অলিখিত হৈয়েই আছে।

কোনো ইতিহাস লিখিবলৈ হ'লে, নিশ্চয় বিষয় বস্তুটোৰ প্ৰচুৰ আহিলা-পাতিৰ প্ৰয়োজন। কোনোবা অতীতৰ পৰা অসমৰ মাটিত অথবা উত্তৰ-পূৰ্ব ভাৰতৰ এই ভূমি-খণ্ডত বাস কৰি অহা কাৰ্বিসকলৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে চমুকৈ হ'লেও এখন ইতিহাস লিখিবলৈ বোধকৰো সাময়িকভাবে বহল অসমীয়া সাংস্কৃতিক আৰু নৃতাত্বিক বিষয়সমূহকে ইয়াৰ আহিলা-পাতি হিচাবে গণ্য কৰি লোৱাৰ বাহিৰে অন্য উপায় নাই। ইয়াৰ উপৰিও তেওঁ লোকৰ নিজা গীত-মাত, সাধু কথা আদিয়েও নিশ্চয় সমাজ আৰু সংস্কৃতিৰ ভালেখিনি ঐতিহাসিক সমল যোগাব।

এই ক্ষুদ্ৰ আলোচনাটি কেৱল অসমৰ প্ৰাচীন ইতিহাসৰ কেইটিমান কথাৰ আলম লৈ আৰু লগতে তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক জীৱনতে কেনেকৈ প্ৰাচীন অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰভাৱ পৰিল, তাৰেহে দুটি-মান কথা থূলমূলকৈ অৱতাৰণা কৰা হৈছে। প্ৰাচীন কালত কাৰ্বিসকল কোন পথে কেতিয়া আৰু কেনেকৈ আহি বৰ্ত্তমানৰ স্থান পালেহি তাৰ কথাও মোটামুটি ভাবে আলোচনা কৰা হৈছে। অৱশ্যে যিবোৰ কথা বা আলোচনা ইয়াত অৱতাৰণা কৰা হৈছে সেই সকলোবিলাকৰ ওপৰত গভীৰ অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন।

এই আলোচনাৰ বিষয় বস্তুৰ ওপৰত লিখিবলৈ গোটেই কথাখিনি তলত দিয়া ধৰণে ভাগ কৰি লব পাৰি।

কাৰ্বিসকলৰ স্থিতি : ড° সুনীতি কুমাৰ চট্টোপাধ্যায়কে আদি কৰি ভাৰতৰ বিশিষ্ট পণ্ডিতসকলে ঠাৱৰ কৰিছে যে ঋকবেদ আৰু মহাভাৰতত উল্লিখিত 'কিৰাত'সকল আন কোনো নহয়, হিমালয়ৰ নামনি অঞ্চল আৰু উত্তৰ-পূৰ্ব ভাৰতৰ পৰ্বতমালা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বাস কৰি থকা মঙ্গোলীয় গোষ্ঠীৰ লোকসকলেই। এওঁলোকৰ অধিকাংশই তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ। অম্বিক মনুথমেৰ ভাষা কোৱা লোক খাচী-জয়ন্তীয়াসকলৰ

(জয়ন্তীয়া) পিছতেই এই অঞ্চললৈ আগমন হয় তিব্বত-বৰ্মীসকলৰ। বুৰঞ্জী-বিদ্ ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ মতে : "ক্ৰম অনুসাৰে আমি বোধহয় নিৰ্বিঘ্নে তিব্বত-বৰ্মীসকলক খাচীয়া চিনটেং আৰু সম্ভৱতঃ মিকিৰ আদিৰ দৰে আন জনজাতিসকলৰ প্ৰথম উত্তৰাধিকাৰী বুলি গ্ৰহণ কৰিব পাৰো।"[১] আকৌ, পি, চি, চৌধুৰীৰ মতে কিছুমান কিৰাত লোক আনকি বড়ো (Bodo) সকলৰ আগতেও আহি অসমত বসতি কৰিবলৈ লয়[২]। গতিকে যদি এওঁলোকৰ দুয়োটা অভিমতকে মিলাই চাওঁ, তেন্তে কাৰ্বি বা মিকিৰ সকল অসমৰ বহু পুৰণি বাসিন্দা বুলি ভবাৰ থল আছে। বেদ আৰু মহাভাৰতত মঙ্গোলীয়সকলক 'কিৰাত' বুলি উল্লেখ কৰাৰ পৰা এইটোকো কব লাগিব যে কাৰ্বিসকল কমেও খৃষ্টপূৰ্ব এহাজাৰ নাইবা দুইহাজাৰ বছৰৰ পূৰ্বে এই অঞ্চলত বাস কৰিছিল।

Periplus আৰু Ptolemy (150 A. D) আদি লোকৰ ভৌগোলিক বিৱৰণৰ পৰাও খৃষ্টীয় শতাব্দীৰ আৰম্ভণীৰ অন্তত কেইবা শতিকাৰ আগত আৰু দ্বিতীয় শতিকাৰ মধ্য ভাগলৈকে অসমৰ কিছুমান পাহাৰীয়া জাতি আৰু তেওঁলোকৰ কৃষি উৎপাদন বা বন্য সামগ্ৰী সংগ্ৰহৰ কথা পাওঁ। Aeliana Siratae বা Schiratae লোকসকলৰ কথা উল্লেখ কৰিছে এওঁলোক Periplus ত উল্লেখিত Seratae সকল বুলি চিনাক্ত কৰা হৈছে। Aeliana অসমৰ হাবিত Siptachora নামৰ এবিধ গছ থকাৰ কথাও উল্লেখ কৰিছে। তেওঁ আৰু কয় যে এই গছৰ পৰা ৰস উলিয়াই এবিধ ক্ষুদ্ৰ পোকে জীৱন ধাৰণ কৰে আৰু সেই ৰস পোকবিলাকৰ কাযাৰ দ্বাৰা ৰঙা বৰ্ণলৈ ৰূপান্তৰিত হয়। Ctesias এও একেটা কথাকেই কৈছে। Ctesias লিখনিৰ ওপৰত Wilfordএ দিয়া অভিমতক সমৰ্থন কৰি পি চি চৌধুৰীয়ে কয় যে Siptachora গছত হোৱা এই বস্তুটো লা (লাহা)[৩] আৰু অসমৰ হাবিত প্ৰচুৰ পৰিমাণে ইয়াক পোৱা গৈছিল। তেওঁ আৰু কয় যে পাহাৰীয়া লোকসকলেই এই লাৰ সংগ্ৰহ আৰু উৎপাদন বেচিকৈ কৰিছিল — সেইবোৰ ভৈয়ামৰ মানুহক বিক্ৰি কৰিছিল। পি, চি, চৌধুৰীৰ মতে এই পাহাৰী লোকসকল ধনুৰ্বিদ্যাতো পাকৈত আছিল। Ptolemy এ

১ হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ (সম্পাদিত), অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, পৃ-২৮।

২ P C Choudhury, History of Civilization of People of Assam, P -89

দ্বিতীয় শতিকাৰ মধ্য ভাগত দিয়া অসমৰ ভৌগোলিক বিৱৰণত নগাসকলক 'Nagalogoe' বুলি উল্লেখ কৰিছে[৪]। বৰ্তমান সময়ত নগা আৰু কাৰ্বি অঞ্চলৰ ভৌগোলিক অৱস্থিতিলৈ চালে অনুমান কৰি লব পাৰি যে যিহেতু কাৰ্বি অঞ্চল নগা অঞ্চলৰ পশ্চিম আৰু সাধাৰণতে অসমৰ অধিক সংখ্যক মঙ্গোলীয় লোকৰ প্ৰব্ৰজন পূব ফালৰ পৰাহে ঘটিছিল, গতিকে কাৰ্বিসকল নিশ্চয় নগাসকলতকৈ আগতে অসমলৈ আহিছিল। লগতে দেখা যায় যে অসমৰ ভিতৰত কাৰ্বি আংলং জিলাতেই অধিক পৰিমাণে লা উৎপন্ন কৰা হয় — ইয়াৰ বাসিন্দা কাৰ্বিসকলে অকল লা খেতিয়েই নহয়, আনকি বনৰ অঞ্চলৰ পৰাও প্ৰচুৰ পৰিমাণে ইয়াক সংগ্ৰহ কৰে। কাৰ্বিসকল ধনুৰ্বিদ্যাতো পাৰ্গত। Ptolemy ৰ ভূগোলত অসমৰ হাবিত প্ৰচুৰ পৰিমাণে বাহ আৰু বেত থকাৰ কথাও উল্লেখ কৰা আছে। গতিকে এনে বিৱৰণৰ পৰা প্ৰমানসিদ্ধ হয় যে লা উৎপাদন আৰু সংগ্ৰহকাৰী ধনুৰ্বিদ্যাত পাৰ্গত অসমৰ সেই পুৰণি পাহাৰী বাসিন্দা আন কোনো নহয় কাৰ্বিসকলেই বাহ আৰু বেত প্ৰচুৰ পৰিমাণে পোৱা তাহানিৰ পাহাৰ আৰু বনা অঞ্চল নিশ্চয় উত্তৰ কাছাৰ পাহাৰ অঞ্চল আৰু আমৰি আৰু ৰংখাং অঞ্চলেই হব লাগিব। গতিকে কাৰ্বিসকল খৃষ্টীয় শতাব্দীৰ আৰম্ভণি নাইবা তাৰ আগতেই যে অসমৰ হাবিত বসতি কৰিবলৈ লৈছিল তাক মোটামুটি ভাবে নিৰ্ণয় কৰি উলিয়াব পৰা যায়।

কাৰ্বিসকলৰ অসম আগমন আৰু বিস্তৃতি ঃ কাৰ্বিসকলৰ অসম আগমনৰ সময় বিতৰ্ক বিহীন ভাবে নিৰ্ণয় কৰিব পৰা নগলেও অন্ততঃ তেওঁলোকৰ প্ৰব্ৰজনৰ পথ প্ৰায় থাৰাং ভাবে নিৰ্ণয় কৰিব পৰা যায়। এই ক্ষেত্ৰত তেওঁলোকৰ নিজস্ব গীত-মাত আৰু অসম আৰু ইয়াৰ আশে পাশে বাস কৰা অন্যান্য জনজাতিসকলৰ লগত থকা কিছুমান বিশেষ সাদৃশ্যাৱলীকেই প্ৰধান সম্বল বুলি গণ্য কৰিব লাগিব।

কাৰ্বিসকলৰ গীত 'লক্ষ্মী কেপ্লাং'[৫]ত কোৱা হৈছে যে কুকিচীন মানুহৰ পৰা প্ৰথমে অৰণ্যত থকা ধান গছৰ বিষয়ে জানিবলৈ পাইছিল। মিকিৰ বা কাৰ্বি জাতিৰ ওপৰত গভীৰ ভাবে অধ্যয়ন কৰা Stack আৰু Lyall এ কয় যে তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ ভিতৰত অন্তৰ্ভুক্ত কুকি, মিজো আৰু টাংখুল ভাষাৰ লগত যিমান একে ভাষাগোষ্ঠীৰ আন কোনো ভাষাৰ লগত

---

৩ ৪ Ibid, P-31-33

৫ প্ৰমোদ ভট্টাচাৰ্য (সম্পাদিত), অসমৰ জনজাতি, অসম সাহিত্য সভা, পৃ-১২৯

সিমান মিল নাই। আনকি কাৰ্বি ভাষাৰ বহুতো শব্দ মণিপুৰী ভাষাৰ লগতো যে মিল আছে তাক Grierson চাহাবৰ 'Linguistic Survey of India' ৰ পাত লুটিয়াই চালেই ওলাই পৰে। Major-G E Fryer এ চানদোৱে (Sandoway)অঞ্চলৰ খিয়েং (Khyeng) অৰ্থাৎ চীন জাতিৰ লগত কাৰ্বিসকলৰ বিবাহ পদ্ধতি, মৃতকৰ সংস্কাৰ—ইয়াৰ লগত জড়িত বন্ধু-বান্ধৱ আৰু আত্মীয়ৰ লগত পত্তা ভোজ, লৰাৰ উত্তৰাধিকাৰী স্বত্ব আৰু মোমাইৰ জীয়েকক বিয়া কৰাৰ পৰা নীতি আদি অনেক বিষয়ত মিল দেখাৰ কথা Lyall এ 'The Mikirs' নামৰ গ্ৰন্থত উল্লেখ কৰিছে[৬]। কুকি, মিজো, টাংখুল আৰু মণিপুৰী লোকসকলৰ সংখ্যা অসম আৰু মেঘালয়, বিশেষকৈ কাৰ্বিপ্ৰধান অঞ্চলসমূহত প্ৰায় নগন্য। কোনো পণ্ডিতে এতিয়ালৈকে এই লোকসকল একালত অসমত বিস্তৃত ভাবে বাস কৰিছিল বুলি আবিষ্কাৰ কৰিব পৰা নাই। Dr Hemlet Bareh, J H Hutton আৰু অন্যান্যৰ মতে আনকি কুকিসকল অসমৰ উত্তৰ কাছাৰ আৰু নগা পাহাৰত সেই সিদিনা মাত্ৰ অৰ্থাৎ উনৈশ শতিকাৰ আগ ভাগত প্ৰবেশ কৰিছিল। গতিকে এইটো সম্ভব যে ভাৰত ব্ৰহ্মদেশ সীমান্তৱৰ্তী ওপৰুক্ত এই জাতিবিলাকৰ প্ৰতিবেশী জাতি হিচাবে কাৰ্বিসকলে কোনোবা অতীতত বাস কৰিছিল। ব্ৰহ্মদেশৰ পশ্চিমে অৱস্থিত কাক-চীন অঞ্চলৰ চীনদুইন নদীৰ উপত্যকাইদি নাইবা ইয়াৰ কাষেদি কাৰ্বিসকলে মণিপুৰ উত্তৰ-পূৰ্ব গতি কৰিছিল বুলি মানি লব পাৰি। নম্ৰ আৰু কৃষিজীৱী কাৰ্বিসকলে জুম খেতিৰ ন-মাটি বিচাৰি নাইবা কোনো শক্তিশালী জাতিৰ আক্ৰমণৰ ফলতে এই গতি কৰিছিল বুলি অনুমান হয়। ইয়াৰ বাহিৰে আন কোনো কাৰণ মানি লবলৈ টান লাগে।

Lyall ৰ মতে এতিয়াও দক্ষিণ নগাভূমিত অৱস্থিত কোহিমাৰ দক্ষিণ আৰু পশ্চিমে বিশেষকৈ উত্তৰ মণিপুৰ আৰু দক্ষিণ নগাভূমিৰ সীমান্তত অৱস্থিত জাপভো পাহাৰৰ ওচৰে-পাজৰে ভাসমান নদী-নলা আৰু গাওঁ কাৰ্বি শব্দেৰে মতা হয়। ইয়াৰ পৰা প্ৰমাণিত হয় যে একালত কাৰ্বিসকল, নগাসকল অহাৰ পূৰ্বেই এই আঙ্গামি অঞ্চলটোত বহু বছৰ ধৰি বাস কৰিছিল। আঙ্গামী অঞ্চলৰ ভাসমান ঠাইত কোনো মৃত ব্যক্তিৰ স্মৃতি নাইবা কোনো স্মৰণীয় ঘটনা যুগমীয়া কৰিবলৈ আঙ্গামীসকলৰ পূৰ্বৱৰ্তী কোনো জাতিয়ে পুতি থকা ভাসমান শিল এতিয়াও দেখা যায়।

৬ Lyall, C, The Mikirs, P 154

সেইবোৰ বেংমা নগা অথবা কাৰ্বিসকলবেই বুলি ভবাৰ থল আছে। Hutton আৰু Hamlet Bareh ৰ মতে এইটো অঞ্চলত অতি পূৰ্বৰে পৰা ব্ৰহ্মদেশৰ পৰা ভাৰতলৈ অহা নগা আৰু অন্যান্য ভালেমান জাতিৰ আগমনৰ পথ হিচাবে কাম কৰিছিল। ইয়াৰ উচ্চতা নগা আৰু জাপভো পাহাৰৰ উচ্চতাতকৈ বহু কম আৰু সেয়ে কাৰ্বিসকলো এই পথেদিয়েই নগাভূমিত প্ৰৱেশ কৰি ইয়াৰ পশ্চিম সীমাইদি বৈ যোৱা ডিমা (ধনশিৰি) নদীৰ উপত্যকা আৰু দক্ষিণ পশ্চিমে থকা বৰাইল পৰ্বতৰ উত্তৰে বনাঞ্চলত বিয়পি পৰিছিল বুলি অনুমান কৰিব পাৰি

ডিমা নদীৰ ঠিক পশ্চিমৰ পৰাই অসমৰ উত্তৰ কাছাৰ জিলা আৰম্ভ হৈছে। মাইবঙৰ পৰা আৰম্ভ কৰি উত্তৰ কাছাৰৰ উত্তৰাংশত অসংখ্য ঠাই আৰু নৈ নলাৰ নাম এতিয়াও কাৰ্বি শব্দৰ পৰা সৃষ্টি হোৱা বুলি Lyall আৰু Grierson এ উদঘাটন কৰিছে। উদাহৰণ স্বৰূপে, সেইবোৰ শব্দৰ কিছুমান হ'ল: লাংটিং লাংকাই, লাংক্ৰাম, লাংক্ৰি, পংলাংচ আৰু লাংডিং (বা লাংদিং) ইত্যাদি। আনকি 'কপিলী' নদীৰ নামটোও কাৰ্বি শব্দ। ইয়াৰ অৰ্থ হ'ল ' ডাঙৰ পানী বৈ যোৱা '। Grierson এ 'Linguistic Survey of India' ৰ 'Tibeto Burman Family' গ্ৰন্থত কপিলী আৰু দিয়ুং নদীৰ মাজৰ অঞ্চলটো পূৰ্বৰে পৰা আম্‌ৰি কাৰ্বি ভাষা কোৱা অঞ্চল বুলি দেখুৱাইছে। আকৌ প্ৰসিদ্ধ বুৰঞ্জীবিদ কনকলাল বৰুৱাই উত্তৰ কাছাৰৰ কিছুমান ঠাইত মৃতকৰ স্মৃতি ৰক্ষাৰ কাৰণে পোতা বহু পুৰণি শিল থাচীয়া ছিনটেং নাইবা কাৰ্বিসকলৰ বুলি অনুমান কৰিছে। সি যি কি নহওঁক, এইবোৰ ঠাইত যে একালত বহু সংখ্যক কাৰ্বি লোক গাওঁ বা ৰাজ্য পাতি বাস কৰিছিল ই তাকেই প্ৰতিপন্ন কৰে। অৱশ্যে নগাভূমিৰ পৰা উত্তৰ কাছাৰলৈ তেওঁলোক ঠিক কোনটো পথে নামি আহি আৰু বিস্তাৰ লাভ কৰিছিল তাক কোৱাটো বৰ জটিল। তথাপি, এইখিনি আলোচনাৰ পৰা কব পাৰি যে উত্তৰ কাছাৰ অঞ্চলত বিস্তৃত ভাবে গাওঁ বা ৰাজ্য পতাৰ পিছত কাৰ্বিসকল লাহে লাহে পশ্চিমৰ ফালে ঢাল খায় আৰু শেষত জয়ন্তীয়া পাহাৰ আৰু ইয়াৰ উত্তৰে আৰু উত্তৰ-পূবে তেওঁলোকৰ অধিক পৰিমাণে সমাবেশ ঘটে। যিবোৰ কাৰ্বি গাওঁ অত ভত সিচৰিত হৈ উত্তৰ কাছাৰত থাকি গল সেইবোৰ গাওঁ, বিশেষকৈ পূব ফালে থকাবোৰ পিছলৈ কেচা (Kacha) নগা আৰু আঙ্গামীসকলৰ আক্ৰমণৰ কবলত পৰে। তেওঁলোক সেই ঠাই এৰি উত্তৰ কাছাৰৰ কোনো নিৰাপদ

ঠাইলৈ গুচি আহিল। আক্ৰামীসকলৰ এনে আক্ৰমণৰ অনেক উদাহৰণ বৃটিশ অসম চৰকাৰৰ পুৰণি ৰেকৰ্ডবিলাকত লিপিবদ্ধ কৰা আছে। পিছলৈ যেতিয়া উত্তৰ কাছাৰ কছাৰীবিলাকে অধিকাৰ কৰি ললে, তেতিয়া অনেক কাৰ্বি গাওঁ তেওঁলোকৰ অধিনলৈ গুচি গল। গেইট আৰু কনকলাল বৰুৱাৰ মতে তেৰশ শতিকাৰ আৰম্ভণীত অৰ্থাৎ আহোমবিলাকে অসম আক্ৰমণ কৰা সময়লৈকে কছাৰীবিলাকৰ ৰাজ্য ব্ৰহ্মপুত্ৰ উপত্যকাৰ শিৱসাগৰৰ দিখৌ নৈৰ পৰা নগাওঁৰ কলং (বা কপিলী) নৈলৈকে আছিল আৰু উত্তৰ কাছাৰ জিলা অন্তৰ্গত আছিল। গতিকে কব পাৰি যে যিবিলাক কাৰ্বি গাওঁ বা অঞ্চল ইতিমধ্যে বংথাং আৰু জয়ন্তীয়া পাহাৰৰ ওচৰে পাজৰে গঢ় উঠিছিল সেই-বোৰ কেতিয়াও কছাৰী ৰাজ্যৰ তলতীয়া নাছিল। পিছলৈ বংথাং অঞ্চল অৱশ্যে জয়ন্তীয়াৰ কবলত পৰে—আহোম বুৰঞ্জীত উল্লিখিত আহোম-কাৰ্বি সম্পৰ্কৰ অনেক ঘটনাৰ পৰা আমি এই কথা জানিব পাৰোঁ।

কামৰূপ জিলাৰ দক্ষিণ পাৰ ডিফু-ডিমাপুৰ অঞ্চল আৰু নগাওঁৰ সম ভূমি অঞ্চলৰ বৃহৎবিস্তৃত ভৌগোলিক দৃষ্টিকোণৰ পৰা চাই আৰু তেওঁলোকৰ প্ৰবাদ বা কিংবদন্তিলৈ দৃষ্টিপাত কৰি কব পাৰি যে বংথাং অঞ্চলৰ পৰা কাৰ্বিসকল তিনিটা ডাঙৰ দলত বিভক্ত হৈ উত্তৰ-পশ্চিম পূবে আৰু উত্তৰে গমন কৰিছিল। এই দলসমূহ কেতিয়া আৰু কেনেকৈ বংথাং ৰাজ্য বা অঞ্চল-পৰা এইৰূপে বিয়পি পৰিছিল মাত্ৰ অনুমান, কিংবদন্তি আৰু আহোম বুৰঞ্জীত উল্লিখিত কেইটামান ঘটনাৰ আশ্ৰয়ত প্ৰতিষ্ঠা কৰিব পৰা অভিমতৰ বাহিৰে আন বেচি একো কৰিব নোৱাৰি। প্ৰথমে কব লাগিব যে কামৰূপৰ কাৰ্বি-সকল বিশেষকৈ গুৱাহাটী আৰু ওচৰৰ ইয়াৰ কাৰ্বিসকলেই অতি প্ৰাচীন কালতে ভৈয়ামলৈ নামি আহিছিল। খাচীয়া পাহাৰৰ 'ভয়' বা উত্তৰৰ নামনি অংশ অৰ্থাৎ বৰপানীৰ পৰা আৰম্ভ কৰি একেবাৰে খানাপাৰা আৰু সোনাপুৰৰ ওচৰলৈকে গোটেই অঞ্চলটো ঠায়ে ঠায়ে কাৰ্বি জনজাতি প্ৰধান অঞ্চল কামৰূপৰ গাওঁসমূহ 'ভয়'ৰ গাওঁসমূহৰ লগত ক্ৰমাগতভাবে ডিগাৰু আৰু ব্ৰহ্মপুত্ৰৰ পাৰলৈকে বিয়পি আছে। গুৱাহাটীৰ কলাপাহাৰৰ দক্ষিণ পাৰত অৱস্থিত নৰকাসুৰ গাওঁ এখন অতি প্ৰাচীন কাৰ্বি গাওঁ। কামৰূপৰ কাৰ্বিসকলে নিজৰ উৎপত্তিৰ পৰিচয় দিওতে আজি প্ৰায় পঁচিশ বছৰ আগলৈকে অসুৰৰ সন্তান বুলিয়েই দিছিল। প্ৰকৃততে তেওঁলোক অসুৰৰ সন্তান নহয়—হয়তো প্ৰাগ্‌ঐতিহাসিক যুগতে তেওঁলোকক নৰকাসুৰে শাসন কৰিছিল কাৰণে নিজকে অসুৰৰ সন্তান বুলি কয় আৰু ঘটনাক্ৰমে গুৱাহাটীত নৰকাসুৰ ৰজাৰ নামানুসাৰে

এখন কাৰ্বিৰ গাওঁ আজিলৈকে থাকি গ'ল। গুৱাহাটীৰ দক্ষিণ পাৰৰ পৰা আৰম্ভ কৰি সোনাপুৰ হৈ একেবাৰে ক্ষেত্ৰী আৰু জাগীৰ'ডৰ ওচৰলৈকে অসংখ্য কাৰ্বিৰ জনসংখ্যা বহুল গাওঁ বিয়পি থকাটো মন কৰিব লগীয়া।

দ্বিতীয় দলটি হ'ল পূব কাৰ্বি আংলঙৰ কাৰ্বিসকল। এটি প্ৰবাদ মতে কাৰ্বিসকল হেনো চিনথং নামৰ এজন লোকৰ নেতৃত্বত 'নংপিলাৰ, নামৰ পাহাৰৰ পৰা নামি আহি প্ৰথমে লুম্বাজং'[৭] নামৰ আন এটা পাহাৰত বাস কৰিবলৈ ললে। 'নংপিলাৰ' কাৰ্বি শব্দ বুলি মানি লবলৈ টান লাগে। ইয়াৰ পৰিবৰ্তে দেখা যায় খাচীয়া-জয়ন্তীয়া পাহাৰত 'নং প্ৰত্যয় আগত থকা অনেক গাওঁ আছে, যেনে: নংপো, নংষ্টইন, নংপাটা, নংক্ৰেম, নংজুৰি আৰু নংখাও ইত্যাদি (নং – গাওঁ)। লগতে 'লুম্বাজং' শব্দটোও আচলতে খাচীয়া বা জয়ন্তীয়া ভাষাৰ পৰা অহা বুলি কব পাৰি। খাচীয়া ভাষাত 'লুম' মানে পাহাৰ 'বাজ্ৰং' মানে ওখ বা দীঘল (জয়ন্তীয়া- ৰাজ্ৰং)। এতিয়া, লুম্বাজং পাহাৰৰ প্ৰকৃত অৱস্থিতি কৈ দিয়া টান যদিও ডিফুৰ আশে-পাশে কৰবাত নিশ্চয় আছে, কাৰণ এতিয়াও ডিফু অঞ্চলটো 'লুম্বাজং' বুলিহে জনা যায়। সি যি কি নহওঁক, এইটো প্ৰবাদ কেৱল ডিফু তথা পূব কাৰ্বি আংলঙৰ কাৰ্বিসকলৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিব পাৰি। ডিফু (ডিফু নদী) শব্দটো বড়ো ভাষাৰ যদিও ইয়াৰ ওচৰে পাজৰে থকা লঙ্কা[৮], লামচাথাং, লামডিং[৯], লাংচোলিয়েট, লাংলং লাংলোকচ' আৰু লাংফেৰ' ইত্যাদি শব্দবিলাকৰ পৰা অনুমান কৰিব পাৰি যে এইবিলাক ঠাইত আগতে কাৰ্বিসকলৰ জনবসতি ঘন আছিল। লগতে এইটোকো কব পাৰি যে যিজন চিনথ নামৰ মানুহে কাৰ্বি দলটোক লুম্বাজঙলৈ নমাই লৈ আহিছিল তেওঁ হয় বৰ্তমানৰ চিনথ অঞ্চলৰ, নহয় ছিনাটেং অঞ্চল অৰ্থাৎ প্ৰকৃত জয়ন্তীয়া ৰাজ্যৰ অন্তৰ্গত কোনো ঠাইৰ পৰা অহা।

ৰংখাং অঞ্চলৰ পৰা গমন কৰা তৃতীয়টি দল হ'ল নগাওঁৰ সমভূমিত বাস কৰা কাৰ্বিসকল। তেওঁলোকক কাৰ্বি সমাজত 'ডুমৰালি' অথবা থয আচ' বোলে। আহোম বুৰঞ্জীত উল্লিখিত কেইটিমান ঘটনাৰ পৰা ডুমৰালি কাৰ্বিসকলক কেনেকৈ ৰংখাঙৰ পৰা আহি নগাওঁ সমভূমি অঞ্চলত বসতি কৰিবলৈ ললে তাক মোটামুটি ভাবে জানিব পাৰি। আহোম বুৰঞ্জীৰ পৰা

---

৭ অসমৰ জনজাতি, পৃ-১ ৮

৮ লংকাম (পাৰঘাট) বা লংক্লাম (উপত্যকা,ৰ পৰা হোৱা বুলি অনুমান হয়।

৯ লাংডিং (বা লাংদিং)ৰ পৰা হোৱা বুলি অনুমান হয়, অৰ্থ—দীঘল পানী। ই এখন নদীৰ নাম।

উদ্ধৃতি দি ডঃ লক্ষী দেৱীয়ে তেওঁৰ আহোম ট্ৰাইবেল ৰিলেশ্যানচ নামৰ গ্ৰন্থত দেখুৱায় যে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত (১৬৪৮—১৬৬৩খৃঃ) কাৰ্বিসকল প্ৰথম বহা বা নগাওঁৰ ভৈয়ামলৈ নামি আহিবলৈ আৰম্ভ কৰে— তেওঁলোক জয়ন্তীয়া (বা ছিনাটেং) ৰাজ্যৰ অন্তৰ্গত ৰংখাং অঞ্চলৰ পৰা নামি আহিছিল। অহোম বুৰঞ্জীৰ কথা আৰু কাৰ্বিসকলৰ প্ৰচলিত প্ৰবাদলৈ পুনৰ উল্লেখ কৰি তেওঁ কয় যে আচলতে কাৰ্বিসকল স্বৰ্গদেউ প্ৰতাপ সিংহৰ (১৬০৩—৪১খৃঃ) ৰাজত্বৰ আৰম্ভণিতে অৰ্থাৎ ১৭শ শতিকাৰ লগে লগে বহা নগাওঁ ভৈয়ামলৈ নামি আহিছিল। জয়ন্তীয়াৰ দ্বাৰা পদচ্যুত হোৱা কাৰ্বি ৰজাৰ কোনো এজন কেঁৱৰক পুনৰ ৰংখাঙৰ ৰজা পাতি দি তেওঁলোকৰ লগত জয়ধ্বজ সিংহই মিত্ৰতা স্থাপন কৰিছিল আৰু লগতে বছৰেকীয়া কৰ আদায় কৰিছিল। আহোম বুৰঞ্জীৰ পৰা আৰু জনা যায় যে একালত ৰংখাঙৰ ৰজা ৰংখাংপই চুক্তি উলঙ্ঘা কৰা হেতু ৰাজেশ্বৰ সিংহই তেওঁৰ বিৰুদ্ধে অভিযান চলায়। ইয়াতে ভয় পাই কাৰ্বিসকলে বহালৈ নামি আহি ন্যায়সাধা ফুকনক লগ ধৰি নানান বয় বস্তু উপহাৰ দি পুনৰ মিত্ৰতা স্থাপন কৰে।

জয়ন্তীয়াৰ দ্বাৰা ৰজা পদচ্যুত হোৱাত কাৰ্বিসকল অকল অপমানবোধেই কৰা নাছিল বৰং তেওঁলোকৰ সামাজিক ৰীতি অৰ্থাৎ পুত্ৰৰ সম্পত্তি উত্তৰাধিকাৰ ক্ষমতা দূৰ কৰি তাৰ ঠাইত বলপূৰ্বক ভাবে কন্যাৰ উত্তৰাধিকাৰ ক্ষমতা জাপি দিব পাৰে বুলিহে বেচি ভয় খাইছিল। তাৰ পৰা হাত সাৰিবলৈ কাৰ্বিসকলে উপায় বিচাৰিছিল। গতিকে আহোমৰ লগত মিত্ৰতা গঢ়ি উঠাত আৰু আহোম স্বৰ্গদেউৰ পৰা অনুমতি আৰু আশ্বাস পোৱাত দলে দলে কাৰ্বিসকল বহা অঞ্চলৈ নামি আহি বসতি কৰিবলৈ ললে— পিছত তেওঁলোক জিলাখনৰ অন্যান্য ঠাইলৈকো বিয়পি পৰিল। সময়ৰ সোঁতত তেওঁলোক তাৰ পৰা দৰং আৰু শিৱসাগৰ আদি জিলালৈকো গৈ বসতি কৰিবলৈ ললে। গতিকে প্ৰতাপ সিংহৰ দিনৰ পৰা হিচাপ কৰি চালে ওলাই পৰে যে কাৰ্বিসকলৰ নগাওঁ সমভূমিলৈ হোৱা এই বৃহৎ প্ৰব্ৰজন আজিৰ পৰা প্ৰায় চাৰিশ বছৰৰ আগে ঘটিছিল[১০]।

বৃহত্তৰ অসমীয়া সংস্কৃতিৰ প্ৰভাৱ ঃ কাৰ্বিসকল প্ৰাগ ঐতিহাসিক যুগৰ পৰা উত্তৰ-পূব ভাৰতৰ বিভিন্ন স্থান আৰু সময়ত নানা জাতি-উপজাতিৰ প্ৰভাৱত পৰে। ইয়াৰ ভিতৰত কেইটামান উল্লেখযোগ্য বা মূল উৎস হ'ল ১) অষ্টিক সংস্কৃতিৰ প্ৰভাৱ আৰু ২) আৰ্য্য সংস্কৃতিৰ (সভ্যতা) প্ৰভাৱ।

---

১০ Devi, L., Ahom-Tribal Relations, PP-145-50

একালত অসমৰ বিভিন্ন ঠাইত বিয়পি পৰা বহু পুৰণি কলীয়া অষ্ট্ৰিক মন্‌খমেৰ সংস্কৃতিৰ প্ৰভাৱ কাৰবিসকলৰ ওপৰতো অধিক ভাবে পৰিছিল। ইয়াৰ মূল কাৰণ, এই সংস্কৃতি বহনকাৰী খাচী-জয়ন্তীয়াসকলৰ পিছতেই কাৰবিসকলৰ আগমন হৈছিল আৰু দীৰ্ঘদিন ধৰি তেওঁলোকৰ সংস্পৰ্শলৈ আহিছিল। ধৰ্মৰ ফালৰ পৰা কাৰবিৰ সংস্কৃতিৰ ওপৰত পৰা অষ্ট্ৰিক-মন্‌-খমেৰ সংস্কৃতিৰ আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল বোধকৰো দেৱতা বা দেৱীৰ সন্তুষ্টিৰ কাৰণে নৰবলি দিয়া প্ৰথাটো। শান্তশিষ্ট শান্তিপ্ৰিয় কাৰবি জাতিয়ে এনে এটা প্ৰথাক ধৰ্মৰ এটা ৰীতি হিচাবে নিজে সৃষ্টি কৰি লোৱা বুলি মানি লবলৈ টান লাগে। অষ্ট্ৰিক সংস্কৃতিৰ পৰা অহা অসমৰ তান্ত্ৰিক আৰু শাক্ত হিন্দু ধৰ্মৰ মূল উপাস্য দেৱী কামাখ্যাৰ মন্দিৰত দিয়া নৰবলি প্ৰথাই কাৰবিসকলকো বৰকৈ প্ৰভাৱান্বিত কৰিছিল যেন লাগে। বোধকৰো এই প্ৰভাৱ নৰকাসুৰে তেওঁলোকক শাসন কৰিবলৈ লোৱাৰ পৰাই অধিক পৰিমাণে পৰিছিল। খাচী-জয়ন্তীয়াসকলৰ মাজতে নৰবলি আৰু নৰমাংস ভক্ষণ প্ৰথা এসময়ত প্ৰচলিত আছিল বুলি জয়ন্তীয়া বুৰঞ্জীত পাওঁ[১১]। পিছলৈ এনে প্ৰথাই খাচী জয়ন্তীয়াসকলৰ চুবুৰীয়া বা প্ৰজা কাৰবিসকলকো প্ৰভাৱান্বিত নকৰাকৈ থকা নাছিল। সেয়েহে বোধকৰো থেংকুৰ্বাসিং ইংতি ডাঙৰীয়াই দেওধাই অসম বুৰঞ্জীত কাৰবিসকলৰ ডাঙৰ পূজা 'ডপং ৰংকেৰ' আৰু 'ৰকপি ৰংকেৰ'ত নৰবলি দিয়া হৈছিল বুলি উল্লেখ কৰিছে। এই প্ৰথা কাৰবি আংলঙৰ কোনো কোনো ভিতৰুৱা ঠাইত আজিও প্ৰচলিত বুলি জনা যায়। বুৰঞ্জীত আমি পাওঁ যে নৰকাসুৰৰ মৃত্যুৰ পিছৰ পৰা মানুহে কামাখ্যা দেৱীক শক্তিৰ অধিষ্ঠাত্ৰী দেৱী বুলি গণ্য কৰাৰ পৰিবৰ্তে প্ৰেম আৰু মিলনৰ দাতা পাৰ্বতী আই হিচাপেহে অধিক ভাবে মানি লবলৈ ধৰিলে[১২]। পিছলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনেও নিশ্চয় নৰবলি প্ৰথাৰ জনপ্ৰিয়তা বহু পৰিমাণে হ্ৰাস কৰাত অৰিহণা যোগায়। বোধকৰো এইবোৰ কাৰণতেই কামাখ্যা মন্দিৰৰ ওচৰত থাকিও কামৰূপৰ কাৰবিসকলে নৰবলি প্ৰথা বহু শতিকাৰ আগেই এৰি পেলালে।

অষ্ট্ৰিক সংস্কৃতিৰ আনটো প্ৰধান অৱদান হ'ল ভাষা, নৃত্য-কলা, অলঙ্কাৰ, পোচাক-পৰিচ্ছদ, মৃতকলৈ দেখুৱা সন্মান ইত্যাদিৰ ওপৰত পেলোৱা প্ৰভাৱ। কাৰবি ভাষা তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ যদিও ইয়াত অষ্ট্ৰিকমন্‌খমেৰ

---

১২ Barua, B K, A Cultural History of Assam (Early Period), Vol I, PP. 166-68

১১ Dutta, S K, 'Introduction,' Jaintia Buranji, P IX

ভাষাৰ অনেক শব্দ সোমাই পৰিছে। যেনে. খাচীয়াসকলৰ স্ত্ৰীলিঙ্গবোধক শব্দত প্ৰয়োগ কৰা 'কা' প্ৰত্যয় (যেনে 'কামেইখা' বা কামাখ্যা) কাৰবি স্ত্ৰী-লিঙ্গবোধক শব্দ'তা প্ৰচুৰ ৰূপ ব্যৱহৃত হয় কাবেং, কাচে কাৰন, কাটু, কাচাং আৰু কাদম ইত্যাদি। সেইদৰে কোৱে লৰ্বাং, লিন্দক, কুৰ ইত্যাদি খাচীয়া শব্দ ক্ৰম কোৱাই. ৰি 'নিংদ' অৰু কুৰ শব্দৰ পৰা অহা বুলি অনুমান হয়। মৃতকৰ শ্ৰাদ্ধৰ সময়ত নচা কাৰবিসকলৰ 'চমাংকান' শব্দৰ অৰ্থই হ'ল খাচীয়া নাচ। এই চমাংকান কাৰবিসকলৰ সংস্কৃতিৰ অন্যতম মূল বস্তু। কাৰবি সমাজত ইয়াৰ সমাদৰ আজিও কমি যোৱা নাই। এনেকুৱা আৰু অনেক অষ্ট্ৰিক সংস্কৃতিৰ নিদৰ্শন আমি কাৰবি সংস্কৃতিত বিচাৰি পাওঁ।

আৰ্য্য হিন্দু সংস্কৃতিৰ প্ৰভাৱৰ কথা কবলৈ গৈ প্ৰথমেই উল্লেখ কৰিব লাগিব যে অসমৰ অকল ভৈয়ামতেই নহয় আনকি একেবাৰে ভিতৰুৱা পাহাৰীয়া অঞ্চলৰ নিৰক্ষৰ কাৰবি সমাজতো ৰামায়ণ আৰু মহাভাৰতৰ দৰে সাহিত্যৰ জনপ্ৰিয়তা আৰু লগতে হিন্দুৰ দৰ্শন দকৈ সোমাই পৰিছে। হিন্দু সাহিত্যৰ প্ৰভাৱৰ কথা কব'ল হ'লে প্ৰথমেই বোধকৰো কব লাগিব চাবিন আলুন' বা ৰামায়ণ গানৰ কথা[১৩]। এই প্ৰাচীন গানটোৰ মাজেৰে কাৰ্বিৰ ঠাচত ৰামায়ণৰ কাহিনী চমুকৈ বৰ্ণনা কৰা হৈছে। সেইদৰে 'লক্ষ্মী কেপ্লাং' গানৰ কথা আগে উল্লেখ কৰা হৈছেই। কাৰবিসকলে সৰ্বসাধাৰণ হিন্দু সমাজৰ দৰে ধান লক্ষ্মী দেৱীবেই অৱতাৰ বুলি বিশ্বাস কৰে। এই গীতৰ মাজেৰে প্ৰকাশ কৰা হৈছে কেনেকৈ কাৰবি সমাজলৈ ধান খেতিৰ প্ৰথাটো আহিল।

আৰ্য্য হিন্দু সংস্কৃতিৰ বা সভ্যতাৰ প্ৰভাৱ কাৰবি সমাজত দকৈ পৰাৰ মূল কাৰণ অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজন আৰু হিন্দু ৰজাসকলৰ শাসন বুলি কলে বোধকৰো ভুল কৰা নহব। নৰকাসুৰ ৰজাৰ দিনতে আৰ্য্য-সকলৰ অসমলৈ আগমন হৈছিল আৰু তেওঁ নিজে আৰ্য্য বসতিক মাটি-বাৰী দি বহুৱা হৈছিল বুলি কালিকা পুৰাণত উল্লেখ আছে। গতিকে নৰকাসুৰ ৰজাৰ যোগেদি তেওঁৰ প্ৰজা কাৰবিসকল প্ৰথম আৰ্য্য হিন্দু সভ্যতাৰ প্ৰভাৱত পৰে বুলি আমি কব লাগিব। এই কথা অসমৰ আন কাৰবি-সকলৰ ক্ষেত্ৰত নহলেও অন্ততঃ কামৰূপৰ কাৰবিসকলৰ ক্ষেত্ৰত প্ৰযোজ্য। প্ৰখ্যাত বুৰঞ্জীবিদ্ গেইটৰ মতেও 'পৰ্বত ৰায়' নামৰ জয়ন্তীয়া ৰজা এজন ৰাজ্য শাসন কৰিছিল - তেওঁ হিন্দুৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। জয়ন্তীয়া বুৰঞ্জীয়ে সোঁৱৰাই দিয়ে যে একালত জয়ন্তীয়া ৰাজ্য ব্ৰাহ্মণ হিন্দু বংশৰ ৰজাই

১৩ অসমৰ জনজাতি, পৃ-১৬০

শাসন কৰিছিল। গতিকে জয়ন্তীয়া বা ছিনটেংসকল এনেদৰেই বহু পুৰণি কালৰ পৰা হিন্দুসকলৰ সংস্পৰ্শলৈ আহে। পিছলৈ যেতিয়া তেওঁলোকে কাৰবিসকল নিজৰ প্ৰজা হিচাব অনেক বছৰ ধৰি শাসন কৰি থাকিল তেতিয়া হিন্দুৰ ভাৰেমান সংস্কৃতি কাৰবিসকলৰ জীৱনলৈ'কো সোমাই পৰিল বুলি আমি বিনা দ্বিধাই কব পাৰো।

নিধানপুৰৰ তাম্ৰলিপিৰ উদ্ধৃতি দি প্ৰখ্যাত বুৰঞ্জীবিদ বিৰিঞ্চি কুমাৰ বৰুৱাই কয় যে ষষ্ঠ শতাব্দীত ৰজা মহাভূতি বৰ্মণে দুশতাধিকতো অধিক ব্ৰাহ্মণক তেওঁৰ ৰাজ্যত বাহৰপে দি বৈদিক হিন্দুৰ ধৰ্ম আৰু সংস্কৃতি বিস্তাৰৰ কাৰণে পৃষ্ঠপোষকতা কৰিছিল। অৱশ্যে খৃষ্টীয় শতাব্দীৰ আৰম্ভণিৰ পৰাই এনে আৰ্য্য হিন্দু লোকৰ আগমনৰ কথা বৰুৱাদেৱে উল্লেখ কৰিছে। তেওঁৰ মতে, সেতিয়াৰ দিনতেই আৰ্য্যসকলৰ গাওঁ ভূই আনকি সদিয়া পৰ্য্যন্ত গঢ়ি উঠিছিল—এওঁলোকে কালক্ৰমত স্থানীয় জনজাতীয় কিছুমান মানুহকো আৰ্য্য সংস্কৃতিৰ প্ৰভাৱলৈ আনি হিন্দু কৰিছিল। সেইসকলৰ ভিতৰত কছাৰী, লালুং আৰু কাৰবিসকলৰ নামো তেওঁ উল্লেখ কৰে [৪]। গতিকে আমি কব লাগিব যে খৃষ্টীয় দশম শতিকাৰ আগ ভাগলৈকে বৰ্মণ আৰু পাল বংশৰ ৰজাসকলৰ প্ৰভাৱত আৰু পৃষ্ঠপোষকতাত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ইয়াৰ ওচৰে-পাজৰে থকা পাহাৰীয়া অঞ্চললৈকো হিন্দুৰ সাহিত্য, দৰ্শন আৰু ধৰ্মবিশ্বাস বিয়পি পৰিছিল। সেয়েহে পাহাৰীয়া কাৰবিসকলো এই আৰ্য্য সংস্কৃতি বা সভ্যতাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাটো সম্ভৱ।

পিছলৈ আমি পাওঁ যে প্ৰবল প্ৰতাপী কছাৰী আৰু আহোমসকলো আৰ্য্য হিন্দুৰ প্ৰভাৱত পৰে। ঠাই আৰু সময় বিশেষে তেওঁলোকৰ প্ৰজা হিচাবে জীৱন নিৰ্বাহ কৰা কাৰবিসকল এনেকৈয়ে অধিক ভাৱে আৰ্য্য হিন্দু সংস্কৃতিৰ প্ৰভাৱত পৰিছিল বুলি কোৱাত বোধকৰো কাৰো দ্বিমত থাকিব নোৱাৰে।

কোনো বুৰঞ্জী বা ইতিহাসৰ অন্যতম মুখ্য কথা হ'ল অতীতৰ ঘটনাৱলী এটা নিৰ্দিষ্ট ধাৰাত প্ৰতিষ্ঠা বা লিপিবদ্ধ কৰোতে বিশেষ ভাৱে মনোযোগ দিব লগা হয় সেই ঘটনাৱলীৰ সময় নিৰ্ণয় কৰাটোত সময় লিপিবদ্ধ কৰিব নোৱাৰিলে সেই ইতিহাসৰ মানদণ্ড ৰক্ষা নপৰে। প্ৰচলিত কিংবদন্তি, সাধু কথা আৰু মৌখিক সাহিত্য আদি বিষয় সমূহে

১৪ A Cultural History of Assam (Early Period) Vol 1, PP 5-10

ইতিহাসক পূৰ্ণৰূপে গঢ় দিয়াত মাত্ৰ সহায়হে কৰিব পাৰে। কাৰবিসকলৰ ইতিহাসকো পূৰ্ণ পৰ্য্যায়লৈ গঢ় দিবলৈ হ'লে পুৰাতত্ব বিভাগৰ গভীৰ গবেষণা আৰু উদ্ঘাটনৰ ওপৰতহে কাৰবি ইতিহাস লিখকে নিৰ্ভৰ কৰি চলিব লাগিব। গতিকে এই বিভাগৰ ওপৰত আজি এইটো ডাঙৰ কৰ্তব্য আহি পৰিছে। অৱশ্যে পুৰাতত্ব উদ্ঘাটন কাৰ্য্যৰ পূৰ্বে বহল অসমীয়া সংস্কৃতিৰ কিছুমান ঘটনা আৰু নৃতাত্বিক বিষয় বস্তুৰ সহায় লৈ কাৰবি ইতিহাসৰ প্ৰাৰম্ভিক কামখিনি কৰিব পৰা যায়। কাৰবি জাতি অতীতৰে পৰা যি যি জাতিৰ সংস্পৰ্শলৈ আহিছে আৰু যি যি জাতিৰ সংস্কৃতি আৰু সভ্যতাৰ প্ৰভাৱত পৰিছে, সেইবোৰ জাতিৰ ইতিহাস আৰু নৃতাত্বিক বিষয়, যেনে কিছুমান সামাজিক প্ৰথা নীতি নিয়ম, কামৰ সা সৰঞ্জামৰ ব্যৱহাৰ আৰু প্ৰচলন আদি গভীৰ ভাৱে অধ্যয়ন কৰি নিশ্চয় কাৰবিসকলৰ সমাজ আৰু সংস্কৃতিৰ এখন ইতিহাস মোটামুটি ভাৱে লিখি উলিয়াব পৰা যায়।

অসমীয়া জাতিৰ অঙ্গ কাৰবিসকলৰ ইতিহাস এখন ৰচনা কৰি উলিয়াব নোৱাৰিলে আমি নিশ্চয় অসমৰ ইতিহাসক পূৰ্ণাঙ্গ বুলি মানি লব নোৱাৰো, যিহেতু কাৰবি সমাজ-সংস্কৃতি আৰু বহল অসমীয়া সমাজ সংস্কৃতিৰ খণ্ডাব নোৱাৰা সমন্বয়ৰ ধাৰা বহু অতীতৰ পৰা আজিও বৈ আছে।

— —

বিশিষ্ট বক্তা ঃ ডঃ গোপাল চন্দ্ৰ মেধি

কাৰ্বি সমাজ কৃষিজীৱী সমাজ। কৃষিক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে কাৰ্বি সকলৰ কৰ্ম-জীৱন ঘৰুৱা আচৰণ খোৱা বোৱা গীত মাত উৎসৱ পাৰ্বন সকলো। হাবিৰ গছ বন কাটি তাক জ্বলাই, সেই ছাইবোৰ কোৰেৰে মাটিৰ লগত মিলাই দি তাতে ধান আদি বিভিন্ন বীজ সিঁচি দি পাহাৰীয়া ঠাইত জুমখেতি কৰে—কাৰ্বিসকলে। হাবিৰ বাহ-বেত কাটি ডলা, চালনী, পাচি, খৰাহি হোৰা আদি ঘৰখনৰ লাগতিয়াল আচবাব তৈয়াৰ কৰে। পথাৰৰ লখিমী আদৰিবলৈ ছকেৰয় গীত গায়, হাছা নাচ নাচে নতুন ধানৰ পানীয় হৰলাং প্ৰস্তুত কৰি দেৱতাক আগবঢ়ায়, আনহি সোধ, নিজেও খায়।

উঠি অহা ডেকা গাভৰুচামক এইহেন কৃষিজীৱী সমাজখনৰ বাবে উপযুক্ত গঢ় দিবলৈ কৃষিভিত্তিক শিক্ষানুষ্ঠান আছে যাক কাৰ্বি সকলে কয় জিৰকেদাম। এই জিৰকেদাম প্ৰতি গাৱৰ গাওঁবুঢ়াৰ তত্বাৱধানত গাৱঁৰ মুখীয়া ৰংকেৰ পূজাৰ দিনাখন আৰম্ভ কৰে। প্ৰতিঘৰৰে এজনকৈ ডেকা লৈ এই অনুষ্ঠান পতাৰ নিয়ম। আগৰ দিনত ছোৱালীকো অন্তৰ্ভুক্ত কৰা হৈছিল পিছলৈ ছোৱালীসকলক বেলেগে ৰখাৰ দিহা কৰিছিল আৰু আজিকালি ছোৱালীবিলাকক এই অনুষ্ঠানত ৰখাৰ ব্যৱস্থা নাই। এই অনুষ্ঠান পৰিচালনাৰ বাবে ক্লেংচাৰপোকে আদি কৰি ২৬ জন বিষয়ববীয়া থাকে। এওঁলোকৰ বয়স সাধাৰণতে ১১ ৰ পৰা ১৬ ৰ ভিতৰত হয়।

ডেকাবোৰে গাৱঁবাসীৰ সহায়ত গাৱৰ মাজত আহল বহল ধুনীয়া চাংঘৰ তেৰাং সাজি লয়। ৰাতি ৰাতিটো শুই ৰাতি পুৱাতে খেতি পথাৰৰ কামলৈ শাৰীপাতি যায়। কামৰ মাজতে দুপৰীয়া আহাৰৰ ব্যৱস্থা কৰে—তাৰ বাবে ফাংকু নামৰ বিষয়ববীয়াজনে প্ৰতি ঘৰৰ পৰা ভাত লৈ যোৱাৰ নিয়ম। কামৰ পৰা উভতি আহি তেৰাংত অলপ জিৰণিলৈ গধূলিৰ সাজ ঘৰে ঘৰে খাই আহে। গধূলি বাঁহ বেতৰ কাম বন সাধুকথা, গীত নাচেৰে চাংঘৰ মুখৰিত হৈ থাকে। অনুষ্ঠানৰ নিজৰ খেতিপথাৰত খেতি কৰাৰ উপৰিও প্ৰতি ঘৰতে পালপাতি খেতিৰ কামত সহায় কৰি দিয়ে। অকল খেতিৰ বুলিয়ে যে নহয় গাঁৱৰ যাৰ ঘৰতে যি ধৰণৰ কাম ওলায় সকলোতে এই অনুষ্ঠানে সহায়ৰ হাত আগবঢ়ায়। কাৰোবাৰ ঘৰত পথাৰৰ ধান কাঢ়িবৰ লাগে, অসুখত

শুশ্ৰূষা কৰিব লাগে, বিয়া-বাবুত জা-যোগাৰ আলহী সোধা কাম অথবা দহা কাৰ্য্যৰ বিধৃত কাৰ্য্যসূচীত ক্লেংচাৰপোক অনুৰোধ জনালেই হ'ল—সকলো কাম সমাধা কৰাৰ দায়িত্ব তেওঁ লয়।

অনুষ্ঠানত কোনো নিযুক্ত শিক্ষক নাথাকে যদিও সকলোবোৰ কাম গাওঁবুঢ়া চাৰ্থেৰ তত্বাবধানত বা দিহাপৰামৰ্শত কৰে। ইজনে সিজনক দেখি শুনি কামবোৰ শিকি লয়। তিনি বছৰৰ মূৰত এচাম নতুন ডেকা ভৰ্তি কৰি পুৰণি চামক বিদায় দিয়া হয়। তাৰ পৰা আনুষ্ঠানিক ভাৱে বিদায় লৈ আহি বিয়াবাৰু কৰাই ঘৰ সংসাৰ পাতে। আগৰ দিনত অনুষ্ঠানত তিনি বছৰ নথকাকৈ কোনোকে বিয়া কৰাবলৈ অনুমতি দিয়া নহৈছিল, আজি-কালি এই নিয়মৰ প্ৰচলন নাই, আনকি অনুষ্ঠানটো দুই ঠাইতহে বৰ্তি আছে।

এই অনুষ্ঠানত ডেকাবোৰে কঠোৰ নিয়মানুবৰ্তিতাৰ মাজেৰে স্বাৱলম্বী শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পৰা ওলাই আহি আজিৰ স্নাতক সকলৰ দৰে চাকৰি বিচাৰি হাবাথুৰি খাব লগা হোৱা নাছিল। আজিৰ শিক্ষা ব্যৱস্থাই আমাক কিহৰ বাবে প্ৰস্তুত কৰে বুলি প্ৰশ্ন কৰিলে চাকৰিৰ বাবেই বুলি উত্তৰ দিয়া হয় যদিও—কোনো চাকৰিৰ বাবে আৱশ্যকীয় শিক্ষা আমাৰ শিক্ষা ব্যৱস্থাত নাই। চাকৰিত যোগদান কৰাৰ পাছতহে ইজন সিজনক সুধি চাকৰি সম্পৰ্কীয় কথাখিনি জানি লবলগীয়া হয়। কৃষি বিশ্ববিদ্যালয়তো কৃষক গঢ়ি তোলাৰ শিক্ষা নাই, আছে মাথোন কৃষি বিষয়া কৰাৰহে শিক্ষা।

কৃষি প্ৰধান ভাৰতবৰ্ষক কৃষি ভিত্তিক অনুষ্ঠান জিৰমেদামৰ অতি প্ৰয়োজন। পিছে কালৰ সোঁতত সি টিকি থাকিব পৰা নাই। কাৰবিসকলেও বেছি ভাগেই আজিও পাহাৰত জুম খেতি কৰি আছে—ভেয়ানলৈ অহা সকলেও পুৰণি প্ৰথা জুমখেতিৰ নামত সবুকৈ এডৰা মাটিতে হলেও ছাবি কাটি জ্বলাই তাত গুটি সিঁচে, কিন্তু অনুষ্ঠানটো বচাই ৰাখিব পৰা নাই। দেশত কৃষি উৎপাদন বঢ়াবলৈ হলে জুম খেতিৰ ঠাইত নহব সঁচা কিন্তু যি পদ্ধতি বা ব্যৱস্থাই গ্ৰহণ নকৰক কৃষিভিত্তিক শিক্ষানুষ্ঠান এটাৰ বৰ আৱশ্যক। তাৰ অবিহনে আমি আটাইকে বৰ্তমানৰ স্কুলীয়া শিক্ষা দি'ল বেছি ভাগকে নিবনুৱা কৰাহে হব।

— —

প্ৰথম আলোচনা চক্ৰ

উদ্বোধিকাঃ ড° নিৰ্মল প্ৰভা বৰদলৈ

পাঁচছ এপ্ৰিল তাৰিখে "অসমৰ লোক সাহিত্যৰ বৈচিত্ৰ আৰু ঐক্য" সম্পৰ্কীয় আলোচনা চক্ৰৰ উদ্বোধন কৰি ড° নিৰ্মল প্ৰভা বৰদলৈয়ে কয় "ব্যক্তি সত্বা আৰু প্ৰাণসত্বাৰ প্ৰানময় বিকাশত সংস্কৃতিৰ মূলকথা লুকাই আছে। সংস্কৃতি মানৱ মনৰ কেৱল এক বিন্যাস নহয় মনেৰে সৃষ্ট কৰা সম্পদো নহয়। ই বাস্তৱ প্ৰয়োজনতে গঢ় লয়। মানুহক জীৱন সংগ্ৰামত প্ৰেৰণা যোগোৱা ই এক অমূল্য সম্পদ। ই ব্যক্তি আৰু সমাজক শক্তি যোগায় আৰু জীৱন যাত্ৰা সুগম আৰু আনন্দকৰ কৰে। জীৱন যাত্ৰাৰ ঘাত প্ৰতিঘাতৰ মাজেৰেই সংস্কৃতিৰ ৰং-ৰূপ প্ৰতিভাত হয়। সমাজ সত্বাৰ প্ৰকৃত পৰিচয় হ'ল সেই সমাজৰ সংস্কৃতি। প্ৰকৃততে সমাজৰ বাস্তৱ আৰু মানসিক সমস্ত সৃষ্টিক লৈয়ে সংস্কৃতি।"

তেওঁ আৰু কয় "একোখন সমাজৰ জীৱিকা-নিৰ্বাহৰ প্ৰনালী, গৃহ নিৰ্মানৰ চানেকি, সমাজ যাত্ৰাৰ বাস্তৱ ব্যৱস্থা, আচাৰ-অনুষ্ঠান, ৰীতি নীতি চিন্তা, কল্পনা, দৰ্শন তথা মানসিক সম্পদ সংস্কৃতিৰ অন্তৰ্গত, আনহাতে সভ্যতাৰ মূলতে আছে সংগঠিত পল্লৱিত সমাজৰ সুস্থিৰতা স্থানুত্বকামিতা।"

শেষত তেওঁ কাৰবি লোকৰ উৎপত্তি, সমন্ধ বিকাৰ, দণ্ড-বিধান গ্ৰাম্য অৰ্থ নীতি, জাতকৰ আচাৰ বিচাৰ, পূজা-পাৱন আৰু ধৰ্মীয় উৎসৱ, বিবাহৰ নীতি-নিয়ম, বিবাহ পদ্ধতি আৰু কাৰবি গীত-মাত, লোকসাধু আৰু লোককথা সম্পৰ্কে বিস্তৃত ভাৱে আলোচনা কৰি আলোচনা চক্ৰৰ শুভ উদ্বোধনী ঘোষণা কৰে।

(ড' বৰদলৈৰ ভাষণৰ মূল কথাখিনিহে লিপিবদ্ধ কৰা হ'ল—সম্পাদক)

——

আলোচনা-চক্ৰৰ সভাপতিৰ অভিভাষণ

ডঃ বীৰেন্দ্ৰ নাথ দত্ত

" অসমৰ লোক-সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্য "

শ্ৰদ্ধাভাজন সাহিত্য প্ৰেমী সুধিসকল,

অসমীয়া সংস্কৃতিৰ গঠন আৰু বিকাশত বৈচিত্ৰ্যৰ মাজেদি সমন্বয় সাধনৰ যি সুন্দৰ নিদৰ্শন নিহিত আছে তাক লৈ আমি গৰ্ব কৰি আহিছোঁ। বিভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ সাংস্কৃতিক সম্ভাৰেৰে আমাৰ সংস্কৃতি যিদৰে ঐশ্বৰ্য্যশালী হৈ উঠিছে, তাত স্বাভাৱিকতে আমাৰ গৌৰৱ কৰাৰ থল আছে। পিছে আমাৰ সংস্কৃতিৰ এই বৈচিত্ৰ্যজনিত সমৃদ্ধিয়ে আমাৰ ওপৰত দায়িত্ব আৰু কৰ্তব্যও অৰ্পণ কৰে। যিবিলাক বিভিন্ন আৰু বিচিত্ৰ গোষ্ঠীগত, সম্প্ৰদায়গত আৰু অঞ্চলগত উপাদানেৰে আমাৰ সামগ্ৰীক সংস্কৃতি এইদৰে বৰ্ণাঢ্য আৰু সমৃদ্ধ হৈছে সেইখিনিৰ প্ৰত্যেককে উপযুক্ত স্বীকৃতি আৰু মৰ্য্যাদা আমি দিব লাগিব, আৰু তেনে কৰিলেহে আমাৰ সংস্কৃতিৰ সমন্বিত ৰূপটোৰ প্ৰতি আমাৰ আগ্ৰহৰ মূল্য থাকিব। অৰ্থাৎ এই ক্ষেত্ৰত ঐক্য বোলোঁতে সমৰূপতাই প্ৰাধান্য পাব নালাগে, বৰং মৌলিক কৃষ্টিৰ উপলব্ধিৰ ভিত্তিত চেতনাগত সংহতিযেহে গুৰুত্ব পোৱা উচিত। সুখৰ কথা, সম্প্ৰতি এই দিশত আগ্ৰহ আৰু ব্যগ্ৰতা বৃদ্ধি পাইছে, এই আগ্ৰহ আৰু ব্যগ্ৰতা যিমানেই আমাৰ উপলব্ধি আৰু বিশ্বাসৰ স্তৰলৈ গৈ দৃঢ়মূল হয় সিমানেই আমাৰ সকলোৰে পক্ষে মঙ্গল।

সংস্কৃতিৰ মৌলিক আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ উপাদানবিলাকৰ ভিতৰত আছে ভাষা আৰু সাহিত্য। সাহিত্যত অংকিত থাকে এবোটা সংস্কৃতিৰ ধ্যান-ধাৰণা আৰু চিন্তা-কল্পনাৰ স্বাক্ষৰ। সাহিত্যৰ মাজেৰে— বিশেষকৈ লোক-সাহিত্যৰ মাজেৰে— অসমীয়া সংস্কৃতিৰ বৈচিত্ৰ্য আৰু ঐক্য কিদৰে প্ৰতিফলিত হৈছে তাৰ বিচাৰ লোৱাৰ উদ্দেশ্যেৰেই নিশ্চয় এই আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। সন্দেহ নাই, এনে আলোচনাৰ প্ৰয়োজন আছে, আৰু নিষ্ঠা আৰু আন্তৰিকতাৰে সম্পাদিত এনে ধৰণৰ আলোচনাৰ তাৎপৰ্য্য আৰু প্ৰভাৱো সুদূৰ-প্ৰসাৰী হব পাৰে।

আজিৰ আলোচনা চক্ৰৰ অংশগ্ৰহণকাৰী বিশেষজ্ঞসকলে স্বাভাৱিকতে নিজৰ নিজৰ সুচিন্তিত মত ইয়াত ডাঙি ধৰি আমাৰ বাবে চিন্তা আৰু কৰ্মৰ পথ মুকলি কৰি দিব। আমি মাত্ৰ ইয়াত সূত্ৰধাৰৰ ভূমিকাত থাকি বিষয়-

বস্তুৰ পৰিসৰ আৰু তাৎপৰ্য্যৰ বিষয়ে সামান্য মন্তব্য আগ বঢ়োৱাতে নিজকে সীমিত ৰাখিম।

দেখা দেখি কথা যেন লাগিলেও উনুকিয়াই দিব খোজোঁ যে আলোচনা-চক্ৰৰ শিৰোনামাই আমাৰ বিষয়-বস্তুৰ পৰিসীমা স্পষ্টভাৱে নিৰ্দ্ধাৰণ কৰি দিছে। প্ৰথম কথা আলোচ্য বিষয়ৰ মূল বস্তু হ'ল অসমৰ লোক সাহিত্য, অকল অসমীয়া লোক-সাহিত্য নহয়। দ্বিতীয়তে, লোক সাহিত্যক কেন্দ্ৰ কৰি সাধাৰণভাৱে সাহিত্যক লৈ নহয়— আমাৰ আলোচনাই গতি কৰিব লাগিব।

এই দুটা মূল সূত্ৰৰ আলম লৈ যে আমি আলোচনাৰ পটভূমি ৰচনা কৰিব পৰাকৈ দুটামান কথা ক'ব খুজিছোঁ।

যিহেতু ভাষাই হৈছে সাহিত্যৰ বাহন, সেইবাবে ভাষাৰ কথা বাদ দি সাহিত্যৰ আলোচনা সম্পূৰ্ণ হ'ব নোৱাৰে।

অসমৰ সাহিত্যৰ কথা উঠিলে স্বাভাৱিকতে অসমীয়া ভাষাত ৰচিত সাহিত্যৰ কথাই আগ ভাগ পাব। তাৰ প্ৰধান আৰু স্পষ্ট কাৰণ, অসমীয়া ভাষাই হৈছে অসমৰ জনসমষ্টিৰ সংখ্যাগৰিষ্ঠ অংশৰ ভাষা। কিন্তু মনত ৰাখিব লাগিব যে অকল বক্তাৰ সংখ্যাধিক্যতেই অসমীয়া ভাষাৰ গুৰুত্ব নিহিত হৈ থকা নাই। অসম আৰু বৰ্ত্তমান অসমৰ সীমাৰ বাহিৰৰ উত্তৰ-পূব ভাৰতৰ এক বিস্তৃত অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ মাজৰ সংযোগী ভাষা হিচাপেও অসমীয়া ভাষাৰ স্থান অতি গুৰুত্বপূৰ্ণ। নাগামীজ বা নগা-অসমীয়া আৰু নেফামিজ বা অৰুণাচলী অসমীয়া হৈছে অসমীয়া ভাষাৰ সংযোগকাৰী ভূমিকাৰ বিশেষীকৃত ৰূপ। আকৌ, এই অঞ্চলৰ বিভিন্ন থলুৱা জনজাতীয় আৰু অন্যান্য গোষ্ঠীৰ বহুজন পৰিমানৰ লোকৰ দ্বিতীয় ভাষা হৈছে অসমীয়া ভাষা, যাক এই লোকসকলে মাতৃভাষাৰ দৰেই সহজ আৰু স্বাভাৱিকভাৱে ব্যৱহাৰ কৰে। ইয়াৰ উপৰি অসমীয়া ভাষাই ভাৰতৰ এই উত্তৰ-পূব প্ৰান্তত এনে এটি ভূমিকা পালন কৰি আহিছে যাৰ গুৰুত্ব আৰু তাৎপৰ্য্য সঁচাকৈয়ে অতি বিৰাট। ঘাইকৈ কিৰাতমূলীয় আৰ্য্যেতৰ প্ৰজাতিগত আৰু সাংস্কৃতিক নানান উপাদানৰ লগত আৰ্য্যমূলীয় প্ৰজাতিগত আৰু সাংস্কৃতিক উপাদানৰ মিলনৰ যি প্ৰক্ৰিয়াৰ দ্বাৰা অসমীয়া জাতি আৰু সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ হৈছে, তাত অসমীয়া ভাষাই এটি শক্তিশালী অনুঘটক (catalytic agent) হিচাপে কাম কৰিছে। অসমীয়া ভাষাৰ এই ভূমিকা আজিও অব্যাহত আছে। গতিকে অসমীয়া ভাষা অকল অসমৰ হৈয়ামৰ সংখ্যাগৰিষ্ঠ অজনজাতীয় সম্প্ৰদায়ৰ নিজৰ ভিতৰত আবদ্ধ ভাষা নহয়; ই এই অঞ্চলৰ বিচিত্ৰ জনগোষ্ঠীৰ

উমৈহতীয়া প্ৰয়োজন আৰু প্ৰয়োগৰ ভাষা। ইয়াৰ শিষ্ট সাহিত্যত সীমিতভাৱে আৰু লোক-সাহিত্যত বিক্ষিপ্ত কিন্তু নিশ্চিত ভাৱে এই বিশেষ লক্ষণ বহন-কাৰী উপাদান উপস্থিত। অন্যান্য কাৰকৰ লগতে এই বিশেষ লক্ষণৰ উপস্থিতিয়েও অসমীয়া লোক-সাহিত্যৰ বৈচিত্ৰ আৰু সমৃদ্ধিলৈ বৰঙণি যোগাইছে। তাৰ উপৰি, অসমীয়া লোক-সাহিত্যত সৰ্ব ভাৰতীয় সাহিত্যিক পৰম্পৰাৰ লগত থকা প্ৰত্যক্ষ আৰু পৰোক্ষ যোগাযোগৰ ফলশ্ৰুতিৰ লক্ষণতো আছেই। অসমীয়া লোক সাহিত্যৰ বৈচিত্ৰ্যৰ এই দিশটোও উপেক্ষনীয়।

কিন্তু এই কথাও সঁচা যে অসমীয়া ভাষাই অসমৰ একমাত্ৰ থলুৱা ভাষা নহয়। অসমীয়াৰ উপৰি ইয়াত আছে সৰু-বৰ বিভিন্ন জনজাতীয় গোষ্ঠীৰ নিজ নিজ ভাষা। এই ভাষাসমূহত লিখিত সাহিত্যৰ পৰিমাণ যিমানেই সীমিত নহওক—কিছুমান ভাষাত ই সম্পূৰ্ণ অনুপস্থিত—লোক-সাহিত্যৰ সম্পদৰ বিচাৰত কিন্তু কোনোটো ভাষাই নিস্ব নহয়। বৰং পৰম্পৰাগত মৌখিক বা লোক সাহিত্যৰ সংকলেৰে প্ৰায় প্ৰতেটা জনজাতীয় ভাষাৰ ভঁৰাল কম-বেছি পৰিমাণে পূৰ্ণ কোনো কোনো ভাষাৰ মৌখিক সাহিত্যৰ পৰিমাণ, বৈচিত্ৰ্য আৰু গুণগত উৎকৰ্ষও চকু লগাৰ পৰা বিধৰ। জনজাতীয় একোটা ভাষাৰ মৌখিক সাহিত্যৰ সমলত সোমাই আছে একোটা গোষ্ঠীৰ ধৰ্মীয় আৰু ধৰ্মেতৰ বিচাৰ বিশ্বাস আচাৰ-অনুষ্ঠান, নীতি-নিয়মৰ প্ৰত্যক্ষ আৰু পৰোক্ষ তথ্য, আৰু এনে বিভিন্ন তথ্যৰ বিশ্লেষণৰ পৰাই সম্ভৱ হব পাৰে এই অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ অধিক নিৰ্ভৰযোগ্য অধ্যয়ণ।

লোক-সাহিত্যৰ এই সকলোবোৰ সম্ভাৰেই আমাৰ উমৈহতীয়া সম্পদ। এনে সম্পদক ৰক্ষা কৰা আৰু তাৰ সমাদৰ কৰা আমাৰ সকলোৰে জাতীয় কৰ্তব্য। এইবোৰক অনাদৰ আৰু অৱহেলাত লোপ পাবলৈ দিয়া মানে আমাৰ জাতীয় সংস্কৃতিক নিস্ব হবলৈ দিয়া। অকল সেয়ে নহয়, সমগ্ৰ বিশ্বৰ সাংস্কৃতিক বৈচিত্ৰ্য ৰক্ষাৰ প্ৰয়োজনতো এই বিশিষ্ট সাংস্কৃতিক উপাদানবোৰ ৰক্ষা কৰা প্ৰয়োজন। বিশেষকৈ আজি আগ্ৰাসী পশ্চিমীয়া সভ্যতাৰ হেঁচাত সৰু সৰু সংস্কৃতিবোৰ ক্ৰমাৎ অপসাৰিত আৰু শেষত নিশ্চিহ্ন হৈ বিশ্বৰ পৰা সাংস্কৃতিক বৈচিত্ৰ্য লোপ পোৱাৰ যি ভয়াবহ সম্ভাৱনাই দেখা দিছে, তাত আজিৰ বিশ্বৰ শীৰ্ষস্থানীয় লোক সংস্কৃতি-বিজ্ঞানীসকল আতঙ্কিত। জ্যোতিপ্ৰসাদেও তেওঁৰ অসাধাৰণ দূৰ দৃষ্টিৰে এই কথা বহুদিন আগতে উপলব্ধি কৰি কৈছিল যে বিশ্ব- বৈচিত্ৰ্য ৰক্ষাৰ কাৰণেই আমি অসমীয়া বৈশিষ্ট্য ৰক্ষা কৰিব লাগিব, আৰু অসমীয়া বৈশিষ্ট্য ৰক্ষা কৰিব লাগিলে

আমি বক্তাসকলক দিব লাগিব জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্যবোধকো।

এয়া হ'ল জনজাতীয় অজনজাতীয় সম্ভাৰেৰে পুষ্ট অসমৰ লোক-সাহিত্যৰ বৈচিত্র্যৰ দিশ। ইয়াৰ পৰিপূৰক হিচাপে আছে জনজাতীয়-অজনজাতীয় বিভিন্ন উপাদানৰ মাজৰ সম্পৰ্কৰ, যোগাযোগৰ, ঐক্যৰ দিশ।

অসমীয়া ভাষা আৰ্য্য-ভাৰতীয় গোষ্ঠীৰ ভাষা হ'লেও অসম অঞ্চলৰ থলুৱা আৰ্য্যেতৰ জনজাতীয় ভাষাবিলাকৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক আৰু যোগাযোগৰ চিন সুস্পষ্ট। অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণ-ৰীতি, শব্দ-ভাণ্ডাৰ, বাক্যগঠন ৰীতিত ঘাইকৈ কিৰাতমূলীয় তিব্বত বৰ্মী নানান বৈশিষ্ট্য বিদ্যমান। সেইদৰে এই অঞ্চলৰ বিভিন্ন জনজাতীয় গোষ্ঠীৰ ভাষাত অসমীয়া ভাষাৰ প্ৰভাৱো লক্ষণীয়। অকল সেয়ে নহয়, বহু ক্ষেত্ৰে অসমীয়া-ভাষী হিন্দু সমাজৰ ধ্যান ধাৰণাও এই অঞ্চলৰ কিছুমান গোষ্ঠীৰ দ্বাৰা গৃহীত হৈ তেওঁলোকৰ লোক-সাহিত্যতো তাৰ প্ৰতিফলন ঘটিছে। এনে প্ৰক্ৰিয়াৰ সুন্দৰ নিদৰ্শন হ'ল কাৰ্বিসকলৰ ৰামায়ণ-গীত—যি 'ছাবিন আলুন' নামেৰে কাৰ্বি লোক সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। অসমীয়া আৰু জনজাতীয় ভাষাসমূহৰ বহু পুৰা-কাহিনী বহু কিম্বদন্তীয়ে আমি কৈ অহা যোগাযোগৰ সাক্ষ্য বহন কৰে। তাৰ উপৰি মৌখিক সাহিত্যৰ এনে বহুত সমল আছে যিবোৰৰ বিষয়-বস্তু অসমীয়া আৰু এটা বা আনটো জনজাতীয় ভাষাত প্ৰায় অভিন্ন ঃ সাধুকথাৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে সঁচা।

অসমীয়া ভাষা আৰু সাহিত্যৰ লগত জনজাতীয় গোষ্ঠীবিলাকৰ যোগা-যোগৰ আৰু এটা দিশ আছে। বৰ্তমানৰ অসমীয়া বৰ্ণ হিন্দু সমাজভুক্ত জনসমষ্টিৰ এক বৃহৎ অংশৰ গাত যে থলুৱা জনজাতীয় তেজ প্ৰৱাহমান, এই কথা এতিয়া সুবিদিত আৰু সুস্বীকৃত। বৰ্ণ-হিন্দু সমাজৰ পৰা অভিন্ন হৈ পৰা এই জন-সমষ্টিৰ বাহিৰেও অসমত এনে কেইবাটিও জনগোষ্ঠী আছে যিবিলাকৰ ক্ষেত্ৰত জনজাতীয় পৰিচয় আৰু বৈশিষ্ট্য ভালেখিনি ৰক্ষিত আছে অথচ যিবিলাকে নিজ নিজ জনজাতীয় ভাষাৰ ঠাইত অসমীয়া ভাষাক সম্পূৰ্ণৰূপে নিজ মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। সেই সকলৰ ভিতৰত আছে উজনিৰ সোণোৱাল কছাৰীসকল আৰু চুতীয়াসকল, মধ্য অসমৰ তিৱা (লালুং) সকলৰ বৃহৎ অংশ নামনি অসমৰ পাতি ৰাভাকে মুখ্য কৰি কেইটিমান ৰাভা থেল আৰু হাজং-সকল, ইত্যাদি। এই সকলে নিজ নিজ অঞ্চলৰ কথিত অসমীয়া ভাষাক গ্ৰহণ কৰি তাত নিজস্ব বৈশিষ্ট্য প্ৰদান কৰিছে আৰু তাৰ লগে লগে সেই সেই বিশিষ্ট ভাষাত সৃষ্টি কৰিছে নিজ ধ্যান-ধাৰণাৰে পুষ্ট লোক-সাহিত্য। এনেকুৱা ৰচনাৰ

সাহিত্যিক মূল্য থিয়েই নহওক – বহু ক্ষেত্ৰত সাহিত্যিক মূল্যও উলাই কৰিব পৰা বিধৰ নহব—লোক-সংস্কৃতি আৰু সমাজতত্ত্বৰ দিশৰ পৰা সেইবোৰ মহা-মূল্যবান সম্পদ। এই ক্ষেত্ৰতবিশেষভাবে উল্লেখযোগ্য সোণোৱাল কছাৰীৰ হাইদাং বা হুয়দাং গীত আৰু চুচঁৰি গীত, তিৱাৰ লালী-'হুলাৰী গীত, পাতি-ৰাভাসকলৰ বহৰাঙী গীত আৰু টুকুৰীয়া গীত ইত্যাদি যিবোৰত অকল সেই সেই গোষ্ঠীবিলাকৰ বৈশিষ্ট্য বিষয়েই নহয়, সামগ্ৰিকভাবে অসমীয়া সমাজ আৰু সংস্কৃতিৰ ঐতিহাসিক বিকাশ আৰু বৰ্তমানৰ গাঁথনি সম্পৰ্কেও সমাজতাত্বিক মূল্যযুক্ত প্ৰচুৰ তথ্য সোমাই আছে। সাম্প্ৰতিক কালত অসমৰ খিলঞ্জীয়া গোষ্ঠীবিলাকৰ লগত নতুনকৈ যুক্ত হৈছে চাহ-বাগিছাৰ সম্প্ৰদায় আৰু ন-অসমীয়া মুছলমান সম্প্ৰদায়। এখেতসকলৰ অসমীয়া ভাষা গ্ৰহণৰ যোগেদি আৰম্ভ হৈছে অসমীয়া লোক সাহিত্যত নতুন সংযোজনৰ প্ৰক্ৰিয়া।

এতিয়ালৈকে অসমীয়া ভাষাৰ লোক-সাহিত্যৰ বিৰাট পৰিমাণৰ বিচিত্ৰ সমল সংগৃহীত হৈছে আৰু সেইবোৰৰ শ্ৰেণীবিভাজন আৰু বিশ্লেষণো ভালে-খিনি হৈছে। কিন্তু এইটোও ঠিক যে প্ৰচুৰ সমল এতিয়াও সংগ্ৰহ আৰু অধ্যয়নৰ অপেক্ষাত আছে। সংগৃহীত হোৱা আৰু নোহোৱা মৌখিক সাহিত্যৰ এই সমলবোৰৰ অকল নান্দনিক বিচাৰেই যথেষ্ট নহয়, সেইবোৰৰ বিজ্ঞানসম্মত প্ৰণালীগত বিশ্লেষণৰ দ্বাৰা আমাৰ সামাজিক ইতিহাসৰ বহুতো অজ্ঞাত বা অৱহেলিত তথ্য পোহৰলৈ আহিব পাৰে। উদাহৰণস্বৰূপে, ধৰ্মীয় শ্ৰেণীৰ লোকগীতৰ কথাকেই লব পাৰি। এই শ্ৰেণীৰ গীতৰ ভিতৰত বৈষ্ণৱ পৰম্পৰাৰ গীতেই অধিক সংগৃহীত আৰু বিশ্লেষিত হৈছে। কিন্তু অনা-বৈষ্ণৱ ধাৰাৰ গীতো আমাৰ ভাষাত নিচেই কম নহয়। আৰু বৈষ্ণৱ ধাৰাৰ ভিতৰতো এনে বহুতো গীত আছে যিবোৰ এক ধৰণৰ গোপণীয় আচাৰ অনুষ্ঠানৰ লগত জড়িত আৰু যিবোৰ অসমৰ মান্য বৈষ্ণৱ পৰম্পৰাৰ পৰা ভালেখিনি আঁতৰত। এই গীতবোৰৰ পূৰ্ণাঙ্গ সংগ্ৰহ আৰু বিশ্লেষণ হ'লে আমাৰ সমাজত অতি শক্তিশালী বৈষ্ণৱ স্ৰোতৰ সমান্তৰালভাৱে বৈ থকা বৈষ্ণৱতৰ সংস্কৃতিৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰিব পৰা যাব।

অসমীয়া লোক-সাহিত্যৰ বৈচিত্ৰ্যৰ আলোচনা কৰোঁতে উপভাষাগত আৰু অঞ্চলগত বৈশিষ্ট্যৰ দিশ দুটাকো উপেক্ষা কৰিব নোৱাৰি। একোটা থলুৱা উপভাষাত ৰচিত লোকসাহিত্যৰ সমলে অকল তাৰ ভাষিক ৰূপগত বৈশিষ্ট্যকেই দাঙি নধৰে, সেই ভাষিক ক্ষেত্ৰৰ লোকসমাজৰ বিচাৰ বিশ্বাস, আচাৰ-অনুষ্ঠান আৰু জীৱনধাৰাৰ কথালৈ গলে, একোটা উপ-সংস্কৃতি বা sub culture-অৰো প্ৰতিনিধিত্ব কৰে। উদাহৰণ স্বৰূপে, মঙ্গলদৈ অঞ্চলৰ

মালাচি আৰু ঝুনাৰ্কে ধৰি ওজা-পালিৰ বিবিধ গীত, নাঙেলী গীত, সেৰা ঢেক ইত্যাদি, কামৰূপৰ মহো-হো গীত, বাৰোলপিটা গীত, নাওখেলৰ গীত, বাৰমাহী গীত আদি, গোৱালপাৰাৰ কাতিপূজা, বাঁশপূজা সোণাৰায় আদি অনুষ্ঠানৰ গীতৰ উপৰিও হাতী-মাউতৰ গীত আৰু মৈষাল বা ম'হৰ-খীয়াৰ গীত ইত্যাদিয়ে এই অঞ্চলবোৰৰ সাংস্কৃতিক বৈশিষ্ট্যৰ স্বাক্ষৰ বহন কৰে। নাৰ্মানৰ বিশেষকৈ গোৱালপাৰাৰ লোকসাহিত্যই সুভেদ দিয়ে উত্তৰ বঙ্গৰ লগত অসমৰ পৰম্পৰাগত সম্পৰ্কৰ। এই সকলো গোষ্ঠীগত, উপভাষাগত আৰু অঞ্চলগত বৈশিষ্ট্যই অসমীয়া লোক-সাহিত্যৰ বৈচিত্ৰ্যৰ ভেটি।

তথাপি এই বৈচিত্ৰ্যৰ মাজেদিয়েই প্ৰকাশিত হয় ঐক্যৰো চিত্ৰ। অঞ্চলগত আৰু উপভাষাগত বিভিন্নতা ভেদ কৰি অসমীয়া লোক-সাহিত্যৰ বিবিধ সমল কিদৰে ঐক্যৰ এনাজৰীৰে বান্ধ খাই আছে তাৰে দুটামান উদাহৰণেৰে আমাৰ বক্তব্যৰ সামৰণি মাৰিম।

কামৰূপৰ আইনাম-বিয়ানাম-দেহবিচাৰৰ গীতৰ লগত উজনিৰ আইনাম-বিয়ানাম-টোকাৰী গীতৰ আত্মীয়তা অকল বিষয়বস্তু আৰু ভাৱত নহয় ৰূপতো সুস্পষ্ট। উজনিৰ কমলা কুঁৱৰীৰ গীতৰ কাহিনী মঙ্গলদৈৰ গীত আৰু গোৱালপাৰাৰ গীততো প্ৰায় অভিন্ন, মাত্ৰ ৰূপ ভিন ভিন। সাধুকথাৰতো কথাই নাই, ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ সিহঁতৰ অবাধ বিচৰণ।

শিৱসাগৰৰ মান্য উপভাষাৰপৰা গোৱালপাৰাৰ উপভাষা ভালেখিনি নিলগত। তথাপি, শিৱসাগৰৰ মুছলমান সমাজত প্ৰচলিত অসমীয়া লোকসাহিত্যৰ আপুৰুগীয়া সম্পদ জিকিৰৰ এই দুশাৰী লওক:

"নামে গঙ্গাজল লবলৈ কোমল
বৈ আছে হৃদয়ৰ মাজে।"

আৰু মধ্য গোৱালপাৰাৰ বৈষ্ণৱসমাজৰ আইসকলৰ গুপুনী নামৰ এই শাৰী দুটালৈ মন কৰক:

"নামে গঙ্গাজল ভকতে নিৰ্মল
বৈ আছে হৃদয়েৰ মাজে।"

অকল উপভাষাৰ দূৰত্বই নহয়, সম্প্ৰদায়গত দূৰত্বও কিদৰে অদৃশ্য হৈ গৈছে।

আৰু,

"ফুলৰে ইচনী ফুলৰে বিচনী
ফুলৰে এ শয্যা পাতি,
ফুলৰে বাসতে এ নিদ্ৰা নাসিল
পুৰুষ ভোমোৰা জাতি।"

পূব গোৱালপাৰাৰ ঝালিমাটি নামৰ ধৰ্মীয় বৰৰ গীত এটিৰ এই পদফাঁকিৰ লগত উজনিৰ এটি বৃন্দাবনী গীতৰ এই পদফাঁকিৰ সাদৃশ্যলৈ মন কৰক।

"ফুলৰে ইছাটি ফুলৰে বিছাটি
ফুলৰে সজালোঁ শয্যা,
ফুলৰে শয্যাতে টোপনি নাহিলে
কৃষ্ণ হ'ল ভোমোৰাৰ অ.র্য্য"

অঞ্চল আৰু উপভাষাৰ বাধা অতিক্ৰম কৰি আমাৰ লোক-সাহিত্যৰ ঐক্যই ইয়াত উদ্ভাসিত হৈ উঠা নাই নে

—

ঃ অসমৰ লোক সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্য

বিশিষ্ট বক্তা ঃ শ্ৰীৰাজেন বাভা

প্ৰত্যেক দেশৰ লিখিত সাহিত্য সৃষ্টিৰ আগতেই—অলিখিত সাহিত্য সংস্কৃতিৰ প্ৰচলন আছিল। যুগ পৰিবৰ্তনশীল। শিল্প, সাহিত্য, সংস্কৃতি মানব সভ্যতাৰ বিবৰ্তনৰ লগে লগেই বিকাশ সাধন হৈ আহিছে। এতিয়া প্ৰশ্ন হৈছে—লোক-সাহিত্যনো কাক কয়? কোনো কোনোৱে মন্তব্য কৰে যে লিখিত সাহিত্য সৃষ্টিৰ আগতেই থকা অলিখিত সাহিত্যই লোক-সাহিত্য। আমাৰ দেশত লোক-সাহিত্যৰ সৃষ্টি হৈছে বহু পিছত। ইউৰোপতহে প্ৰথমে Folklore চৰ্চাৰ সূত্ৰপাত হৈছিল। যেতিয়া ভাৰতত Folklore চৰ্চা আৰম্ভ হৈছিল, তেতিয়া ভাৰতীয় ভাষাৰ কোনো প্ৰতিশব্দ ব্যৱহাৰ হোৱা নাছিল। বহুতে লোক-সংস্কৃতি কথাষাৰ ব্যৱহাৰ কৰি আহিছে Folklore ৰ প্ৰতিশব্দ হিচাপেহে। বৰ্তমানো বহু পণ্ডিতে লোক যান, লোক পথ, লোক-শ্ৰুতি, লোকায়ন আদি Folklore ৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। দৰাচলতে লোক-সাহিত্য আৰু লোক-সংস্কৃতি একে বিষয় নহয়। লোক-সাহিত্য লোক-সংস্কৃতিৰ এটি অংগ স্বৰূপ। লোক-সাহিত্যত সাহিত্যিক মূল্য অনস্বীকাৰ্য্য। মানব সমাজক কেন্দ্ৰ কৰিয়েই সাংস্কৃতিক জীৱন-ধাৰাৰ বাহিঃ প্ৰকাশ ঘটে। লোক-জীৱনৰ লগত জড়িত এই লোক-সাহিত্য সম্পূৰ্ণ ভাবে স্থানীয়। ই কেৱল দেশৰ জনসাধাৰণৰ উপভোগৰ আৰু উপলব্ধিৰ যোগ্য মাথোন। এই সাহিত্যত ব্যক্তি বিশেষৰ কল্পনাৰ স্ফুৰণ নাই নাইবা ই একজনৰ মনোৰঞ্জনৰ কাৰণেও সৃষ্টি নহয়। ই আনন্দ বিনোদনহে কলা-ক্ষেত্ৰ। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক-সাহিত্য চিৰন্তন আৰু চিৰজীৱী হৈ ৰৈ আছে। থোৰতে কবলৈ হলে—মানব জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে তাঁত নিহিতাকৈ চলি অহা জন-শ্ৰুতিয়েই হৈছে লোক-সাহিত্য। ই জনসাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয়, পৰম্পৰাগত ভাবে চলি অহা লোক-বিজ্ঞানহে। যুগ যুগ ধৰি মানব জাতিয়ে যি যি অভিজ্ঞতা আৰু শিক্ষা লাভ কৰিলে সেইবোৰৰে সঞ্চিত ভঁৰাল হৈছে লোক-সাহিত্য।

যি কালত শিক্ষিত-অশিক্ষিত বুলি দুটা কথা নাছিল বুলিয়েই কব পাৰি, যি যুগত ৰজাৰ পৰা হজুৰালৈকে সকলোৰে মানসিক সম্পৰ্কবোৰ প্ৰায় অভিন্ন আছিল- তেনে দিনতে এনে মৌখিক বা লোক-সাহিত্যবোৰৰ জন্ম

হৈছিল আৰু ই সদৌ জাতিৰ সম্পত্তি আছিল। কিন্তু ক্ৰমে শিক্ষা আৰু সভ্যতাৰ বৃদ্ধি আৰু বিস্তাৰ হোৱাত যেতিয়া শিক্ষিত-অশিক্ষিতৰ মাজত এটা ফাঁট ওলাল আৰু শিক্ষিত বোলা সকলে স্বভাৱতে এইবোৰ অনাদৰ আৰু আওহেলা কৰিবলৈ শিকিলে তেতিয়াৰ পৰা ই ক্ৰমে কেৱল অশিক্ষিত বা চহা সমাজৰ এজিনীয়া সম্পত্তি হবলৈ ধৰিলে আৰু তেওঁলোকৰ ভিতৰতে ঠিহান লাগি সেই দূষিত বায়ুৰ মাজতে ইয়াৰ সংৰক্ষণৰ বাবে লিপিবদ্ধ নকৰাত মৌখিক সাহিত্যই ক্ৰমে শেষ নিশ্বাস এৰিবলৈ ধৰিলে। কিন্তু এইটো ঠিক যে উদ্ভিদ বা জীৱ-জন্তুৰ দৰে জীৱিত অৱস্থা থাকে মানে এই সাহিত্য বোৰৰ গতিশীলতা থাকিবই তাত অকনো সন্দেহ নাই। কিয়নো, সমাজ-তান্ত্ৰিক দেশৰ দৰে যি পিতৃ-মাতৃৰ পৰাই ওপজক—জন্মৰ পৰা ই সেই দেশৰ বা সমাজৰ ৰাজহুৱা সম্পত্তি হৈ পৰিবই। ইয়াৰ এই স্বাধীনতাত হাতদিবৰ কাৰো শক্তি নাই।

অসমৰ মাটিত কোন জাতিৰ মানুহ প্ৰথমে জন্ম গ্ৰহণ কৰিছিল কোৱা টান। কিন্তু এইটো অনস্বীকাৰ্য্য যে, স্মৰণাতীত কালৰ পৰা বিভিন্ন জাতিৰ মানুহ—বিভিন্ন সময়ত—বিভিন্ন পথেদি প্ৰব্ৰজন হৈ আহি ভৌগলিক পৰিবেশত বসবাস কৰিছে। এই ফালৰ পৰা প্ৰশ্ন হয়—আদিম বা জনজাতিসমূহেই যদি অসমীয়া নহয়, কোনবিলাক মানুহ অসমীয়া ? অসমত বাস কৰি থকা প্ৰত্যেক জাতিৰেই সুকীয়া সুকীয়া মৌখিক সাহিত্য আছে। এই মৌখিক সাহিত্যৰ সমষ্টিয়েই হৈছে অসমৰ লোক-সাহিত্য। এই লোক-সাহিত্যই অসমৰ লোক-সমাজৰ দাপোন স্বৰূপ। অসমীয়া লোক-সমাজৰ সকলোবোৰ দিশ দাপোন স্বৰূপ এই লোক-সাহিত্যত প্ৰতিবিম্বিত হৈ আছে।

এই অসমীয়া লোক-সাহিত্যৰ লগত নিবিড় ভাবে জড়িত হৈ আছে পটন্তৰ, জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা পৰবৰ লগত জড়িত গীত-মাত সমূহ, উৎসৱ অনুষ্ঠানদিৰ গীত, লোক-ধৰ্ম-সম্বন্ধীয় গীত, কৰ্মগীত, সাধুকথা, কিম্বদন্তী প্ৰাচীন কাহিনী আদি। এইবোৰে অসমীয়া জাতিৰ আচাৰ-বিচাৰ আয়ুৰ্বেদ আৰু কৃষি সম্বন্ধীয় জ্ঞানৰ পৰিচয় দি—তাৰ মাজতে লোক-জীৱনক সম্পূৰ্ণ ভাবে প্ৰতিফলিত কৰি আছে।

যি জাতি যিমান পুৰণি সেই জাতিৰ পটন্তৰো সিমান সৰহ। অসম দেশখন অতি প্ৰাচীন, সেয়ে এই দেশখন সোণৰ সঁফুৰা স্বৰূপ। এই কাৰণেই অসমীয়া মানুহৰ ভিতৰত অনাদি অনন্ত কালৰ পৰা উদ্ভৱ হৈ হৈ পটন্তৰসমূহ উভৈনদী হৈ থূপ খাই আছে।

অসমীয়া পটন্তৰমালা বুলি কলে আমি যাইকৈ যোজনা ফকৰা আদি সকলোকে সামৰিছোঁ। উদাহৰণ স্বৰূপে —

(১) খাব জানিলে চাউলেই চিৰা, বহিব জানিলে মাটিয়েই পীৰা।
(২) যাৰ নাই গৰু বৃন্দাবনত চৰে, যাৰ নাই তিৰি একেচৰে মৰে।
(৩) বণ্ডহে মণ্ডহ খায়, বণ্ডহ নহলে মণ্ডহ পেলানি যায়।

এনেবোৰ পটন্তৰ সংসাৰ-জ্ঞানী অভিজ্ঞৰ নিজ মুখৰ পৰা আপোনা আপুনি সৰি পৰা একোটি আকাশবানীহে।

(১) যাৰ জহত শাঁখা সেন্দুৰ, তাকে পাতিছে ভোকোৱা এন্দুৰ।
(২) চহাই বেহা শিকিলে, বাতিকে দিন যেন দেখিলে।
(৩) নমো নমো পাৰিজাত, কুকুৰে চুলে বাহী গাত।

এনেবোৰ পটন্তৰে আমাৰ সামাজিক দুৰ্বলতাবোৰক কঠোৰ ন্যায়ৰ তুলাচনিত জুখি পেলাইছে।

(১) তোমাৰ বাৰীৰে বাঁহ-গাজ, খুলি তাৰেই কৰিছোঁ খৰিচা,
তাকে দি তোমাৰে, ধান সলাইছোঁ, কথাটো মন কৰিছা ?
এনেকুৱা পটন্তৰে হিতা মাৰি মনক এটি বিমল আনন্দ দিয়ে

(১) বুঢ়াৰ কথা নুশুন ডেকা টানত পৰি কিয় কেকা,
(২) পাঁচোটা আঙুলিয়ে খায় বুঢ়াই হেঁচুকিলেহে যায়।

শিক্ষাৰ পোহৰ নোপোৱা মানুহৰ মাজত বয়সীয়াজনেই সাংসাৰিক জীৱনৰ কৰটি শিল। সেয়ে বয়সীয়া মানুহে ডেকা মানুহক এনেবোৰ পটন্তৰ কৈ উপদেশ দিয়ে।

(১) শাকত নাখায় লোণ, পিটিকাত যায় চাৰিগুণ।
(২) বাপৰ দিনত নাই ঘোঁৰা তপিনাত লাগাম ধৰা।

অসমীয়া মানুহে অদৰকাৰী কামত যথেষ্ট ধন ভাঙে আৰু কেতিয়াও আয় চাই ব্যয় নকৰে। সেয়ে এনে পটন্তৰৰ দ্বাৰা গধুৰ শিকনি দিয়ে।

'যেনে হওক মুনিজন, তেওঁ সোধে তিনিজন।'

পাইগুটীয়া মন সদায় শুদ্ধ নহয়। সেয়ে, তিনিমূৰীয়াৰ পৰামৰ্শটো গধুৰ বুলি সদায় স্বীকাৰ কৰি অহা হৈছে।

'মেলত থাকি যি নেমাতে উচিত, দোষ পায় তাক কিঞ্চিত কিঞ্চিৎ।'
মেল বা সভাত নিজৰ মতামত দিবিযাটো নিজৰ অজ্ঞতাৰ চিন।
পক বুজিবা গড়গঞা মিতিৰৰ ভাও,
মুখে বোলে থাক্ থাক্, ভিতৰে হেঁচোকে নাও।

এনেধৰণৰ পটন্তৰে আমাক বুৰঞ্জীৰ পম খেদাত সহায় কৰে। তাহানি-খন মোগল সেনাক পাৰ কৰি দিও বুলি গৰগাঁওৰ মানুহে নৈৰ মাজলৈ নাও ঠেলি দিছিল আৰু সেনাবোৰ কৰ্‌কৰাই মৰিবলৈ। মোগলী ফাল্গৰ পোতক তোলা দেখি সেনাবোৰে এইদৰে কৈছিল।

'যতেকে নাও ডাঙৰ হওক, তেওঁ পাতৰ তল।'

আহোম স্বৰ্গদেও সকলৰ দিনত পাত্ৰ-মন্ত্ৰীসকলৰ ভিতৰত অভিজাত্য সম্পৰ্কে চলি থকা মনোভাবৰ কথা এই পটন্তৰৰ পৰা বুজা যায়। 'চমুৱা' পাইক বিষয়া হলেও, বুঢ়া গোঁহাই, বৰগোঁহাই আদি সাতঘৰীয়া আহোমৰ সমান কেতিয়াও হব নোৱাৰে।

অসমৰ বিভিন্ন ভৌগলিক পৰিবেশত বাস কৰা জাতি-উপজাতিৰ মাজত এনেধৰণৰ বিভিন্ন পটন্তৰ পোৱা যায়। গোৱালপাৰা জিলাৰ আঞ্চলিক কথিত ভাষাৰ কেইটামান পটন্তৰ উল্লেখ কৰা হল।

'আগেৰ হাল যেই দিয়া, পাছেৰ হালো সেই দিয়া।'

সৰুৱে ডাঙৰক অনুকৰণ কৰে। সেয়ে পৰিয়ালৰ ডাঙৰ মানুহবিলাকে ভাল আদৰ্শ দেখুৱালে সৰুবিলাকেও তাৰ অনুকৰণ কৰে। পৰিয়ালৰ পৰি-বেশ সুন্দৰ হয়।

'কুকুৰক নিদিবা ঠাই চাংযোক নিদিবা লাই।'

কুকুৰক লাই দিলে ডিঙিলৈকে জঁপিযাই ক্ষতি সাধন কৰিব পাৰে। তদ্ৰুপ—সৰু লৰা ছোৱালীক মৰম কৰিলে পৰিয়ালত অশান্তিৰ সৃষ্টি হব পাৰে।

'বাটত পাইল কামাৰ দাও গঢ়াই দে আনাৰ।'

কোনো মানুহক বাটত লগ পাই তাৰ দ্বাৰা কোনো কাম সমাধা কৰি লোৱাৰ ক্ষেত্ৰত এই পটন্তৰটো গায়।

'পৰাৰ কথা নুশুনিবি বাটত নাঙল নাকাটিবি।'

বাটত নাঙল কাটিলে বাটটো নষ্ট হয়। তদ্ৰুপ, আনৰ কথা শুনি কোনো কাম কৰিলে বিপদৰহে সম্ভাৱনা আছে।

'হালুৱাৰ শোভা হাল-কৃষি, জমিনৰ শোভা ধান,
পুৰুষেৰ বল টাকা পয়চা, নাৰীৰ ধন সোৱামী।

ভাল কৃষি কৰ্ম কৰা মানুহজনেই প্ৰকৃত খেতিয়ক আৰু ধানেই জমিৰ প্ৰকৃত অলংকাৰ। এই পটন্তৰে কৃষি-কৰ্মৰ উন্নতি কৰিবলৈ ইংগিত দিছে। তদ্ৰুপ পুৰুষৰ প্ৰকৃত পৰিচয় হৈছে—ধন সম্পত্তি আৰু নাৰীৰ ধৰ্মীয় বল হৈছে তাইৰ স্বামী।

পূজা-পাতলৰ গীতবোৰ বাহিৰে ধৰ্মৰ লগত সম্বন্ধ। অসমত ভিন্ ভিন্ ধৰ্মাৱলম্বীৰ মাজত ভিন্ ভিন্ ধৰ্মানুষ্ঠানৰ ব্যৱস্থা আছে। অসমৰ জনজাতি-সকলৰ মাজতো ব্যক্তিগত বা সামূহিক ভাবে ধৰ্মানুষ্ঠান উদ্‌যাপিত হৈ আহিছে। ধৰ্মানুযায়ী এইবোৰক শৈৱ, শাক্ত, বৈষ্ণৱ, গাণপত্য আদি ভাগত শ্ৰেণীভুক্ত কৰিব পাৰি। জনজাতিৰ বহুতো মানুহেও বৰ্তমান হিন্দু-ধৰ্মীয় অনুষ্ঠানবোৰ উদ্‌যাপন কৰে। গাঁওবোৰত সকলো ধৰ্মৰ মানুহে বাস কৰি আছে। তেওঁলোক সকলোৱে এই আনন্দ-উৎসৱবোৰত সাঙোৰ খাই আছে। দৰং, কামৰূপ আৰু গোৱালপাৰা জিলাত মনসা পূজাৰ লগত জড়িত গীত-মাতে লোক-সংস্কৃতিত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ৰচনা আৰু পৰিবেশনাৰ ভিন্নতা অনুসৰি এই গীতবোৰক ক্ৰমে পদ্মপুৰাণ, বাঁশীপুৰাণ, মাৰৈ গান, বিষহৰিৰ গান বুলি অভিহিত কৰা হয়। কামৰূপ আৰু দৰঙত ওজাপালিৰ গীতো প্ৰচলিত হৈ আছে। ইয়াতেই এটা প্ৰশ্ন হয়, যিহেতু, এইবোৰ গীত কোনো বিশেষ কবিৰ সাহিত্য-কৃতি, সেইবাবে এইবোৰক লোক-গীতৰ অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি ? কিন্তু, এইখিনি কব পাৰি যে, ভালেমান গীতে এনে ধৰণে লোকায়ত ৰূপ ধাৰণ কৰিছে যে, অন্ততঃ সেইবোৰক লোক-গীত পৰ্য্যায়ত ভুক্ত কৰা বোধহয় বাধা নাথাকিব।

গোৱালপাৰা জিলাত 'বাঁশ পূজাৰ' অনুষ্ঠান আছে। ই এটা অৰ্ধ-ধৰ্মীয় লোক—উৎসৱ। মদন-কাম দেৱতাৰ প্ৰতীক হিচাপে এডাল সুসজ্জিত বাঁহক কেন্দ্ৰ কৰি পূজা কৰে, লগতে নৃত্য-গীতো পৰিবেশন কৰে। এই অনুষ্ঠানৰ লগত প্ৰজনন ভাবনাৰ সম্পৰ্ক অতি সুস্পষ্ট। এই পূজাত গোৱা গীতবোৰ যৌন গন্ধী তাক প্ৰকাশ কৰা সম্ভৱ নহয়। এই নৃত্যগীত পুৰুষ সকলেহ কৰে। তিৰোতাসকল অনুষ্ঠানৰ থলীত যোৱা নিষেধ। তদ্ৰূপ হুদুম পূজাৰ' গীতো যৌন-গন্ধী। হুদুমদেও কৃষিৰ দেৱতা। চ'ত বহাগ মাহত বা অনাবৃষ্টিৰ সময়ত গভীৰ ৰাতি নিৰ্জন স্থানত অকল তিৰোতাসকলৰ দ্বাৰা এই পূজা কৰে। তিৰোতাসকলে বিবসনা হৈ নৃত্য-গীত কৰে।

'কাতিপূজা'ও তিৰোতাসকলৰ দ্বাৰাহে অনুষ্ঠিত হয়। কাতি দেৱতা শিৱ-চণ্ডীৰ পুত্ৰ যদিও—প্ৰকৃততে পুত্ৰ কণ্যাদাতা আৰু শস্যদাতা দেৱতাহে। এই পূজাত পুৰুষৰ যোগদান নিষিদ্ধ। কাৰণ—ওৰে ৰাতি তিৰোতাসকলে অভিনয়ৰ পৰিৱেশত অশ্লীল গীত গায় আৰু নৃত্য কৰে।

অসমৰ জনজাতিসকলৰ ভিতৰত—কাৰ্বিসকলে ৰংকেৰ, ৰংকেৰ্‌পি, পেং, হেম্ফু, পিটু, লাম্‌কি, দুইখাই, ৰং-আৰ্নাম- আদি দেৱতাৰ পূজা

কৰে আৰু নিজৰ ভাষাত স্তোত্ৰাদি গায়। (লংকাম টেৰণ) তিৱাসকলে ছুংথং (লখিমী), ৰৰতৰ পূজা (ব্ৰত পূজা), লাংখুন (ন-ধান কটা উৎসৱ), ছুগ্ৰা-মি-ছাৱা (বসন্ত উৎসৱ), পাং-চিফালেনি (মহাদেও পূজা), লাম-ফা-ৰাজা, ফা-মাহাদেউ আদিৰ পূজা কৰে। পাং-চিফালনি পূজাত ডেকা-সকলে নিজৰ ভাষাত গীত গায় আৰু নৃত্য পৰিৱেশন কৰে। (সদৌ তিৱা যুব ছাত্ৰ সম্মিলন) বড়ো কছাৰীসকলৰ প্ৰধান উপাস্য দেৱ-দেৱী হৈছে বাথৌ আৰু খেৰাই। এই পূজাত ছোৱালীবিলাকে নৃত্য গীত পৰিৱেশন কৰে। (ভবেন নাৰ্জি) মিচিংসকলেও—দাবিৰ-উই, তালেং উই, উৰম, উৰ্‌ম কুচাগ, দুমুৰ্গ, দংবাং, মুগলিং তাবাৰ, দঞিং পল আদি দেৱ-দেৱীৰ পূজা কৰে আৰু নৃত্য গীত কৰে, (তৰুণ পামেগাম) ডিমাছাসকলে—ব্ৰাই-শিব্ৰাই, ৰণচণ্ডী, হেড়েম্বাড, মুংগ্ৰাং, ডিলাওজু, ডিছাইম, কাহাইম, ছাম বিয়াম, লাৰিকগং আদিৰ পূজাৰ্চ্চাৰ নৃত্য-গীত পৰিৱেশন কৰে। (নিৰুপমা হাগজেৰ) খাছি সকলে কাব্লেহ' সংসাৰৰ পূজা কৰে। নংক্ৰেম এওঁলোকৰ ডাঙৰ নৃত্য-গীত মুখৰিত উৎসৱ। 'কৰমদেও পূজা চাহ-মজদুৰসকলে কৰে। এওঁলোকৰ ই এটা ডাঙৰ জাতীয় উৎসৱ। এই উৎসৱত নৃত্য-গীত পৰিৱেশন কৰা হয়। ৰাভাসকলৰ প্ৰধান দেৱ দেৱী হৈছে—বায়খো, খোক্‌চি হাছং, দাৰ মাং, লাঙা আদি। বায়খো, খোকচি আৰু হাবং পূজাত পুৰুষ তিৰোতা সকলোৱে নৃত্য-গীত পৰিৱেশন কৰে।

গাৰোসকলৰ প্ৰধান দেৱতাৰ নাম অঞ্চলভেদে বেলেগ বেলেগ। যেনে—চাল্‌জং, তাত্ৰাৰা বাবুগা, মিস্ত্ৰেদাল গিপা। ওৱাংগালা' হৈছে তেওঁলোকৰ খেতি চপোৱাৰ উৎসৱ। 'মাংগোনা' উৎসৱটো হৈছে—তেওঁলোকৰ সামূহিক শ্ৰাদ্ধৰ দৰে। সকলো উৎসৱতে তেওঁলোকে নৃত্য-গীত পৰিৱেশন কৰে।

সাধু কথাবোৰ লোক-সাহিত্যৰ এটি ডাঙৰ অংগ। এই সাধুবোৰৰ সঠিক সূত্ৰ দিয়া কঠিন। পৰম্পৰাগতই হৈছে সাধু কথাবোৰৰ বিশেষ লক্ষণ। ইজনৰ পৰা সিজনলৈ, ইযুগৰ পৰা—সিযুগলৈ, এখন সমাজৰ পৰা—আন এখন সমাজলৈ বাগৰি অহা। ইয়াৰ ঐতিহ্য একেবাৰেই মৌখিক। সাধু শুনোতাই তেওঁৰ মনৰ পৰা একোযোগ নিদিয়াকৈ বা তাৰ কোনো পৰিৱৰ্তন নকৰাকৈ আন এজনৰ আগত পুনৰাবৃত্তি কৰে। সাধুৰ ঐতিহ্য কেতিয়াবা সাহিত্যৰ যোগেদিও জীয়াই থাকে। যেনে:— অসমীয়া সাধুকথাত প্ৰচলিত বহুতো সাধুকথা হিতোপদেশ, পঞ্চতন্ত্ৰ আৰু আনকি বৌদ্ধ-জাতকতো পোৱা যায়।

সাধুকথাবোৰ কেইবাটাও ভাগত বিভক্ত কৰিব পাৰি। যেনে —(১) সৃষ্টি বা প্ৰকৃতিৰ ব্যাখ্যামূলক উপাখ্যান (২) অপেশ্বৰী, ভূত-প্ৰেতাদি

অলৌকিক জীৱৰ লগত জড়িত কাহিনী (৩) বুৰঞ্জীমূলক বুলি বিশ্বাস কৰা চৰিত্ৰ সম্বন্ধে থকা উপাখ্যানবোৰ (৪) নীতিমূলক সাধুও পোৱা যায়। বৰ্তমান অসমৰ জনজাতিৰ মাজত সৃষ্টিতত্ত্ব বা জীৱন-বিজ্ঞানমূলক সাধু পোৱা যায়। তদুপৰি জীৱজন্তু প্ৰকৃতিৰ পদাৰ্থ, ঠাট্টা বিদ্ৰূপ আৰু টেটোন সম্বন্ধীয় বহুতো সাধু পোৱা যায়। বৰ্তমান অসমীয়া সাধুকথাৰ ওপৰত জন-জাতীয় সাধুৰ প্ৰভাৱ কিমান দূৰ পৰিছে—সেই সম্বন্ধে চৰ্চা আৰু অনুসন্ধান কৰাৰ যথেষ্ট অৱকাশ আছে।

কেইটিমান জন-জাতীয় সাধুৰ ওপৰত কৰা মন্তব্যবোৰ তলত উল্লেখ কৰা হল—

(১) 'লুচাইসকল খৃষ্ট-ধৰ্ম' গ্ৰহণ কৰিলেও প্ৰাচীন সাধুবোৰ তেনেকৈ লুপ্ত নহ'ল। এই সাধুবোৰৰ যোগেদি লুচাই সমাজখনৰ অতীতৰ ৰূপটো ধুনীয়াকৈ পোৱা যায়। 'চেচাংময়ী' আৰু 'খুংচুবানী' নামৰ প্ৰেমৰ সাধু-টোৰ পৰা বুজিব পাৰি—সেই কালৰ মিজো জীৱনৰ কঠোৰ নীতি। তেনেকৈ—'বিধবাৰ সন্তান' বোলা সাধুটো নীতিমূলক। ভূত-প্ৰেত সম্বন্ধীয় আৰু নানা সামাজিক শোক সাধু কোনো প্ৰকাৰে তিষ্ঠি আছে।'

(শ্ৰী চিত্ৰ মহন্ত)

(২) মিকিৰ গীতবোৰৰ লগে লগে কিছুমান পুৰণি সাধুকথাও শুনা যায়। অসমীয়া পুৰণি সাধুবোৰৰ মাজত জড়-জগত আৰু জীৱ জগতৰ সম্বন্ধ থকা বিবোৰ চিত্ৰ পোৱা যায়, তেনে চিত্ৰৰ প্ৰতিকৃতি মিকিৰ সাধুৰ ভিতৰতো পোৱা যায়।' (যজ্ঞৰাম পাগে)

(৩) 'খাছিসকলৰ ভালেমান সাধুকথা আছে। মৈ, পাহাৰ আদিৰ উৎপত্তি 'থ্লেন' বা সাপ পূজা কেনেকৈ আৰম্ভ হল আৰু 'ছিয়েম'ৰ জাতিগুৰি আদিয়েই সাধুবোৰৰ বিষয় বস্তু।' (ফণিধৰ শৰ্মা)

(৪) মিৰি সমাজত প্ৰচলিত বেছি ভাগ সাধুয়েই আদিম মানবৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। পৃথিৱীলৈ ভূত প্ৰেতবিলাক কেনেকৈ আহিবলৈ পালে—নানা প্ৰাণীৰ জন্ম কেনেকৈ হল, এনেধৰণৰ সাধু মিৰি সমাজত বেছিকৈ পোৱা যায়।' (তৰুণ পায়েংগাম)

(১) ৰাভা সাধুবোৰৰ বৈশিষ্ট্য এয়ে যে— প্ৰত্যেকটো সাধুৰ চৰিত্ৰবোৰৰ নাম পোৱা যায়। সাধুবোৰৰ আধাৰ—জাতীয় সংহতি, ভূত-প্ৰেত, দেৱ-দেৱী, চৰাই-চিৰিকতি, জীৱ-জন্তু, অলৌকিকতা। নীতিমূলক আৰু জীৱন-বিজ্ঞান সম্বন্ধেও সাধু পোৱা যায়। কাহিনীমূলক সাধুবোৰ বৰ দীঘলীয়া। দুই বা ততোধিক সাধুৰ চৰিত্ৰবিশাকৰ যোগসূত্ৰ আছে।

(ৰাজেন ৰাভা)

অধিক সংখ্যক অসমীয়া লোক-গীতৰ প্ৰধান উপজীব্য হৈছে প্ৰেম। এইবোৰ গীতত সেইকাৰণে বহুল ভাবে প্ৰতীকৰ প্ৰয়োগ দেখা যায় ই কেৱল প্ৰেমিক প্ৰেমিকাৰহে উপলব্ধিৰ বিষয়। সেইকাৰণে অসমীয়া লোক-গীতবোৰত— মৌ মৌ মাখি, মইনা, কোৱা, ভাটৌ, কুলি, কেতেকী, ম'ৰা চৰাই, কপৌ, হাঁহ, চাকৈ-চকোৱা, পখিলা আদিক প্ৰতীক হিচাপে পোৱা যায়। নেমু, সুমথিৰা, তিয়ঁহ, কোমোৰা, জলকীয়া, ডালিম, পদুম, বেল আদিয়ে নাৰী-পুৰুষৰ শাৰীৰিক অংগৰ ইংগিত দিয়ে। বিহু অসমীয়া জাতিৰ বাপতি সাহোন। এই বিহু উৎসৱক অসমৰ সকলো জন-গোষ্ঠীয়ে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উদ্‌যাপন কৰি আছে। যেতিয়ালৈকে এই জাতীয় উৎসৱ জীয়াই থাকিব, তেতিয়ালৈকে অসমীয়া জাতিৰ অস্তিত্বও জীয়াই থাকিব। বিহুগীতৰ প্ৰতীক-বোৰ অসমৰ জন-জাতিসকলৰ উৎসৱ পাৰ্বন আদিত পোৱা প্ৰণয়মূলক গীতবোৰতো পোৱা যায়।

যেনে— বিহু গীতত প্ৰতীক পোৱা যায়—

'চৰাই হে পৰিমগৈ ছালত
আমি জুৰনীয়া মৌ। ইত্যাদি

তদ্ৰূপ— ৰাভাসকলৰ প্ৰেমমূলক গীতত পোৱা যায়

অসমীয়া সৰলাৰ্থঃ—

(১) 'শিমলুৰে তুলাবোৰে উৰি উৰি গৈ,
খাগৰিৰে আগলিতে পৰি থাকে বৈ।
তোমালোকৰ মনবোৰো উৰি ঘূৰি হায়,
মনে খোৱা জনৰ হিয়াত লাগ পাম যাব

(২) 'কপৌটিয়ে বুণ দিয়ে, উৰ আকাশত
হাঁহটিয়ে দেখি থাকে, ৰেকা চোতালত।
হায় বান্ধৈ! তুমি কপৌ দূৰ আকাশৰ,
হাঁহটি যে মই বান্ধৈ! ৰেকা চোতালৰ। ইত্যাদি

এনেকৈ অসমৰ প্ৰত্যেক জন-জাতিৰ প্ৰণয়মূলক গীতবোৰত প্ৰতীক পোৱা যায়। তেওঁলোকে নিজৰ নিজৰ ভাষাত এই গীতবোৰ গায়। এই গীতবোৰত কৰুণ আৰু আক্ষেপৰ সুৰ পোৱা যায়। উদাহৰণ স্বৰূপে— কাৰ্বিসকলৰ তেনে এটি গীতত— এজন কাৰ্বি ডেকাই তাৰ প্ৰেমিকাৰ প্ৰতি অন্তৰৰ বেদনা প্ৰকাশ কৰি গোৱা গীতৰ অসমীয়া সৰলাৰ্থ হৈছে— 'হে প্ৰিয়া, ঈশ্বৰে আমাৰ মাজত প্ৰেমৰ সম্বন্ধ পাতি দিলে হয়, কিন্তু ই পৰিপক্কতা লাভ কৰিব নোৱাৰিলে। তোমাক জীৱনৰ লগৰী স্বৰূপে পাব নোৱাৰিলোঁ।। (লংকাম টেৰন)

'বাৰমাহী' গীতক ঋতুগীত বুলি আখ্যা দিব পাৰি। এই গীতৰ মাজেদি নাৰীৰ বিৰহ মূৰ্তিয়ে স্পষ্ট ভাবে প্ৰকাশ পাইছে। নাৰী জীৱনৰ আশা-আকাংক্ষা এই গীতত মূৰ্তমান হৈ উঠিছে। প্ৰকৃতি আৰু মনুহৰ মাজত আদিম কালৰে পৰা যি অন্তৰংগ সম্বন্ধ গঢ়ি উঠছে—বাৰমাহী তাৰেই বন্দনা গীত। ইয়াৰ বাহিৰেও এই গীতত সামাজিক আৰু ধাৰ্মিক জীৱনৰো চিত্ৰ প্ৰতিফলিত হৈছে।

গোৱালপাৰা জিলাত 'ভাওঈয়া গীত বুলি এবিধ বিৰহৰ গীত পোৱা যায়। ভাও-ঈয়া দতৰা সংগত কৰি গোৱা হয়। এই গীতকে গোৱাল পৰীয়া লোক গীত' নাম দি বেতাৰ কেন্দ্ৰতো প্ৰচাৰ কৰা হয়। কোমলাংগী নাৰীহৃদয়ৰ বিৰহ জনিত গভীৰ দুখ অনুভূতিপূৰ্ণ ভাওঈয়া গীতে লোক গীতৰ আসনত শ্ৰেষ্ঠ অধিকাৰ যোগাইছে। ভাওঈয়া গীতৰ বিশেষ লক্ষণ এয়ে যে— এই গীতত মিলনৰ কোনো কথা নাই। বৈষ্ণৱ পদাৱলীৰ দৰে ইয়াত অনুৰাগ, পূৰ্বৰাগ অভিসাৰ, বিৰহ-মিলনৰ সন্ধান পোৱা নাযায়। ই হৈছে— নিৰবচ্ছিন্ন বিৰহৰ সুৰ। ভাওঈয়া গীতত বাৰ মাহৰ কাহিনী বিশ্লেষণো আছে। এই বিশ্লেষণত আছে— পতি অপেক্ষিতা পত্নীৰ ৰূপাত্মক বিলাপ। এই বিলাপত-পৰিস্ফুট হৈছে পত্নীৰ বিৰহজনিত বেদনাৰ উৎকণ্ঠা। সেইহে— স্বামীৰ অনুপস্থিতত তাই 'পাষাণ' আখ্যা দিবলৈও কুণ্ঠাবোধ কৰা নাই। ইয়াত আছে— বিৰামহীন ঝংকৃত কান্দোনৰ কৰুণ সুৰ। নমুনা উল্লেখ কৰা হল—

) কিসেৰ মোৰ ৰান্ধোন, কিসেৰ মোৰ বাৰোণ
কিসেৰ মোৰ হলদিয়া বাটা,
মোৰ প্ৰাণ নাথ—অইনেৰ ঘৰে যায়,
মোৰ আংগিনা দিয়া ঘাটা।

—বিৰহ-প্ৰপীড়িতা এজনী নাৰীৰ হৃদয়ৰ কৰুণ আতনাদৰ এই গীতে ইংগিত দিয়ে।

(২) আবহে—এহেন বয়সে,
বিহা না হইল মোৰ,
আস পাৰ্বসিৰ বিহা হয
মাসে মাসে—
মোৰ কম বৰ্কৃতিৰ বিহা নাহয়,
কপালেৰ দোষে।

— এই গীতত এজনী অধিক বয়স্কা অবিবাহিতা যুবতীৰ বিৰহজনিত ভাবাবেগ ফুটি উঠিছে।

(৩) দাদা, দুই শ টাকা পোনা নিয়া,
বেচেয়া খাইলি দাদা বুঢ়া বৰ দেখিয়া
দুখেৰ কাথা শোনৰে দাদা,
বাৰ দিনে মোৰ বুঢ়াটো ধকে মাৰিয়া।
এইবাৰ মাৰলে মুই আছিম পালেযা,
জবৰ কৰিলে মৰিম মুই জলত ডুবেযা।

এই গীতে এসময়ৰ ছোৱালী বিক্ৰীৰ সন্ধান দিযে। লগতে সন্ধান দিয়ে—মানৱ জীৱনৰ দৈৱ ঘটনা আৰু দাম্পত্য জীৱনৰ এটি সেমেকা পৰিবেশ। ইত্যাদি ইত্যাদি।

গোৱালপাৰা জিলাত হাতী আৰু মহক কেন্দ্ৰ কৰি গোৱা-'মাহুত বন্ধু' আৰু মৈষাল' গীত পোৱা যায়। এই লৌকিক গীতবোৰতো বিৰহৰ সুৰ ধ্বনিত হৈছে। উদাহৰণ স্বৰূপে –

কন্যা — অৰে গেইলে কি আসিবে বন্ধু মোৰ মাহুত বন্ধুৰে—
হস্তীৰে নড়ান, হস্তীৰে চড়ান, হস্তীৰে গলায় দাড় –
ওৰে সইত্য কৰিয়া কওনৰে বন্ধু কোনোবা দেশে বাৰীৰে।'

মাহুত — 'হস্তীৰে নৰাং, হস্তীৰে চড়াং, হস্তীৰে গলায় দড়ি–
ওৰে সইত্য কৰিযা কইলাম কাথা, বগৰীবাৰী বাড়ী।'

— এই গীতত এজন মাহুত বান্ধৱীৰ বিৰহজনিত সন্দেহৰ ভাব ফুটি উঠিছে।

'মহিষ চড়ান মইষাল বন্ধুৰে
বন্ধু কোনবা চৰেৰ মাজে।
এলা কোনো ঘাণ্টিৰ বাজন
না শোনং মই কানে মইষালৰে।
আদিয়া আদিয়া খান, মোৰ মইষালৰে
মইষাল দত্‌বা বাজাইয়া
কোনবা কাথায় হইছে গোঁসা
না দেখেন ফিৰিয়া মইষালৰে।

এই গীতত-এজনী বিৰহিণী মৈষাল প্ৰিয়াৰ হৃদয় শূন্যতাৰে পৰিপূৰ্ণ হৈছে। ইত্যাদি

কৰ্ম' তাৰু পৰিশ্ৰমেই গাঁৱলীয়া জীৱনৰ দৰ্শন। পৰিশ্ৰম যাতে বিৰক্ত-কৰ আৰু অৱসাদজনক নহয়, তাৰ বাবে দৈনন্দিন সকলো কামতে গীতৰ ব্যৱহাৰ হয়। এই গীতে পৰিশ্ৰমৰ লাঘৱ ঘটায় আৰু কামত উদ্দীপনা আৰু অনুপ্ৰেৰণা যোগায়। কৰ্মগীতৰ ভিতৰত বিশেষকৈ গছকটা, সূতা কটা, ধান দোৱা, মৰণা মৰা, ধান বনা, মাছ মৰা, নাও বোৱা, চিকাৰ কৰা গীতেই প্ৰধান। বৰ্তমান এনে ধৰণৰ গীত সংৰক্ষণৰ অভাৱত বিস্মৃতিৰ গৰ্ভত লুপ্ত হোৱাৰ উপক্ৰম হৈছেহি। এই গীতবোৰৰ সুৰ আৰু বিষয় বস্তুৰ প্ৰতি আলোচনা কৰিলে জীৱন নিৰ্বাহৰ বিভিন্ন কাৰ্য্যাৱলী জ্ঞাত হোৱা যায়। এই গীতবোৰত সাধাৰণ মানুহৰ জীৱনৰ আবেগ-অনুভূতি, গীত-নৃত্য মুখৰ মন-প্ৰাণৰ পৰিচয় ফুটি উঠে।

কিছুমান জনজাতিৰ মাজত তিৰোতাই মদ প্ৰস্তুত কৰাৰ সময়ত গোৱা গীত পোৱা যায়। এই গীত গোৱাৰ উদ্দেশ্য হল— যাতে প্ৰস্তুত কৰা জোঙা মদটো ভূত-প্ৰেতে নষ্ট কৰিব নোৱাৰে তাৰ বাবে দেৱ-দেৱীলৈ প্ৰাৰ্থনা জনোৱা।

গোৱালপাৰা আৰু কামৰূপ জিলাৰ দক্ষিণ পাৰ অঞ্চলত পাতি ৰাভাৰ মাজত স্বতঃস্ফূৰ্ত ভাবে যিবোৰ গীত প্ৰচলিত হৈ আছে, এইবোৰ গীতক যোৱা গীত বা বহুৰঙী গীত বোলা হয়। এই গীতবোৰৰ বিশেষত্ব এয়ে যে সাধাৰণতে বয়স্ক মতা বা তিৰোতাৰ দলেহে কোনো বিশেষ উপলক্ষে বা মদ খাইতে এইবোৰ গীত গায়, লগতে কেতিয়াবা নাচেও। পুৰুষ আৰু স্ত্ৰীৰ বিবিধ বিসংগতি আৰু দুৰ্বলতাৰ কটাক্ষ কৰি গোৱা এই গীতবোৰ সাধাৰণত ব্যংগ আৰু কৌতুক ৰসেৰে পৰিপূৰ্ণ।

প্ৰকৃততে এইবোৰ ডেকা-গাভৰুৰ প্ৰেমমূলক গীত নহয়। জোৰা গীতৰ অৰ্থ—এটাৰ পিছত এটা কথা জোৰা লগাই গোৱা গীত আৰু বহুৰঙী অৰ্থ—বিচিত্ৰ ভাবৰ সমাবেশ কৰি গোৱা গীত। আগতে এইবোৰ গীত বুঢ়াবুঢ়ী আৰু বয়সীয়াল মানুহেহে গাইছিল। জীয়েকক বিয়া দিছিল—তাইৰ মাক-বাপেকে নতুন বিয়ৈ-বিয়নীৰ ঘৰত আহি মদ-ভাত খাইছিল। মদৰ মিঠা ৰাগত উৎফুল্ল হৈ পৰস্পৰে চিত্ত বিনোদনৰ বাবে এই গীতবোৰ গাই অনিন্দনীয় আনন্দ উপভোগ কৰিছিল। এই গীতবোৰৰ যোগেদি ব্যক্তিগত কোনো শাৰীৰিক প্ৰেমৰ উন্মেষ ঘটা নাছিল। ই আছিল এটা আনন্দ ৰগৰৰ গীতহে। এই গীতবোৰত—বিৰহ আৰু জীৱন যৌৱনৰ স্বৰূপ বৰ্ণনাৰ উপৰিও সামাজিক চিত্ৰণ প্ৰতিফলিত হৈছে। এই গীতবোৰে নিৰক্ষৰ ৰাভা মানুহৰ ৰচনা শক্তিৰ স্বাক্ষৰ বহন কৰে। এই গীতবোৰো অসমৰ লোক সাহিত্যৰ এটি অংগ। তলত নমুনা উল্লেখ কৰা হল—

'নহয না কিতো বিয়ানী, গোৰা মদকে,
এক ভোঙা গোৰা হল, আৰো জোঙা খুদে।
তাতেৰ খুটা পুতেৰে, ভাতেৰ খুটা পুতং,
আমাৰ বিযানী মাছৰ যায, ঘৰ বান্ধি থং।
নহযনা কিতো বিযানী পাৰেৰ মুখৰ বাণা,
চল যাং ধঁতুৰা বাৰীত ফুলে ভৰা মাথা।
এক পৰীয়া বাঁশেৰ, পাকাং চালাঙি,
আজিকালিৰ আপি কযটা ভাতৰ ফালাঙি। ইত্যাদি—

দক্ষিণ গোৱালপাৰাৰ মাৰৈ পূজাৰ অনুষ্ঠানৰ-মাৰৈ গান আৰু ভাৰীগানৰ অভিনয়ত—দৰ্শকক আমোদ দিবৰ বাবে কিছুমান মাজে মাজে ধেমেলীয়া গীত গোৱা হয়। এনে গীতবোৰক 'জুনা' গীত বুলি কোৱা হয়। এইবোৰ গীত মূল কাহিনীৰ লগত সংগতি নাথাকে। কিছুমান জুনা গীত অতি মাত্ৰা অশ্লীল সেইবোৰ প্ৰকাশ কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে—বেহুলা লখাইৰ বিয়াত খাইলৰ ৰূপত মুগ্ধ হৈ কন্যাপক্ষৰ সদ্য বিবাহিতা কেইজনীমান তিৰোতাই নিজৰ নিজৰ স্বামীৰ কু-গুণবোৰ তুলনামূলক ভাবে নিজৰ নিজৰ অন্তৰ্বেদনা ব্যক্ত কৰি খেদ কৰিছে।

নিজে কাঞ্চনবালা, লখাই অ' আৰে বিয়াবে,
দিখিয়া লখাইৰ ৰূপ যুৱতী পাৰিয়া গেল ভুলে।
এক যুৱতী, দুই যুৱতী, তিনি যুৱতীৰ মেলা
পাঁচ যুৱতী মেল কৰিলে হল দিকৰ বেলা
এক যুৱতী উঠি কয়, তোৰতো খানিক ভাল,
মোৰ কপালত লিখি দিছে, দাদুৰা ভাতাৰ।
চা তো চা-তো ভাইৰে সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে, দাদুৰাক দিলে মোক।
এক পোৱা তেল আনিছিল, ভাজা খাবাৰ বাদে,
সিও পোৱা তেল গেল, দাদু খচলাইতে।
তেল-তুল দিলে দাদুৰা, দেখাবাৰ ভাল,
ঘুমটিৰ পৰা উঠিলে দাদুৰা, লুট পোৱা চুযাৰ। ইত্যাদি

ডাক পুৰুষজন অসমীয়া নিৰক্ষৰ জনগণৰ বেদব্যাস। সেইকাৰণে কোৱা হয়— ডাকৰ বচন বেদৰ বাণী ডাকৰ আবিৰ্ভাৱৰ সময়ত সদৌ পূব ভাৰত বা প্ৰাগজ্যোতিষ ৰাজ্যই সদায় সামৰি অহা বংগ, বিহাৰ, উৰিষ্যা, নেপাল ভূটান আদিক তিব্বতৰ সৈতে জুৰি এক পূব ভাৰতীয় সংস্কৃতি আৰু ভাষা যে আছিল ভাবিবৰ যথেষ্ট কাৰণ আছে। ডাকৰ বচনত—জন্ম প্ৰকৰণ নীতি প্ৰকৰণ, ৰন্ধন প্ৰকৰণ কৃষি লক্ষণ পৰিত্যাগ কথন, বৃষ লক্ষণ, জ্যোতিষ প্ৰকৰণ খেতি প্ৰকৰণ আদি ৩টা ভাগ আছে। এই ডাকৰ বচন-বোৰো অসমৰ লোক-সাহিত্যৰ ভিতৰুৱা। 'ডাক' পুৰুষজন ৬ষ্ঠ শতিকাৰ পাছ হব নোৱাৰে। কিন্তু এই বচনবোৰ সপ্তদশ/অষ্টদশ শতিকাৰ আগত লিপিবদ্ধ হোৱা নাছিল। আইনাম, বিয়ানাম, ধাইনামৰ সূক্ষ্ম সৌন্দৰ্য্য ডাকৰ বচনবোৰত নাই সঁচা কিন্তু ইয়াৰ গঢ় সম্পূৰ্ণ বেলেগ। অসমীয়া ফকৰা-বোৰত ইয়াৰ গঢ় অলপ দেখা যায়।

মনিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত আৰু জনা গাভৰুৰ গীত আদি পূব ঐতিহাসিক গীতকে আৰম্ভ কৰি বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত আদি বৰ্ত্তমান দিনলৈকে ধৰি ভাল্লোখীনি আখ্যানমূলক গীত অসমত প্ৰচলিত আছে

গ্ৰীয়েৰছন চাহাবে ভাটী ৰংপুৰ ফালৰ পৰা—মানিক চন্দ্ৰৰ গান, ময়নামতীৰ গান আৰু গোপী চন্দ্ৰৰ গান সংগ্ৰহ কৰি উলিয়াইছিল। এইবোৰ গীত — গীতি কাব্য। এইবোৰ গীতকো অসমৰ লোক সাহিত্য বুলি কোৱাৰ যথেষ্ট

থল আছে। তদ্রূপ—অসমৰ প্রত্যেক জনজাতিৰ মাজতো পৰম্পৰাগত ভাবে চলি অহা নিজস্ব কাহিনী গীত আছে। এইবোৰক গীতিকাব্য বুলিয়ে কব পাৰি। সাধাৰণতঃ এই গীতবোৰ তেওঁলোকৰ জাতীয় উৎসৱ আৰু দেৱ-দেৱীৰ পূজানুষ্ঠানৰ সময়ত গায় আৰু নৃত্য কৰে। এই গীতবোৰেও অসমৰ লোক সাহিত্যত যথেষ্ট সমল যোগাব পাৰে।

নিচুকনি গীতো লোক-সাহিত্যৰ এটা প্রধান অংগ। মাকৰ কাৰণে সন্তান যি দৰে মৰমৰ, এই গীতবোৰো এটা জাতিৰ কাৰণে তেনে মৰমৰ। অসমীয়া মাকে লৰা-ছোৱালীক নিচুকাই শুৱাবৰ কাৰণে এই নিচুকনি গীত গায়। এই গীতবোৰ শুনি শুনি লৰা-ছোৱালী মন্ত্রমুগ্ধ হৈ টোপনি যায়। এই গীতবোৰৰ যোগেদি কেতিয়াবা কেচুৱাক নিভ'য়তাৰ শুনোৱা হয়, কেতিয়াবা ফুলৰ বৰ্ণনা শুনোৱা হয়, কেতিয়াবা মাকে নিজৰ সন্তানৰ গুনানু-কীৰ্তন কৰে, লগতে কেতিয়াবা সন্তানক খোজ কঢ়ুৱাবলৈ, আঙুলিৰ ব্যৱহাৰ শিকাবলৈ, সংখ্যাবোৰ চিনাই গণনা শিকাবলৈ কেতিয়াবা টোপনিৰ পৰা জগাবলৈ, কেতিয়াবা ভাত খাবলৈ, কেতিয়াবা ধেমালিৰ চলেৰে ভীতি প্রদৰ্শন কৰা হয়। টোপনি নহা লৰা ছোৱালীক টোপান নিয়াবলৈ শ্রীধৰ কন্দলীৰ 'কাণ খোৱা' গীতটি এটি মনোৰম উদাহৰণ। যেতিয়ালৈকে শিশুৰে কান্দৰ আৰু মাকে নিচুকাব তেতিয়ালৈকে এই গীতবোৰ নিশ্চয় থাকিব। কেইটি-মান উদাহৰণ উল্লেখ কৰা হল—

(১) লাই হালে জালে আবেলি বতাহে,
লফা হালে জালে পাতে।

(২) ফুলি আছে গোলাপফুল
নেভাগুঁৱা ডাল,
আমাৰ মইনা বহি আছে
দেখিবলৈ ভাল।

(৩) শিয়ালীয়ে নাহিবি ৰাতি,
ভোৰে কাণ কাটি লগাম বাতি।

(৪) এ, নাম ধৰ খোকা
তুলসী গুৰিত নাম ধৰিছে
কল খাই পকা।

(৫) টুপো চাকেয়া – টুপো,
ধান নাখাবি, চাউল নাখাবি,

ঘৰত বহি খাবি,
ৰাজা দিব ফুল গামোছা,
ৰাণী দিব ফুল,
ৰাজাৰ বেটীৰ বিয়া হব—
বুঢ়ী বজাব ঢুল। ইত্যাদি

এই নিচুকনি গীত অসমৰ প্ৰতি জাতি-উপজাতিৰ মাজত এতিয়াও বিদ্যমান হৈ আছে। জনজাতিৰ তিৰোতাসকলে এই গীতবোৰ নিজৰ নিজৰ ভাষাত গায়। এই গীতবোৰ সংগ্ৰহ কৰি অসমৰ লোক-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিব পাৰি।

গোৱালপাৰা আৰু কামৰূপ জিলাত 'ভালুক' আৰু মহ হো অনুষ্ঠান উদ্‌যাপন কৰা দেখা যায়। এই দুয়োটা অনুষ্ঠান উদ্‌যাপনত গীত গোৱা হয়। 'ভালুক' উৎসৱ আঘোণ মাহৰ পূৰ্ণিমা ৰাতি আৰু 'মহ হো' উৎসৱ পুহ মাহৰ পূৰ্ণিমা ৰাতি অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠান ডেকা লৰাবিলাকেহে উদ্‌যাপন কৰে। এই অনুষ্ঠান ৰাভাসকলেও উদ্‌যাপন কৰে। ৰাভাসকলৰ বিশ্বাস—'ভালুক' অনুষ্ঠান উদ্‌যাপন কৰিলে বনৰীয়া ভালুকবোৰে আহি পথাৰৰ পকা ধান খাই খান্তাং নকৰে আৰু 'মহ-হো অনুষ্ঠান পাতিলে ঘৰৰ পৰিবেশৰ পৰা মহবোৰ পলাই যায় আৰু আগন্তুক বছৰলৈ নাহে। নমুনা উল্লেখ কৰা হল।

ভালুক গীত—(১) ওলাওঁতে গিৰীঘৰ
ছাতি পোহৰ দিয়া
আমাৰ ভালুক নাচন দিছে
কোমৰ হেলন দিয়া।

(২) নদীৰ কোলাত উৰিয়া যায়,
বগা বগিলা,
ভালুক নাচন চাই যদি
আয় গধুলা। ইত্যাদি

মহ-হো গীত—(১) অ বি অৰণে
মাহালক্ষ্মী চৰণে।
মাহালক্ষ্মী দিছে বৰ,
ধান টোপোটা বাহিৰ কৰ।
ধানা টোপোটা উনি-দুনি,

সোনাৰে বান্দালুং টুনী,
টুনীৰে ৰাং- চুৰা,
আমাৰ লাথৰ খায় গুৰা। ইত্যাদি—

গোৱালপাৰা জিলাত 'লাথৰ গীত' বা 'গৰখীয়া গীত' পোৱা যায়। পাতি দাহাৰ আৰু বিটলীয়া ৰাভাসকলৰ মাজতো এই গীত পোৱা যায়। সাধাৰণতে—এই গীতবোৰ কম বয়সীয়া ডেকা লৰাবিলাকেহে গায়। সিইতে হাবিলৈ গৰু চৰাবলৈ যায় আৰু ইজনে সিজনক আক্রমন কৰি এই গীতবোৰ গায়। এই গীতবোৰত পৰিহাস আৰু কৌতুকপ্রিয়তাৰ লক্ষণ দৃষ্ট হয়। ডেকা লৰাবিলাকে নিজস্ব সৃজনী শক্তিৰ দ্বাৰা এই গীতবোৰ গোৱাৰ বাবে তাত তৰুণসুলভ বিলাসী চিন্তাৰহে প্রাধান্য দেখা যায়। নমুনা উল্লেখ কৰা হল।

১) হাতী কান্দে অ' কুবুং-কাৰাং অ'
ভৈষ কান্দে অ' দলত
মোৰ গৰু অ' বাথান দিছং অ'
ধোপোগাছেৰ অ' তলত।

২) পানী পৰে অ' চিপুৰ-চাপাৰ অ
নাই পাৰাং অ' ঘৰুনী
তোৰ বইনীক অ' নাই পাং অ'
নুবুজিবি অ' ভিনী।

৩) নাক চিক্কি অ' উৰাং ফাৰাং অ'
তাৰ পাংখা অ' লেখং,
হাতেৰ শাংখা অ' গলাৰ মণি অ'
তিৰি হেনা অ' দেখং। ইত্যাদি

অসমৰ জন-জাতিসকলৰ মাজত 'নৱ–বৰষৰ' গীত পোৱা যায়। নৱ-বৰষৰ লগে লগে অসমৰ উপত্যকা, নদীৰ পাৰ, হাবি-বননি তেওঁলোকৰ আনন্দপূর্ণ গীতৰ প্রতিধ্বনিত মুখৰিত হৈ উঠে। তেওঁলোকে নিজৰ নিজৰ ভাষাত নৱ-বৰষক উদ্দেশ্য কৰি গায়। এইবোৰ গীতো অসমৰ লোক-সাহিত্যৰ অন্তর্ভুক্ত। এইবোৰ গীতৰ অসমীয়া সৰলার্থ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

(১) 'সুখৰ নৱ-বৰষ প্ৰায় সমাগত।
উৰণীয়া মনবোৰ ধাবিত ঊৰ্দ্ধত।
আহা, গা ঢালি দিওঁ আনন্দ হিল্লোলত
অতীতৰ বেদনাই হানে হৃদয়ত।'

(২) 'মধুৰ নৱ-বৰষ আহিছে। আমাৰ মনবোৰো উৰিছে। আহা আমি আনন্দিত হওঁ। আমি মধুৰ দিন পাইছোঁ।' ইত্যাদি

ল'ৰা ছোৱালীবিলাকৰ খেল ধেমালিৰ লগত জড়িত বহুত গীত আছে। এইবোৰ গীত বা কথাকো লোক-সাহিত্যৰ লগত জড়িত কৰিব পাৰি। এই গীত কথাবোৰৰ বেছি ভাগৰেই ধ্বনি বা শব্দৰ লগতহে মিল দেখা যায়। যুক্তিতকৈ কল্পনাৰ প্ৰাধান্যহে ইয়াত অধিক। যেনে বুাহ খেলত সিহঁতে গায়—

ইখনি ইখনি পানী,
গগো গগো ৰাণী।
খাবু গাঁঠিমান পানী
গগো গগো ৰাণী।
ফেৰামান পানী,
গগো গগো ৰাণী। ইত্যাদি

গছত বান্দৰ দেখিলে পৰস্পৰে ঠাট্টা-তামচা কৰি আনন্দ উপভোগ কৰে। যেনে—

অ' বান্দৰ! কি ফল খাই?
জীয়া ফল খাং।
মোকো একটা দুলাই দি
কি কৰিবি?
বেজি কিনিবা।
ওই বেজি কি কৰিবি?
মোনা চিয়াবা।
ওই মোনা কি কৰিবি?
টাকা ভৰাবা।
ওই টাকা কি কৰিবি?
হাতিয়াৰ কিনিবা।
ওই হাতিয়াৰ কি কৰিবি?
তোকে কাটিবা। ইত্যাদি

লৰাবিলাকৰ মাজত কোনোবাই দোষ কৰিলে, গণনাৰ দ্বাৰা তাক দোষী সাব্যস্ত কৰে। যি জন দোষী কথাষাৰ তাৰ গাতেই শেষ হয়। যেনে—

'একল বেকল টেকল চাম,
চাম্পামতী মংগলবাৰ,
কুঁজা বেটা হুকুমদাৰ,
নলৰ আগাল ধানৰ শিষ
খালা খেপা উনিছ বিছ।' ইত্যাদি

দলৰ পৰা কোনো লৰাই কাজিয়া কৰি বা খং উঠি গুচি গলে এই দৰে গায়।

'হাদু-গুদু লেংঠেং,
কুকুৰ মাথা আলায় দেং।
দাঘেল-বেল পকা বেল
বাটে বাটে হাগি গেল।' ইত্যাদি

লৰা ছোৱালীবিলাকে খেল ধেমালিৰ জৰিয়তে পৰস্পৰৰ পৰস্পৰক প্ৰত্যুৎপন্ন মতিৰ পৰীক্ষা কৰে। এজনে প্ৰশ্ন কৰে আনজনে তপৰাই উত্তৰ দি যায়। যেনে—

'একটা কাথা।
কি কাথা?
বেঙৰ মাথা।
কি বেং?
চৰু বেং।
কি চৰু?
পাত চৰু।
কি পাত?
চাহ পাত।
কি চাহ?
গু খা। ইত্যাদি

অসমৰ সকলো জাতি-উপজাতিৰ লৰা-ছোৱালীবিলাকৰ মাজত এনে বোৰ ধেমালিৰ মাত-কথা প্ৰচলিত হৈ আছে। এইবোৰ মাত-কথা পৰম্পৰা-গত ভাবে চলি আহিছে আৰু নতুন নতুন সৃষ্টি হৈও আছে। অসমৰ কিছুমান জন-জাতিৰ লৰা-ছোৱালীবিলাকে এইবোৰ মাত-কথা তেওঁলোকৰ ভাষাত কয়।

ওপৰৰ পৰ্য্যালোচনাৰ পৰা প্ৰতীয়মান হয় যে, অসমৰ লোক সাহিত্য বিচিত্ৰ, নানা ৰঙৰ সূতাৰে তৈয়াৰী ফুলাম কাপোৰৰ দৰে। ফুলাম কাপোৰৰ বিচিত্ৰ ৰঙৰ সূতাবোৰ বেলেগ বেলেগকৈ উলিয়াই পেলালে যেনেকৈ কাপোৰ-খনৰ অস্তিত্ব নাথাকে, তদ্ৰূপ অসমৰ জাতি-উপজাতিবোৰৰ মাজত থকা বেলেগ বেলেগ হৈ থাকিলে বা সেইবোৰৰ সংগ্ৰহৰ ব্যৱস্থা কৰি একত্ৰ নকৰিলে অসমৰ লোক-সাহিত্যৰো মানদণ্ড নিম্নগামী হোৱাটো স্বাভাৱিক কথা হব।

বৰ্ত্তমান প্ৰশ্ন হৈছে অসমৰ লোক-সাহিত্যৰ ঐক্য কেনেকৈ সাধন কৰা যায়? এইটো অনস্বীকাৰ্য্য যে বেছি ভাগ লোক-সাহিত্য আঞ্চলিক ভাবে গাঁৱলীয়া মানুহৰ কথিত ভাষা আৰু জন জাতীয় ভাষাত সংৰক্ষণ হৈ আছে। অধিক সংখ্যক মানুহে সাধাৰণ মানুহৰ ভাষাটোক দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আছে। এই ভাষাৰ উচ্চাৰণ, শব্দৰ প্ৰয়োগ, অৰ্থ, বাক্য ৰীতি সুকীয়া। গতিকে অসমৰ লোক-সাহিত্যৰ তথ্য-পাতিবোৰ সংগ্ৰহ কৰোঁতে আঞ্চলিক ভাষা আৰু জন-জাতীয় ভাষাবোৰো সংগ্ৰহ কৰা আৰু সেইবোৰ ভাষা বোধ গম্য হোৱা নিতান্ত আৱশ্যক হব।

এতিয়ালৈকে বৈজ্ঞানিক ভাবে জুকিওৱা আৰু নিখুঁত সংগ্ৰহৰ অসমৰ লোক-সাহিত্য পুথি নিচেই কম। ড° বীৰেন দত্ত মহাশয়ে সম্পাদনা কৰা 'গোৱালপৰীয়া লোক-গীত সংগ্ৰহ' নামক পুথিখনিয়ে গোৱালপাৰা জিলাৰ লোক-সাহিত্যৰ যথেষ্ট সন্ধান দিয়ে। এতিয়ালৈকে উজনি, নামনি মধ্য অসম আৰু জনজাতিসকলৰ মাজত কেনেধৰণৰ লোক-সাহিত্য মৌখিক ভাবে লুপ্ত হৈ আছে, বিস্তৃতভাবে জানিব পৰা নাযায়। অৱশ্যে অসমীয়া সাহিত্যলৈ জন-জাতিসমূহৰ নানা শব্দ, খণ্ড-বাক্য মনোৰম ৰূপকথা যোজনা আদি সোমাই পৰিছে। ফলত অসমীয়া ভাষা-সাহিত্যৰ সৌষ্ঠৱ বাঢ়িছে। লগে লগে অসমৰ সকলো জাতি-উপজাতিয়ে এক উমৈহতীয়া পৰিৱেশৰ পথলৈ আগ বাঢ়িছে। কিন্তু, সেয়া যথেষ্ট নহয়। কিয়নো—"লোক-সাহিত্যবোৰো জাতীয় সাহিত্যৰ প্ৰধান অংগ।" গতিকে, লোক-সাহিত্যবোৰকো সমৃদ্ধিশালী আৰু সাৰ্বজনীন কৰা বৰ্ত্তমান সকলো লেখকৰে কৰ্ত্তব্য। অসমৰ সকলো জাতি-উপজাতিৰ মিলিত শক্তিত অসমৰ বিৰাট লোক-সাহিত্য বৰ্ত্তমানৰ লিখিত বা শিক্ষিত সাহিত্যৰ তীৰ্থস্থান হব লাগিব। এই তীৰ্থস্থানক পাহৰণিৰ শত্ৰু-সৈন্যৰ হাতৰ পৰা ৰক্ষা কৰিব লাগিব আৰু তাত হৃদয়ৰ নতুন সংযোগ দি এটি নতুন বিৰাট অসমীয়া জাতীয় সাহিত্য সৃষ্টি কৰিবলৈ দৃঢ় তৎপৰ হলে অসমীয়া সাহিত্যৰ ভবিষ্যত যে উজ্জ্বল হব নিশ্চয়।

— —

অসমৰ লোক-সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্য

বিশিষ্ট বক্তা ঃ অধ্যাপক-ইন্দ্ৰেশ্বৰ পেগু

অসমৰ লোক সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্য সম্পৰ্কে সদৌ অসম ভিত্তিত আগৰ বক্তাসকলে বিস্তৃত আৰু সুচিন্তিত আলোচনা দাঙি ধৰিলে। মই মাত্ৰ মিচিং লোকসাহিত্যৰ বৈশিষ্ট্য আৰু অসমৰ সামগ্ৰিক লোক-সাহিত্যৰ লগত ইয়াৰ সমন্বয়ৰ কথা দাঙি ধৰিবলৈ প্ৰয়াস কৰিম। সেই ক্ষেত্ৰত মোৰ আলোচনা সীমিত হোৱাটো স্বাভাৱিক। তথাপি মিচিং লোক সাহিত্য আৰু অসমৰ লোকসাহিত্যৰ লগত ইয়াৰ সমন্বয়ৰ দিশটো আলোচনা কৰিবলৈ যাওঁতে অন্যান্য ভাষাগোষ্ঠীৰ লোকসাহিত্যৰ সমন্বয়ৰ ক্ষেত্ৰতো সেই একেই আলোচনাই প্ৰযোজ্য হব বুলি মোৰ বিশ্বাস।

মিচিং[1] লোক সাহিত্য আলোচনা কৰিবলৈ যোৱাৰ আগতে মিচিং শব্দৰ ব্যুৎপত্তিগত অৰ্থ বুজি লোৱাটো উচিত হব বুলি ভাবোঁ। মিচিং মানে শান্ত মানুহ[1]। যি সকল আদিলোক আজি বহুত বছৰৰ আগতে পাহাৰৰ পৰা নামি আহি যুযুৎসু প্ৰবৃত্তি-ত্যাগ কৰি ভৈয়ামীয় জনগোষ্ঠীৰ লগত যুজঁ-বাগৰ নকৰাকৈ শান্তিৰে সহ অৱস্থান কৰি থাকিল আৰু কিছু পৰিমানে ভৈয়ামৰ সংস্কৃতিৰ সংস্পৰ্শত নিজৰ সংস্কৃতিৰ সমৃদ্ধি সাধন কৰিলে তেওঁলোকক অনমনীয় হৈ থকা পাহাৰৰ তেওঁলোকৰ জাতি ভাইসকলে মিচিং বা শান্ত মানুহ বুলি অভিহিত কৰিলে। পাহাৰীয়া যুজাঁৰু স্বভাৱ অটুট ৰাখি ভাষা, কৃষ্টি আৰু ধৰ্মবিশ্বাসৰ পৰম্পৰাৰ সংমিশ্ৰণ নঘটোৱাকৈ যি সকল লোকে অনমনীয় হৈ থাকিল তেওঁলোকক আবৰ বুলি ভৈয়ামীয় লোকে আখ্যা দিলে। তেওঁলোকে নিজকে আদি (পাহাৰীয়া) বা মিগাং[2] (বীৰ) বুলি পৰিচয় দিলে। নহলে মিচিং আৰু আদিলোক সকলৰ মাজত নৃতত্বগত, ভাষাগত ধৰ্মীয় আৰু কৃষ্টিগত কোনো প্ৰভেদ নাছিল। মাত্ৰ মিচিং জনগোষ্ঠীৰ ভাষা, ধৰ্মবিশ্বাস কৃষ্টি আদিত ভৈয়ামীয় সংস্কৃতিৰ সংমিশ্ৰণ হোৱাত মিচিং সমাজত এটা বিবৰ্তনে দেখা দিলে।

১। মিচিং ভাষাত দুটা শব্দ সন্ধি হলে শব্দদুটাৰ আগৰ স্বৰবৰ্ণ বা শব্দাংশ (Syllable) লোপ পায়। যেনে :— আমি + আনছিং মিছিং বা মিচিং আমি = মানুহ আন্চিং = শীতল বা ঠাণ্ডা।

১। মিগাং :— আমি + ইবগাং (মিচিং উচ্চাৰণ অ্‌বগাং) = মিগাং। আমি = মানুহ, অ্‌বগাং = উজ্জল অৰ্থাৎ উজ্জল মানুহ। বীৰ পুৰুষ।

গীতকে মিচিং শব্দৰ উৎপত্তিৰ গুৰিতে সাংস্কৃতিক সমন্বয়ৰ সুৰ ধ্বনিত হৈ আছে।

গ্ৰাম্য চহাজীৱনত লোক বিশ্বাসৰ পৰাই বহুতো লোক সাহিত্যৰ সৃষ্টি হৈছে। নিৰক্ষৰ সমাজত যেতিয়া নানা বিপদ বিঘিনি আৰু বেমাৰ আজাৰৰ প্ৰাদুৰ্ভাৱ হয় তেতিয়া তেওঁলোকে তাৰ কোনো কাৰণ বৈজ্ঞানিক ভাৱে বিশ্লেষণ কৰিবলৈ অপাৰগ হোৱাত সেইবিলাক কিছুমান অদৃশ্য অপদেৱতাৰ অসন্তুষ্টিৰ বাবে হৈছে বুলি ধৰি লৈছিল। জাগতিক বহুতো ঘটনাৰ কাৰণ বিচাৰি একোটা কিংবদন্তি বা মনোৰম সাধুকথা সৃষ্টি কৰি শিশুসুলভ কল্পনাৰে মনৰ অনুসন্ধিৎসু প্ৰকৃতিক সন্তুষ্ট কৰি ৰাখিবলৈ যত্ন কৰিছিল। মিচিং সকলেও জ্বৰ নৰীয়া আৰু প্ৰতিকুল ঘটনাবোৰৰ কাৰণে কিছুমান দেও ভূতেই দায়ী বুলি ধৰি লৈছিল। সেই দেওভূতবোৰৰ লগত যোগাযোগ কৰিব পৰা কিছুমান দেওধাইয়ো আছিল। তেওঁলোকৰ অলৌকিক চমৎকাৰিত্বপূৰ্ণ কাৰ্য্যকলাপৰ বাবে সৰ্বসাধাৰণ সৰল হোজালোক সকলে তেওঁলোকৰ ওপৰত বৰ বিশ্বাস তথা ভয় কৰিছিল। তেওঁলোকে যি কয় তাকে গভীৰ নিষ্ঠাৰে মানিছিল আৰু পালন কৰিছিল। সমাজত সেই দেওধাইবোৰৰ স্থান আছিল আগশাৰীত। তেওঁলোকক বোলা হৈছিল মানৱ পিতৃ বা মিবু[১] নতুবা মিৰি,[২] মূল্যবান মানুহ। মানুহৰ অপকাৰী অপদেৱতাবোৰক সন্তুষ্ট কৰিবৰ কাৰণে মিৰিসকলে নানা স্তুতি গীত সৃষ্টি কৰিছিল। এই মিৰি বা মিবু গীতবোৰেই মিচিং লোক সাহিত্যৰ মুখ্য ভেটি বুলি কব পাৰি। দেওভূতৰ প্ৰতি ভয় থকা হেতু মিৰিয়ে নেতৃত্ব নিদিলে সাধাৰণলোকে গীতবোৰ গাবলৈ ভয় কৰিছিল। মিৰিয়ে যগচা (ধৰ্মীয় তৰোৱাল) লৈ গীতবোৰ গাবলৈ নেতৃত্ব দিছিল। অন্যলোকে কি ধৰ্মৰ মানুহ বুলি সুধিলে বা তেওঁলোকৰ ধৰ্মৰ গুৰিয়াল কোন বুলি সুধিলে তেওঁলোকে মিৰি বা মিবুকে দেখুৱাইছিল। সেইবাবেই মিৰি বা মিবুৰ দ্বাৰা প্ৰৱৰ্তন কৰা ধৰ্মাৱলম্বীৰ লোক বুলি ভৈয়ামৰ লোকে তেওঁলোকক মিৰি বুলি অভিহিত কৰিলে।

এই মিৰিগীত বা মিবু আবাংবোৰে মিচিং গীত মাতত গভীৰ সাঁচ বহুৱাইছিল। অইণকি তেওঁলোকে পিছত যেতিয়া হিন্দু ধৰ্মৰ প্ৰভাৱত পৰি শাস্ত্ৰৰ পদ আদি পঢ়িবলৈ লৈছিল তেতিয়াও মিবু আবাঙৰ সুৰতেই বহুতো পদ পঢ়িবলৈ লৈছিল। যেনে —

১। মিবু - আমি + আবু = মিবুঃ—আমি = মানুহ, আবু = পিতা অৰ্থাৎ-দেওধাই
২। মিৰি :— আমি + আৰী = মিৰী বা মিৰি।
আৰী = মূল্য । মিৰি = দেওধাই

ৰাখাহি দয়াময়/মোকে ৰহুৰায়/
তোমাৰ ভকতি বিনা/বিফল আয়ু যায়/ (কীৰ্তন)
দাৰ্মি চংতুঙে/তুৰমঠক তুৰ্মোঙা[১]
কৰং আপ্‌পুনা/ৰাঁয়িপা ৰান্নাৰা

বিশেষতঃ ঝুমুৰী পদৰ মিল অতি উল্লেখনীয় :—

ৰাহু/ৰাহু/ৰাদ্ধিলন্ত
পায়ে/পাৱে/ছান্দিলন্ত— (মাধৱ কন্দলি ৰামায়ণ)

পাকেয়া/ৰেগে/বেগে—[২]
পাক্কিয়া বেগ/বেগে

আকৌ

সাধু/সাধু/মহা/ৰাজ
সাথক তোমা/ৰ কাজ (কীৰ্তন)
পা য়/পাওং/আমা/য়া[৩]
চিয়া/ঙা বেৰ/কং আমাযা।

কোনে জানে হয়তো এই গীতপদবোৰৰ সুৰসৃষ্টিত প্ৰতিবেশী জনগোষ্ঠীৰ সুৰৰ পাৰস্পৰিক প্ৰভাৱ পৰা নাই বুলি ?

হুচৰিৰ গীততো মিৰু আৰাওৰ সাদৃশ্য পৰিলক্ষিত হয়। মিচিং সকলে মিৰু গীতৰ সুৰতেই হুচৰিৰ গীতো গাবলৈ প্ৰয়াস কৰে। যনে :—

হুৰাইল। সৰগৰ তৰা
চাই থাক চাই থাক নিলগৰ পৰা

অৱনাৰ চ'ৰা মিমুম ৰৃ তকৃদুৰং[১]
গাকাল কাল লা' লাবিয়া।

১। বসন্ত বৰ্ণনা—দেৰ্মি গছৰ মুৰাত নতুনকৈ গজালি মেলা পুলিবোৰ ৰঙাহৈ হালি জালি আছে আৰু কৰং ফুলবোৰ ৰদত তিৰ্বিৰাই আছে।

২। পাকে নামৰ মতা অপদেৱতাটোৱে মতাবোৰ আৰু পাক্কি নামৰ পৰিজনীয়ে মাইকী অপদেৱতাবোৰ শাৰীশাৰীকৈ নেতৃত্ব কৰি আনিছে।

৩। চৰায়ো নহলেঁ, কেনেকৈ চিয়াং নৈখন পাৰ হম ?

১। সোৱনশিৰি অঞ্চলৰ চাৰু দেৱী (দেওধাইৰ চৰম মুহূৰ্তত দেখা দিয়া এজনী পৰি নামি আহিছে। আয়, লয়লাস ভঙ্গীৰে আহি আসনত বহাহি)

হুৰাইল আৰু ইৰ্‌ৰই (মিচিং, উচ্চাৰণ অৰ্‌ৰই) এই দুটা শব্দৰ সাদৃশ্য মন কৰিবলগীয়া। মিচিঙৰ ইৰ্‌ৰই শব্দ হৈছে উল্লাস বা আনন্দধ্বনি। শাস্ত্ৰীয় পৌৰাণিক পুথিবোৰৰ পদবোৰ গাওঁতেও মিচিং সকলে বেলেগ সুৰত গায়, কাৰণ তেওঁলোকৰ সুৰত মিচিং মিবু আবাং আৰু অন্যান্য গীতমাতৰ সুৰৰ প্ৰভাৱ সুস্পষ্ট।

মিচিং সমাজত অসমীয়া বনগীতৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী বুলি কব পাৰি। মিচিং গীতত বনগীতৰ প্ৰভাৱৰ ফলতেই মিচিঙৰ আটাইতকৈ জনপ্ৰিয় প্ৰেমগীত ঐনিতমৰ জন্ম হল বুলি কব পাৰি। এতিয়াৰ বুঢ়া বুঢ়ী সকলক গীত গাবলৈ কলে তেওঁলোকে ঐনিতম নাগায়, ভঙ্গা ভঙ্গা অসমীয়াত বনগীতহে গায়। কাৰণ ঐনিতম অতি আধুনিক সৃষ্টি। সেইবাবেই হবলা ৰজনীকান্ত বৰদলৈৰ মিৰি জীয়ৰীত পানেই, ৰকমি আৰু জালিমীহঁতে ভঙ্গা ভঙ্গা অসমীয়াত বনগীত গাইছে। যিহেতু তেতিয়াৰ দিনত মিচিং ডেকাগাভৰুৱে ঐনিতম গোৱা নাছিল, গাইছিল বিহু গীতহে। মিচিং খেমালিত ঢোলৰ প্ৰচলনেই ইয়াৰ মূল কাৰণ আছিল।

মিচিংসকল যেতিয়া পাহাৰত আছিল তেওঁলোকে জুম পদ্ধতিত খেতি কৰিছিল। পাহাৰৰ এঢলীয়া মাটিত দা আৰু খন্তিৰে হাবি চাফা কৰি এডাল গোঁজেৰে মাটি খুঁচি গাঁত কৰি তাত ধান সিঁচিছিল। এই পদ্ধতিত এবাৰলৈহে খেতি কৰিব পাৰিছিল, পিছৰ বছৰত নতুনকৈ মাটি মুকলি কৰিব লগা হৈছিল। তেনেকৈ কঠোৰ পৰিশ্ৰম কৰিও বছৰটো জোৰাকৈ খাদ্য সংগ্ৰহ নোহোৱাত বছৰৰ বাকীছোৱা কাল আলু কচু খাই জীৱন নিৰ্বাহ কৰিব লগা হৈছিল। বিশেষতঃ কাঠ আলুবোৰ যাতে প্ৰচুৰ পৰিমাণে হয় তাৰ বাবে আলুবোৰ খানি লৈ গুটিবোৰ যঁতে তঁতে সিঁচৰিত কৰি দিছিল। সেই বাবে মাঘ ফাগুনৰ কাঠ আলুৰ গুটি সৰিবৰ সময়-ছোৱা বা আলি[১] আই[২] লিগাং[৩] নামে জনাজাত হৈছিল। পিছত খেতি আৰম্ভ কৰা উৎসৱ হিচাবে এই প্ৰথাক গ্ৰহণ কৰা হল। মিচিং, সকলে মাঘ বিহুৰ উৎসৱৰ বাবে হাবিৰ পৰা বন আলু কিচাৰি খানি অনা প্ৰথা সেই পাহাৰীয়া জীৱন ধাৰাৰেই প্ৰতিফলন বুলি কব পাৰি। সেই বিশেষ বন আলুক (মায়ং) মিৰি আলু বুলিও জনা যায়। সম্প্ৰতি হাবি বনৰ অভাৱৰ

---

[১]আলু-কাঠ আলু [২] আই = গুটি, [৩] লিগা, (লিগাং) = সিচবলৈ আৰম্ভ কৰা। আলি আই লিগাং কাঠ আলুৰ গুটি সিচিবলৈ আৰম্ভ কৰা উৎসৱ। সম্প্ৰতি ই আহুধান ৰবলৈ আৰম্ভ কৰা উৎসৱক বুজায়।

হেতু বন আলুৰ প্ৰাচুৰ্য্যও নাইকীয়া হ'ল আৰু এনে আলুখোৱা প্ৰথাও নাইকীয়া হ'ল।

ঝুম পদ্ধতিত প্ৰতি বছৰে হাবি নতুনকৈ ভাঙি মাটি মুকলি কৰি গৈ থাকোতে কেইবছৰমানৰ পিছত পথাৰবোৰৰ গাঁৱৰ পৰা বহুত দূৰণিলৈ হোৱাত ভাত নতুনকৈ পাম ঘৰ লগা হৈছিল আৰু কালক্ৰমে সেই পামঘৰেই নতুন গাঁৱত পৰিণত হৈছিল। সেইদৰে উৰ্ব্বৰা মাটিৰ সন্ধানত পুৰণা গাঁওবোৰত প্ৰিয় পৰিজনক এৰি থৈ দলে দলে ভৈয়ামলৈ নামি আহি গাঁও পাতি থাকিবলৈ ললে আৰু ভৈয়ামৰ কৃষি পদ্ধতি গ্ৰহণ কৰিলে। কালক্ৰমত পুৰণা গাঁওবোৰৰ লগত যোগাযোগ নাইকীয়া হোৱাত সকলো ফালৰ পৰাই সম্পৰ্ক হেৰাই গ'ল। তেওঁলোকৰ কৃষ্টিত সংমিশ্ৰণৰ ফলস্বৰূপে সুদূৰ প্ৰসাৰী পৰিৱৰ্ত্তনে দেখা দিলে। কিন্তু সংৰক্ষণশীল সমাজত নতুন প্ৰথা লবলৈ সদায় এটা ভয় ভাবৰ সঞ্চাৰ হয় জানো আগৰ দেও ভূতবোৰে কিবা অনিষ্ট কৰে। গাঁৱে আহুধান সিঁচিবলৈ আৰম্ভ কৰাৰ আগতে আগৰ দেওভূতবোৰ সন্তুষ্ট কৰিবলৈ পথাৰৰ এচুকত আগৰ প্ৰথাৰে সিঁচ দি পূজাপাতল কৰি লয় আৰু তাত মিবু বা মিৰিৰ নেতৃত্বত পনুং প্ৰথাৰে নাচ গান কৰা হয়। পাহাৰত থকা কালত তেওঁলোকে আলুৰ গুটি সিঁচা সময়ৰ আহুধানবো কঠিয়া সিঁচা বতৰ পৰা দেখি এই উৎসৱৰ নামো আলি আই লিগাং হ'ল।

কিন্তু এই উৎসৱত ঢোলৰ প্ৰবৰ্ত্তন হোৱাৰ লগে লগে পনুং নাচৰ দৰে ধীৰ গতিৰ নাচ খাপখোৱা হ'বলৈ ধৰিলে। ফলত নতুন গীতৰ সৃষ্টিৰ প্ৰয়োজনীয়তা আহি পৰিল। আলি আই লিগাঙত যিটো ঢোলৰ ছেও তাক গুমৰাগ বোলে। পুনুং নাচৰ লেহেমীয়া গতি আৰু অলসতা। বিহু নৃত্যৰ তীব্ৰতা এই দুটাৰ সমন্বয়ৰ ফলেই হৈছে আজিকালিৰ মিচিং নাচ।

মিচিং থেমালিত বোঁতৰা ঢোলৰ প্ৰৱৰ্ত্তন হ'ল ঢোলৰ চেওৰ লগত খাপ খোৱাকৈ গীতৰ প্ৰয়োজনে দেখা দিলে। মিবুগীতবোৰ ঢোলৰ লগত নিতান্ত খাপ নোখোৱা হ'ল। তদুপৰি অন্যান্য মিচিং গীতমাত কাবান, মেব (মোৰ) গীত আদিবোৰকো প্ৰয়োজনমতে সুৰৰ সলনি কৰিব নোৱাৰি। বিশেষতঃ এই সকলোবোৰ গীত বিষাদ আৰু বিৰহ ভাৱৰ পৰাই উৎপত্তি হোৱাত আনন্দ বা ৰং ৰহইচৰ থেমালিত প্ৰযোজ্য নহয়। তথাপি ভৈয়ামৰ পৰিৱৰ্ত্তিত পাৰিপাৰ্শ্বিকতাত তেওঁলোকৰ কথিত ভাষাত চলেমান পৰিৱৰ্ত্তন হ'ল। সেইহেতু আৰ্যমিশ্ৰিত কিছুমান মিচিং ভাষাৰে পৰা পৃথক হোৱাত মিবু আদি বিশেষজ্ঞৰ বাদে সৰ্বসাধাৰণলোকৰ বাবে দুৰ্বোধ্য হৈ আহিবলৈ ধৰিলে।

পাছতে ডেওঁলোকে এই দুৰ্বোধ্য গীতবোৰতকৈ পৰিবৰ্ত্তিত পৰিস্থিতি সাপেক্ষে মিচিং মেমালিত অসমীয়া বনগীতকে বাচি ললে। অসমৰ লৌকিক জগতৰ বনগীতবোৰ আয়ত্ত কৰাৰ ওপৰিও প্ৰয়োজন সাপেক্ষে ডেওঁলোকে ভঙা ভঙা অসমীয়াত নিজেও বহুতো বনগীত সৃষ্টি কৰিছিল। এনে মিচিং, আৰু অসমীয়া শব্দ মিহলি বনগীত সংগ্ৰহ কৰিলে মিচিং সমাজত বহুতো ওলাব। আনকি ডেওঁলোকে মালিতা গীতো সৃষ্টি কৰাৰ উদাহৰণ বহুত আছে। তাৰে এটা উদাহৰণ শুনক :— চাম্‌পেক (মিচিং উচ্চাৰণ চাম্‌পাক্‌) নামৰ ছোৱালীজনী মাক বাপেকে ঠিককৰা দৰাজনৰ লগত বিয়াত সোমাবলৈ ইচ্ছুক নোহোৱাত বালাক নামৰ ডেকাজনলৈ পলাই গল। যোৰহাটৰ কাছাৰীত গোচৰ তৰাত চাম্‌পেকে অকণ গীত গায়েই গোচৰত জিকিল বুলি প্ৰবাদ আছে।

চাম্‌প্ৰাকে গাইছে:—

১) কাছাৰীত সোমাই ঐ কান্দো ঐ অজুৰা (হুজুৰ)
বগলাত সোমাই ঐ কান্দো
কাছাৰীৰ ভিতৰত অধিৰ ঐ অধিৰ ঐ
কেনেকৈ জেবাবম্‌ (বাম) কওঁ।
২) উকিল ধৰি ধৰি সোধোঁ ঐ বৰচাবা (বৰচাহাব)
ছেয়াল ধৰি ধৰি সোঁধো
কাটক ঐ বা মাৰক ঐ দে ঐনা (দেহি ঐ) অজুৰা
বেইতালৈ[১] অথুচি মন।

এবাৰ বুন্দুৰী নামৰ ছোৱালীজনীও মাক বাপেকৰ অমতে মিলন নামৰ ডেকাজনলৈ পলাই গল। তাইৰ ককাই ভাইসকলে ঘূৰাই আনি পুৰ্বতে জেবান কৰি থোৱা জক নামৰ মিতিৰৰ লৰাটোলৈ টানি দিলেহি। কাৰণ মিতিৰৰ লগত জবান বন্দী হোৱাটো মিচিং সকলৰ ডাঙৰ কথা। কিন্তু বুন্দুৰীজনীও কম পানীৰ মাছ নহয়। ইমানবোৰ বথীয়া পহৰীয়াৰ মাজত ধুলি দি ভৰ বাৰিষা দুকুলডকা সোৱণশিৰিত এডোখৰ ভগা নাও আৰু ছিগা বঠাৰে ৰাতি কমপক্ষেই চল্লিছ মাইল ৰাস্তা অতিক্ৰম কৰি মিলনৰ ওচৰ পালেগৈ। মিলনেও ঠেওঁৰি নজনা ভাওজুৰি সুধিলে "কলৈ যাব বুন্দুৰী ?" বুন্দুৰীয়ে পোণপতীয়া ভাবে কবলৈ লাজপাই' এনেই আহিলোঁ।

১। বেইতা বুলিলে মিচিং সকলে সাধাৰণতে বিয়া দিবলৈ ঠিক কৰা দৰাজনক বুজায় আৰু পলোৱাই নিয়াজনক দগ্‌চং বোলে।

আৰু ?" বুলি উত্তৰ দিলে। এতিয়া ভঙ্গা ভঙ্গা অসমীয়াত গোৱা এই মালিতা গীতটো নিশ্চয় হৃদয়ঙ্গম কৰিব পাৰিব :—

নাও ছিগা এডোখৰ খলি ঐ বুলুৰী
বঠা ছিগা এডোখৰ খলি
কলৈ যায় বুলি সুধিলি মিলনা
বেঙ্গাৰত আহিলো এনেষ্ট।

এনেকুৱা বিচিঙ্গামিছ বা অসমীয়া মিচিং মিহলি অনেক গীতৰ উদাহৰণ দিব পাৰি। সময়ৰ নাটনিত ইয়াত উল্লেখ কৰিব পৰা নহয়। অৱশ্যে অসমীয়া বিহু মিচিং সমাজত হাড়ে হিমজুৰে শিপাই লোৱাৰ বাবেও অসমীয়া বনগীতৰ প্রচলন প্রবাল হোৱাৰ অন্যতম মূল কাৰণ। বনগীতৰ ওপৰিও হুচৰি গীতৰ লগতে মনিকোঁৱৰ আৰু ফুলকোঁৱৰ গীত সমূহে জন-প্রিয়তা লাভ কৰিলে। এফালে মিচিঙৰ স্বকীয় গীতমাতবোৰ আৰু আনফালে অসমীয়া বনগীত, হুচৰি গীত আৰু অন্যান্য বিহুগীতৰ প্রভাব আৰু সংমিশ্রণৰ ফলত মিচিঙৰ অত্যাধুনিক প্রেমগীত অইণিতমৰ জন্ম হল। এই অইণিতম অপৰিবৰ্তিত পাহাৰীয়া মিচিং ভাষাৰ পৰা ফালৰি কাটি ভৈয়ামৰ বিবৰ্তিত কথিত মিচিং ভাষা সৃষ্টি হোৱাত সকলোৰে বোধগম্য হোৱাৰ ওপৰিও সাৰ্বিক জনপ্রিয়তা লাভ কৰিলে। ঠিক কোন দশকত ইয়াৰ সৃষ্টি হল ত্যক কোৱা টান। কিন্তু মিচিং লোক সাহিত্যত অইণিতমৰ সৃষ্টি অতি অপূর্ব। ই অসমীয়া বনগীত তথা মিচিং গীত মাতৰ সমন্বয় ৰক্ষা কৰি সৃষ্টি হোৱা অতি জনপ্রিয় প্রেমগীত। অইণিতমে মিচিং গীত মাতৰ সকলো প্রয়োজন সাধন কৰিলে। ইয়াক ঢোলৰ লগত, টোকাৰীৰ লগত, বাঁহীৰ লগত গগনাৰ লগত অর্থাৎ যি সময়ত যেনেকৈ প্রয়োজন হয় সেইমতে গাব পৰা হল। ইয়াৰ আন এটা আচৰিত বৈশিষ্ট্য হৈছে প্রাত্যহৰে ইয়াৰ নতুন নতুন সুৰৰ সৃষ্টি। এটা অইণিতমকে গাওঁতাৰ ৰুচি অনুসাৰে অসংখ্য সুৰত গাব পাৰে। অইণিতম সৃষ্টি হোৱাৰ লগে লগে ইয়াৰ জনপ্রিয়তা ইমান বাঢ়িল যে আগৰ গীতমাত কাবান, মীবই গীত পাহৰণিৰ গৰ্ভত লীন গল আৰু ইয়াৰ অত্যাধুনিক জনপ্রিয়তাৰ বাবে আধুনিক মিচিং গীত উন্নতি আৰু চৰ্চাৰ ক্ষেত্রত প্রধান বাধা স্বৰূপ হৈছে। কিছুমান অইণিতম ভালকৈ মন কৰিলে অমিচিং মানুহেও কিছু বুজিব পাৰিব।

অইয়া তুমিৰে (য়ো) কুকুৱাং অৰ্দ্ধিয়ে
আতেৰে (ভাৰী) ঐ ভয়ে (য়ো) অ্যাৰে (য়ো) লিগুতৰং (লগুতৰং)

কুকুৰা চৰায়ে তুলিব খোজা ভাবিত মোক অকলশৰীয়াকৈ তুমি তুলাই দিলা।

বিবাহ আৰু বিবাদৰ ভাৱৰ পৰাই প্ৰায়বোৰ মিচিং গীত সৃষ্টি হোৱাৰ কথাটো আগতে কৈ আহিছো। মিচিং নাৰীয়ে দুখত কান্দোতে যে-সুৰাকৈ কান্দিব নোৱাৰিব। বিয়াত উলিয়াই দিয়া ছোৱালীৰ বিলাপ কৰি কন্দা প্ৰথাটোক য়ামনে (নী) কাবনাম বোলে। ইয়াক কইনাৰ বিলাপ বুলি কব পাৰি। বিশাত এই ছোৱালীৰ বিলাপৰ যথেষ্ট আকৰ্ষণ আছে। কিছু-মানে ছোৱালীৰ বিলাপৰ পাৰ্গত্যালিৰ ওপৰত উমান লবলৈকে বিয়া চাবলৈ আহে। অৱশ্যে আজিকালি আধুনিক চিন্তা ধাৰাৰ প্ৰভাৱ পৰাত এই বিশেষ বিলাপ কৰাৰ প্ৰথাটো উঠি গৈছে। তথাপি নাৰীয়ে দুখত কান্দোতে এতিয়াও বিলাপ কৰি কন্দা প্ৰথাটো আছে। আগতে কাবান বা বিলাপ গীতবোৰৰ লগত বাহৰ এবিধ দীঘল বাদ্য যন্ত্ৰ আছিল। তাৰ নাম তাপুং। দুখ বা বিষাদ সুৰৰ গীতৰ লগত ইয়াক বজালে করুণ বস আৰু গভীৰ হৈ উঠে।

মিচিং বিয়াত অসমীয়া বিয়া নাম প্ৰচলন হোৱাটো অনিবাৰ্য্য ভাৱৰ সমন্বয়ৰ আন এটা মধুৰ লক্ষণ। তেওঁলোকে বিয়ানামক জ'ম নিতম বুলি কয়। গাঁৱত বিয়া হবলগীয়া থাকিলে গাঁৱৰ ডেকা গাভৰু সংগঠনৰ প্ৰধান নেতা ডেকা বৰা আৰু ডিবিৰবাৰ তত্বাৱধানত এই জ'ম নিতম গাবলৈ কিছুমান ছোৱালীক শিক্ষা দিয়ে। অৱশ্যে মিচিং বিয়া জনজাতি আৰু বৈদিক এই দুটা সংস্কৃতিৰ সংমিশ্ৰণ মাথোন।

মিচিং নিচুকনি গীতবোৰো দুয়ো সংস্কৃতিৰ অপূৰ্ব সমন্বয়। পিঠিত কান্দোনৰত কেচুৱাক লৈ যেতিয়া গাঁওতাই কেচুৱা নিচুকায় তেওঁ মিচিং গাইছেনে অসমীয়াতে গাইছে নিজে কব নোৱাৰে। তথাপি পিঠিৰ কেচুৱাই সুৰৰ আমেজত নিদ্ৰালসতাত লাহেকৈ টোপনি যায়।

১) কউৱাকে (কা) কাবনাম দে (দী) বিকুলই বাজেনা[১]
উনি (শুনি) থাকিবৰ ঐ মনে ঐ।

১। আয়ে দিব এ (দিৰ্ঘাহ) বিহাকৈ মেকেলা (মেখেলা)
বাপেকে দিবএ জাপি অ-ই।

২। [২]শুক্ কে (কা। কউৱাবি (ৰ্) কেলৈ কান্দিছ
উনিলে (শুনিলে) আমনি পাওঁ অ-ই

৩। [৩]শুকলৈ এমাঙা য়াকু চ ইগ্নাঙা (অংম্‌মাঙা)
অবাইকৈ (শবাইকৈ) মোলিলি চুলি অ-ই। ইত্যাদি

১। আমাৰ লৰাটোৰ কান্দোন বিগুল (bugle) বাজনাৰ দৰে মধুৰ
২। আমাৰ লৰাটো কৈলৈ কান্দিছ?
৩। আমাৰ লৰাটো যেন য়াকু চিনামৰ আকৰী ছোৱালীক নীহে।

মিচিং, সাধুবোৰতো সাংস্কৃতিক সমন্বয়ৰ সুস্পষ্ট ছবি পৰিস্ফুট হোৱা দেখা যায়। আমি আগতেই কৈ আহিছো যে মিচিংসকল ভৈয়ামত বসতি কৰিবলৈ লোৱাৰ পৰা ভৈয়ামীয় কৃষি পদ্ধতি গ্ৰহণ কৰিলে। তেওঁলোকৰ কৃষিত গৰু বখা আৰু হালবোৱাৰ প্ৰথা নাছিল। তেওঁলোকে কুকুৰা গাহৰি পোহে, মেথুন পোহে কিন্তু এইবোৰ বখা বা চৰোৱা নাছিল। কিন্তু হাল বোৱা প্ৰথা প্ৰচলন হোৱাৰ পৰা চৰোৱা বা বখোৱা প্ৰথা প্ৰচলন হল আৰু এই ভাব বুজাবলৈ নতুনকৈ মিচিং শব্দ উদ্ভাৱন নকৰি অসমীয়া ভাষাত প্ৰচলিত শব্দবোৰকে যেনেকৈ পালে সেইমতে গ্ৰহণ কৰিলে[১] দুয়ো কৃষ্টিৰ সংমিশ্ৰণৰ ফলত মিচিং কৃষ্টিয়ে এক বিবৰ্তনৰ পথত যেতিয়া গতি কৰিছিল তেতিয়া গঢ় লোৱা মিচিং সাধু এটা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিম।

বহুত দিনৰ আগৰ কথা। এদিন এটা পৰিয়ালে বহুত দুপৰীয়াকৈ হাল বালে। হাল মেলি এটা ল'ৰাক গৰু চৰাবলৈ কৈ বাকী হালোৱা-ঘৰলৈ আহিল। গৰু চৰোৱাজনক ভাত নি দিয়াৰ কথা। কিন্তু ঘৰ নাই সকলোৱে তাক ভাত নি দিবলৈ পাহৰিলে। ইফালে ভোকত পথাৰত থকাজনৰ খঙে মুৰৰ চুলিৰ আগ পালেগৈ। এনে সময়ত ল'ৰাটোৰ বায়েকে মনত পেলাই ল'ৰাজনৰকৈ কণীধানৰ ভাত টোপোলা বান্ধি ভায়েকক ওচৰলৈ ঢাপলি মেলিলে। কিন্তু টোপোলা সৰু হোৱা দেখি ভায়েকৰ খং আৰু চৰিল আৰু নভবা নিচিন্তাকৈ একে কোবেই বায়েকক মাৰি পেলালে। কিন্তু কণীধানৰ ভাত বেঁচি খাব নোৱাৰে। সি আধাহে খাব পাৰিলে। তেতিয়া বায়েকৰ আত্মাটো চৰাই হল আৰু পিচত খাবৰ কাৰণে বান্ধি থবলৈ ভায়েকক উপদেশ দিছে "বান্ধি থ, বান্ধি থ"। আজি কালিও দুপৰীয়া সময়ত "বান্ধি থ,"কৈ মৰ্মভেদ সুৰত এই চৰাইটোৱে অফুৰন্ত ভাবে বান্ধি থকা শুনিলে বৰ বিষাদ অনুভৱ হয়[২]।

১। পাহাৰত বোধহয় মিচিংসকলৰ গো পালন প্ৰথাটো নাছিল। গৰু সম্পৰ্কীয় বুজোৱা সকলো শব্দ মিচিং ভাষাত নাই। গাহৰি, কুকুৰা বা কুকুৰ মতা বা খেদোৱা সকলো শব্দ মিচিঙত আছে, কিন্তু গৰুক আহা, বা, উঠি আহা, চাপি যা ইত্যাদি অসমীয়া শব্দহে ব্যৱহাৰ কৰে।' খেতিৰ সকলো সজুলিৰ নাম অসমীয়া ভাষাতহে আছে, মিচিঙত নাই।

২। এই চৰাইটো বৰ সৰু। ঠিক দুপৰীয়া সময়ত কান্দে। এই চৰাইটোৰ নাম অসমীয়াত কি কয় সুধি পুচিও জানিব নোৱাৰিলে কিছুমানে সুতফাহী বুলি কলে।

মিচিং কৃষক গ্ৰাম্য জীৱনৰ ছবি প্ৰতিফলিত কথা এই মিচিং সাধুত সমন্বয়ৰ এটা প্ৰক্ৰিয়া পৰিলক্ষিত হৈছে। সাধুটোৰ কৰুণ মৰ্মস্তুদ পৰিণতি ফুটাই তুলিবলৈ মিচিং শব্দৰ পৰিবৰ্তে "ধান্নি থ" বাক্যৰেহে পৰিসমাপ্তি ঘটাইছে। আৰু গল্পটোৰ মূল উপলক্ষ্য কৰুণ অনুভূতি এই বাক্যৰ দ্বাৰাই হে সাৰ্থক কৰি তুলিছে। লোক সাহিত্যৰ সমন্বয়ৰ ই এটা সুন্দৰ নমুনা।

লোকসাহিত্য গ্ৰাম্য জীৱনৰ অৱদান। সমগ্ৰ অসমৰ গ্ৰাম্য জীৱনত বিভিন্ন চহা জনগোষ্ঠীৰ মাজত কেনেধৰনৰ পাৰস্পৰিক ঐক্য আৰু সম্প্ৰীতি বিৰাজ কৰিছিল আৰু বিভিন্ন জনগোষ্ঠীৰ বৈচিত্ৰ্য পূৰ্ণ সংস্কৃতিয়ে অসমৰ বাই সংস্কৃতিৰ সুঁতিটো কেনেকৈ কোবাল কৰি তুলিছিল অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক সাহিত্য সমূহেই তাৰ প্ৰমাণ। প্ৰতি জনগোষ্ঠীৰ-লোক-সাহিত্যৰ স্বকীয়া বৈশিষ্ট্য আৰু বৈচিত্ৰ্য থাকিলেও সামগ্ৰিক অসমৰ লোক-সাহিত্যৰ লগত তাৰ কেনে ওতঃপ্ৰোত সম্বন্ধ মিচিং লোকসাহিত্য বিশ্লেষণ কৰি আমি তাৰ সম্যক ধাৰণা কৰিব পাৰিলোঁ। অন্যান্য জনগোষ্ঠীৰ লোক সাহিত্য বিশ্লেষণ কৰিলেও বৈচিত্ৰ্যৰ মাজত এই একেই ঐক্যতান অনুভৱ কৰিব পৰা যাব।

কিন্তু দুখৰ বিষয় ইমানবোৰ সাংস্কৃতিক সমন্বয়ৰ ঐক্যসুৰ শতাব্দীজুৰি আমাৰ ধমনীত প্ৰতিধ্বনিত হৈ থকাতেও কিছু বিচ্ছিন্নবাদী মিচিংলোকে বিহু আন মিচিং উৎসৱ বুলি বৰ্জন কৰিবলৈ লৈছে। ইয়াৰ ফলত সমাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। মিচিংলোকগীত "অই নিতম' এই বিহুৰ প্ৰভাৱৰ ফলতেই বেচি সৃষ্টি হৈছে। বিহু মিচিং সমাজত এটা উৎসৱ হৈয়েই থকা নাই, ই বিশেষ সামাজিক প্ৰথাত পৰিণত হৈছে। ই ধৰ্মীয়, সামাজিক সংগঠন, সাংস্কৃতিক আৰু ঐতিহ্যৰ লগত এনে ভাৱে সাঙোৰ খাই আছে যে যাক পালন নকৰিলে পাপী দুৰাচাৰ বুলি নিজকে গণ্য কৰিব লাগে। বিশেষতঃ নৈ পৰীয়া কৃষি জীৱনত বিহুৰ ভূমিকা চমৎকাৰ। কৃষিৰ সময় বুজিবলৈ বিহুবোৰে কেলেণ্ডাৰৰ নিচিনাকৈ কাম কৰিছিল। যেনে কাতি বিহুৰ কিমান আগত মাহ খেতি শেষ কৰি সবিয়হৰ খেতিত ধৰিব লাগিব বা মাঘ বিহুৰ আগতে সৰিয়হ খেতি শেষ কৰি আহুধান বৰলৈ আৰম্ভ কৰিব লাগিব আৰু বহাগ বিহুৰ আগতে কেনেকৈ আহুধান শেষ কৰি নিবুৰা কামত ধৰিব লাগিব, বিহুৱে কৃষক জীৱনক ঋতু পৰিবৰ্তনৰ লগত কৃষি ঋতুৰ কথা সোঁৱৰাই দি থাকে। প্ৰধান মিচিং সমাজত বিহুৰ কৃষি সম্পৰ্কীয় এনে ভূমিকাৰ বাবেই মিচিংসকলে বিহুক ইমান আপোনকৈ সাবটি লৈছে আৰু সেইবাবেই অন্যান্য জনগোষ্ঠীতকৈ মিচিংসকলে বেচি নিষ্ঠাৰে বিহু পালন

কৰা দেখা যায়। বিহু পালন কৰিবৰ কাৰণে ডেকা গাভৰুৰ এটা শক্তিশালী সংগঠন আছে। ডেকাসকলক নেতৃত্ব দিবলৈ ডেকাবৰা আৰু গাভৰুসকলক নেতৃত্ব দিবলৈ তিৰবৰা আৰু সমস্ত সকলোবোৰকে এঠাইত গোটাবৰ কাৰণে বহু'ত্ৰা চোৰা নিযুক্ত থাকে। এই সভা বা ৰাইজ পৰিচালনা কৰিবলৈ কটকটীয়া নিয়ম আছে। বিশেষত বহাগ বিহু মিচিং ডেকা গাভৰুসকলৰ ধেমালিৰ বতৰ। প্ৰকৃতিয়ে ৰূপ সলনি কৰাৰ লগে লগে মানুহৰ আদিম মনতো এটা সৃষ্টি প্ৰেৰণা জাগে। যেতিয়া কুলি কেতেকীয়ে গীত গাব, কপৌ-ফুল ফুলিব বা জগ্ৰকবোৰ (বননহৰুৰ) ফুল পথাৰবোৰত জাতিস্কাৰ হব তেতিয়া স্বাভাবিক ভাবে মিচিং ডেকা গাভৰুৰ মনত অদম্য উৎসাহ জাগে, তেওঁলোকৰ অজ্ঞাতে বহুত অসংখ্য অইনিতম নিগাৰি ওলায় প্ৰকৃতিৰ সংস্পৰ্শত স্বপ্ৰনোদিত এই মিচিং ডেকা গাভৰুৰ অকৃত্ৰিম উৎসাহ জানো সংকীৰ্ণ মনোবৃত্তিৰ কিছুমান লোকে বন্ধ কৰিব পাৰিব?

কবি সম্মিলনৰ সভাপতিৰ অভিভাষণ

শ্ৰীনলিনীধৰ ভট্টাচাৰ্য

অসমীয়া কবিতাৰ গোটেই কলেৱৰটো জাৰি-জোকাৰি চোৱাটো সহজ নহয়, তথাপি মই ইয়াত স্থূলমূলভাৱে মূল ধাৰাসমূহৰ এটা ইংগিত দিবলৈ যত্ন কৰিছোঁ। এই প্ৰয়াস সৰ্বতোভাৱে সাৰ্থক নহব পাৰে। অৱশ্যে, এই যিমানদূৰ পাৰোঁ যুক্তিপূৰ্ণভাৱে আমাৰ কাব্য-পৰিক্ৰমা ফঁহিয়াই চাবলৈ যত্ন কৰিছোঁ। আশাকৰোঁ ইয়াত গোটখোৱা কবি আৰু কাব্যামোদীসকলে সহানুভূতিৰে বিবেচনা কৰি চাব।

অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ কিদৰে পৰিছে, সেই বিষয়ে বহুতেই আলোচনা কৰিছে। আজিৰ কাব্য-জগতৰ বাতায়ন বন্ধ নহয়, তাতে পশ্চিমৰ বাহিৰেও চীন, জাপান, চিলি, স্পেইন আদি দেশৰ কাব্য-চিন্তাৰ বীজ মুকলি খিৰিকিয়েদি সোমাই আমাৰ কবিসকলৰ কাব্যসাধনাক বলিষ্ঠ কৰি তুলিছে। অৱশ্যে এই ৰসায়ন কিমান দূৰ সফল হৈছে সি আমাৰ বিচাৰ্য।

পশ্চিমৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ প্ৰভাৱ, লগতে বংগীয় কবিসকলৰ অধ্যয়নে আমাৰ ৰোমাণ্টিক কবিসকলক উদ্বুদ্ধ কৰিছিল। ইউৰোপীয় কবিতাৰ ইতিহাস বৈচিত্ৰ্যপূৰ্ণ, মধ্যযুগৰ পৰা কুৰিশতিকালৈকে বিভিন্ন সময়ত ক্ৰমে ঈশ্বৰ আৰু শাস্ত্ৰ, মানুহ আৰু প্ৰকৃতিয়েই কবিতাৰ ঘাই বিষয়-বস্তু আছিল। অৱশ্যে যুগৰ পটভূমিত এইবোৰৰ প্ৰতি কবিসকলৰ দৃষ্টিভংগী পৃথক হৈছে আৰু শৈলীৰ দিশতো পৰিবৰ্তন ঘটিছে। এতিয়া anti poetry ৰ যুগ আৰম্ভ হৈছে। মধ্যযুগৰ কবিতাত আছিল ঈশ্বৰ-চিন্তা আৰু অপৌৰুষেয় শাস্ত্ৰৰ ব্যাখ্যা, ইয়াৰ ঘাই কাৰণ আছিল তেতিয়া সমাজৰ ঘাই পৰিচালিকা শক্তি আছিল ধৰ্ম আৰু ধৰ্মীয় শাস্ত্ৰসমূহ। ডাণ্টেৰ 'ডিভাইন কমেডি' এনে এটা পৰিবেশৰ সৃষ্টি। মধ্যযুগৰ প্ৰাহ-বিলাহ আৰু ৰাজদৰবাৰৰ নাইটসকলৰ Courtly love ৰ পটভূমিতে ডাণ্টেৰ কাব্য-জীৱন আৰম্ভ হৈছিল যদিও শেহলৈ স্বৰ্গীয় প্ৰেমৰ উপাসনাত তেওঁৰ মন নিবিষ্ট হ'ল য'ত কাল চিৰন্তন, সকলো পাৰ্থিৱ কলুষ আৰু মায়াৰ পৰা প্ৰেম মুক্ত। ডাণ্টেৰ এই প্ৰেম আৰু ঐশ্বৰিক শক্তিৰ কোনো প্ৰভেদ নাই। 'Paradise'ত তেওঁ কৈছে.

My will and my desire were turned by love
—The love that moves the sun and the other
stars,

মধ্যযুগৰ পিছত উল্লেখ যোগ্য সাংস্কৃতিক পৰিবৰ্তনৰ যুগ হ'ল ৰেনেচাঁ। পুঁজিবাদৰ আৰম্ভণিৰ এই কালছোৱাত জ্ঞান-বিজ্ঞানৰ সকলো শাখাতে যি নতুন উন্মাদনাৰ জোৱাৰ আহিছিল, তাৰ প্ৰভাৱতে কবিসকল ঈশ্বৰ চিন্তাৰ পৰা আঁতৰি থাইকৈ মানুহ আৰু প্ৰকৃতি সম্বন্ধে সজাগ হ'ল। বুৰ্জোৱাসকলৰ প্ৰথম অগ্ৰগতিৰ কাল হ'ল ৰেনেচাঁ, সামাজিক সম্পৰ্কে তেতিয়া বহু পৰিমাণে অজটিল। শ্ৰম বিভাজন তেতিয়াও কঠোৰ আৰু সংকীৰ্ণ হোৱা নাছিল। নতুন উৎপাদন শক্তি ৰূপ থাইছিলহি বুৰ্জোৱা ব্যক্তিত্বৰ মাজত। এই বুৰ্জোৱা-সকল তেতিয়া উদাৰ পৃষ্ঠপোষক। সংগ্ৰামক্ষম মানুহ মাত্ৰেই নতুন পৃথিৱী গঢ়িবলৈ সাজু। একেজন মানুহেই বৈজ্ঞানিক, শিল্পী, চিত্ৰকৰ লেখক হোৱাৰ সুযোগ পাইছিল। জীৱনটো বৰ সুখৰ যেন অনুভব হৈছিল।

ফৰাচী বিপ্লৱৰ সময়ত মুক্ত, শিল্পীয়ে গাৱে আত্মপ্ৰকাশিকভাৱে মানৱতাৰ জয়গান গাইছিল। নিজৰ আৰু আনৰ দেশৰ ঐক্য বিচাৰি মুক্তি, সমতা আৰু মৈত্ৰীৰ ধ্বনি তুলিছিল। উদীয়মান বুৰ্জোৱাৰ স্বপ্ন আছিল এয়ে কিন্তু লাহে লাহে স্ববিৰোধ আৰম্ভ হ'ল। যিসকলে মুক্তিৰ কথা ক'লে, তেওঁলোকেই মজুৰী দাসত্বৰ পোষকতা কৰিলে। মানুহৰ সামৰ্থ্যৰ মুক্ত বিচৰণৰ কথা কৈও মূলত বাধা অহা পুঁজিবাদী প্ৰতিযোগিতাৰ আৰণ্যক নীতিৰ সমৰ্থক হৈ পৰিল। বহুমুখী মানৱ ব্যক্তিত্বক সংকীৰ্ণ বিশেষজ্ঞৰ ৰূপ দি খণ্ডিতকৰণ সম্পূৰ্ণ কৰিলে। এনেবোৰ বিবাধে সমস্যা আৰু জটিল কৰি তুলিলে। প্ৰকৃত মানৱতাবাদী শিল্পীৰ বাবে পৰিস্থিতি অসহনীয় হৈ উঠিল। ইতিমধ্যে ১৮৭৮ চনৰ বিপ্লৱ ব্যৰ্থ হোৱাত কলাৰ জগতত মোহভংগ হ'ল। বুৰ্জোৱা কলাৰ উজ্জ্বল যুগ নিষ্প্ৰভ হোৱাৰ আগন্তুক হল। বাহিৰৰ জগত-খনত তেতিয়া দেখা গ'ল—পূৰ্ণ-বিকশিত পুঁজিবাদ -মানুহৰ বিচ্ছিন্নতা, ধন-নিয়ন্ত্ৰিত মানসিকতা, বহিৰ্মুখী আৰু বস্তু-নিৰ্ভৰ মানৱ-সম্পৰ্ক, উৎকট শ্ৰম-বিভাজন, বিলাসজ্ঞৰ সৃষ্টি - ব্যক্তিৰ অস্বীকৃতি, নিঃসংগতা, এই পৰিবেশত স্পৰ্শাতুৰ শিল্পীয়ে ভাবিবলৈ বাধ্য হল—বুৰ্জোৱাৰ জয়ৰ অৰ্থ মানৱতাৰ জয় নহয়। আশাৰ জোন মৰহি পৰিল। এই পৰিবেশতেই ইংৰাজ কবি ৱৰ্ডচৱৰ্থে চিঞৰি উঠিছিল :

And much it grieved my heart
to think
What man has made of man ?

ৰোমাণ্টিক ৰিভাইভেলৰ সময় এইটো। পুঁজিবাদৰ উল্লিখিত আসোঁৱাহ-বোৰৰ বিৰুদ্ধেই ইয়াৰ প্ৰতিবাদ ধ্বনিত হৈছিল যদিও পৰিৱেশৰ বাবেই

শিল্পীসকলৰ অন্তৰ দ্বন্দমুক্ত নাছিল। এওঁলোক এহাতে জগত জয় কৰাৰ বন্য উন্মাদনাত পুলকিত, আনহাতে নিঃসংগতাৰ সংগত জৰ্জৰিত। নিম্ন-মধ্যবিত্তসুলভ এনে দোদুল্যমানতাৰ ফলতে ভাসেমান কবি আবদ্ধ হ'ল কল্প-লোকত, আৰু আন বহুতেই দেশ-কাল পাত্র-সম্বন্ধে এটা বিচাৰশীল বাস্তৱ দৃষ্টি লৈছিল। ৰোমাণ্টিচিজম যিহেতু যন্ত্ৰৰ যন্ত্ৰণাৰ বিৰুদ্ধেই সোচ্চাৰ আছিল, তাত কিছু-পৰিমাণে বাস্তৱবাদক দৃষ্টিভঙ্গী বা ৰীতি হিচাপে গ্রহণ কৰাটো একো অস্বাভাৱিক নহয়। বাইৰণ, শেলী, হেইন, পুস্কিন আদি কবিৰ লেখাত আংশিকভাৱে হ'লেও বাস্তৱবোধ পোৱা যায়। আনহাতে কীটচ বা নৰ্ভেলিচ আছিল কল্পলোকৰ কবি। এওঁলোকৰ ৰীতি আছিল স্বপ্নালু আত্মকেন্দ্ৰিকতা। এইদৰে চালে দেখা যায় যে পাশ্চাত্যৰ ৰোমাণ্টিক কাব্য-ধাৰাত মাইকৈ এই দুই প্রৱণতাই কাম কৰিছিল।

ইংৰাজসকল অহাৰ পিছত আমাৰ দেশৰ ইংৰাজী শিক্ষাত শিক্ষিত মধ্যবিত্ত শ্রেণীৰ কবিসকলৰ ওপৰত ইংৰাজী সাহিত্যৰ জৰিয়তে যেতিয়া ৰোমাণ্টিক প্রভাৱ পৰিছিল তেতিয়াও আমি উল্লিখিত দুটি প্রৱণতা আমাৰ কাব্য-সাহিত্যতো দেখিবলৈ পাওঁহক। আত্মকেন্দ্রিক এই কবিসকলে ৰহস্যবাদ নিৰ্বিচাৰ অতীত-প্রীতি, নিঃসংগতা, প্লেটনিক প্রেম প্রকৃতিৰ মানৱীকৃত ৰূপ, মানুহৰ অখণ্ড ৰূপৰ কল্পনা এতেবোৰ বিষয়-বস্তুত আত্ম-নিয়োগ কৰিছিল। যিসকলে বাস্তৱবোধক আশ্রয় কৰিছিল, তেওঁলোকে স্বদেশ প্রেম, জাতীয় মুক্তি আৰু সাম্রাজ্যবাদ বিৰোধী, মনোভাৱ ফুটাই তুলিছিল। কোনো কোনো কবিৰ মাজত আকৌ আমি দুয়োবিধ প্রৱণতাকে পাওঁহক। চন্দ্রকুমাৰ, দুৰৰা, গগৈ বৰকাকতী ৰঘু চৌধাৰী, নলিনীবালা যিদৰে স্বপ্নালু, সেইদৰে কমলাকান্ত, প্রসন্নলাল, জ্যোতিপ্রসাদ ৰোমাণ্টিক পৰিমণ্ডলৰ ভিতৰতে বাস্তৱদৃষ্টিসম্পন্ন। অম্বিকাগিৰীৰ মাজত আমি আকৌ দুয়োবিধ লক্ষণ দেখোঁ। কমলাকান্তৰ অসম-প্রীতি আৰু জ্যোতিপ্রসাদৰ সাম্রাজ্যবাদ বিৰোধী মনোভাৱৰ উৎস পৃথক। স্বাধীনতা যুদ্ধৰ অভিজ্ঞতাই জ্যোতিপ্রসাদৰ দৃষ্টি প্রসাৰিত কৰি তুলিছিল। চন্দ্রকুমাৰৰ বিমূর্ত মানৱ-প্রীতি আৰু চৌধাৰীৰ প্রকৃতিৰ মানৱীকৃত ৰূপ—দুটা ভিন্ন প্রসংগ। অৱশ্যে এই আটাইবোৰেই ৰোমাণ্টিক ভাবাদৰ্শৰে ঠাল-ঠেঙুলি বিশেষ। এইদৰে অসমৰ ৰোমাণ্টিক কাব্য-পৰিক্রমা পাশ্চাত্য প্রভাৱতে পৰিপুষ্ট হৈছিল। এনে ধৰণৰ প্রভাৱ কোনো কবিয়ে আত্মসাৎ কৰিছিল যদিও মূলতঃ সি অনুকৰণ হৈ থাকিল। দুটা কাৰণত আমি পাশ্চাত্যমুখী হৈছিলোঁ। এটা কাৰণ হ'ল, পাশ্চাত্য আদৰ্শত দীক্ষিত কবি-সকলে ভাবিছিল অসমীয়া কবিতাক যদি সাগৰপৰীয়া ঐতিহ্য আৰু আংগিকেৰে

চিহ্নিত কৰা নহয়, যেনেহলে সি পশ্চাৎপদ হৈ ৰ'ব। আন এটি কাৰণ হৈছে, যি শোষণমুখী অৰ্থনীতি আমাৰ জীৱন-চৰ্য্যাৰ ভেটি হ'ল সেই অৰ্থনীতিয়েই আমাক মানসিকভাৱে পৰমুখাপেক্ষী কৰি তুলিলে। এই অনিবাৰ্য ঐতিহাসিক কাৰণতে আমাৰ সাহিত্য-সংস্কৃতি পাশ্চাত্যমুখী হ'ল। যি যি কাৰণত ইউৰোপত ৰোমাণ্টিচিজম এহাতে বিশুদ্ধ আবেগ (pure passion) আৰু আনহাতে আতিশয্যপূৰ্ণ অমিতভাষী উদ্দাম মনোভাৱৰ বাহন হৈছিল সেই বাস্তৱ কাৰণসমূহ আমাৰ ইয়াত আছিল বুলি ক'ব নোৱাৰি। তথাপি, আধুনিকতা তথা ইউৰোপীয়তাৰ অনুৰাগী এচাম মানুহৰ প্ৰযত্নতেই ৰোমাণ্টিক ভাবাদৰ্শই আমাৰ ইয়াত পোখা মেলিছিল। অসমত বেজবৰুৱাহঁতেই এই আন্দোলনৰ গুৰি ধৰিছিল। তেওঁলোকৰ ভাবমণ্ডলত ৰাজনীতিৰ স্থান নাছিল। তেওঁলোকে ঘাইকৈ ইংৰাজী সাহিত্যৰ আহিঁত সাহিত্যৰ সকলো শাখালৈকে অৱদান আগবঢ়ালে। আন কি, লোক-সাহিত্যৰ সংগ্ৰহৰ কামো হাতত ললে। অৱশ্যে লোক-সাহিত্যৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী বিচাৰশীল আছিল বুলি ক'ব নোৱাৰি। তথাপি তাৰ পৰা আমাৰ যথেষ্ট লাভ হ'ল।

ৰোমাণ্টিক ধাৰা চল্লিশৰ দশকলৈকে চলি আছিল যদিও ইয়াৰ শেহতীয়া অৱদানবোৰে তাৰ পূৰ্বৰ সৌষ্ঠৱ হেৰুৱালে। দেৱকান্ত বৰুৱাৰ কবিতাত পাৰ্থিৱ প্ৰেম-প্ৰীতিৰ লক্ষণ প্ৰকট হৈছিল। তেওঁৰ নায়িকা আছিল শৰীৰী আৰু সাধাৰণ 'তুমি অৰু মই সজা প্ৰেমৰ পৃথিৱী এয়া মৃত্যু তাৰ সীমা।' তেওঁ আছিল ব্যতিক্রম, সাধাৰণভাৱে কবিতাৰ ৰূপ চৰ্বিত চৰ্বন হোৱা বাবে সি বিৰক্তিকৰ হৈ উঠিল। এই অচলায়তন অৱশেষত ভংগ কৰিলে 'জয়ন্তী' যুগৰ কেইজনমান ডেকাই, দ্বিতীয় মহাযুদ্ধৰ পৃথিৱী ক'পোৱা বিভীষিকাই ইতিমধ্যেই সাম্ৰাজ্যবাদী শোষণ-শাসনত দুৰ্বল হৈ পৰা সমাজৰ ভেটি আৰু লৰক-ফৰক কৰি তুলিছে। এই পৰিস্থিতিত সচেতন যুৱকসকলে নতুন অভিজ্ঞতা আৱিষ্কাৰ কৰিলে। তেওঁলোকে বুদ্ধি গ্ৰাহ্য বাস্তৱবোধক সংবেদনশীল অনুভূতিলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াসেৰে নতুন কাব্যৰ দুৱাৰ মুকলি কৰিলে। ভবানন্দ দত্ত, অমূল্য বৰুৱা আদিৰ কবিতাই নতুন দিশেৰে আগবাঢ়ি ক'ব খুজিলে যে দেশৰ অৱক্ষয়ৰ মূল কাৰণ অৰ্থনৈতিক স্বাৰ্থ আৰু শ্ৰেণী-সংঘৰ্ষহে। ধীৰেন দত্তৰ কবিতাত এনে ভাৱৰ প্ৰতিধ্বনি উঠিল। কেশৱ মহন্তয়ো এই সমাজ-সচেতন ধাৰাত তেতিয়াই কবিতা লিখিছিল। কেৱল ৰোমাণ্টিক ভাবাদৰ্শৰ বিৰোধিতাই নহয়, সমকালীন আৰ্থ-সামাজিক পৰিস্থিতিয়েও এই কবিসকলক এনে এক দৃষ্টিভংগী লবলৈ বাধ্য কৰাইছিল। গজদন্ত মিনাৰ হাউলিবলৈ আৰম্ভ কৰিলে, কাব্যৰ তুষাৰশুভ্ৰ শিখৰলৈ উঠি

নান্দনিক ৰহস্যত অৱগাহন কৰাৰ পথ ক্ৰমে নিষ্প্ৰভ হৈ আহিল। তেওঁলোকৰ কবিতাৰ উৎস হ'ল বহিৰ্লোক। কিয়নো, তেওঁলোকে বাস্তৱৰ ধামখুমীয়াৰ মাজত থিয় হৈ অনুভৱ কৰিলে কবি কেৱল ইন্দ্ৰিয়ানুভূতিৰ ধাৰক-বাহক নহয়, তেওঁ এটা যুগ জাতি আৰু শ্ৰেণীৰো প্ৰতিভূ অৱশ্যে এইসকল কবিৰ সকলো কবিতাৰ আবেদন বলিষ্ঠ, প্ৰাণবান আৰু ৰুচিসন্মত হৈছিল বুলি কোৱা টান, কিন্তু তেওঁলোকে যি উপলব্ধি কৰিছিল তাৰ গুৰুত্ব আছিল যথেষ্ট আৰু তাৰ বীজ অসমৰ সাংস্কৃতিক ক্ষেত্ৰত বৈ গ'ল। জয়ন্তী যুগৰ ভৱানন্দ দত্তৰ 'ৰাজপথ', অমূল্য বৰুৱাৰ 'বেশ্যা', ধীৰেন দত্তৰ 'কাঠমিস্ত্ৰীৰ ঘৰ' স্মৰণীয় কবিতা।

ইয়াৰ পিছৰটো যুগ আছিল 'ৰামধেনু'ৰ যুগ। এই কালছোৱাতো দেখা গ'ল কবিসকলৰ সাগৰপৰীয়া চেতনা আহৰণ কৰি পৰীক্ষা-নিৰীক্ষা কৰাৰ হেঁপাহ। আগতকৈও অসমীয়া কবিৰ মানসিক দিগন্ত এতিয়া অধিক বিস্তৃত হ'ল। এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষা অনিবাৰ্য আছিল যদিও আমাৰ বেছি ভাল কবিয়ে বিচাৰশীল দৃষ্টিভংগীৰ সলনি নিৰ্বাচনাত্মক দৃষ্টিভংগী এটাহে গ্ৰহণ কৰিলে ইয়াৰ ফলত বৈচিত্ৰ্য আহিল সঁচা, কিন্তু পাশ্চাত্যৰ পৰা পৃথক আমাৰ দেশৰ বাস্তৱ-জীৱনৰ পৰা তেওঁলোক বিচ্ছিন্ন হৈ পৰিল। আমি পাশ্চাত্যৰ দৰে যন্ত্ৰপাতি, প্ৰযুক্তিবিদ্যা মননশীলতা বিচাৰোঁ সঁচা, কিন্তু আৰ্থ সামাজিক কাৰণত আমি তেওঁলোকৰ সমানে শাৰী পুৰাব পৰা নাই। কবিতাৰ ক্ষেত্ৰতো আমি তেওঁলোকৰ দৰেই বিচাৰোঁ মন আৰু আংগিক চেতনা। আমাকো লাগে বুদ্ধিদীপ্ত সন্ময়তা বা তন্ময়তা, শিথিলতাৰ ঠাইত সংযম, উচ্ছ্বাসৰ সলনি অথ ঘনত্ব। এনেবোৰ আকাংক্ষা থকা বাবেই আমি সতৰ্কভাৱে আগবঢ়াটো হে ভাল কথা, যাতে সি উপৰুৱা আৰু অন্ধ অনুকৰণ নহয়। বিদেশী গুৰুসকল আমাৰ নমস্য, কিন্তু তেওঁলোকৰ কোনটো দোষ, কোনটো গুণ কোনটো বৈশিষ্ট্য আৰু স্থায়ী গ্ৰাহ্নয়, আৰু কোনটো অস্থায়ী কাব্যিক ফেচন মাত্ৰ, এইবোৰ ভালদৰে জুকিয়াই নোচোৱাকৈ গ্ৰহণ কৰাটো আমাৰ কাৰণে বোধকৰোঁ সমীচীন নহয়। 'ৰামধেনু' যুগত এই সতৰ্কতা আছিল কোৱা টান কিয়নো এই যুগত আমি যিসকল বিদেশী কবিৰ স্পৰ্শ অনুভৱ কৰোঁ তেওঁলোকৰ উপলব্ধিৰ ঘনত্ব থাকিলেও, অথবা আংগিক চেতনাৰ উজ্জল বৈশিষ্ট্য থাকিলেও আমাৰ দেশৰ পটভূমিত সি কিমানদূৰ প্ৰযোজ্য আৰু কৃতকাৰ্য হ'ব সেই কথা বিচাৰ নকৰাকৈয়ে আমি তেওঁলোকৰ পথ অনুসৰণ কৰিলোঁ। ইয়াৰ ফল হ'ল বহু ক্ষেত্ৰত কৃত্ৰিমতা আৰু কাব্যিক দুৰ্বোধ্যতা।

প্ৰভাৱনো কেনে ধৰণৰ আছিল ? আমি দেখোঁ, ফৰাচী প্ৰতীকবাদী, জাপানী কবিতা, এলিয়টৰ নৈৰ্ব্যক্তিকতা আৰু জটিল আংগিক, চিত্ৰকলাৰ ইম্প্ৰেছনিষ্ট ধাৰা বৌদ্ধিক অযুক্তিবাদ, চিত্ৰকল্পবাদ ফ্ৰয়দীয় মনস্তত্ত্ব,-এনেবোৰ প্ৰাচ্য পাশ্চাত্যৰ দৰ্শন আৰু কাব্য-চিন্তাৰ সমল আহৰণ কৰাত আমাৰ কবিসকল তৎপৰ হ'ল। ইয়াৰ এটাই কাৰণ কবিসকলৰ অধ্যয়নশীলতা। এনেবোৰ দৰ্শন আৰু কাব্যচিন্তাৰ ধাৰক-বাহকেই আধুনিক মানসৰ অধিকাৰী এনে এক ধাৰণাও ইয়াৰ মূলত আছিল। কবি অধ্যায়নশীল হ'ব লাগে সঁচা, কিন্তু কবি-মানসৰ লগত বাস্তৱ-জ্ঞান আৰু ধৈৰ্যশীল পৰ্যবেক্ষণ শক্তিৰ সমন্বয় সাধন তাতোকৈ প্ৰয়োজনীয় বুলি মই ভাবোঁ। 'ৰামধেনু' যুগত ইয়াৰ অভাৱ আছিল যেন লাগে। অৱশ্যে সকলো কবিৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নিশ্চয় নহয়। উল্লিখিত কাব্য-চিন্তাৰ বাহিৰেও মাৰ্ক্সীয় চেতনাৰো উন্মেষ দেখা গৈছিল। মাৰ্ক্সীয় দৃষ্টিকোণ গ্ৰহণ কৰা সকলৰ ক্ষেত্ৰত সমাজ-চেতনাৰ ইংগিত পোৱা গৈছিল। মাৰ্ক্সীয় চেতনাৰ সুঁতিটো চেৰা সুঁতি যেন হৈ থাকিল, যাই সুঁতিত বিশেষভাৱে পাশ্চাত্য-কাব্য-চিন্তাৰ সোঁত বৈ থাকিল।

প্ৰথমতে আমি স্মৰণ কৰিব লাগিব হেম বৰুৱাক। জটিল বিদগ্ধ এলিয়টী কাব্য শৈলীৰ অনুকৰণ দুৰ্বল হলেও তেওঁৰ ক্ষেত্ৰত সি পূৰ্বৰ ৰোমাণ্টিক শৈলীৰ পৰা আঁতৰি আহিল। তেৱেঁই নতুন কবিতা আৰু কাব্য-চিন্তাৰ বাট-কটীয়া। আধুনিকতাৰ অৰ্থ সকলো কবিৰ বাবে একে নহয়। হেম বৰুৱাৰ কবিতাৰ উৎস হ'ল জন-জীৱন। সামাজিক দুখ, বিৰোধ আৰু তাৰ পৰা উত্তৰণৰ পটভূমিত তেওঁ গান গালে। তেওঁক জনগণৰ কবি বুলি কবৰ মন যায়। গভীৰ সত্যৰ মাটিত লালিত জীৱনৰ অৰ্থক পল্লৱিত কৰি তোলাই তেওঁৰ কাম্য আছিল আৰু সেয়ে আছিল তেওঁৰ বাবে আধুনিকতা। সহজ সাধাৰণ কল্পচিত্ৰ আৰু লয়যুক্ত গদ্যৰ সহায়ত তেওঁ প্ৰকাশ কৰিলে নতুন আশা আৰু স্বপ্নৰ কাহিনী :

> প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে, থৰে থৰে পৃথিৱী কঁপিছে।
> উস, ইমান জাৰ। সোণপাহী হেৰা,আমাৰ স্বপ্ন আমিযে ৰচিম। বোকা
> আৰু পানী। সোণালী ধান। আমাৰ পথাৰ। আমাৰ মাটি।
> গৰ্ভ-পলীত নতুন দিনৰ জন্ম ক্লেশ।

'মন-ময়ুৰী'ৰ কবিতাবোৰত এনে ভৱিষ্যত দৃষ্টিৰ অভাৱ হোৱাৰ কাৰণ হ'ল জনসাধাৰণৰ পৰা বিচ্ছিন্নতা। তথাপিও তাতো সাধাৰণৰ অনুভূতি হৃদয় পৰশাকৈ তেওঁ প্ৰকাশ কৰিছিল সংযত ভাষাত। 'আইতা' আৰু 'মমতাৰ চিঠি' ইয়াৰ উজ্জ্বল উদাহৰণ। হেম বৰুৱাৰ প্ৰদৰ্শিত পথেদি যিসকল

আগবাঢ়িল, তেওঁলোকৰ সমস্যা হৈছিল সমাজবোধক অনুভূতিৰ জৰিয়তে নিজে কেনেকৈ প্ৰকাশ কৰিব পাৰি। এই পৰীক্ষাত উত্তীৰ্ণ হোৱা সকল হ'ল, কেশৱ মহন্ত, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, ৰাম গগৈ, অমলেন্দু গুহ, হেমাংগ বিশ্বাস আদি। দৃষ্টিভংগীৰ পাৰ্থক্য থকা স্বত্বেও সমাজ চেতনাৰ দিশৰ পৰা এওঁলোকক একশাৰীতে ৰাখিব পাৰি। কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী, ৰাম গগৈৰ 'পথাৰ', হেমাংগ বিশ্বাসৰ 'কুলখুৰাৰ চোতাল' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'বিক্ষুব্ধ বাঙ্লা, এতিয়া কিমান ৰাতি?' আদি কবিতাই সচেতন কাব্যামোদী পাঠকৰ চৈতন্যত আজিও ৰেখাপাত কৰি আছে।

এওঁলোকৰ যাত্ৰা জন-সমুদ্ৰৰ ফালেই — কিয়নো শূন্য আতাহত ভুৱা সম্পদ ভৰাই থোৱাৰ হেঁপাহ এওঁলোকৰ নাছিল। কথিত ভাষা আৰু কাব্যৰীতিৰ সহজ সমন্বয় আছিল এওঁলোকৰ লক্ষ্য। এওঁলোকৰ ভিতৰত মহন্ত আৰু ভট্টাচাৰ্য্যই এতিয়াও কবিতাৰ চৰ্চা কৰি আছে। মহন্তৰ 'সোণজাৰী মাহীৰ নাড়ী' আৰু ভট্টাচাৰ্যৰ , স্মৃতি' আন দুটি স্মৰণীয় কবিতা।

ইংৰাজ কবিসকল বিশেষ'ক, ইয়েটচ, পাউণ্ড, এলিয়টৰ কবিতাত কাল-চেতনা নাছিল বুলি ক'ব নোৱাৰি। এলিয়টে ভাবিছিল - ধৰ্ম'-বিশ্বাস কমি অহা বাবেই সমাজৰ স্বাস্থ্য হানি হৈছে। পাউণ্ডে ব্যৱসায়ী আৰু ঔদ্যোগিক সমাজৰ কদৰ্যতাৰ বিৰুদ্ধে ঘৃণা প্ৰকাশ কৰিছিল। ইয়েটচে দেখিছিল পৃথিৱী জোৰা নৈৰাজ্য। সাংস্কৃতিক মানদণ্ডৰ অৱনতিৰ বাবেই সামাজিক কদৰ্যতা সম্ভৱ হৈছিল বুলি এওঁলোকে ধাৰণা কৰিছিল। ৰাজনীতিৰ কথা এওঁলোকে সপোনতো ভৱা নাছিল। মানুহ যে ৰাজনৈতিক প্ৰাণী হ'ব পাৰে সেই কথা তেওঁলোকে ভৱা নাছিল, পৃথিৱ পাতৰ পৰা চকু আঁতৰাই নি সাংস্কৃতিক সমস্যাক সামাজিক পুনৰ্গঠন আঁচনিৰ অংশীদাৰ কৰিবলৈ কবিসকলক ৰাজনৈতিক আৰু অৰ্থনৈতিক শক্তিবোৰেই যে বাধ্য কৰে সেই কথা তেওঁলোকে হৃদয়ংগম কৰিছিল বুলি মনে নধৰে। ইংৰাজী সাহিত্যত ত্ৰিশৰ দশকৰ কাব্য-চিন্তাত এনেবোৰ ধাৰণাৰ স্পৰ্শ লাগিছিল যদিও প্ৰকৃত জন-সংযোগ নথকাত কবিসকলে কেতিয়াবা মাৰ্ক্স-ফ্ৰয়েডৰ বিবাহো সমৰ্থন কৰিছিল। অৱশ্যে, লুই মেকনিচে ১৯৩৮ চনত কবিৰ সংজ্ঞা দিওঁতে ৰাজনীতি আৰু অৰ্থনীতিৰ জ্ঞানৰ ওপৰত জোৰ দিছিল। তেওঁৰ মতে :

My own prejudice is in favour of poets whose words are not too esoteric, I would have a poet able-bodied, fond of talking a reader of newspapers,

capable of pity and laughter, informed in economics appreciative of woman, involved in personal relationships, actively interested in politics susceptible to physical impression

মেক'নিচে ইয়াত কবিৰ চৌপাশে সৰ্কে দৃষ্ট ৰাখিবলৈহে ইংগিত দিছে। তেওঁ অৰ্থনীতি আৰু ৰাজনীতিৰ কথা কৈছে যদিও, তেওঁবিলাকে নিজে এইবোৰ বিষয়ত বৰ বেছি মনোযোগী নাছিল। ইয়াৰ ফলত তেওঁ-লোকৰ সমাজ চেতনা পিছলৈ ক্ৰমে অন্তৰ্হিত হৈছিল। এই পৰিস্থিতি আমাৰ সমাজ-সচেতন কবিসকলৰ ক্ষেত্ৰত হোৱা নাই বুলিব পাৰি। আমাৰ দেশত ক্ষীয়মান বুগা পুঁজিবাদী অক্টোপাচৰ লগত সামন্ত যুগীয় ঐতিহ্যৰ অন্ধগৰৰ যি অশুভ মৈত্ৰী সূচনা হ'ল তাৰ কু-প্ৰভাৱৰ প্ৰতি কোনো সচেতন কবি মানস নিষ্ক্ৰিয় হৈ থাকিব নোৱাৰে। তেওঁলোকৰ কবিতা সামাজিক সমস্যাৰ প্ৰতিবেদন নহয়, আচলতে সেইবোৰে স্বকীয়তা ৰক্ষা কৰিও সামাজিক স্বাস্থ্যৰ পুনৰ্নিমানৰ ইংগিত বহন কৰিছে।

এই চেৰা সুঁতি পাৰ হৈ মাইসুঁতিত ভৰি দিলে আমি দেখিম, এই ধাৰাত নব্য-ৰোমাণ্টিক ভাব-তৰংগৰ উঠা নমা চলি আছে। এই ধাৰাৰ উল্লেখযোগ্য আৰু প্ৰতিভাবান কবি নৱকান্ত বৰুৱাৰ বিভিন্ন পৰীক্ষ নিৰীক্ষাই অসমীয়া কাব্য সাহিত্যলৈ দেশী-বিদেশী প্ৰভাব-পুষ্ট যি বৈচিত্ৰ্য আনিলে সি আমাৰ কবিতাৰ ভাব-বস্তুৰ দিগন্ত বিস্তৃত কৰিলে আৰু কাব্য-শৈলীৰো নতুনত্ব আনিলে। নৱকান্তৰ কবিতাত কালচেতনাও আছে। এইবোৰ কথা স্বীকাৰ কৰিও তেওঁৰ দৃষ্টি-ভংগী ইতিবাচক বুলি ক'ব'লৈ আমি টান পাওঁ। তেও যেতিয়া কয় :

নক্ষত্ৰবা যদি শুই আছে, হেৰা
শুই থক শুই থক
খিদিৰপুৰৰ ডক

অথবা,

বালিৰ কণাত কত নাবিকৰ হাড়
ওপৰত উৰে ষ্টাৰ্লিং আৰু ডলাৰৰ যত চিলা
মাটিত বগায় কুমজেলেকুৱা দৃষ্ট
বিয়াল্লিচ। জোৱাৰতো হেৰা নহল ইয়াত

ন-ইতিহাস সৃষ্টি
সিৰনিত কোনে খোৱে ?
জগত শোঠৰ ক্ৰেনৰ চকাত তেজৰ চৰ্বি
এতিয়াও কোনে দিয়ে ?

তেওঁৰ কবিৰ বাস্তববোধ যে আছে তাৰ আমি ইংগিত পাওঁ, কিন্তু ইয়াৰ পিছত 'ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা'ৰ মাজত কবি যেন পেপুৱা লাগিছে। আধুনিক 'অৰণ্য'ৰ বাঘ আৰু মেচেকাৰ জাল থকা চকুৰে কবিৰ ভয়, মৃত্যুৰ মাত মহানগৰীত কবিয়ে 'অমৃতৰ পুত্ৰ হৈও ভৱিৰ তলত ' পিচল মৃত্যুৰ সাপ'ৰ অস্তিত্ব অনুভৱ কৰে। তেনেহলে কবিৰ বাবে আশ্বাস ক'ত ? তেওঁ কৈছে 'আকাশত ৰং নাই, প্ৰেমৰ কবিতা নাই, ৰামধেনু মচি নিযে কবিতাৰ ৰঙে।' অৱশেষত তেওঁ দেখে সিন্ধু কাঁইটৰ দেশ, মৰা-পৃথিবীৰ দেহ। দেখে ডুটৰ ডিঙিৰ ছাঁৰ দৰে নিস্তব্ধতা, দেখে কেৱল ক্ষয়ৰ আবিলতা। তেওঁ জানে ইয়াৰ পিছতো সাউদৰ সোণৰ পিয়াহ চলি থাকিব। ইমানখিনি জানিও কবি কিন্তু আগবাঢ়িব খোজে। তেওঁ কিয়ঃ ভাগৰ লাগিছে মোৰ গঢ় নতুন বিগ্ৰহ।' এলিয়টৰ দৰে তেওঁ হয়তো সাম্প্ৰতিক মানদণ্ডৰ অৱনতিৰ কথাই ভাবিছে আৰু ইয়াৰ প্ৰতিকাৰ হিচাপে তেওঁ বিচাৰিছে আকাশী উদাৰতা

'আমাৰ আকাশ নিচেই অকণি, তোমাৰ আকাশ দিয়া।

এলিয়টৰ দৰে ধৰ্মীয় সমাধান নহ'লেও এবধৰণৰ আধ্যাত্মিক সমাধানেই কবিয়ে বিচাৰিছে। কিন্তু এনে সমাধান ৰাজনৈতিক আৰু অৰ্থনৈতিক শক্তিবোৰে ব্যৰ্থ কৰিবলৈ সদায় সাজু। 'ডাচ কেপিটেল এখান পৃষ্ঠা বাকী' বুলি কোনোৰ পৰাই আমি বুজো। তেওঁ মাৰ্ক্স পঢ়িছে আৰু বুৰ্জোৱা প্ৰমূল্যৰ কদৰ্য্যতাক চিনিও পাইছে। কিন্তু ইয়াৰ কেৱল নৈতিক সমাধান নাই। নৱকান্তই এই নৈতিক সমাধানেৰে 'শ্মশান যাত্ৰাক জয়-যাত্ৰা' কৰাৰ আশ্বাস দিলেও আমাৰ পক্ষে তাত পতিয়ন যোৱাটো টান। কদৰ্য্যতাৰ ইংগিত সহজে দিব পাৰি, কিন্তু, তাক ধ্বংস কৰি নতুন বাস্তৱ গঢ়াৰ দায়িত্ব লোৱাটো সহজ নহয়। নৱকান্তই সহজ পথ-টোকে বাছি লৈছে। নৱকান্তৰ বক্তব্যৰ এই আসোঁৱাহৰ বাবে পটভূমি দায়ী। আনহাতে, স্পন্দিত গদ্য মুক্তক ছন্দৰ সাৰ্থক ব্যৱহাৰ, দেশজ প্ৰাকৃত ঐতিহ্যৰ প্ৰতীকেৰে আধুনিক জীৱনৰ ভাষ্য দিয়াৰ প্ৰচেষ্টা, ব্যঞ্জনাময় প্ৰকাশ-ভংগী, ধ্বনি মাধুৰ্য্যক অৰ্থ-ব্যঞ্জনাৰ সহায়ক হিচাপে বিবেচনা— নৱকান্তৰ কবিতাৰ এইবোৰ গুণ প্ৰশংসনীয় আৰু উদীয়মানসকলৰ বাবে অনুকৰণীয়।

তেওঁৰ বক্তব্যৰ ব্যৰ্থতাযো উঠি অহা কবিসকলক চিন্তা কৰিবলৈ শিকাব তেওঁৰ কবিতা এলিয়টৰ ' variety and complexity ' ৰ প্ৰতিফলন বুলিব নোৱাৰি, অথবা ফৰাচী প্ৰতীকবাদীসকলৰ দৰে শব্দ ইসাৰতো নহয়। কাব্য-জীৱনৰ পিছলৈ তেওঁ অধিক নিৰ্বাচনশীল হৈ পৰাটো মধ্যবিত্তসুলভ মনোবৃত্তিৰ পৰিচায়ক। নৱকান্তৰ বাবে আধুনিকতাৰ অৰ্থ কি। দ্বিতীয় মহাযুদ্ধৰ পিছৰ ভাৰতৰ অমানৱীয় পৰিস্থিতি, ডলাৰ-ষ্টাৰ্লিঙৰ ভাৱৰ, সিজুকাইটৰ মৰু ভূৰ কথা জানিও বিপন্ন বিষণ্ণতাত তেওঁৰ মন বুৰ গৈছে। সকলো জনাটোৱেই যেন আজি দুৰ্ভাগ্য। তেওঁ বিচাৰিছে পোহৰ পোহৰ, পোহৰ, ক'ত তেওঁ যেন এলিয়টৰ দৰেই, চিঞৰি উঠিব খুজিছে—Where is the life we lost in the living? এনে এক বিষণ্ণ দৃষ্টিয়েই তেওঁৰ বাবে হয়তো আধুনিক।

'ৰামধেনু' যুগৰ অন্যান্য কবিসকলৰ বৈশিষ্ট্য হ'ল, তেওঁলোক কোনো এক বিশিষ্ট মতবাদ গ্ৰহণ নকৰাৰ সকলো বৈপৰীত্যৰ মাজত উদাৰভাৱে সামঞ্জস্য ঘটাই মনলৈ অহা যি কোনো বিষয়ক বিভিন্ন দিশ বিচাৰ কৰি কাব্যচৰ্চা কৰিছিল। মহেন্দ্ৰ বৰাৰ কবিতাত আমি যেনেকৈ প্ৰেম প্ৰকৃতি মৃত্যু, বিষণ্ণতাৰ কথা পাওঁ, পাওঁ পুৱাৰ যাত্ৰা জীৱনৰ চিতাৰ এমুঠি ছাই,' অথবা দুখৰ ৰূপৰ টিলিঙা বজাৰ উঠান পাওঁ, সেইদৰে তেওঁৰ কবিতাত কেৰেণী শোলীৰ চিঠি পঢ়োঁ, মানৱ-প্ৰীতিৰ সম্বাদ পাওঁ। বৰাৰ মানুহ অৱশ্যে বিমূৰ্ত ঃ

ভালপাওঁ মানুহক অচিনাকী চিনাৰক
আপোনজনক পুৰণি বন্ধুক আৰু
এই মাত্ৰ যাৰ সতে হ'লো চিনাচিন

মহেন্দ্ৰ বৰাই শেহতীয়াকৈ এনে ৰোমাণ্টিক মেজাজত স্বদেশৰ অজেয় আত্মাৰ সপোন দেখিছে। ৰোমাণ্টিক মানসিকতা অসমীয়া কাব্য সাহিত্যৰ পৰা এতিয়াও অন্তৰ্হিত হোৱা নাই। আনকেইজনা কবিৰ এনে বৈশিষ্ট্য দেখা যায় হৰি বৰকাকতি তাৰ ভিতৰত অন্যতম। তেওঁ যাইকৈ প্ৰেমৰ কবি ৰোমাণ্টিক যুগৰ প্ৰেমৰ কবিসকলৰ লগত তেওঁৰ পাৰ্থক্য মাত্ৰ প্ৰকাশভংগীত। প্ৰেমজনিত বিষাদ স্মৃতি ভাৰাক্ৰান্ত কবিতা আৰু দুই-এটা চিত্ৰধৰ্মী কবিতাৰ মাজেৰে তেওঁ আত্মপ্ৰকাশ কৰিছে। মহিম বৰাৰ কবিতাত প্ৰকৃতিৰ সজীৱ সৌন্দৰ্য্যৰ উন্মোচন হৈছে আৰু চেগা চোৰোকাকৈ আধুনিক জীৱনৰ অমানৱীয়তাৰ হেতু বিষণ্ণতা ফুটি উঠিছে। তেওঁ যাইকৈ ইন্দ্ৰিয়ানুভূতিৰ কবি, আধুনিক জীৱনৰ জটিলতাৰ ব্যঞ্জনা তেওঁৰ কবিতাত অনুপস্থিত। এসময়ত

'তীৰ্থ' কবিতাৰে সমাজ-বাস্তৱৰ চিত্ৰ আঁকা কবি অজিত বৰুৱাৰ মননশীল কবিতা 'জেংৰাই, ১৯৬৩' আধুনিক প্ৰমূল্যৰ পটভূমিত মধ্যবিত্ত জীৱনৰ দ্বন্দ্বৰ ইংগিত দিয়া হৈছে। তেওঁৰ কবিতাৰ সংখ্যা, তাকৰীয়া যদিও কবিতা-প্ৰয়াসত চিন্তা আৰু অনুভূতিৰ সন্মিলন ঘটোৱাৰ লক্ষণ আছে। নিঃসংগতাবোধ, হতাশা দীনেশ গোস্বামীৰ কবিতাৰ মূল উপজীৱ্য বস্তুৰ বাহিৰলৈ ওলাই অহাৰ চেষ্টাহ থকা স্বত্তেও 'শব্দময়ী অপসৰা জননীৰ সংগে সহবাস তেওঁৰ কাম্য। শেহ তীয়াভাৱে ৰিলকেৰ অনুকৰণত ক্ৰমাগতভাৱে জীহ যোৱা অস্তিত্বৰ মৰুভূম অধিক অন্তৰ্মুখী হবলৈ যত্ন কৰিছে। ৰিলকেৰ ধাৰণানুযায়ী ইন্দ্ৰিয়গ্ৰাহ্য জগতখন স্মৃতিৰে শোধিত হলে এক নতুন সত্তাৰ অধিকাৰী হয়। এই নতুন সত্তাই কাব্যৰ সামগ্ৰী হৈ উঠে। সেই কাৰণে তেওঁ কৈছে, 'Nowhere, beloved can world exist' but within" ফৰাচী কবি ৰেম্বোৰ 'সকলো ইন্দ্ৰিয়ৰ যুক্তিগ্ৰাহ্য বিশৃংখলা (reasoned derangment of all senses)ৰ প্ৰতিধ্বনি আছে ৰিলকেৰ অন্তৰ্জীৱনৰ সাধনাত। সমাজিক পৰিস্থিতিয়েহ ৰিল্কেক অন্তৰ্জীৱনৰ সাধক কৰি তুলিছিল গোস্বামীৰ কবিতাৰ বিক্ষেৰ বেদনাবোধৰ ধ্বনি-প্ৰতিধ্বনিহে আছে তেওঁ ৰিল্কেৰ পৰিকল্পনা আৰু ভাব-সংহতি সম্পূৰ্ণকৈ আয়ত্ত কৰিছে বুলি কোৱা টান। বীৰেশ্বৰ বৰুৱাৰ কবিতাত ঘাইকৈ প্ৰেম, প্ৰকৃতি সৌন্দৰ্যৰ কথা পোৱা যায় আৰু অতি নগৰচেতনাও দেখা যায়। হোমেন বৰগোহাঞিৰ কবিতা কোতয়াবা লৰেন্সৰ দৰে যৌনগন্ধী, কোতয়াবা বোডলেয়াৰৰ দৰে মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ অন্বেষী। বৰগোহাঞিয়ে সম্প্ৰতি কবিতা লেখিবলৈ এৰিছে।

এওঁলোকৰ পিছত যিসকল কবিয়ে নিৰৱছিন্ন ভাৱে কাব্য চৰ্চা কৰি আছে, তাৰ ভিতৰত নিৰ্মল প্ৰভা বৰদলৈ হীৰেন ভট্টাচাৰ্য ৰবীন্দ্ৰ বৰা হীৰেন দত্ত, প্ৰফুল্ল ভূঞা, নীলমণি ফুকন, ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা আদি। ডঃ মহেশ্বৰ নেওগে তাহানিতে 'অন্ত্যজা' কবিতাৰে অসমীয়া কবিতাক দিক্ পৰিবৰ্তনত ভাগ লৈছিল যদিও শেহতীয়াকৈ তেওঁ মুচাফিৰ থানাত' জীৱনক অনৱসাদেৰে ঘূৰাই চোৱাৰ আকাংক্ষা প্ৰকাশ কৰিছে। নিৰ্মল প্ৰভা বৰদলৈয়ে আংগিকৰ দিশত উন্নতি কৰি স্বকীয় বৈশিষ্ট্য এটিৰ সৃষ্টি কৰিছে। বিষয়-বস্তুৰ ফালৰ পৰা তেওঁ নব্য-ৰোমাণ্টিক ধাৰাৰে অন্তৰ্গত বুলিব পাৰি। ইউ-ৰোপীয় সাহিত্যত চিত্ৰকল্পবাদ প্ৰতীকবাদ—আদি বিদ্ৰোহসমূহ ৰোমাণ্টিচিজমৰে ফলশ্ৰুতি। নৱকান্ত বৰুৱাৰ পৰা উদীয়মান কবি মোহন কৃষ্ণ মিশ্ৰলৈকে ভালে-মান কবিৰ দৰেই বৰদলৈৰ কবিতাত চিত্ৰকল্পবাদৰ আভাস পোৱা যায়।

হীৰেন ভট্টাচাৰ্যৰ কবিতাত এহাতে যেনেকৈ ৰোমাণ্টিক দুখবোধ বৰ্তমান আনহাতে তেনেকৈ প্ৰখৰ সমাজ চেতনাও পৰিস্ফুট। তেওঁৰ আংগিকৰ বৈশিষ্ট্য আছে। আন্তৰিকতা তেওঁৰ এটি প্ৰধান গুণ। এইবাবে তেওঁৰ কবিতাৰ মৰ্মই সহজে পাঠকৰ হৃদয় স্পৰ্শ কৰিব পাৰে। সম্ভৱত. তেওঁ সেইবাবেই ক'ব পাৰিছে— মই কাৰ, পৃথিৱী মোৰ কবিতা। দুখৰ বাঁহী বজাবলৈ এৰি জীৱন আৰু জগতৰ নতুন দুৱাৰ উন্মোচন কৰিবলৈ ওলাই আহিলে তেওঁ অধিক সিদ্ধি লাভ কৰিব বুলি আমাৰ বিশ্বাস। কবি ৰবীন্দ্ৰ বৰাৰ কবিতাত সামাজিক চেতনাৰ আভাস আছে। মাটিৰ গৰ্ভত তেওঁ শুনিবলৈ পায় জীৱনৰ স্পন্দন। প্ৰফুল্ল ভূঞা নিৰ্জনতাৰ কবি,- অৱচেতনত বুৰ দি কেতিয়াবা স্মৃতি আৰু সৌন্দৰ্যৰ বন্দনা কৰিছে, কেতিয়াবা আকৌ আজিৰ উদ্বিগ্ন জীৱনৰ ক্লান্তি আঁতৰাবলৈ প্ৰাৰ্থনাৰ পবিত্ৰতাৰ মাজত আশ্ৰয় ল'ব খুজিছে।

আপাত দৃষ্টিত হীৰেণ দত্তৰ কবিতাৰ ভাষা সৰল, তেওঁৰ আত্মাৰ সুৰভি চকুলোৰে ধুই নিয়ে। কিবা স্পৰ্শমান বিচাৰি তেওঁ যেন আকুল। স্মৃতি ৰোমন্থণ কৰি তেওঁ কেতিয়াবা বিষাদগ্ৰস্ত: ভবিষ্যতে গুহ ছানি ধৰা এখন ৰূপালী মৰুবাজান। শব্দ-চিত্ৰ আঁকাত নিপুণ আৰু কেতিয়াবা প্ৰতীকী ৰহস্যৰ সোৱাদ লওঁতা দত্তৰো কাব্য চিন্তা নব্য-ৰোমাণ্টিক ধাৰাৰ ভিতৰুৱা বুলিব পাৰি।

নীলমণি ফুকন নিষ্ঠাবান কবি। জাপানী কবিতা চীনা কাবতা গাঁথিৰা লৰকা আৰু দুই এজন ফৰাচী কবিৰ কবিতাৰ তেওঁৰ অনুবাদৰো। তেওঁৰ কবিতাত চিত্ৰল সৌন্দৰ্য্য, প্ৰতীকবাদী ৰহস্য আৰু শেহতীয়া ভাৱে সমাজ-চেতনাৰ অনুভাত পোৱা যায়। প্ৰেম, মৃত্যু-চেতনা, নিৰ্জনতা প্ৰকৃতি, নিস্তব্ধতা, তেওঁৰ কবিতাৰ বিষয়বস্তু। এইবোৰ থাকিলেও, তেওঁৰ কবিতাৰ ক্ষেত্ৰত ফৰাচী প্ৰতীকবাদৰ কথা সাধাৰণতে মনলৈ আহে।

ইউৰোপত, বিশেষকৈ ফ্ৰান্সত দেখা দিয়া সাহিত্য-কলা সম্পৰ্কীয় বিদ্ৰোহ-বোধ - যাইকৈ যথাৰ্থবাদ, ইম্প্ৰেছনীজম প্ৰতীকবাদ আৰু ৰহস্যময়তাৰ আদিৰূপ হ'ল ৰোমাণ্টিচিজম। এই কথা আগতে উনুকিয়াই আহিছোঁ। যথাৰ্থবাদী জোলা, ইম্প্ৰেছনিষ্ট ধাৰাৰ চিত্ৰকৰ চেজ্জান, প্ৰতীকবাদী বোডলেয়াৰ, আৰু তেওঁৰ শিষ্য, মালাৰ্মে আৰু ভেলেৰী—এই উদগাতাসকল নিজ নিজ ক্ষেত্ৰত আছিল প্ৰতিভাধৰ পুৰুষ, তেওঁলোক আৰু তেওঁলোকৰ শিষ্য প্ৰশিষ্যসকলে পুঁজিবাদৰ কদৰ্যতাৰ বিৰুদ্ধেই এনেবোৰ প্ৰত্যয়ৰ গুৰি ধৰিছিল। ফৰাচী বিপ্লৱ, ১৮৪৩ চনৰ বিপ্লৱ আৰু পেৰি কমিউনৰ ব্যৰ্থতাৰ বাবেই বুৰ্জোৱা বিশ্ব সম্বন্ধে তেওঁলোকৰ মোহভংগ হৈছিল। সমকালীন সমাজ যেন অপবি-

বৰ্জনীয়—এনে এটি ধাৰণাৰ হেতু তেওঁলোকৰ প্ৰতিবাদো নেতিবাচক হৈছিল। সমাজৰ দ্বান্দ্বিক বিকাশ সম্বন্ধে তেওঁলোক তেতিয়া সজাগ নাছিল। সকলো কদৰ্যতাৰ পৰা কবিতাক ৰক্ষা কৰাৰ মনোভাৱ এটায়ো ক্ৰিয়া কৰিছিল॥ এইসকল প্ৰতিভাধৰ পুৰুষেও অৱশেষত পুঁজিবাদী কৌশলৰ ছুৰিকাঘাতত ব্যৰ্থতা বৰণ কৰিবলৈ বাধ্য হৈছিল। ১৯৭৮ চনৰ বিপ্লৱৰ বেৰিকেডত শ্ৰমিকসকলৰ লগত হাতামলোৱা বোডলেয়াৰে অত্যন্ত শোচনীয়ভাবে মত্যুবৰণ কৰিছিল। ৰেবোঁ আছিল পেৰি কমিউনৰ তৰুণ কবি। তেও কমিউনৰ সংবিধান ৰচনা কৰিবলৈ সাজু হৈছিল আৰু বুৰ্জোৱাসকলক আন্তৰিকভাৱে ঘৃণা কৰিছিল। কেইটামান অনবদ্য কবিতা লেখাৰ পাছত তেওঁ আবিচিনীয়া পালেগে আৰু তাত আৰ্ত, ক্ৰীতদাস আৰু নাৰীৰ ব্যৱসায়ত বুৰ্জোৱা লোভৰ চৰিতাৰ্থ কৰি শোচনীয় মৃত্যু বৰণ কৰিলে। চিত্ৰশিল্পী গগাই সভ্য সমাজ এৰি টাহিতী দ্বীপ পালেগৈ আৰু পাচীৰ সাম্যবাদী সমাজত তেওঁ নিজৰ শ্ৰেষ্ঠ চিত্ৰবোৰেৰে ঘৰ ঢাকিবলৈ বিচাৰিছিল। চেজানে তেওঁৰ ছবিবোৰ গহবৰলৈ দলিয়াই দিছিল, ভাগ গোগে শেষ জীৱন কটাইছিল পগলা ফটেকত। প্ৰতিভাবান লেখক ফেলোবেৰে বুৰ্জোৱা সমাজৰ প্ৰতি থকা এটা নেতিবাচক ঘৃণাৰ জুইত নিজেই দগধ হ'ল। তেওঁ কোনো ইতিবাচক দৰ্শন দিব নোৱাৰি লেখিব খুজিছিল এখন কিতাপ যাৰ কোনো বিষয় নাই। এনেকৈয়ে দেখা যায় প্ৰবল ঘৃণাৰ দহন-জ্বালাত এইবোৰ প্ৰতিভা মৰহি গৈছিল। তেওঁলোক আমাৰ নমস্য কিন্তু তেওঁলোকৰ জীৱন বিতৃষ্ণা আমাৰ জীৱন আৰু মননৰ বিকাশৰ অনুকূল হব নোৱাৰে। তেওঁলোকৰ ৰচনা আৰু সৃষ্টিসমূহ নেতিবাচক হোৱা বাবে তাত প্ৰতিফলিত হ'ল বহিৰ্জগতৰ ছাঁ।

ডাৰুইনৰ ক্ৰমবিকাশ তত্ত্ব আৰু মাৰ্ক্সৰ অৰ্থনৈতিক তত্ত্বই উনৈশ শতিকাৰ সমাজত নতুন মূল্যবোধৰ প্ৰতিষ্ঠা কৰিছিল। এই দুই তত্ত্বই মানুহ আৰু প্ৰকৃতি সম্পৰ্কে শিল্পীৰ ধাৰণাও সলনি কৰিলে। বোডলেয়াৰৰ বাস্তৱ-বোধ আছিল, পাপৰ মাজত ফুলৰ অন্বেষণ কৰিলেও তেওঁৰ কবিতা দুৰ্বোধ্যতাৰ পৰা বহু পৰিমাণে মুক্ত আছিল। কিন্তু মালাৰ্মে ভেলেৰী আদিৰ কাব্যাদৰ্শত পৰোক্ষভাৱে মানুহ আৰু প্ৰকৃতি বৰ্জিত হ'ল। ঈশ্বৰো সমুখত নাই—গতিকে আশ্ৰয় কৰে এওঁলোকে আশ্ৰয় ললে কবিতাত। কবিতা ৰূপকল্পৰ আধাৰ বুলি অৰ্থ-ব্যঞ্জনালৈ আওকাণ কৰিলে। ফলত কবিতা হৈ পৰিল নিৰেতী স্তৱৰ দৰে। এওঁলোকৰ কবিতাৰ ঘাই লক্ষণ হ'ল—জগতৰ প্ৰতি বিতৃষ্ণা, বহিৰ্জগতক উপলব্ধিৰ বাহন নকৰি দুৰ্বোধ্য শব্দৰ কাৰুকাৰ্যত আস্থা। এওঁলোকৰ এই দৃষ্টিভংগীকেই বহুতেই আধুনিক বুলি

ক'ব খোজে। মালামেই কবিতাক সংগীতৰ পৰ্য্যায়লৈ তুলি ধ্বনিৰ প্ৰাধান্য অনা বাবেই কবিতাৰ বক্তব্য বা উপলব্ধিৰ স্থান গৌণ হৈ পৰিল। কবিতাই উপলব্ধিৰ গুৰুত্ব অস্বীকাৰ কৰি প্ৰতীকী ৰহস্যৰ মাজত আত্মগোপন কৰিব পাৰে, কিন্তু তেনে কৰিলে বাস্তৱক ঢাকি ৰখা হয়। এনে দৃষ্টিভংগী আৰু ৰীতিক আধুনিক বুলি ক'ব নোৱাৰি।

ফুকনৰ কবিতাত বোডলেয়াৰৰ জীৱন-বিতৃষ্ণা অথবা মালামেৰ শব্দ-কাৰুকাৰ্য হয়তো নাই, কিন্তু তেওঁৰ অন্তৰ্জীৱন যে পীড়িত এই কথা নুই কৰিব নোৱাৰি। বাস্তৱৰ কদৰ্যতাই তেওঁৰ মনত যি ঘৃণাৰ সৃষ্টি কৰিছে সিয়েই যেন তেওঁক নিঃসংগ, নিসুঙ্গ আৰু বিচ্ছিন্ন আত্মদহনৰ জ্বালাত ভোগাইছে। তেওঁৰ ভালেমান কবিতাৰ উৎস পীড়িত আত্মকেন্দ্ৰিকতা। এইবাবে তেওঁৰ কবিতাৰ ভাষা বিষাদঘন, কেতিয়াবা ব্যক্তিগত প্ৰতীকেৰে জটিল। এইবোৰ কবিতাৰ অৰ্থ ব্যাখ্যা নিৰ্ভৰ, পাঠকৰ আগ্ৰহ সদিচ্ছা আৰু আন্তৰিকতা থাকিলেও কেতিয়াবা তাৰ উপলব্ধিৰ শুংসূত্ৰ উলিয়াব নোৱাৰে।

কিন্তু ফুকনৰ শেহতীয়া ভালেমান কবিতাত সমাজচেতনাৰ ইংগিতো আমি পাইছোঁ। স্বকীয় শৈলীৰ মাজত তেওঁ সাৰ্থকভাৱে সমাজ বোধক অনুভূতিৰ সুৰলৈ নিছে। ফুকনৰ এই ৰীতিক বিবৰ্তনশীল বাস্তৱবোধ বুলি ক'ব পাৰি। ফুকনৰ এই পৰিবৰ্তন আশাপ্ৰদ তেওঁ অৱশেষত আন্তৰিকতাৰে উপলব্ধি কৰিছে :

জীৱনক গ্ৰহণ কৰা
ভাঙা আৰু সাজা আৰু দৈ থাকা
জীৱন মুক্ত আৰু ছন্দোময়

মানুহৰ দুখ দুৰ্দশাৰ প্ৰতি তেওঁ এতিয়া সচেতন। এগৰাকী দুখীয়া ঢেকীয়া বেচি জীৱিকা উপাৰ্জন কৰা বুঢ়ীৰ প্ৰতি কবিৰ সহানুভূতি সোচ্চাৰ। ভাষাও সহজ অথচ ব্যঞ্জনাময়

মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি
আজাৰৰ আন্ধাৰত ৱয়ে বেচ
বাই তোৰ কোন গাৰ্ত ঘ
মৰেনে মানুহ ভাত
ঢাপত বোৱনে আৰণ গছ
পুখুৰীত জীয়াৱনে মাছ
মানুহটো বাবু তোৰ
আহিল নে ঘূৰি

মাজৰাতি বেৰৰ জলভাবে
সোমায় নে নদী
বাই তোৰ আথলৰ লাওৰ খোলাত
সাঁচ দিন
উজাগৰ দুচকু'ৰ জলাৰ
পদুলিৰ কাণ্ডণ গছৰ আন্ধাৰ
বাই তোৰ কোন গাৰ্ত ঘৰ
পিন্ধনে জেতুকা ওই ফাটি যোৱা কলিজাত

ঢেকীয়াৰ আঙুলি,' আথলৰ লাওৰ খোলা,' জেতুকা'ৰ উল্লেখে দাৰিদ্র্য-জীৰ্ণ অসমীয়া ঘৰ এখনৰ ছবি ইযাত ডাঙি ধৰিছে। 'বেৰৰ জলভাবে নদী' 'উজাগৰ দুচকু'ৰে বানপানীৰ আৰু দাৰিদ্র-জনিত উদ্বিগ্নতাৰ ইংগিত বহণ কৰিছে। জেতুকাই হয়তো দুখ-বেদনালৈ আঙুলিয়াইছে। ফুকনৰ ভাষাৰ এই পৰিবৰ্তনো মন কৰিবলগীয়া। অবশ্যে সমাজবোধ তেওঁৰ এতিয়াও সম্পূৰ্ণাংগ হোৱা নাই, অন্ধকাৰ পোতাশালৰ ঠাইত নতুন বাস্তৱৰ চিন্তাজানো আমি কাৰৰ নালাগিব ? এই প্ৰশ্নটো ফুকনে নিজকে কৰিব বুলি আমি আশা কৰিলোঁ। তেওঁৰ আংগিক-চেতনা উদীয়মান সকলেও আয়ত্ত কৰিবলৈ যত্ন কৰিব পাৰে।

এই ধাৰাৰ আন উল্লেখযোগ্য কবি হল ভবেন বৰুৱা আৰু হৰেকৃষ্ণ ডেকা। ভবেন বৰুৱা সুপ্ৰতিষ্ঠিত কবি। তেওঁৰ কবিতাৰ আংগিক জটিল। ভাষা অতিশয় ইংগিত বহুল, অৱচেতনৰ সেই কুঁৱলী ভেদ কৰা সাধাৰণ পাঠকৰ বাবে কঠিন কাম। বৰুৱাৰ এটি সৰু কবিতা উদাহৰণ হিচাপে তলত দাঙি ধৰিছোঁ :

বিচাৰি চোৱা
ৰাতি প্ৰান্তৰত বিচাৰি চোৱা
তোমাৰ হাত মেলি :
যি হাতত সময় বৈ গৈছে।
দিনত আয়নাবোৰত বিচাৰি চোৱা
তোমাৰ আঙুলিবোৰে তোমাৰ মুখৰ প্ৰতিবিম্বত .
য'ত আন্ধাৰবোৰ বৈ গৈছে
আন্ধাৰবোৰত কেৱল তললৈ নামি গৈছে
অবিৰাম গতিত
সীহৰ দৰে গধুৰ, দুৰ্বোধ্য এটি বোজা

হাতত তোমাৰ সীহৰ ভাৰ
আন্ধাৰ তোমাৰ মুখ মণ্ডল ** —

ইয়াত আন্ধাৰক সীহৰ দৰে গধুৰ অথচ দুৰ্বোধ্য বোজা বোলা হৈছে। এই আন্ধাৰ বহিৰ্জগতৰ আন্ধাৰ যেন নেলাগে, ই যেন কবিৰ অন্তৰ্বেদনাৰে ইংগিত। এনে এটা ব্যঞ্জনা আছে বুলি ধৰিলেও মন পৰিষ্কাৰ নহয়। কবিতাৰ পাপৰি হয়তো সম্পূৰ্ণ মেলি খাই নেথাকে, কিন্তু তাৰ আত্ম-গোপনৰো বোধহয় এটা সীমা থকা উচিত। প্ৰতিষ্ঠিত আৰু প্ৰতিভাবান কবি বৰুৱাক এই কথা গমি চাবলৈ নিশ্চয় অনুৰোধ কৰিব পাৰোঁ। হৰেকৃষ্ণ ডেকাৰ, সম্প্ৰতি প্ৰকাশিত কাব্য-সংকলনৰ ভাষা আগতকৈ স্পষ্ট যেন অনুভৱ হৈছে আৰু কোনো কোনো উপমা বা প্ৰতীক চকুকি পোৱা চাওৰ পৰাই আনিছে যেন লাগিছে। চেষ্টা কৰা স্বত্ত্বেও বাস্তৱৰ প্ৰতি সদৰ্থক দৃষ্টি এটা কবিয়ে ল'ব পৰা নাই। ' নতুন চিত্ৰৰ বটো নিতাল মাৰিলে কিয় ?" এনে প্ৰশ্নৰ উক্তিত হতাশাৰ ইংগতহে আছে। ব্যক্তিগত দুখ-বেদনাৰ চৰাই' তেজৰ ঘূৰ্ণীত মৰে,' — বহাগৰ বতাহ যেন লোলিহান শিখা। এনে নৈৰাশ্যৰ পৰা কেতিয়াবা কবি-চৈতন্য মুক্ত হোৱাৰ ইংগিতো অৱশ্যে নোহোৱা নহয়। 'শৰাইঘাটৰ দলঙ' নামৰ কবিতাত পৰিস্থিতিৰ অসহনীয়তা আৰু চহৰৰ মতলীয়া আৰু নিঃসংগ ৰূপৰ ইংগিত মন কৰিবলগীয়া।

উদীয়মান কবিৰ ভিতৰত নাহেন্দ্ৰ পাদুন, আনিছ-উজ-জামান, অশোক বৰঠাকুৰ, গায়ত্ৰী কোঁৱৰ, চিৰঞ্জীৱ জৈন, কৰবী হাজৰিকা, অৰুণ বৰুৱা আদিৰ নাম ল'ব পাৰি। নাহেন্দ্ৰ পাদুন আৰু আনিছ-উজ-জামানৰ দুই-এটা কবিতাত সমাজ চেতনাৰো ইংগিত পোৱা যায়। বাকীসকলৰ ক্ষেত্ৰত বিশুদ্ধ শিল্পানুৰাগ প্ৰকট হৈ আছে।

পাবলো নেৰুদাই যাক impure poetry বুলিছে, ব্ৰেখটে যাক gestic ৰীতিৰ কবিতা আখ্যা দিছে—তেনে কবিতা বা অকবিতাৰ চৰ্চা ছেগা-চোৰেকাকৈ আমাৰ সাহিত্যত চলি আহিছে। এই ধাৰাত এসময়ত ড ঃ হীৰেণ গোহাঁইয়ে কবিতা লেখাৰ কথা আমি জানো। তেওঁৰ উত্তৰ ৰবীন্দ্ৰ ৰবাতি, ফেউৰা, অক্টোবৰ আদি কবিতাত প্ৰখৰ সমাজবোধ দেখা গৈছিল, সম্প্ৰতি তেওঁ কবিতাৰ ক্ষেত্ৰ এৰি গদ্য-ৰচনাত মনপুতি লাগিছে। সত্তৰৰ দশকৰ ৰবীন্দ্ৰ সৰকাৰ আৰু অৱনী চক্ৰৱৰ্তীৰ কবিতা এই ধাৰাৰ উজ্জ্বল চানেকি। ৰবীন্দ্ৰ সৰকাৰৰ 'সত্তৰৰ পদাতিক' আৰু অৱনী চক্ৰৱৰ্তীৰ 'শ্লোগান' শেহতীয়া কাব্য-সংকলন। সমাজবোধক অনুভূতিৰ প্ৰবলৈ নিয়াত এওঁলোক বহু-পৰিমাণে কৃতকাৰ্য্য হৈছে। ৰবীন্দ্ৰ সৰকাৰৰ সততা আৰু আন্তৰিকতা মন

কৰিবলগীয়া। চক্ৰৱৰ্তীৰ কবিতাত কেতিয়াবা ক্ষুৰধাৰ ব্যঙ্গ পোৱা যায়। অনায়াসবোধ্য প্ৰাঞ্জল ভাষা আৰু বাস্তৱবোধৰ সাৰ্থক সমন্বয় হোৱা এওঁলোকৰ দুটা কবিতা হ'ল—ৰবীন্দ্ৰ সৰকাৰৰ 'জাৰৰ ৰাতিৰ মানুহজন' অৱনী চক্ৰৱৰ্তীৰ 'ভেৰভেৰীত এৰাতি'। এই ধাৰাত বিজনলাল চৌধুৰী আৰু সদা শইকীয়াই কবিতা লেখি আছে। কেৱল কদৰ্য্যতাই নহয়, কদৰ্যতাক চূৰমাৰ কৰি নতুনৰ নিৰ্মাণৰ সাধনা এওঁলোকৰ কবিতাৰ উজ্জ্বল অংগীকাৰ।

এওঁলোকৰ পিছত যিসকল উদীয়মান কবিয়ে এই ধাৰাত কবিতা লেখিছে, তাৰ সংখ্যা নিচেই কম নহয়। মাৰ্ক্সীয় আদৰ্শত সামাজিক দায়বদ্ধতাই এওঁ-লোকৰ কবিতাৰ মূল চৰিত্ৰ। তৰুণ কবিসকলৰ ভিতৰত যতীন্দ্ৰ বৰগোহাঞিঞ, পুতুল হাজৰিকা, ৰফিকুল হুছেইন, মোহনকৃষ্ণ মিশ্ৰ, জ্ঞান পূজাৰী, দিলীপ ফুকন, ৰোহিনী পাঠক, সমীৰ তাঁতী, অৰ্চনা পূজাৰী, সনন্ত তাঁতী আদি উল্লেখ-যোগ্য। এইসকল কবিৰ সম্ভাৱনা প্ৰচুৰ, সিদ্ধিৰ দুৱাৰত উপস্থিত হোৱাৰ সাধনা এওঁলোকৰ আৰম্ভ হৈছে, হয়তো এদিন এওঁলোকে প্ৰমাণ কৰিব পাৰিব, আধুনিক কবিতাৰ উৎস হৈছে বহিৰ্জগতহে, অন্তৰ্জগত নহয়। এই-বাবে এইসকল কবিয়ে সমাজ-জীৱনৰ লগত সম্পৰ্ক আৰু ঘনিষ্ঠ কৰি মৌলিক পৰিস্থিতিৰ বিভিন্ন পৰ্য্যায়ত অভিজ্ঞতা আৱিষ্কাৰ কৰিব লাগিব আৰু অনু-ভূতিক সমৃদ্ধ কৰি পাঠকক তাৰ অংশীদাৰ কৰিব লাগিব। উল্লিখিত কবিসকলৰ বাহিৰেও আৰু ভালেমান ডেকা কবিয়ে কবিতা লেখিবলৈ আৰম্ভ কৰিছে যদিও তেওঁলোকৰ বিচাৰৰ সময় নৌ হয় এতিয়াও। তৰুণ কবিসকলৰ ক্ষেত্ৰত সংকট বহুত, প্ৰতিষ্ঠিত আলোচনীয়ে তেওঁলোকৰ উপযুক্ত জনকো স্থান দিবলৈ টান পায়, কেতিয়াবা আকৌ কোনো আলোচনীৰ সম্পাদকৰ কবিতা সম্পৰ্কীয় ধ্যান-ধাৰণা পৰিস্কাৰ নোহোৱাত কবিতাৰ বাছনি নকৰি কেৱল উৎসাহ প্ৰদান কৰিবলৈকে কবিতাক ঠাই দিয়ে। তৰুণ কবিসকলৰ এনে-বোৰ সংকট আছে। তেওঁলোকে নিজেও কবিতা চৰ্চাক আন্তৰিকভাৱে গ্ৰহণ কৰিলে এনে সংকট পাৰ হ'ব পাৰিব বুলি মোৰ বিশ্বাস। আশাকৰোঁ তেওঁলোকে কবিতাক দেশৰ মাটিৰ লগত জড়িত কৰিবলৈ দেশী-বিদেশী ইতি-বাচক সাংস্কৃতিক ঐতিহ্যক কামত লগাব, কল্পনা আৰু বাস্তৱৰ সংমিশ্ৰন ঘটাই স্বকীয় বৈশিষ্ট্যৰে এই ধাৰাক সুপ্ৰতিষ্ঠিত কৰিব।

ওপৰৰ আলোচনাত কেইবাজনোৰ বয়োজ্যেষ্ঠ আৰু কনিষ্ঠ কবিৰ কথা উনুকিওৱা হোৱা নাই। জয়ন্তী যুগৰে পৰা কবিতাৰ চৰ্চা কৰি থকা কবি বীৰেন্দ্ৰ নাথ বৰকটকীৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰিও ফণী তালুকদাৰ, নিত্য দত্ত, পৰেশমল্ল বৰুৱা, দীলিপ বৰুৱা নগেন ঠাকুৰ আৰু মহিলা কবিৰ

ভিতৰত নীলিমা দত্ত, লক্ষহীৰা দাস, প্ৰবীণা শইকীয়া, তোৰপ্ৰভা কলিতা আদিয়ে কবিতা লেখি আছে। এওঁলোকৰ ভিতৰত দিলীপ বৰুৱাৰ কবিতা বৰকৈ চকুত পৰা নাই।

অসমীয়া কবিতাৰ ইতিহাস লেখিবলৈ যি অভিনিবেশৰ প্ৰয়োজন, সি মোৰ নাই। তদুপৰি এইখিনি কথাও নিচেই কম সময়ৰ ভিতৰতে লিখি উলিয়াবলগীয়া হোৱাত সম্পূৰ্ণ ছবিখন দেখুৱাবলৈ চেষ্টা কৰিও যে মই বিফল হৈছোঁ সেই কথা আপোনালোকৰ চকুত নিশ্চয় ধৰা পৰিছে। এনে ত্ৰুটি মাৰ্জনীয় বুলিয়েই ধৰি লৈছোঁ।

কবিতাত ইন্দ্ৰিয়ৰ ইন্দ্ৰলোকেই সকলো নহয় ইয়াৰ আবেগ যুক্তিপূৰ্ণ। ব্যক্তি-চেতনাই কবিতাৰ ঘাই কথা নহব, কবি এটা যুগ, জাতি আৰু শ্ৰেণীৰো প্ৰতিভূ। বৃহত্তৰ পৰিস্থিতিৰ সম্যক জ্ঞানেৰে সমৃদ্ধি নহলে ব্যক্তি চেতনা নিৰালম্ব হোৱাৰ সম্ভাৱনা থাকে॥ সেইবাবে সকলো কলাই কল্পনা আৰু বাস্তৱৰ সমন্বয় মাথোন। কলা সৃষ্টিত আদিম শিল্পীয়ে নিজৰ অজ্ঞাতসাৰেই ঐন্দ্ৰজালিকৰ ভূমিকা গ্ৰহণ কৰিছিল। সেই ভূমিকা কবিৰ আজিও আছে। বাস্তৱক পৰিবৰ্তন কৰাৰ সেই পুৰণি স্বপ্ন আজিৰ কলাকাৰেও পৰিহাৰ কৰিব নোৱাৰে। কৰিলে, নৈৰাশ্যৰ বিকৃত সুৰ বাজি থাকিব। আমাৰ দৰে মান্ধাতাগন্ধী দেশত—য'ত ঐতিহ্যৰ শিপা এতিয়াও সুদৃঢ় আৰু ব্যাপক হৈ আছে—পৰিবৰ্তন খৰতকীয়া হোৱাৰ আশা নাই॥ সেইবাবে কলাকাৰক এটা সতৰ্ক দৃষ্টি আৰু পৰিস্থিতিৰ জ্ঞানৰ প্ৰযোজন। কবিতাত ভাব-ভাষাৰ সাথক সমন্বয় লাগে সঁচা, কিন্তু যি সকলে কেৱল কবিতাক চিত্ৰ আৰু সংগীতৰ বাহন কৰি তুলিব খোজে, তেওঁলোকে ভাবৰ প্ৰয়োজনৰ কথা পাহৰি যাব। আচলতে কবিতাত আংগিক উপকৰণহে ভাব বা উপলব্ধিহে মুখ্য বস্তু। কবিতাৰ মহত্ব তাৰ সামগ্ৰিক উপলব্ধিতহে। এটা পৰিকল্পনা, সুদৃঢ় গাঁথনি আৰু ভাবৰ-সংহতি কবিতাত থকা উচিত, এইখিনি কৰোঁতে কবিয়ে মন কৰিব লাগে, জীৱনক যেন খণ্ড আৰু ক্ষুদ্ৰ কৰি চোৱা নহয়, তিক্ততাক যেন মোহনীয় কৰি তোলা নহয়॥ পাঠকৰ ক্ষেত্ৰতো কবিৰ দায়িত্ব আছে। কবিৰ কাম হ'ল পাঠকৰ বাবে অভিজ্ঞতাৰ আৱিষ্কাৰ কৰা, শব্দৰ অৰ্থৰ এটা সীমাবদ্ধতা থকালৈ চাই কবিয়ে প্ৰহৰী কুকুৰক চোৰে মঙহ দি ভুলোৱা প্ৰবৃত্তি এৰি সহজ, স্পষ্ট অথচ ব্যঞ্জনাময় শব্দ চয়ন কৰিব লাগে॥ কিছু সংখ্যক আগ্ৰহী পাঠকৰ চৈতন্যক স্পৰ্শ কৰিলেই সি এদিন বৃহত্তৰ জন-সমষ্টিত বিয়পি পৰিব পাৰে। আমাৰ দেশৰ হেজাৰ-বিজাৰ নিৰক্ষৰ, দৰিদ্ৰ মানুহৰো অভিজ্ঞতাই গঢ় দিয়া এটা পুষ্ঠ মন আছে। তেওঁলোকৰ সঁচা আবেগ, দুখ-বেদনা ক্ষোভ যদি কবিতাত প্ৰতিধ্বনিত হয়, তেনেহলে তেওঁ-

লোকে তাৰ মৰ্ম বুজোঁতে বৰ পলম নহয়। যিবোৰ মানহ ৰামায়ণ মহাভাৰত, কীৰ্তনৰ মাজত ৰস-পিপাসা পূৰণ কৰিছে সেইবোৰ মানুহক নতুন ৰস দিয়া হয়তো সহজ নহয়, তাৰ বাবে হয়তো সময় লাগিব, কিন্তু তাৰ বাবে আমাৰ যত্ন থকা উচিত। এদিন নহয় এদিন সি জন-জীৱন আৰু মননৰ বিকাশ সাধন কৰিব। কবিতা যদি কোনো কামতেই নেলাগে, তেন্তে তাৰ বহুঘৰা শুকাই যাব। প্ৰতীকবাদী ৰহস্য-ঘন প্ৰকাশ সদায় মুষ্টিমেয় বিদগ্ধ জনতে সীমাবদ্ধ থাকিব, আনহাতে জনপ্ৰিয় কৰাৰ তাগিদাও সমাজ সচেতন ধাৰাৰ অসংযত হুংকাৰেও জনগনৰ মন স্পৰ্শ কৰিব নোৱাৰিব। সাৰ্থক কবিতাৰ সংজ্ঞা দিয়া টান কিন্তু এই কথা ঠিক যে যেনে কবিতাক ইতিহাসে আদৰি লয় আৰু সি জীৱনক গুৰিৰ পৰা টানিব পাৰে। সাৰ্বজনীন অনুভূতিৰে কবি-হৃদয় স্পন্দিত নহ'লে কবিতা প্ৰাণস্পৰ্শী নহয়। বৰ্তমান ধনতন্ত্ৰৰ ক্ষয়িষ্ণু পৰিস্থিতিত পুৰণি বাট ধুৱলী-কুৱলী হৈছে-- সেই বাটেদি সংস্কৃতিৰ বিকাশ আশা কৰিব নোৱাৰি। আমি গজদন্তমিনাৰত বহি বিশ্ব ব্ৰহ্মাণ্ডৰ বীজ সংগ্ৰহ কৰি কবিতাৰ ৰূপ দিব পাৰিম, কিন্তু বিদেশী পাঠকে আমাৰ সংস্কৃতিত কি বিচাৰিব? তেওঁলোকে তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যৰ ধ্বনি-প্ৰতিধ্বনি নিশ্চয় নিবিচাৰে, বিচাৰিব আমাৰ দেশৰ জীৱনৰ ৰূপ। দেশৰ মাটি আৰু মানুহৰ পৰিস্থিতিৰ সাৰ্থক চিত্ৰ আঁকিব নোৱাৰিলে বিশ্বৰ দৃষ্টিও আমি আকৰ্ষণ কৰিব নোৱাৰিম।

কবি আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক ঘনিষ্ঠ কৰিবৰ বাবে কোনো কাব্যামোদী অনুষ্ঠানে কবিতাৰ আবৃত্তি অথবা কবিতাক গানৰ ৰূপ দিয়াৰ কথা ভাবিব পাৰে। কবিতাক জন সাধাৰণৰ মাজলৈ নিয়াৰ বাবে ঠায়ে ঠায়ে গঠনমূলক আলোচনা চক্ৰ আদিৰো আয়োজন কৰিব পাৰি। এই বিষয়ে সকলোৱে গমি চাব বুলি আশা কৰিছোঁ।

আৰু বেছি কথা কৈ আমনি নিদিওঁ। মোৰ কথাৰ লগত হয়তো বহুতেই একমত নহব, সেইটো স্বাভাৱিক, মই মাত্ৰ কবিতাৰ ভৱিষ্যত সম্পৰ্কে ভাবি চাবলৈহে সকলোটিকে অনুৰোধ জনাইছোঁ। আমি নকলেও গতিশীল সময়ে কবিতত পৰিবৰ্ত্ত আনিবই—আমি মাত্ৰ তাত সঁহাৰি দি সহায়ৰ হাত আগবঢ়োৱা উচিত।

সদৌ শেহত, উদ্যোক্তাসকলক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

——

প্ৰধান সম্পাদকৰ ১৯৮১-৮২চনৰ বছৰেকীয়া প্ৰতিবেদন ঃ

শ্ৰী দুৰ্গেশ্বৰ শৰ্মা

অসম সাহিত্য সভাৰ পৰম শ্ৰদ্ধেয় সভাপতি মহোদয়, অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, বিশিষ্ট অতিথি বৃন্দ, মাননীয় প্ৰতিনিধি বৰ্গ আৰু সেৱাব্ৰতী থলী বাইজ। কাৰবি আংলং জিলাৰ ঐতিহ্যমণ্ডিত ডিফুৰ বাংছিনা নগৰত আপোনালোকক স্বাগত সম্ভাষণ জনাবলৈ পাই পৰম গৌৰব আৰু আনন্দ অনুভৱ কৰিছোঁহঁক।

১। আৰম্ভণি

১৯৮১ চনৰ মে মাহত ৮, ৯, ১০ তাৰিখে তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰত অনুষ্ঠিত সভাৰ অষ্টচত্বাৰিংশ অধিৱেশনত আপোনালোকে সভাৰ প্ৰধান সম্পাদক ৰূপে আমাক নিৰ্বাচিত কৰি যি আস্থা আৰু স্নেহ দেখুৱালে তাৰ বাবে আপোনালোক সকলোটিকে আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ মাতৃভূমি আৰু সভাৰ কাৰণে এটি অতি সংকটপূৰ্ণ মুহূৰ্তত আমি এই গুৰু দায়িত্ব বহন কৰিবলগীয়া হ'ল। সাহসেৰে সংকটৰ মুখামুখি হৈ সভাৰ কাৰ্য প্ৰৱাহ আৰু মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ যত্ন কৰিছিলোঁ যদিও ত্ৰুটী বিচ্যুতি অনেক ক্ষেত্ৰতে যে ঘটিছে সেই বিষয়ে আমাৰ নিজৰ মনতে বিন্দু মাত্ৰও সন্দেহ আৰু শংকা নাই। আমাৰ সকলো ত্ৰুটি বিচ্যুতিৰ বাবে আপোনালোকৰ ওচৰত কৰপুটে ক্ষমা ভিক্ষা মাগিলোঁ। আমি দায়িত্ব পালন কৰোতে সভাৰ নিয়মাৱলী আৰু ঘোষিত আদৰ্শ আৰু দৃষ্টিভঙ্গীৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ উপৰিও কাৰ্য-নিৰ্বাহক সমিতিৰ সিদ্ধান্ত, জিলা পৰিষদ আৰু শাখা সভা সমূহৰ পৰামৰ্শৰ ওপৰত প্ৰমূল্য দান কৰিবলৈ সততে যত্ন কৰিছিলোঁ। সাহিত্য সভাক প্ৰাণভৰি ভালপোৱা, অসমৰ চুক-কোণে থকা সকলো ক্ষেত্ৰৰ লোকৰ লগতে আমি সংযোগ স্থাপন কৰিবলৈ যত্নৰ ত্ৰুটী কৰা নাছিলোঁ। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত অংশ গ্ৰহণ কৰাৰ কাৰণে বছৰটোৰ সকলো মুহূৰ্তত্তে অসম সাহিত্য সভাই অসম প্ৰশাসন, অসমৰ অস্তিত্ব বিৰোধী চক্ৰ আৰু সুবিধাবাদী শক্তিবোৰৰ সকলো কামতে বাধাপ্ৰাপ্ত হৈছিল। এই সময়তে অসমৰ অস্তিত্ব বিৰোধী শক্তিয়ে বিভিন্ন মাধ্যমৰ যোগেদি সাহিত্য সভাৰ বিৰুদ্ধে অহৰ্নিশে অপপ্ৰচাৰো চলাইছিল। বছৰটোৰ কামৰ খতিয়ানৰ বিচাৰ বিশ্লেষণ কৰোতে আপোনালোকে নিশ্চয় এনেবোৰ প্ৰতিকূল পৰিস্থিতিৰ কথাও বিবেচনা কৰি চাব বুলি আমাৰ দৃঢ় বিশ্বাস।

২। তৰ্পণ:

যোৱা বছৰটোত আমি কেইবাগৰাকীও বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, চিকিৎসক, ক্ৰীড়াবিদ, শিল্পী সাহিত্যিক আৰু মুক্তি যুঁজাৰু হেৰুৱাও। তদুপৰি বিদেশী বহিষ্কাৰ আন্দোলনত অংশ গ্ৰহণ কৰাৰ কাৰণে কেইবা গৰাকীওলোকে পুলিচ আৰু আন্দোলন বিৰোধী শক্তিৰ হাতত অকালতে প্ৰাণ হেৰুৱাব লগীয়া হয়। সেই সকলোটিৰে পবিত্ৰ স্মৃতিত শোকাশ্ৰুৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ আৰু নিহত সকলৰ পৰিয়াল পৰিজনলৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

৩। অষ্টচত্বাৰিংশ সন্মিলনৰ প্ৰস্তাৱ.

অষ্টচত্বাৰিংশ সন্মিলনত গৃহীত প্ৰস্তাব সমূহ শাখাসভা, স্বীকৃত সভা আৰু জিলা সাহিত্য পৰিষদলৈ পঠোৱাৰ উপৰিও সংশ্লিষ্ট চৰকাৰী বিভাগ সমূহলৈ প্ৰেৰণ কৰা হৈছিল। এটা সজাতি দল পঠিয়াই অস্তিত্ব ৰক্ষা আন্দোলনৰ লগত জড়িত ব্যক্তি সকলৰ ওপৰত চপোৱা চৰকাৰী দমন নীতি প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। বাতৰি কাকত আৰু সভা সমিতিৰ যোগে ৰাজ্যখনত ভাষা-ধৰ্ম আৰু সম্প্ৰদায়ৰ নামত বিভাজন ঘটোৱা শক্তিসমূহক গৰিহণা দিয়াৰ লগতে সাৱধান কৰি দিয়া হয়। অধিবেশনত গৃহীত বিদেশী নাগৰিকৰ সমস্যা সমাধান সম্পৰ্কীয় প্ৰস্তাৱৰ ভিত্তিত দেশৰ বুদ্ধিজীৱী, শিল্পী, সাহিত্যিক আৰু সংবাদসেৱীক এই গুৰুত্বপূৰ্ণ সমস্যাটি সমাধানৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনোৱা হয়। এই প্ৰস্তাৱৰ মৰ্মে দেশৰ বুদ্ধিজীৱী আৰু লোকসভাৰ সদস্যসকলৰ মাজত ইংৰাজীত লেখা প্ৰচাৰ পত্ৰ আৰু গ্ৰন্থ বিতৰণ কৰাৰ উপৰিও কেইবা গৰাকীও বুদ্ধিজীৱী আৰু লোকসভাৰ সদস্যক দিল্লীত সাক্ষাৎ কৰি অসম সমস্যা সম্পৰ্কে সভাৰ দৃষ্টিভংগী অৱগত কৰোৱা হয়। দিল্লীত গৃহ মন্ত্ৰীক সাক্ষাৎ কৰি তেখেতৰ হাতত অধিৱেশনত গৃহীত নাগৰিকৰ চিনাক্তকৰণ সম্পৰ্কীয় প্ৰস্তাৱ দাখিল কৰাৰ উপৰিও নিৰ্বাচনী আয়োগক অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশী সকলৰ নাম বাতিল কৰিবলৈ অনুৰোধ জনোৱা হয়। এই কামত আগভাগ লোৱা কাৰণে প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শহকীয়া আমাৰ শলাগৰ পাত্ৰ জাতীয় ন্যাস সম্পৰ্কীয় প্ৰস্তাৱৰ ভিত্তিত পৰীক্ষা মূলকভাৱে হেজাৰ টকাৰ এটকীয়া কুপন বিক্ৰীৰ ব্যৱস্থা কৰি ৰাইজৰ পৰা উৎসাহজনক সহাৰি পোৱা হৈছে। সামাজিক ঐক্য সম্পৰ্কীয় প্ৰস্তাৱৰ আধাৰত অসমৰ জাতীয় জীৱনক নিজৰ কৰি লোৱা বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ মাজত ভাষিক সাংস্কৃতিক আৰু সামাজিক ঐক্য গঢ় তুলিবলৈ বিজ্ঞপ্তি, প্ৰচাৰ পত্ৰ, আৰু ৰাজহুৱা সভাৰ যোগে প্ৰচাৰ আৰু আহ্বান জনোৱা হৈছিল। এই

সম্পৰ্কত অধিক প্ৰশংসনীয় কাম কৰিছিল জিলা পৰিষদ, স্বীকৃত সভা আৰু শাখা সভা সমূহে। সাংস্কৃতিক সংগ্ৰহালয় সম্পৰ্কীয় প্ৰস্তাৱ চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে যদিও চৰকাৰে একোকে এই পৰ্যন্ত কৰা নাই। অসমৰ অস্তিত্ব বিৰোধী চক্ৰৰ সহায়ত সমান্তৰাল সাহিত্য সভা গঢ়ি অসমীয়া জনসাধাৰণৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ কৰা চেষ্টাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা হৈছে। এই চক্ৰটোৰ আৰনৈ সভাৰ বিৰুদ্ধে কৰা অপপ্ৰচাৰ ৰোধকৰিবলৈ যত্ন কৰাৰ লগতে ৰাজহুৱাভাৱে তেনে শক্তিক প্ৰত্যাহবান জনাই তেওঁলোকৰ কু-অভিপ্ৰায় দুৰ্বল কৰা হৈছে। অসম প্ৰশাসনেও সাহিত্য সভা বিৰোধী শক্তিক উৎসাহ দিয়া লক্ষ্য কৰা গৈছে যদিও আমি ঐক্যবদ্ধ হৈ থাকিলে তেনে শক্তিয়ে যে অসম সাহিত্য সভা কিয়, আমাৰ জাতীয় জীৱনৰো যে একো ক্ষতি সাধন কৰিব নোৱাৰে, সেই কথা ধ্ৰুৱ সত্য বুলি জানিব।

৪। কাৰ্য নিবাহক সমিতিৰ অধিৱেশন

যোৱা বছৰ কাৰ্য নিৰ্বাহক সমিতিৰ ছয়খন অধিৱেশন অনুষ্ঠিত হয়। প্ৰথম অধিৱেশনত সভাৰ প্ৰকাশন আঁচান গ্ৰহণ কৰাৰ উপৰিও বিষ্ণুৰাভাৰ ৰচনাৱলী প্ৰকাশ আৰু নিয়মাবলীৰ প্ৰয়োজনীয় সংশোধনী সাধন সাপেক্ষে বিশিষ্ট শিল্পী সাহিত্যিকক উপাধি প্ৰদান সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাৰ্য নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনত 'অসম সাহিত্য সভা বিষ্ণু ৰাভা বঁটা'ৰ প্ৰস্তাৱৰ উপৰিও জনজাতীয় ভাষা সংস্কৃতিৰ গবেষণা কেন্দ্ৰ, অসমীয়া অভিধান আৰু সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ ভিত্তিত (১) অসমীয়া সাহিত্যৰ বুৰঞ্জী, (২) অসমীয়া ভাষাৰ বুৰঞ্জী, (৩) গোৱালপাৰাৰ বুৰঞ্জী আৰ (৪) বৰো জাতিৰ ইতিহাস ৰচনা কৰিবলৈ থিৰাং কৰা হয়। এই ক্ষেত্ৰত ইতিমধ্যে কিছু দূৰ আগবঢ়া হৈছে। কাৰ্য নিৰ্বাহক সমিতিৰ তৃতীয় অধিৱেশনত অসমৰ বিদেশী নাগৰিকৰ সমস্যা অসমৰ সৰ্বাত্মক স্বাৰ্থ ৰক্ষাৰ ভিত্তিত সমাধান কৰিবলৈ চৰকাৰৰ ওচৰত পুনৰ দাবী জনোৱাৰ উপৰিও এখন অসমীয়া প্ৰশ্ন কাকত বাধ্যতামূলক কৰাৰ কাৰণে বিদ্যুত পৰিষদৰ মকৰলী পৰীক্ষা স্থগিত ৰখাত আপত্তি জনোৱা হয় আৰু বিদ্যুত পৰিষদৰ আৰু চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰা হয়। কাৰ্য নিৰ্বাহক সমিতিৰ চতুৰ্থ অধিৱেশনত চৰকাৰৰ দমন-পীড়ন নীতিৰ নিন্দা কৰাৰ উপৰিও অসম লোক সেৱা আয়োগৰ ওচৰত পৰীক্ষাৰ মাধ্যম অসমীয়া কৰিবলৈ দাবী জনোৱা

হয়। কাৰ্য নিৰ্বাহক সমিতিৰ জৰুৰী পঞ্চম অধিবেশনত সকলো বাধাৰ সাহসেৰে সন্মুখীন হৈ অধিবেশন ডিব্ৰুগড়ৰ বাংছুনা নগৰত ২৩, ২৪, ২৫ এপ্ৰিল তাৰিখে পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৫। অসমৰ অস্তিত্ব ৰক্ষা* আন্দোলনত সভাৰ ভূমিকা :

অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত সভাই আৰম্ভণিৰে পৰা সাহসেৰে অংশ গ্ৰহণ কৰি আহিছে। সপ্তচত্বাৰিংশ আৰু অষ্টচত্বাৰিংশ সন্মিলনে ১৯৭১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ভিত্তিত অসমত থকা বিদেশীসকলক চিনাক্তকৰণ, ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন আৰু অসমৰ পৰা বহিষ্কাৰ কৰিবলৈ দাবী জনাইছে। এই গোটেই সমস্যাটো আলোচনাৰ মাধ্যমেৰে মিমাংসা হোৱাটো বাঞ্ছা কৰি কাৰ্য নিৰ্বাহক সমিতিয়েও প্ৰস্তাৱ গ্ৰহণ কৰিছে। অষ্টচত্বাৰিংশ সন্মিলনে গ্ৰহণ কৰা প্ৰস্তাৱৰ ভিত্তিত দেশৰ বুদ্ধিজীৱী, লেখক শিল্পী, লোকসভাৰ সদস্য আৰু ৰাজনৈতিক দলসমূহক অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানত সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনোৱা হৈছিল। যোৱা মে মাহত দিল্লীত লোকসভাৰ সদস্য আৰু বিভিন্ন বাতৰি কাকতৰ সাংবাদিকক লগধৰি অসমৰ বিদেশী নাগৰিকৰ সমস্যা সম্পৰ্কে অৱগত কৰোৱা হয়। কলিকতা দিল্লী চণ্ডীগড় আৰু বোম্বাইত সভাৰ পক্ষৰ পৰা প্ৰকাশ কৰা বিভিন্ন প্ৰচাৰ পত্ৰিকা, পূৰ্ব প্ৰান্তত সূৰ্য্য গ্ৰহণ আৰু অসম আৰু অসমীয়াৰ চিন্তা মানস গ্ৰন্থৰ ইংৰাজী সংস্কৰণ বিনামূলীয়াকৈ বিতৰণ কৰা হৈছিল। ভাৰতৰ নিৰ্বাচনী আয়ুক্তক দিল্লীত সাক্ষাৎ কৰি অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশীসকলৰ নাম বাতিল কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। ইয়াৰ বাহিৰেও সদৌ অসম ছাত্ৰ সন্থা আৰু গণ-সংগ্ৰাম পৰিষদৰ দ্বাৰা ঘোষিত আন্দোলনৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰা হৈছিল। অহিংস আন্দোলনকাৰী সকলৰ ওপৰত প্ৰশাসনে কৰা নিৰ্যাতন আৰু দমন-পীড়নৰ কাৰ্য্য সভা-সমিতি আৰু বাতৰি কাকতৰ মাধ্যমেৰে প্ৰতিবাদ জনোৱাৰ উপৰিও ৰাজ্যপালৰ উপদেষ্টাক সাক্ষাৎ কৰি এই অত্যাচাৰ বন্ধ কৰাৰ মাজেৰে গণতান্ত্ৰিক ধ্যান ধাৰণাৰ-মৰ্য্যাদা ৰক্ষা কৰিবলৈ দাবী জনোৱা হৈছিল। সাহিত্য সভাৰ প্ৰতিনিধিয়ে বিদেশী বহিষ্কাৰ সম্পৰ্কীয় দিল্লীত অনুষ্ঠিত আলোচনাতো অংশ গ্ৰহণ কৰিছে।

৬। জন্ম-শত বাৰ্ষিকী উদযাপন :

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গল্প লেখক স্বৰ্গীয় নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ জন্ম শতবাৰ্ষিকী উৎসৱ ২৭ আৰু ২৮ ডিচেম্বৰত

কেন্দ্ৰীয়ভাবে ক্ৰমে লক্ষীমপুৰ আৰু গোৱালপাৰাত পালন কৰা হয়। এই উছৱত সহযোগিতা আগবঢ়োৱাৰ বাবে লক্ষীমপুৰ সাহিত্য সভা, গোৱাল-পাৰা সাহিত্য সভা আৰু গোৱালপাৰা জিলা সাহিত্য পৰিষদ অসম সাহিত্য সভাৰ শলাগৰ পাত্ৰ। উছৱ উপলক্ষে নগেন্দ্ৰ নাৰায়ণ চৌধুৰী নামেৰে ড° হেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা সম্পাদিত এখনি গ্ৰন্থও সভাৰ পক্ষৰ পৰা প্ৰকাশ কৰা হৈছে। যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে এদিনীয়া কাৰ্যসূচীৰে ক্ৰমে যোৰহাট আৰু গুৱাহাটীত প্ৰসিদ্ধ কবি দুৰ্গেশ্বৰ শৰ্মাদেৱৰ জন্ম শতবাৰ্ষিকী উছৱো সভাৰ পক্ষৰ পৰা উদযাপন কৰা হৈছে। যোৱা ২২ জুন তাৰিখে কবি নীলমণি ফুকন দেৱৰ জন্ম শত বাৰ্ষিকী উৎসৱৰ অংশ হিচাপে ভাৰতীয় ডাক তাঁৰ বিভাগে যুগুত কৰা নীলমণি ফুকন স্মাৰক ডাক-টিকট এটি গাম্ভীৰ্য পূৰ্ণ অনুষ্ঠানত যোৰহাটৰ কেন্দ্ৰীয় কাৰ্য্যালয়ত উন্মোচন কৰা হয়। উন্মোচনী অনুষ্ঠানত সভাপতিত্ব কৰে সভাৰ সভাপতি শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী দেৱে।

৭। আলোচনা চক্ৰ

সভাৰ উদ্যোগত টংলা সাহিত্য সভাৰ সহযোগত যোৱা ১৭ অক্টোবৰ তাৰিখে 'অসমীয়া আৰু বড়ো ভাষাৰ বৈয়াকৰণিক সাদৃশ্য' সম্পৰ্কে এখন আলোচনা চক্ৰৰো ব্যৱস্থা কৰা হৈছিল। চক্ৰত কেইবা গৰাকী অসমীয়া পণ্ডিতৰ উপৰিও ভাৰতীয় ভাষা কেন্দ্ৰৰ অধিকৰ্তা শ্ৰীদেবী প্ৰসন্ন পট্টনায়ক অংশ গ্ৰহণ কৰি আলোচনা চক্ৰৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছিল।

৮। লেখক কৰ্মশালা :

যোৱা ২০।১০।৮১ আৰু ২১।১০।৮১ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে বিহপুৰীয়া সাহিত্য সভাৰ সহযোগত বিহপুৰীয়াত সভাৰ দ্বিতীয় লেখক কৰ্ম-শালা অনুষ্ঠিত হৈছিল। এই কৰ্মশালাত পয়ত্ৰিশ গৰাকী লেখক-লেখিকাক শিশু সাহিত্য সম্পৰ্কে প্ৰশিক্ষণ দিয়া হৈছিল। কৰ্মশালাৰ সঞ্চালক আছিল অধ্যক্ষ বীৰেন বৰকটকী আৰু বিশিষ্ট প্ৰশিক্ষক হিচাপে ড° হেমন্ত-কুমাৰ শৰ্মা, অধ্যাপক ৰায়হানশাহ, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীশীলা গগৈ আৰু শ্ৰীনাৰায়ণ বেজবৰুৱাই অংশ গ্ৰহণ কৰিছিল। কৰ্মশালাৰ সকলো কাৰ্য্যসূচী সফল হৈ উঠাৰ বাবে বিহপুৰীয়া অঞ্চলৰ ৰাইজ, আৰু বিহপুৰীয়া সাহিত্য সভা-অসম সাহিত্য সভাৰ শলাগৰ পাত্ৰ।

৯। লেখক শিবিৰ আৰু নবীন কবিৰ কবি-সন্মিলন :

যোৱা ১৯ আৰু ২০ ডিচেম্বৰ তাৰিখে কোকৰাঝাৰত সাহিত্য সভাৰ সহযোগত কোকৰাঝাৰত সভাৰ নৱম লেখক শিবিৰ অনুষ্ঠিত হয়। শিবিৰ

সঞ্চালন কৰে ক্ৰমে প্ৰবীণ নাট্যকাৰ শ্ৰীসত্যপ্ৰসাদ বৰুৱা আৰু উপন্যাসিক শ্ৰীযোগেশ দাসে। শিবিৰৰ লগতে প্ৰথমবাৰৰ বাবে নবীন কবি সকলৰ এখনি কবি সন্মিলনৰো আয়োজন কৰা হৈছিল। অসমৰ বিভিন্ন অঞ্চলৰ পৰা অহা কুৰি গৰাকী নবীন কবিয়ে সন্মিলনত স্বৰচিত কবিতা আবৃত্তি কৰিছিল। কবি সন্মিলনত সভাপতিত্ব কৰিছিল শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীয়ে আৰু সন্মিলন উদ্বোধন কৰিছিল কবি ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে।

১০। <u>সভাৰ গ্ৰন্থমেলা</u> : ডিব্ৰুগড় জিলা সাহিত্য পৰিষদ আৰু ডিগবৈ সাহিত্য সভাৰ পৰামৰ্শৰ ভিত্তিত পোন প্ৰথমবাৰৰ বাবে সভাৰ উদ্যোগত ৰংপুৰ সাহিত্য সভাৰ সহযোগতে শিৱসাগৰৰ দৌলৰ মুখত ২১।০।১৮ ৰ পৰা ২৩।২।৮১ লৈ তিনিদিনীয়া কাৰ্যসূচীৰে সভাৰ প্ৰথম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছিল। গ্ৰন্থমেলাত অগণন লোকৰ সমাগম হৈছিল আৰু মেলাত প্ৰায় ৫,০০০.০০ টকাৰ গ্ৰন্থ বিক্ৰী হৈছিল। গ্ৰন্থমেলা উদ্বোধন কৰিছিল প্ৰাক্তন সভাপতি শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীদেৱে। এই কাৰ্যটিৰ আয়োজনৰ বাবে ৰংপুৰ সাহিত্য সভা অসম সাহিত্য সভাৰ শলাগৰ পাত্ৰ।

১১। <u>অসম সাহিত্য সভা পত্ৰিকা</u> : শ্ৰীমাহেন্দ্ৰ পাদুনৰ সম্পাদনাত অসম সাহিত্য সভা পত্ৰিকাৰ চাৰিওটি সংখ্যা ইতিমধ্যে প্ৰকাশিত হৈছে। পত্ৰিকাৰ বিক্ৰী আগতকৈ বৃদ্ধি পাইছে, আনকি বহুতো শাখা সভাক আমি প্ৰয়োজনীয় সংখ্যক পত্ৰিকাৰ যোগান ধৰিব পৰা নাই।

১২। <u>লক্ষ্মীৰাম বৰুৱা সদন আৰু ৰাধাকান্ত সন্দিকৈ ভৱন</u> : যদিও আনুষ্ঠানিক ভাৱে দ্বাৰ উদ্ঘাটন কৰা হোৱা নাই, ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ চৌহদত তিনিলাখ টকা খৰচ কৰি নিৰ্মাণ কৰা লক্ষ্মীৰাম বৰুৱা সদনৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে। যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ কাষত নিৰ্মাণ কৰিবলৈ লোৱা ৰাধাকান্ত সন্দিকৈ ভৱনৰ তলৰ মহলাৰ নিৰ্মাণ কাৰ্যত কিছু আগবঢ়া হৈছে যদিও আৰ্থিক অনাটনৰ বাবে নিৰ্মাণ কাৰ্য বাধাপ্ৰাপ্ত হৈ আছে।

১৩। <u>গৱেষণা কেন্দ্ৰ</u> : নিৰ্মীয়মান ৰাধাকান্ত সন্দিকৈ ভৱনত প্ৰতিষ্ঠা কৰিবলৈ লোৱা অসমীয়া ভাষা-সাহিত্যৰ কেন্দ্ৰীয় বিদ্যা সদনৰ বাবে ২৮,৫০,০০০.০০ টকাৰ এখনি আঁচনি চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে যদিও অনুদান নোপোৱাৰ বাবে গৱেষণা কেন্দ্ৰৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাই। এই সম্পৰ্কে অসম চৰকাৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰাৰ উপৰিও যোৱা মে মাহত দিল্লীত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ সংশ্লিষ্ট বিষয়া সকলকো সাক্ষাৎ কৰা হৈছিল।

১৪। সাহিত্য সভাৰ গ্ৰন্থাগাৰ : অসম সাহিত্য সভাৰ যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ লগত আৰু গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ লগত সংযুক্ত প্ৰসংগ পুথিভঁৰাল দুটিৰ বাবে, সভাৰ আৰ্থিক সংকট সত্বেও প্ৰায় ছয় হেজাৰ টকাৰ গ্ৰন্থ ক্ৰয় কৰি পুথিভঁৰাল দুটিক পূৰ্ণাঙ্গ ৰূপ দিয়াৰ যত্ন কৰা হৈছে। দুষ্প্ৰাপ্য গ্ৰন্থদান দি এই পুথিভঁৰাল দুটিৰ উন্নতি সাধন কৰিবলৈ শাখা সভা, জিলা সাহিত্য পৰিষদৰ উপৰিও গ্ৰন্থপ্ৰেমী ব্যক্তিলৈ আমি সাদৰে আহ্বান জনাইছো।

১৫। ভাষাজ্ঞান পৰীক্ষা সংসদ : ভাষাজ্ঞান পৰীক্ষা সংসদৰ যোগেৰে চাৰিটা স্তৰত অসমীয়া ভাষা শিক্ষা আৰু পৰীক্ষা লোৱাৰ ব্যৱস্থা অব্যাহত ৰখা হৈছে। ১৯৮০-৮১ চনৰ পৰীক্ষা যোৱা ডিচেম্বৰ মাহত লোৱা হৈছে আৰু প্ৰাথমিক, মাধ্যমিক, ভাৰতী আৰু প্ৰাক ভাৰতী পৰীক্ষাৰ মুঠ ৭২০ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১০৫ জন উত্তীৰ্ণ হৈছে। ইয়াৰ উপৰিও নামৰূপ শাখা-সাহিত্য সভাই অনা-অসমীয়া লোকৰ মাজত অসমীয়া ভাষা শিক্ষাৰ ব্যৱস্থা কৰি অসম সাহিত্য সভাৰ উদ্দেশ্যপূৰণ কৰাত আমি পৰম আনন্দ পাইছো।

১৬। (ক) ভাষা শিক্ষা শ্ৰেণী অনা-অসমীয়া কৰ্মচাৰীক অসমীয়া ভাষাৰ শিক্ষাদানৰ বাবে গুৱাহাটী আৰু দিশপুৰত প্ৰতিষ্ঠিত ভাষা শিক্ষা শ্ৰেণীৰ কামো অব্যাহত আছে। বৰ্তমান বছৰত ৬ষ্ঠ, ৭ম, ৮ম গোটক প্ৰশিক্ষণ দিয়া হৈছে। তিনিওটা গোটৰ মুঠ ১২৬ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১১৮ জনে পৰীক্ষাত উত্তীৰ্ণ হৈ সভাৰ পৰা প্ৰমান-পত্ৰ লাভ কৰে।

১৬। (খ) সভাৰ অনুদান আৰু সাহায্য : জনজাতীয় ভাষা শিক্ষাৰ কাৰণে গুৱাহাটীৰ বি, বৰুৱা মহাবিদ্যালয়ত প্ৰতিষ্ঠিত পূৰ্বোত্তৰ ভাষা সমিতিক সভাৰ পক্ষৰ পৰা ৫০০.০০ টকাৰ এককালীন অনুদান দিয়াৰ উপৰিও সভাৰ প্ৰাক্তন সভাপতি-বকুল বনৰ কবিৰ চিকিৎসাৰ কাৰণে ৫০০.০০ টকাৰ আৰ্থিক সাহায্য দিয়া হৈছে।

১৭। শিশু জ্ঞানকোষ সভাৰ দ্বাৰা প্ৰকাশ কৰিব খোজা শিশু জ্ঞানকোষ সম্পাদনাৰ কামত ইতিমধ্যে যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। অহা জুন মাহত প্ৰথম খণ্ড আৰু চেপ্তেম্বৰ মাহত দ্বিতীয় খণ্ড প্ৰেছত দিব পৰা হ'ব বুলি আশা কৰা হৈছে।

১৮। সভাৰ প্ৰকাশন : ১৯৮১-৮২ বছৰটোত সভাৰ পক্ষৰ পৰা প্ৰায় ৫০ খন গ্ৰন্থ প্ৰকাশৰ বাবে আঁচনি গ্ৰহণ কৰা হয়। তাৰ ভিতৰত ২৫ খন

গ্ৰন্থ অধিবেশনৰ আগেয়ে প্ৰকাশ হৈ ওলাইছে। গ্ৰন্থ সমূহ হ'ল (১) মৌডিচন এণ্ড খাইল, (২) নগেন্দ্ৰনাৰায়ণ চৌধুৰী, (৩) চিংফো জনজাতি, (৪) কাৰ্বি-সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা, (৫) আঠ গৰাকী সভাপতিৰ ভাষণ, (৬) মিছিং অসমীয়া জাতি (৭) ৰাভা শব্দ-সম্ভাৰ, (৮) তিৱা সমাজ আৰু সমালোচনা, (৯) কাৰ্বি সাহিত্য সংস্কৃতিত এভুমুকি, (১০) তিৱা শব্দ সম্ভাৰ, (১১) চাহ মজদুৰ অসমীয়া সম্প্ৰদায়, (১২) চাহ শ্ৰমিক সংস্কৃতিৰ ৰূপৰেখা।

বৰ্তমান বছৰত সভাই এলানি জীৱনী প্ৰকাশ কৰিবলৈকে সিদ্ধান্ত গ্ৰহণ কৰে। সেই লানিৰ তলত উল্লেখ কৰা বাৰখন গ্ৰন্থ প্ৰকাশ হৈ ওলাইছে — (১) জন নায়ক ছেমছনছিং ইংতি, (২) বিষ্ণু ৰাভা, (৩) মহাবীৰ লাচিত, (৪) অৰুণিৰ বাহাদুৰ গাওঁবুঢ়া, (৫) শ্বহীদ কুশল কোঁৱৰ, (৬) কুমাৰ ভাস্কৰ বৰ্মা, (৭) ৰজা নৰনাৰায়ণ, (৮) লোক সেৱক ৰূপনাথ ব্ৰহ্ম (৯) হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত, (১০) মহাপুৰুষ মাধৱ দেব, (১১) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, (১২) মণিৰাম দেৱান।

ইয়াৰ বাহিৰেও তলত উল্লেখ কৰা গ্ৰন্থ সমূহৰ ছপা কাম চলি আছে (১) চাহ বাগিছাৰ জাতি জনজাতি, (২) সাহিত্য সমীক্ষা, (৩) বেনুধৰ শৰ্মা (৪) নাথান ব্ৰাউনৰ অসমীয়া ব্যাকৰণ (৫) তিনিচুকীয়া বাৰ্ষিকী।

তলত উল্লেখ কৰা গ্ৰন্থ সমূহ ছপাৰ বাবে যুগুত কৰি ৰখা হৈছে (১) আমেৰিকান মিছনাৰী আৰু উনবিংশ শতিকা, (২) কালৰ আংলঙৰ ৰূপৰেখা, (৩) আথৰ্বৰ গীত, (৪) কবিতা, (৫) অসমলৈ মুছলমানৰ আগমন আৰু সাংস্কৃতিক সংমিশ্ৰণ।

বৰ্তমান বছৰত কিতাপ ছপাবৰ বাবে চৰকাৰৰ পৰা সুলভ মূল্যত ১০ টন কাগজ পোৱা হৈছে।

(৯) প্ৰকাশন বিক্ৰীৰ ব্যৱস্থা। গোটেই বছৰটোত সভাই আৰ্থিক সংকটৰ মাজেৰে চলিবলগীয়া হোৱাত, এই সংকট দূৰ কৰাৰ অৰ্থে সভাৰ প্ৰকাশন সমূহ বিক্ৰীৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। ৰাজ্যৰ বিদ্যালয় মহাবিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহলৈ সভাৰ গ্ৰন্থ ক্ৰয় কৰিবলৈ গোহাৰি জনাই সফল পোৱা হৈছে। তদুপৰি-কুৰিজন নতুন প্ৰকাশন অভিকৰ্তা নিয়োগ কৰিও সুফল পোৱা হৈছে। ভ্ৰাম্যমান বিক্ৰী কেন্দ্ৰৰ যোগেৰে গোৱালপাৰা, দৰং, লক্ষীমপুৰ

ডিব্ৰুগড় আৰু কামৰূপ জিলাৰ বিভিন্ন স্থানত যথেষ্ট সংখ্যক সভাৰ প্ৰকাশন বিক্ৰী কৰা হৈছে। ইয়াৰ উপৰিও শিবসাগৰ প্ৰথম গ্ৰন্থমেলাৰ যোগেৰেও গ্ৰন্থবিক্ৰী কৰি সভা বিত্তীয় সংকট লাঘব কৰিবলৈ ব্যৱস্থা কৰা হৈছিল।

২০। সভাৰ সংগঠন সভাৰ সংগঠন ত্বৰান্বিত কৰাৰ অৰ্থে ৰাজ্যৰ দহখন জিলাক কেইবাটিও অঞ্চলত, বিভক্ত কৰি এবোটা অঞ্চলত সংগঠনৰ দায়িত্ব একোজন সংগঠকৰ ওপৰত ন্যস্ত কৰা হৈছে। কাৰ্য-নিৰ্বাহক সমিতিৰ পৰামৰ্শ ক্ৰমে প্ৰায় আশী গৰাকী সংগঠক নিযুক্তি দিয়া হৈছে। এই সংগঠক সকলে সাহিত্য সভাৰ বাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ উপৰিও শাখা সাহিত্য সভাৰ সংগঠন আৰু আজীৱন সভ্য বৃদ্ধিত তৎপৰতা গ্ৰহণ কৰিছে। বিশেষকৈ গান্ধীৰাম টিমুং আৰু শ্ৰীমহিজেন্দ্ৰ ডেকাই কাৰবি আংলঙত আৰু শ্ৰীনৃপেন্দ্ৰ দিহিদাৰ আৰু শ্ৰীঅৰ্দ্ধেন্দু চক্ৰবৰ্তীয়ে গোৱালপাৰা জিলাত কেতবোৰ প্ৰশংসনীয় কাম কৰিছে। ৩১ ৩ ৮২ তাৰিখলৈ নতুন আজীৱন সভ্য ১৭৫ জন, শাখা সভা ৩০ খন, জিলা সাহিত্য পৰিষদ ১ খন বৃদ্ধি পাইছে। অৱশ্যে ৩১ ৩ ৮২ তাৰিখৰ পিছতো শাখা সভা আৰু আজীৱন সভ্যৰ কেতবোৰ আবেদন আমাৰ হাতত পৰিছেহি

২১। সাহিত্য সভা সপ্তাহ ৭ জানুৱাৰীৰ পৰা ১৩ জানুৱাৰীলৈ ক্ৰমে জ্যোতি দিৱস, ভাষা দিৱস সাংস্কৃতিক দিৱস সংগঠন, দিৱস, অসমৰ স্বাৰ্থ ৰক্ষা দিৱস সম্প্ৰীতি দিৱস, আৰু সাহিত্য দিৱস কাৰ্যসূচীৰে সাহিত্য সভা সপ্তাহ পালন কৰা হৈছে। বিভিন্ন শাখা-সভা আৰু জিলা পৰিষদ সমূহৰ উপৰিও ৰাজ্যৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে এই দিৱস সমূহ পালন কৰাৰ বাতৰি সভালৈ প্ৰেৰণ কৰিছে।

২২। সাহিত্য সভা বটা: অসম সাহিত্য সভাই বিভিন্ন ন্যাস পুঁজিৰ সুদেৰে দিয়া বটা আৰু লগতে মান পত্ৰ দিয়াৰ ব্যৱস্থা এই বছৰো, উপ সমিতি সমূহে আগবঢ়োৱা ফলাফলৰ ভিত্তিত দিবলৈ ব্যৱস্থা কৰা হৈছে। এই বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে ঘোষণা কৰা পাচ হাজাৰ টকীয়া 'অসম সাহিত্য সভা-বিষ্ণুৰাভা সোঁৱৰণী বটা' অনিবাৰ্য কাৰণবশতঃ দিব পৰা নহল। অন্যান্য বটা উপসমিতিৰ ফলাফল তলত উল্লেখ কৰা হ'ল।

১) গোপালচন্দ্ৰ বৰুৱা সোঁৱৰণী বটা:

অলপ কথা অনেক পোহৰ—ডা° ৰাজেন্দ্ৰ কুমাৰ ভূঞা

(২) গিৰিধৰ শৰ্মা সোঁৱৰণী বটা : (উপন্যাস প্ৰতিযোগিতা)
সেতু —শ্ৰীশৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(৩) মোহনচন্দ্ৰ শৰ্মা বটা (চিন্তামূলক গ্ৰন্থ)
নন্দনতত্ব : প্ৰাচ্য আৰু পাশ্চাত্য : অধ্যক্ষ ত্ৰৈলোক্য নাথ গোস্বামী

(৪) হৰিপ্ৰসাদ নেওগ মুদ্ৰণ আৰু অলংকৰণ বঁটা :
হেৰাই যোৱা দিনবোৰ : মুদ্ৰণ : শ্ৰীগুৰুপ্ৰেছ, গুৱাহাটী
প্ৰকাশক : শ্ৰীসুব্ৰত শৰ্মা, গুৱাহাটী

(৫) শৰৎ চন্দ্ৰ গোস্বামী বঁটা (ৰচনা প্ৰতিযোগিতা)
কুমাৰী সান্তনা সিং — দুলিয়াজান আদৰ্শ বালিকা বিদ্যাপীঠ

২৩। ১৯৮২ ৮৩ চনৰ খৰচৰ আঁচনি ১৯৮২-৮৩ চনৰ বিত্তীয় বছৰৰ বাবে প্ৰকাশন, গবেষণা কেন্দ্ৰ ভাষাজ্ঞান পৰীক্ষা, অসম সাহিত্য সভা সপ্তাহ, সাংস্কৃতিক সংহতি, লেখক শিবিৰ, নবীন কবিৰ কবি সন্মিলন পুথি ভঁৰাল উন্নয়ণ, গ্ৰন্থমেলা, লেখক কৰ্মশালা, আলোচনা-চক্ৰ ভৱন নিৰ্মাণ আৰু জিলা সাহিত্য পৰিষদলৈ অনুদানকে ধৰি প্ৰায় কুৰি-লাখ টকাৰ এখনি খৰচৰ আঁচনি বৰ্তমান মাহত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে।

২৪। সভাৰ প্ৰতি চৰকাৰৰ মনোভাৱ ভাষা সাহিত্য আৰু সাংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়া যদিও চৰকাৰৰ দায়িত্ব তথাপি অসমীয়া আৰু থলুৱা আৰু সাহিত্য সংস্কৃতিৰ উন্নয়ণৰ অথে-কাম কৰি থকা অসম সাহিত্য সভাৰ প্ৰতি বৰ্তমান বছৰত অসম চৰকাৰে কঠোৰ মনোভাৱ গ্ৰহণ কৰে। প্ৰায় গোটেই বছৰ সভাৰ অনুদানৰ বাবে চৰকাৰৰ লগত লিখালিখি কৰাৰ উপৰিও বিভিন্ন সময়ত ৰাজ্যপাল আৰু ৰাজ্যচৰকাৰক সভাৰ অনুদানৰ বাবে অনুৰোধ জনোৱা হৈছিল। কিন্তু দুখৰ বিষয় মাৰ্চ মাহৰ শেষ দিনত চৰকাৰে আমাক প্ৰবঞ্চনা কৰিলে। আমাৰ কাৰ্যকালৰ শেষ মুৰত চৰকাৰৰ এনে প্ৰবঞ্চনাই সাহিত্য সভাক আৰ্থিক সংকটৰ মুখলৈ ঠেলি দিয়ে। আমি সভাৰ পুঁজি টনকিয়াল কৰিবৰ বাবে এটকীয়া ৫০,০০০ (পঞ্চাশ) হাজাৰ টকাৰ সাহায্য কুপন বিতৰণৰ ব্যৱস্থা কৰাৰ উপৰিও সকলো লোকক দান বৰঙনিৰে সাহিত্য সভাক আৰু ডিফু অধিবেশনৰ অভ্যৰ্থনা সমিতিক সহায় কৰিবলৈ অনুৰোধ জনাওঁ। বৰ আনন্দ আৰু গৌৰৱৰ কথা সাহিত্য সভাক কৰা প্ৰবঞ্চনা অসমীয়া জাতিৰ প্ৰতি অপমান বুলি সকলো স্তৰৰ লোকে উপলব্ধি কৰি সাহিত্য সভা আৰু ডিফু অভ্যৰ্থনা সমিতিক দান বৰঙনিৰে সহায় কৰিবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰে, যাৰ ফলত সাহিত্য সভাৰ কাৰ্য প্ৰবাহ অক্ষুন্ন থকাৰ উপৰিও নানা বিপদ বিঘিনিৰ মুখামুখি হৈ ডিফু অধিৱেশন

পাতিব পৰা হৈছে। এনে মনোবলৰ বাবে সকলো স্তৰৰ লোকেই অসম সাহিত্য সভাৰ শৰণাগত পাব।

২৫। <u>যোগাযোগ ঃ</u> সময় আৰু শক্তিৰে কুলাইমানে আমি গোটেই বছৰটোতে শাখা সভা, স্বীকৃত সভা, জিলা সাহিত্য পৰিষদৰ উপৰিও সাহিত্য সভাক প্ৰাণভৰি ভালপোৱা ব্যক্তি সকলৰ লগত যোগাযোগ ৰক্ষা, কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। তৎসত্বেও আমি দোষমুক্ত হব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

যোৱা জুলাই মাহৰ ভিতৰতে তিনিচুকীয়া অধিবেশনত গৃহীত প্ৰস্তাবসমূহৰ নকল শাখা সভা, স্বীকৃত সভা, আৰু জিলা সাহিত্য পৰিষদসমূহলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ উপৰিও আগষ্ট মাহত দ্বিতীয় বিজ্ঞপ্তি যোগে শাখা সভা সমূহৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়াৰ উপৰিও বিদেশী বহিষ্কাৰ আন্দোলনৰ সুযোগ লৈ কোনো অশুভ শক্তিয়ে যাতে থলুৱা লোকৰ মাজত বিভেদৰ সৃষ্টি কৰিব নোৱাৰে তালৈ লক্ষ্য ৰাখিবলৈ শাখা সভা সমূহক অনুৰোধ জনোৱা হৈছে। তৃতীয় বিজ্ঞপ্তিযোগে সভ্যভৰ্তি অভিযান, প্ৰকাশন বিক্ৰী, সাহিত্য সভা সপ্তাহ পালন, ডিফু অধিবেশনলৈ সাহায্য দান আৰু শাখা সভা কামৰ প্ৰতিবেদন আদি দাখিল কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। বৰ গৌৰব আৰু আনন্দৰ কথা বিগত—বছৰটোত শাখা সভা, স্বীকৃত সভা আৰু জিলা সাহিত্য পৰিষদ সমূহক আমি অধিক সক্ৰিয় হৈ উঠা লক্ষ্য কৰিছো।

২৬। <u>শাখা সভা আৰু জিলা সাহিত্য পৰিষদৰ কামৰ প্ৰতিবেদন</u> ঃ

জিলা সাহিত্য পৰিষদ, শাখা সভা আৰু স্বীকৃত সভাৰ লগত আমি সততে যোগাযোগ কৰি আহিছো। আমাৰ বিজ্ঞপ্তি আৰু নিৰ্দেশক্ৰমে জিলা সাহিত্য পৰিষদ, শাখা সভা আৰু স্বীকৃতি সভাসমূহে সাহিত্য সভা সপ্তাহ, প্ৰাক্তন সভাপতি নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, কবি সাহিত্যিক দুৰ্গেশ্বৰ শৰ্মাৰ জন্ম শতবাৰ্ষিকী পালন কৰিছে। জিলা সাহিত্য পৰিষদ, শাখা সভা সমূহৰ কাম কাজৰ খতিয়ান এটি তলত চমুকৈ দাঙি ধৰা হ'ল।

কাৰ্বি আংলং জিলা সাহিত্য পৰিষদে সংগঠনৰ দিশত যথেষ্ট জোৰ দিছে। মঙ্গলদৈ জিলা সাহিত্য পৰিষদৰ লেখক শিবিৰ ওৰাঙত, শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ লেখক শিবিৰ বৰহোলাত অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে। ডিব্ৰুগড় জিলা সাহিত্য পৰিষদে যোৱা বছৰটোত ৬খন শাখা সভা গঠন কৰে। তদুপৰি এই পৰিষদে মৰহুম আব্দুল হক চৌধুৰী ন্যাস পুঁজি, শ্ৰী শ্ৰী জকাই সত্ৰৰ উপেন্দ্ৰনাথ ডেকা অধিকাৰ

গোস্বামীৰ ন্যাস পুঁজি আৰু বেনুধৰ নেওগে দিয়া ধনেৰে ন্যাস পুঁজি গঠন কৰি সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ সুবিধা লাভ কৰিছে।

গোৱালপাৰা জিলা সাহিত্য পৰিষদে গোৱালপাৰা জিলাত সংগঠনৰ দায়িত্ব পালন কৰিছে। কামৰূপ জিলা সাহিত্য পৰিষদৰ বাৰ্ষিক অধিবেশন অলপতে হৈ যায়।

এই বছৰটোত কেইবাখনো শাখা সভাৰ বাৰ্ষিক অধিবেশন হৈ যোৱাৰ বাৰ্তাৰ আমালৈ আহিছে। আমালৈ অহা বাৰ্তাৰ মতে— দৰং-ঢেকীয়াজুলি, বৰহাপজান শাখা সভা, কুৱালগুৰি শাখা সভা, সোমাৰ সাহিত্য সমাজ, চেতনা শাখা সভা, ডিবৰু চাহ বাগিচা, সেউজী সাহিত্য চ'ৰা আনন্দ বজাৰ শাখা সাহিত্য সভা, টংলা সাহিত্য সভা, পলাশবাৰী শাখা সাহিত্য সভা, বামুন্দী বিকাশ সাহিত্য সভা, চিচি বৰগাওঁ সাহিত্য সভা, মহুৰামুখ সাহিত্য সভা, পূব মাজুলি ত্ৰিবেণী সাহিত্য পৰিষদ দুলিয়াজান সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাই সংগঠনৰ দিশত কেতবোৰ প্ৰশংসনীয় কাম কৰিছে।

কেইবাখনো শাখা সভাই এই বছৰত নিজা কাৰ্যালয় স্থাপনৰ বাবে যত্ন লৈছে। উত্তৰ জামুগুৰি সাহিত্য সভাৰ নিজা ভৱনৰ আধাৰশিলা অলপতে স্থাপন কৰে। খৰাজঘাট শাখা সভা নাহৰকটীয়া সাহিত্য সভা, যোৰহাট সাহিত্য সভা দুলীয়াজান শাখা আৰু বৰপথাৰ শাখা সভাই কাৰ্যালয়ৰ বাবে মাটি লাভ কৰিছে। উত্তৰ লক্ষীমপুৰ শাখা সভাৰ নিজা ভৱনৰ আধাৰশিলা স্থাপন কৰিছে।

হাফলং শাখা সাহিত্য সভাই ডিমাছা ভাষা শিক্ষা পাঠ্যক্ৰম এটি আৰম্ভ কৰাটো আনন্দৰ বিষয়।

লিডু সাহিত্য সভাই পতা "অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত বিভিন্ন জাতি উপজাতিৰ অৱদান" আলোচনা চক্ৰটি অতি গুৰুত্বপূৰ্ণ আছিল। যোৰহাট সাহিত্য সভা, দেওঁতোলা সাহিত্য সভা, দেৰগাওঁ সাহিত্য সভা, সোমাৰ সাহিত্য সভা, দৰং বজাবাৰী শাখা সাহিত্য সভা, গুৱাহাটী লেখক-লেখিকা সন্থা, কুঁৱৰীগাওঁ সাহিত্য সভা, গুৱাহাটী ৰূপনগৰ সাহিত্য সভা, নলবাৰী সাহিত্য সমাজ, ডিগবৈ সেৱা সমিতি, মৰাণ সাহিত্য সভাই বছৰটোত কেইবাখনো আলোচনা চক্ৰ পাতিছে। চেমা আঞ্চলিক শাখা সভাই সংস্কৃত পণ্ডিত শিৱনাথ বুজৰবৰুৱা স্মৃতিতীৰ্থৰ জন্ম শতবাৰ্ষিকী পালন কৰিছে। মধ্য ছয়দুৱাৰ সুৰভি সাহিত্য সমাজৰ মুখপত্ৰ 'সুৰভিৰ' ৪ৰ্থ সংখ্যা প্ৰকাশ পাইছে। গুৱাহাটী লেখক-লেখিকা সন্থাৰ 'কণ্ঠৰ' কবিতা সংকলন ইতিমধ্যে প্ৰকাশ পাইছে।

খেৰাজখাট সভাই 'বন কোঁৱৰ' নামৰ এখন পুথি প্ৰকাশ কৰিছে। তুপৰি আৰু কেইবা খনো শাখা সভাই নিজা প্ৰকাশনৰ বিস্তৃত আঁচনিৰ কথা আমাক লিখিছে। আশা কৰিছোঁ এই আঁচনি সমূহ যেন সোনকালেই ৰূপায়িত হৈ উঠে। এৰূপ শাখা সভাই এটি পুথিভঁৰাল স্থাপন কৰাৰ বাতৰি উৎসাহজনক।

দিশপুৰ যুৱ কল্যাণ পৰিষদ, নাহৰকটীয়া সাহিত্য সভা, উত্তৰ লক্ষীমপুৰ শাখা সভাই সংগঠনৰ বাবে কেইবাটিও গুৰুত্বপূৰ্ণ কাম হাতত লৈছে।

বৰ্তমান পৰিস্থিতিত অসম সাহিত্য সভাৰ জিলা সাহিত্য পৰিষদ, শাখা সভাবোৰ সক্ৰিয় হৈ উঠা অতি'ক প্ৰয়োজন। সংগঠনৰ বাবে প্ৰতিখন শাখা সভাই যত্ সামান্য কাম কৰিলেও মূল সভাই স্বাবলম্বী আৰু শক্তিশালী হ'ব পাৰিব।

মংগলদৈ জিলা সাহিত্য পৰিষদৰ বাৰ্ষিক অধিবেশন অলপতে হৈ যায়।

২৭। কৃতজ্ঞতা জ্ঞাপন : কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰাত যি সকললোকে আমাক গঠনমূলক পৰামৰ্শ দিছে নাইবা সমালোচনা কৰিছে, তেনেধৰণৰ আমাৰ জ্ঞাত আৰু অজ্ঞাত ব্যক্তিলৈ আন্তৰিক শলাগ জ্ঞাপন কৰিলোঁ। কিন্তু যি সকলে কেৱল সভাৰ ভাবমূৰ্তি আৰু মৰ্য্যাদা নষ্ট কৰি সভাৰ মাজত বিশৃংখলাৰ সৃষ্টি কৰিবলৈ ধ্বংসাত্মক আৰু উদ্দেশ্য প্ৰণোদিত কঠোৰ সমালোচনাত ব্ৰতী, সি সকলৰ প্ৰতি দৃষ্টি ৰাখিবলৈ আপোনা-লোক সকলোটিৰে ওচৰত বিনীতভাৱে আমি অনুৰোধ জনালো।

যোৱা সংকটপূৰ্ণ বছৰটোত সভাৰ কাম-কাজ সুশৃংখলভাৱে পৰিচালনা কৰাত মাননীয় সভাপতি, উপ সভাপতি, কোষাধ্যক্ষৰ লগতে কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যাবৃন্দ আৰু সহকাৰী সম্পাদক দ্বয় শ্ৰীসতীশচন্দ্ৰ চৌধুৰী আৰু শ্ৰীকুতুবুদ্দিন আহমেদৰ অকুণ্ঠ সহায়-সহযোগৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও বিপদকালৰ বিজ্ঞ উপদেষ্টা অধ্যাপক শ্ৰীঅতুল-চন্দ্ৰ হাজৰিকা আৰু নিদান মুহূৰ্তৰ তৎপৰ সাৰথি শ্ৰীনগেন শইকীয়া দেৱৰ ওচৰত আমি বিশেষ ভাৱে ঋণী।

আমাৰ কাৰ্যকালত যদি জানি বা নাজানি কথাৰে কিম্বা আচাৰ ব্যৱহাৰেৰে কোনো ব্যক্তি বা অনুষ্ঠানৰ মনত আঘাত দিছো, তাৰ বাবে সংশ্লিষ্ট সকলোটিৰে ওচৰত গললগ্ন হৈ ক্ষমা ভিক্ষা বিচাৰি আমাৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

অসম সাহিত্য সভা

উনপঞ্চাশৎ সন্মিলন : বিষয় বাছনী সভা

বাংছিনা নগৰ, ডিফু

২৩ আৰু ২৪ এপ্ৰিল : ১৯৮২

১) অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শৰ্মাই উনপঞ্চাশৎ সন্মিলনৰ বিষয় বাছনী সভা পৰিচালনাৰ কাৰণে সভাৰ নিয়মাৱলী অনু-সৰি সভাপতি শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীক অনুৰোধ জনায়।

২) সভাপতিয়ে আসন গ্ৰহণ কৰি সমবেত সকলোটিলৈ স্বাগত সম্ভাষণ জ্ঞাপন কৰে আৰু তলত উল্লেখ কৰা তৰ্পণ আৰু শোক প্ৰস্তাৱ দুটি বিষয়-বাছনী সভাত উত্থাপন কৰে। প্ৰতিনিধি সকলে থিয় হৈ মৌনতা অৱলম্বন কৰি জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিয়া সকলৰ স্মৃতিত তৰ্পণ কৰে আৰু আকস্মিকভাৱে লোকান্তৰ হোৱাসকলৰ আত্মাৰ শান্তি আৰু সদ্‌গতিৰ কাৰণে ভগবানৰ চৰণত প্ৰাৰ্থনা জনায়।

তৰ্পণ প্ৰস্তাৱ : ডিফুৰ বাংছিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ আজিৰ এই উনপঞ্চাশৎ অধিৱেশনে অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ আহুতি দিয়া লোক সকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰি শোক-সন্তপ্ত পৰিয়াল পৰিজনলৈ সমবেদনা জ্ঞাপন কৰে আৰু সিসকলৰ বিদেহী আত্মাৰ শান্তি আৰু সদগতিৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনায়।

শোক প্ৰস্তাৱ

ডিফুৰ বাংছিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ আজিৰ এই উন্‌পঞ্চাশৎ অধিৱেশনে তলত নাম উল্লেখ কৰা লোক সকলৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল পৰিজনলৈ সমবেদনা জ্ঞাপন কৰে আৰু বিদেহ আত্মাৰ শান্তি আৰু সদগতিৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনায়।

কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন খনিজ মন্ত্ৰী কেশৱদেৱ মালব্য, বিশিষ্ট শিক্ষা-বিদ শ্ৰীকামিনীকান্ত বৰুৱা, কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন ৰেলৱে মন্ত্ৰী শ্ৰীটি-কে পাই, বঙালী সাহিত্যিক জৰাসন্ধ, চি-আৰ-পিৰ গুলীত নিহত শ্ৰীমতী লক্ষ্মী দাস, সমাজকৰ্মী শ্ৰীৰাধানাথ শৰ্মা, মুক্তি যুঁজাৰু শ্ৰী ঘনশ্যাম বৰদলৈ, ভাৰতৰ প্ৰাক্তন বিচাৰপতি শ্ৰীগজেন্দ্ৰ গাডকাৰ, মুক্তি যুঁজাৰু শ্ৰীগোলোক কটকী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী এছ, কে পাটিল, অধিবক্তা চৰ্দাৰ যোগ সিং চেঠী, শ্ৰীকীৰ্তি নাথ দেৱশৰ্মা দলৈ, অসম কেৰাচৰ উদ্যোক্তা শ্ৰীবলেশ্বৰ পেমে, স্বাধীনতা

যুঁজাৰু শ্ৰীহৰকান্ত কলিতা, সত্ৰাধিকাৰ শ্ৰীচন্দ্ৰকান্ত দেৱ মিশ্ৰ, অসম শঙ্কৰ সংঘৰ অন্যতম প্ৰতিষ্ঠাতা শ্ৰীৰমাকান্ত বৰা, অসম প্ৰশাসনীয় মহাবিদ্যালয়ৰ যুটীয়া সঞ্চালক আৰু কবি শ্ৰীগুণাভিৰাম চৌধুৰী, মুক্তি যুঁজাৰু শ্ৰীথানেশ্বৰ হাজৰিকা, চাহ কৰ্মচাৰী সংঘৰ বিশিষ্ট ব্যক্তি শ্ৰীলোকেশ্বৰ গগৈ, স্বাধীনতা যুঁজাৰু শ্ৰীহৰিচন্দ্ৰ বৰদেউৰী, সমাজকৰ্মী শ্ৰীনাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য, আনবিক বিজ্ঞানী ড° কুমুদ বৰা, মুক্তি যুঁজাৰু শ্ৰীধাৰেশ্বৰ শৰ্মা, সমাজকৰ্মী শ্ৰীভুবনেশ্বৰ বৰঠাকুৰ, বনুৱা সংগঠক শ্ৰীপানীমল দাস, প্ৰবীন কমিউনিষ্ট নেতা শ্ৰীভূপেশ গুপ্ত, সমাজকৰ্মী শ্ৰীনন্দৰাম বছাৰী, সমাজকৰ্মী শ্ৰীতৰুণ আগৰৱালা, প্ৰবীন অধিবক্তা শ্ৰীসূৰ্য হাজৰিকা, আচাৰ্য্য কাকা চাহেব কালেলকাৰ ডা পোবাল চন্দ্ৰ দুবৰা, প্ৰখ্যাত শিল্পী শ্ৰীবাপুৰাম বায়ন, মুক্তি যুঁজাৰু শ্ৰীবংশীধৰ চৌধুৰী, পণ্ডিত শ্ৰীউপেন্দ্ৰ নাৰায়ণ গোস্বামী, লোকবন্ধু ডা প্ৰেসাদ বৰদলৈ, প্ৰখ্যাত লেখক শ্ৰীএম অ মাথাই, বিশিষ্ট বঙালী ইতিহাসবিদ ডঃ নীহাৰ ৰঞ্জন ৰায়, বিশিষ্ট সাংবাদিক শ্ৰীজগত নাৰায়ণ, গাধাম আন্দোলনৰ নেতা শ্ৰীপ্ৰসন্ন নাৰায়ণ চৌধুৰী, মুক্তি যোদ্ধা শ্ৰীহীৰানাথ শৰ্মা, বিশিষ্ট শিক্ষক ফাইজুৰ ৰহমান শইকীয়া, ঔপন্যাসিক শ্ৰীদেবেন্দ্ৰ নাথ আচাৰ্য, বিশিষ্ট শিক্ষাবিদ শ্ৰীশশীকান্ত শৰ্মা, পণ্ডিত শ্ৰীবিদ্যাধৰ গোস্বামী, মুক্তি যুঁজাৰু শ্ৰীপদ্মকান্ত গোস্বামী, মুক্তি যুঁজাৰু শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা, শিল্পী শ্ৰীকেশৱ চাংকাকতি, সমাজকৰ্মী শ্ৰীতপেশ্বৰ শৰ্মা, শিক্ষক শ্ৰীতৰুণ লহকৰ, সাহিত্যসেৱী শ্ৰীভগৱতী চৰণ বৰ্মা, গ্ৰন্থ প্ৰকাশক শ্ৰীচক্ৰধৰ দেৱ চৌধুৰী মুক্তি যোদ্ধা শ্ৰীকীৰ্তিনাথ ভট্টাচাৰ্য, নাট্যকাৰ শ্ৰীমণি বৰা, সমাজসেৱিকা শ্ৰীমতী গুণবালা বৰুৱা কঠিয়াতলী গণ সংগ্ৰাম পৰিষদৰ সভাপতি শ্ৰীহেমকান্ত কলিতা, শিক্ষাবিদ ডাঃ এচ-ছি বনোৱাৰ, ডাঃ খগেন ব্ৰহ্ম, সমাজকৰ্মী শ্ৰীযোগেন বৰুৱা, গল্পকাৰ শ্ৰীৰমা দাশ, প্ৰবীন খেলুৱৈ শ্ৰীউদয় চন্দ্ৰ দাস, বিশিষ্ট গীতিকাৰ শ্ৰীৰায় চান্দ বৰাল, পুলিচৰ গুলীত নিহত শ্ৰীধ্ৰুবজ্যোতি নাথ, সাহিত্যিক শ্ৰীআদ্যনাথ শৰ্মা, সাংবাদিক শ্ৰীভদ্ৰকান্ত শৰ্মা, পুলিৰ গুলীত নিহত, শ্ৰীলোকনাথ শইকীয়া, মুক্তি যুজাৰু শ্ৰীবিষ্ণু প্ৰসাদ চক্ৰৱৰ্তী, সমাজকৰ্মী শ্ৰীনগালোক বৰুৱা, শিল্পী শ্ৰীসত্যেন চৌধুৰী, সমাজকৰ্মী শ্ৰীদুলাল ভট্টাচাৰ্য সাহিত্য সেৱিকা শ্ৰীমতী হেমলতা বৰুৱা সমাজ সেৱিকা শ্ৰীমতী উমেশ্বৰী নৰহ, মুক্তি যুঁজাৰু, শ্ৰীপূৰ্ণানন্দ চেতিয়া, ডাঃ নীলকান্ত ভূঞা, জোহবুল হুছেইন, পুলিচৰ গুলীত নিহত শ্ৰীৰাজীৱ ৰাজকুমাৰ, শ্ৰীনৰেন নাথ, শ্ৰীভূধৰ ডেকা, শ্ৰীবনমালী মুক্তিয়াৰ, শ্ৰীঅনুকুল কাকতি, শ্ৰীদীপক নাথ, শ্ৰীমনজিৎ দাস, চি-আৰ-পিৰ প্ৰহাৰত মৃত শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বড়ো, কৃতী শিক্ষক শ্ৰীত্ৰৈলোক্যনাথ-

শৰ্মা, শিল্পী, শ্ৰীচন্দ্ৰ মোহন গায়ন, প্ৰাক্তন মন্ত্ৰী, শ্ৰীদণ্ডীৰাম দত্ত, দুৰ্বৃত্তৰ হাতত নিহত শ্ৰীগোপাল মেধি, শিল্পী, শ্ৰীহৰেন্দ্ৰ কুমাৰ বৰুৱা, মুক্তিযোদ্ধা, শ্ৰীকৃষ্ণৰাম ডেকা ঢোলবাদক, শ্ৰীমেথোন কোঁৱৰ ক্ৰীড়া সংগঠক, শ্ৰীহৰেন্দ্ৰমোহন চৌধুৰী, বিশিষ্ট নাগৰিক, শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা, মংগলদৈ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক, শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া, স্বভাৱ কবি, শ্ৰীকেশৱ চক্ৰবৰ্তী, সংস্কৃত পণ্ডিত শ্ৰীগংগানাথ শাস্ত্ৰী, ইঞ্জিনীয়াৰ, শ্ৰীগুৰু প্ৰসাদ দাস, সমাজ সেৱিকা, শ্ৰীমতী ধনদা দেৱী বৰুৱানী, বিশিষ্ট, প্ৰযুক্তিবিদ শ্ৰীমৃগেন্দ্ৰ বৰুৱা, বিখ্যাত ৰাজনীতিবিদ, আচাৰ্য জে-বি কৃপালনী, অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহকৰ প্ৰাক্তন সদস্যা আৰু বিশিষ্টা সমাজ কৰ্মী শ্ৰীমতী সাথী টেৰণপি খেহেনীপাৰা গণ সংগ্ৰাম পৰিষদৰ সহকাৰী, সম্পাদক শ্ৰীশান্তিৰাম কুমাৰ, মুক্তি যোদ্ধা, শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মা, ডিছিষাল গঞা সত্ৰাধিকাৰ গোস্বামী, মুক্তিযুঁজাৰু শ্ৰীকান্ত বৰুৱা, স্বাধীনতা সংগ্ৰামৰ যুঁজাৰু, শ্ৰীনেচন চন্দ্ৰ দাস, শিক্ষক শ্ৰীকমল চন্দ্ৰ পূজাৰী, প্ৰবীন শিল্পী, শ্ৰীজীবেশ্বৰ গোস্বামী, সমাজ কৰ্মী, শ্ৰীভোলানাথ সন্দিকৈ, প্ৰবীন শিল্পী, শ্ৰীচক্ৰধৰ মহন্ত শিক্ষাবিদ শ্ৰীমহেন্দ্ৰ নাথ বন্ধ কৃতী শিক্ষক, শ্ৰীদীন নাথ ভূঞা।

৩) প্ৰধান সম্পাদকে বিষয় বাছনী সভাত উপস্থিত থকা প্ৰাক্তন সভাপতি আৰু প্ৰধান সম্পাদক সকলৰ পৰিচয় প্ৰদান কৰে।

৪) প্ৰধান সম্পাদকে উৎপঞ্চাশৎ সন্মিলনৰ বিস্তৃত কাৰ্যসূচী সভাত উত্থাপন কৰে আৰু সভাই আনন্দেৰে গ্ৰহণ কৰে।

৫) প্ৰধান সম্পাদকে ক) প্ৰস্তাৱনা, খ) তৰ্পণ, গ) অষ্টাচত্বাৰিংশ সন্মিলনৰ প্ৰস্তাৱ ঘ) শাখা সভা আৰু জিলা পৰিষদৰ লগত যোগাযোগ, ঙ) অসমৰ আন্দোলনত সভাৰ ভূমিকা, চ) শতবাৰ্ষিকী উৎসৱ, ছ) লেখক শিবিৰ, জ) নবীন কবিৰ কবি সন্মিলন, ঝ) আলোচনা চক্ৰ ঞ) লেখক-কৰ্মশালা, ট) সাহিত্য সভা সপ্তাহ, ঠ) সভাৰ নতুন ভৱন, ড) গৱেষণা-কেন্দ্ৰ, ণ) পুথি ভঁড়াল, ত) শিশু জ্ঞানকোষ, থ) ভাষা শিক্ষা শ্ৰেণী, দ) ভাষা জ্ঞান পৰীক্ষা, ধ) গ্ৰন্থমেলা, ন) বিভিন্ন উপ সমিতিৰ প্ৰতিবেদন আৰু বঁটা প্ৰতিযোগিতাৰ ফলাফল, প) নতুন বছৰৰ খচৰা আঁচনি, ফ) সভাৰ প্ৰতি চৰকাৰৰ মনোভাৱ ব) ভ্ৰাম্যমান গ্ৰন্থ বিক্ৰি কেন্দ্ৰ, ভ) সাহায্য কুপনৰ ব্যৱস্থা, ম) শাখা সভা সম্পৰ্কীয় প্ৰতিবেদন, য) কৃতজ্ঞতা জ্ঞাপন — এই কেইটা ছেদত ভাগ কৰি লিখা বছেৰেকীয়া প্ৰতিবেদন উত্থাপন কৰে।

বিষয় বাছনী সভাই বিস্তৃতভাবে আলোচনা কৰাৰ পিছত প্ৰতিবেদন সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰে।

প্ৰধান সম্পাদকে ১৯৮০-৮১ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ উত্থাপন কৰে আৰু সভাই গ্ৰহণ কৰে।

৭) প্ৰধান সম্পাদকে উনপঞ্চাশৎ সন্মিলনত উত্থাপনৰ বাবে অহা প্ৰস্তাৱ সমূহ জুকিয়াই সভাত দাখিল কৰে। বিষয় বাছনী সভাই আলোচনাৰ অন্তত তলত উল্লেখ কৰা সাতটা প্ৰস্তাৱ সৰ্বসন্মত ভাবে গ্ৰহণ কৰে।

প্ৰথম প্ৰস্তাৱ অসম সাহিত্য সভাই গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আহিছে যে, যোৱা প্ৰায় তিনি বছৰে অসমৰ জনসাধাৰণে অসমৰ পৰা বিদেশী নাগৰিক বহিস্কৰণৰ বাবে অবিৰতভাবে গণতান্ত্ৰিক, অহিংস শান্তিপূৰ্ণ আন্দোলন চলাই অহা সত্ত্বেও আৰু আন্দোলনৰ নেতৃবৰ্গক কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ বাবে ১৭ বাৰ নিমন্ত্ৰণ কৰি নিও, দেশৰ সংবিধান আৰু সংশ্লিষ্ট আইনৰ ভিত্তিত এই ৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে চৰকাৰ আগবাঢ়ি অহা নাই। চৰকাৰৰ এনে কাৰ্য্যই বিদেশী নাগৰিকক ইতিমধ্যে অধিক শক্তিশালী কৰি তুলিছে বুলি প্ৰত্যয় যাবলগীয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিজৰ এনে শিথিল মনোভাব পৰিত্যাগ কৰি দেশৰ সংবিধান আৰু আইনৰ মৰ্যাদা ৰক্ষা কৰিবলৈ আৰু বিদেশী নাগৰিকক ৰক্ষণাবেক্ষণ দিয়াৰ অপচেষ্টা পৰিত্যাগ কৰিবলৈ অসম সাহিত্য সভাই দাবী জনায়। লগতে সভাই চৰকাৰক সতৰ্ক কৰি দিয়ে যে অসমৰ জনসাধাৰণে ৰাজ্যখনৰ ভাষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক স্বাৰ্থ হানি হব পৰা কোনো চৰ্ত গ্ৰহণ নকৰে।

দ্বিতীয় প্ৰস্তাৱ:— অসম সাহিত্য সভাই উদ্বিগ্নতাৰে লক্ষ্য কৰিছে যে অসমৰ ৰাজ্য প্ৰশাসনত অসম তথা অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ স্বাৰ্থ বিৰোধী শক্তি সক্ৰিয় হৈ উঠিছে। এনে বিৰুদ্ধ শক্তিৰ দ্বাৰা অসম প্ৰশাসন পৰিচালিত বুলি ভাবিবৰ অৱকাশ ঘটিছে। কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ স্বাৰ্থৰ ৰক্ষণা-বেক্ষণ দিয়া হ'ব বুলি সংসদত ঘোষণা কৰা সত্বেও ৰাজ্য প্ৰশাসনে ৰাজ্যৰ সৰবৃহত্‌ সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভাৰ বাৰ্ষিক মঞ্জুৰি আৰু প্ৰাচীন ভিত্তিক মঞ্জুৰি বাতিল কৰাৰ বাবে, আৰু আনকি ডিফু অধিবেশন হোৱাত অন্তৰায় সৃষ্টি কৰিবৰ বাবেও অপপ্ৰয়াস কৰিছে। সভাই ভাবিবলৈ বাধ্য হৈছে — অসমত অস্থিৰতা বৰ্তাই ৰখাৰ বাবে কৰা অপচেষ্টা এনে কাৰ্য্যৰ মাজেদি প্ৰতিফলিত হৈছে। এই পৰি-

প্ৰেক্ষিতত সভাই সমগ্ৰ বিষয়টোৰ প্ৰতি অসমৰ ৰাজ্যপালৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে, আৰু অবিলম্বে ৰাজ্য প্ৰশাসনৰ এনে মনোভাৱ দূৰ কৰিবলৈ আৰু ৰাজ্য প্ৰশাসনক অসমৰ স্বাৰ্থবিৰোধী কাম-কাজ কৰাৰ পৰা বিৰত কৰিবলৈ দাবী জনায়।

তৃতীয় প্ৰস্তাৱ: অসম সাহিত্য সভাই অসমৰ থলুৱা ভাষা-সংস্কৃতি সমৃদ্ধিতে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বিকাশ আৰু উন্নয়নৰ বাবে আৰু সভাৰ বিভিন্ন বিদ্যায়তনিক কাম-কাজৰ বাবে বাৰ্ষিক অনুদান আৰু তদৰ্থ মঞ্জুৰিৰ উপৰিও নিৰ্দিষ্ট আঁচনি দাখিল কৰি ৰাজ্য চৰকাৰৰ পৰা মঞ্জুৰি লাভ কৰি আহিছে। ১৯৮১-৮২ বিত্তীয় বছৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অসমৰ বাজেটত অসম সাহিত্য সভাৰ বাবে চাৰি লাখতকৈও অধিক ধন ধাৰ্য কৰা হয়। কিন্তু সভাই ক্ষোভেৰে ব্যক্ত কৰিবলগীয়া হৈছে যে ৰাজ্য চৰকাৰে ভিত্তিহীন অজুহাত দেখুৱাই সভাৰ বাবে ধাৰ্য কৰা অৰ্থ-মঞ্জুৰি বন্ধ কৰে। সম্প্ৰতি, অসম সাহিত্য সভাই চৰকাৰ বিৰোধী আৰু অবাঞ্ছনীয় কাম নকৰে' বুলি মুচলেকা লিখি দিলেহে সাধাৰণ মঞ্জুৰি ৩৫ হাজাৰ টকা আৰু আঁচনি ভিত্তিক মঞ্জুৰী একলাখ টকা ৰাজ্য চৰকাৰে দিব বুলি জানোৱা কাৰ্যক বা অসম সাহিত্য সভাই বিশেষভাৱে অসম সাহিত্য সভাৰ দৰে এটা সম্পূৰ্ণ অৰাজনৈতিক, স্বতন্ত্ৰ গণতান্ত্ৰিক, সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতি, আৰু সাধাৰণ ভাৱে দেশৰ গণতন্ত্ৰৰ প্ৰতি এটা নিন্দনীয় ভাবুকি বুলি অভিহিত কৰে। এনে কাৰ্যই দেশৰ শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী-সকলৰ প্ৰতিও চূড়ান্ত অসৌজন্য প্ৰদৰ্শন কৰিছে বুলি সভাই অনুভৱ কৰে।

অসম সাহিত্য সভাই চৰকাৰৰ এনে কাৰ্যক গৰিহণা দিয়া আৰু চৰকাৰ বিৰোধী আৰু অবাঞ্ছনীয় শব্দ দুটাৰে কি বুজাব খুজিছে, তাৰ ৰাজহুৱা স্পষ্টী-কৰণ দাবী কৰে। সভাই দাবী কৰে, ৰাজ্যৰ জনসাধাৰণৰ ধনেৰে পুষ্ট ৰাজকোষৰ পৰা ৰাজ্যৰ ভাষা সাহিত্যৰ সৰ্ববৃহত অনুষ্ঠান অসম সাহিত্য সভাৰ বাবে নিৰ্ধাৰিত ধন চৰকাৰে শীঘ্ৰেই মুকলি কৰি দিয়ক, আৰু অসমৰ জনসাধাৰণক অধিক তিক্ততাৰ মাজলৈ ঠেলি নিয়াৰ যত্ন প্ৰত্যাহাৰ কৰক।

চতুৰ্থ প্ৰস্তাৱ: আজীৱন অসমীয়া ভাষা সাহিত্য সংস্কৃতিলৈ বিশিষ্ট বৰঙণি যোগাই অহা বিশিষ্ট প্ৰবীন সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰক আৰু শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱক অসম সাহিত্য সভাৰ পক্ষৰ পৰা 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰা হওক। এটা

বিশেষ অনুষ্ঠানৰ আয়োজন কৰি সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক-সাংকিত পত্ৰৰে উক্ত উপাধি সুযোগ্যবাকী ব্যক্তিকে প্ৰদান কৰিবলৈ কাৰ্য-নিৰ্বাহক সমিতিক পৰামৰ্শ দিয়া হওক।

৫ম : প্ৰস্তাৱ অসম সাহিত্য সভাৰ ৪৯ তম্ অধিবেশনে অসম সাহিত্য সভাক অসমৰ ৰাজ্য চৰকাৰে প্ৰাপ্য মঞ্জুৰী লাভৰ পৰা বঞ্চিত কৰি যি অৰ্থ সংকটৰ মুখলৈ ঠেলি দিছে, সেই কাৰ্যক নিন্দা কৰাৰ লগতে সভাই সংকল্প গ্ৰহণ কৰে যে, অসম সাহিত্য সভাৰ সকলো প্ৰকাৰৰ বিদ্যায়তনিক, প্ৰকাশন সম্পৰ্কীয় সাংগঠনিক আৰু ভাষা সাহিত্য সংস্কৃতি বিষয়ক বহল অ'চনি সফল কৰি তুলিবলৈ আৰু সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সাংস্কৃতিক সমন্বয় সুদৃঢ় কৰি তুলিবলৈ সভাৰ 'জাতীয় ন্যাস গঠন' অ'চনি কাৰ্যকৰী কৰি তোলা হওক। আৰু তাৰ বাবে পৰ্যায়ক্ৰমে এককোটি টকা সংগ্ৰহৰ লক্ষ্য গ্ৰহণ কৰা হওক। সভাই লগতে সভাৰ সকলো শাখা সভা, স্বীকৃত সভা আৰু জিলা সাহিত্য পৰিষদ সমূহক বিশেষভাৱে আৰু সাধাৰণ-ভাৱে ৰাজ্যৰ সকলো স্তৰৰ জনসাধাৰণ আৰু শিক্ষা-সাহিত্য-সংস্কৃতিৰ লগতে জড়িত অনুষ্ঠান-প্ৰতিষ্ঠানক এই অৰ্থে আন্তৰিক আৰু সক্ৰিয়ভূমিকা গ্ৰহণৰ বাবে দায়িত্ব লবলৈ আহ্বান জনায়।

৬ষ্ঠ প্ৰস্তাৱ : (ক) অসম সাহিত্য সভাই অনুভৱ কৰিছে যে, অসম আৰু অসমৰ ওচৰ চুবুৰীয়া ৰাজ্য সমূহৰ মাজত থকা সীমান্ত সমস্যাৰ সমাধান কৰাৰ বাবে আৱশ্যকীয় খৰটকীয়া ব্যৱস্থা গ্ৰহণ নকৰি, উত্তৰ-পূৱ ভাৰতৰ জন-সাধাৰণৰ মাজত থকা ভাতৃত্বৰ বান্ধ নষ্ট হোৱাত কেন্দ্ৰীয় চৰকাৰে ৰৰঙণি যোগাইছে। সভাই চৰকাৰৰ এনে মনোভাৱক সমালোচনা কৰে আৰু অবিলম্বে অসমৰ লগত থকা ওচৰ-চুবুৰীয়া ৰাজ্য সমূহৰ সকলো সীমা-সমস্যাৰ ওৰ পেলাবৰ বাবে তত্তালিকে খৰটকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনায়। সভাই লগতে সমগ্ৰ অঞ্চলৰ জন-সাধাৰণক পৰস্পৰৰ মাজত থকা ঐতিহ্য পূৰ্ণ সম্প্ৰীতি আৰু সাংস্কৃতিক সম্পৰ্ক অক্ষুন্ন ৰাখিবলৈও আন্তৰিক আহ্বান জনায়।

(খ) সীমা সমস্যাৰ সন্দৰ্ভত সভাই সীমা অঞ্চলত থকা বনাঞ্চল সমূহত সংশ্লিষ্ট ৰাজ্য চৰকাৰ সমূহক নিম্নোল্লিখিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

উক্ত অঞ্চলসমূহৰ পৰা বহুমূলীয়া বনজ সম্পদ ধ্বংস কৰা কাৰ্যক সংশ্লিষ্ট ৰাজ্য চৰকাৰে বাধা দিব লাগে বা নতুনকৈ কোনো মানুহক বনাঞ্চলত

বাহিৰলৈ দিব নালাগে, প্ৰস্তাবিত বনাঞ্চলসমূহতো কোনো মানুহকে বেদখল কৰিবলৈ দিব নালাগে।

৭ম প্ৰস্তাব : অসম সাহিত্য সভাই অসমৰ জনজাতীয় ভাষাসমূহৰ উন্নয়ণ আৰু বিকাশৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিজৰ সংকল্পটোৰ কথা দোহাৰে আৰু এই উদ্দেশ্যে অসমৰ থলুৱা জনজাতীয় ভাষাসমূহৰ অনুষ্ঠানৰ প্ৰতিনিধিক লৈ এখন সমন্বয় সমিতি গঠন কৰা সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ থাকে, সভাই নিজৰ ঘোষিত নীতিৰ ভিত্তিত এখন বিস্তৃত কৰ্ম আঁচনি গ্ৰহণ কৰি লক্ষ্যত উপনীত হোৱাৰ যত্ন কৰিব।

৮) প্ৰধান সম্পাদকৰ হৈ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই নিযমাবলী সংশোধন সম্পৰ্কীয় প্ৰস্তাৱসমূহ উত্থাপন কৰে। বিষয় বাছনী সভাই আলোচনাৰ অন্তত স্থানান্তৰত উল্লেখ কৰা নিয়মাৱলী সংশোধনী প্ৰস্তাব গ্ৰহণ কৰে।

৯) প্ৰধান সম্পাদকে পঞ্চাশৎ সন্মিলন নিমন্ত্ৰণ জনোৱা (ক) বিহপুৰীয়া শাখা সাহিত্য সভা, খ) বোকাখাত পুঁৱতি শাখা সাহিত্য সভা গ) পাঠশালা শাখা সাহিত্য সভা, ঘ) মৰিগাওঁ শাখা সাহিত্য সভা, ঙ) আমচৈ আঞ্চলিক সাহিত্য সভা, চ) উত্তৰ গুৱাহাটী শাখা সাহিত্য সভা, ছ) বঙাইগাওঁ শাখা সাহিত্য সভাৰ প্ৰস্তাব সভাত উত্থাপন কৰে। বিষয় বাছনী সভাই আলোচনাক্ৰমে বঙাইগাওঁ শাখা সাহিত্য সভাৰ নিমন্ত্ৰণ গ্ৰহণ কৰে।

১০) সভাপতি শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীয়ে ১৯৮১-৮২ চনৰ কাৰ্য নিৰ্বাহক সমিতিৰ হৈ পদত্যাগ কৰে। বিষয় বাছনী সভাই সভাপতি প্ৰমুখ্যে কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলক ধন্যবাদ জনায় আৰু বিষয় বাছনী সভাৰ পৰৱৰ্তী কাৰ্য্যসূচী পৰিচালনা কৰিবলৈ শ্ৰীব্ৰহ্মচৌধুৰীক অনুৰোধ জনায়।

১১) প্ৰধান সম্পাদকে সহযোগ আগবঢ়োৱাৰ বাবে বিষয় বাছনী সভাৰ প্ৰতিনিধিসকলক শলাগ জ্ঞাপন কৰে আৰু সভাৰ কাম-কাজ পৰিচালনা কৰোতে হোৱা সৰ্বপ্ৰকাৰ দোষ ত্ৰুটীৰ বাবে ক্ষমা বিচাৰে।

১২) প্ৰধান সম্পাদকে জনায় যে কাৰ্যনিৰ্বাহক সমিতিয়ে নতুন কাৰ্য-নিৰ্বাহক সমিতি গঠনৰ বাবে প্ৰয়োজনীয় নিৰ্বাচনৰ আয়োজন কৰিবলৈ শ্ৰীঅতুলানন্দ গোস্বামীক নিৰ্বাচনী বিষয়া মনোনীত কৰিছে। তেখেতে প্ৰয়োজন অনুসৰি কেইগৰাকীমান সহযোগীৰ সহায়ত নিৰ্বাচনৰ আয়োজন কৰিব আৰু নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিব। নিৰ্বাচন

সম্পৰ্কত নিৰ্বাচনী বিষয়াৰ সিদ্ধান্তই সভাৰ নিয়মাৱলী অনুসাৰে চূড়ান্ত বুলি গ্ৰাহ্য হ'ব।

বিষয় বাছনী সভাই অনুমোদন জনায় আৰু শ্ৰীঅতুলানন্দ গোস্বামীয়ে কাৰ্যভাৰ গ্ৰহণ কৰে।

১৩) অসম সাহিত্য সভাৰ ১৯৮২-৮৩ বছৰৰ কাৰ্য নিৰ্বাহক সমিতিৰ বিষয়ববীয়া আৰু সদস্য পদৰ বাবে তলত দিয়াৰ দৰে নাম প্ৰস্তাৱ হয়

ক) উপ সভাপতি — শ্ৰীজয়ছিং দলে

খ) প্ৰধান সম্পাদক — শ্ৰীনগেন শইকীয়া, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা আৰু শ্ৰীনন্দ তালুকদাৰ।

গ) সহকাৰী সম্পাদকদ্বয় — শ্ৰীঅমল ৰাজখোৱা (যোৰহাট)
শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী (গুৱাহাটী)

ঘ) পত্ৰিকা সম্পাদক — শ্ৰীনাহেন্দ্ৰ পাদুন

ঙ) কোষাধ্যক্ষ — শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য

চ) ভাষা জ্ঞান পৰীক্ষা সংসদৰ সচিব — ১) শ্ৰীমহেশ ভট্টচাৰ্য্য
২) শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈ

ছ) সদস্যসকল: ছয়টাতকৈ অধিক নাম প্ৰস্তাৱ হোৱাত ছয়জন সদস্য নিৰ্বাচনৰ বাবে নিৰ্বাচন পাতিবলগীয়া হয়।

১৪) সভাপতিয়ে নিৰ্বাচনৰ কাম-কাজৰ বাহিৰে বিষয় বাছনী সভাৰ কাম-কাজৰ আনুষ্ঠানিক ভাৱে সামৰণি ঘোষণা কৰে। তেওঁ সভাক জনায় যে নিৰ্বাচনী বিষয়াই মুকলি সভাৰ মণ্ডৰ পৰা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিব আৰু প্ৰতিলিপি প্ৰধান সম্পাদকৰ হাতত অৰ্পন কৰিব। শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ পৰিবেশত বিষয় বাছনী সভাৰ কাম কাজ চলোৱাত সহায় কৰা বাবে সভাপতিয়ে প্ৰতিনিধিসকলক ভূয়সী প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে।

১৫) নিৰ্বাচনী বিষয়াই তলত উল্লেখ কৰাৰ দৰে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰে।

ক) উপ সভাপতি — শ্ৰীজয়ছিং দলে (বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত)

খ) প্ৰধান সম্পাদক — শ্ৰীনগেন শইকীয়া (প্ৰস্তাৱিত আন দুজনে নাম প্ৰত্যাহাৰ কৰাত নিৰ্বাচিত হয়)

গ) সহকাৰী সম্পাদক — শ্ৰীঅমল বাভখোৱা (কেন্দ্ৰীয় কাৰ্যালয়)
শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী (গুৱাহাটী কাৰ্যালয়)
দুয়োজনে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত)

ঘ) পত্ৰিকা সম্পাদক—শ্ৰীনাহেন্দ্ৰ পাদুন (বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত)

ঙ) কোষাধ্যক্ষ—শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য (বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত)

চ) ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব — শ্ৰীমহেশ ভট্টাচাৰ্য।

সদস্যসকল :

ক) শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্য
খ) শ্ৰীহৰেশ্বৰ গোস্বামী
গ) শ্ৰীবীৰেন বৰকটকী
ঘ) শ্ৰীনৰেন্দ্ৰনাথ কেওঁট
ঙ) শ্ৰীৰবীন্দ্ৰ কুমাৰ সিংহ
চ) শ্ৰীৰলিনা বৰ্মণ

ড০ সীতানাথ ব্ৰহ্মচৌধুৰী
সভাপতি

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
বিদায়ী প্ৰধান সম্পাদক
অসম সাহিত্য সভা
বাংছিনা নগৰ, ডিফু
২৫।৪।৮২

——

নিয়মাৱলী সংশোধনী প্ৰস্তাৱ

উপবিধি : প্ৰকাশন সমিতি সংযুক্ত হ'ব— ৩৮। (ক) প্ৰকাশনৰ মান, প্ৰয়োজনীয়তা আৰু সভাৰ নীতিৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আৰু ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ গঠিত এই সমিতি স্থায়ী সমিতি হ'ব। (খ) সমিতিৰ মুঠ সদস্য সংখ্যা ৯ জন হ'ব আৰু প্ৰতিবছৰে জ্যেষ্ঠতাৰ ভিত্তিত তিনি-ভাগৰ এভাগ সদস্যক এই সমিতিৰপৰা অৱসৰ দি তাৰ ঠাইত কাৰ্য-নিৰ্বা-হক সমিতিয়ে নতুন সদস্য মনোনীত কৰিব। (গ) সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক এই সমিতিৰো ক্ৰমে সভাপতি আৰু সম্পাদক হ'ব। (ঘ) অসম সাহিত্য সভাৰ সভাপতিৰ অনুপস্থিতিত কাৰ্য-পৰিচালনা কৰিবলৈ সদস্যসকলৰ মাজৰপৰা এজনক সমিতিয়ে সভাপতিৰূপে মনোনয়ন দিব। (চ) কোনো সদস্যৰ পদ খালী হ'লে কাৰ্য-নিৰ্বাহক সমিতিয়ে সেই পদৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

কাৰ্য-নিৰ্বাহক সমিতিলৈ পৰামৰ্শ :—

১) কাৰ্য-নিৰ্বাহক সমিতিয়ে অভিজ্ঞলোকক প্ৰথম সুযোগতে মনোনীত কৰিব।

(২) প্ৰথম বছৰ আৰু দ্বিতীয় বছৰৰ অন্তত তিনিভাগৰ এভাগকৈ সদস্যক অৱসৰ দিওঁতে লটাৰীৰ আশ্ৰয় ল'ব পাৰিব।

(৩) তৃতীয় বছৰৰ পৰা জ্যেষ্ঠতাৰ ভিত্তিত অৱসৰ দিব।

দশম ছেদ °

সংযুক্ত হ'ব ৪৬। (৬)

(ক) অসমীয়া ভাষাজ্ঞান পৰীক্ষা সংসদ স্থায়ী সমিতি হিচাপে গঠিত হ'ব।

(খ) ইয়াৰ সদস্য সংখ্যা হ'ব ৬ জন আৰু প্ৰতি বছৰে জ্যেষ্ঠতাৰ ভিত্তিত তিনিভাগৰ এভাগ সদস্যক এই সমিতিৰপৰা অৱসৰ দি তাৰ ঠাইত কাৰ্য নিৰ্বাহক সমিতিয়ে নতুন সদস্যক মনোনয়ন দিব।

গ) অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক এই সমিতিৰ পদেন সদস্য হ'ব।

(ঘ) সমিতিৰ কাৰ্য-পৰিচালনা কৰিবলৈ সমিতিৰ সদস্যসকলৰ মাজৰপৰা এজনক কাৰ্য-নিৰ্বাহক সমিতিয়ে সভাপতি হিচাপে মনোনয়ন দিব।

(ঙ) ভাষাজ্ঞান সংসদৰ সচিব এই সমিতিৰ সম্পাদক হ'ব।

(চ) কোনোসদস্যৰ পদ খালী হলে কাৰ্যনিৰ্বাহক সমিতিয়ে সেই পদৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

কাৰ্য-নিৰ্বাহক সমিতিলৈ পৰামৰ্শ :

১) কাৰ্য-নিৰ্বাহক সমিতিয়ে অভিজ্ঞলোকক প্ৰথম সুযোগতে মনোনয়ন দিব।

(২) প্ৰথম বছৰ আৰু দ্বিতীয় বছৰৰ অন্তত তিনিভাগৰ এভাগকৈ সদস্যক অৱসৰ দিওঁতে লটাৰীৰ আশ্ৰয় লব পাৰিব)।

(৩) তৃতীয় বছৰৰ পৰা জ্যেষ্ঠতা অনুসৰি অৱসৰ দিব।

ভাষাজ্ঞান পৰীক্ষা সংসদ :

৪৬। (৬) ছ) সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ (চন্দ্ৰকান্ত সন্দিকৈ ভৱন) লগত ভাষাজ্ঞান সংসদৰ কামকাজ সংযুক্ত থাকিব।

জ) ৰাজ্যৰ ভিতৰত বা বাহিৰত ভাষাজ্ঞান পৰীক্ষা কেন্দ্ৰ বা ভাষা-শিক্ষা শ্ৰেণী স্থাপন কৰিলে সংসদে কাৰ্য-নিবাহক সমিতিৰ অনুমোদন লৈ স্থানীয়ভাবে একোটি উপ সমিতি গঠন কৰি তেনে কেন্দ্ৰ চলাব পাৰিব।

দ্বিতীয় ছেদ : উদ্দেশ্য

২) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰাই এইসভাৰ উদ্দেশ্য। লগতে অসমৰ থলুৱা ভাষা সাহিত্য আৰু সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰাও সভাৰ অন্যতম উদ্দেশ্য হ'ব। সেই উদ্দেশ্যে তলত দিয়া মতে কাৰ্য কৰিবলৈ সভা যত্নপৰ হ'ব।

চ) সভাৰ এখন মুখপত্ৰ আৰু প্ৰচাৰপত্ৰ প্ৰকাশ।

ছ) ভাষা, সাহিত্য আৰু সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা।

জ) সাহিত্যিক আৰু সংস্কৃতিক বিনিময় আঁচনি কাৰ্যকৰী কৰা।

ঝ) ভাষা আৰু সাহিত্যৰ সাৰ।

ঞ) অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত থকা অন্তৰায় দূৰ কৰা।

ট) অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে আন আন কাৰ্য।

তৃতীয় ছেদ : গঠন

৪) এই সভাৰ গঠন এইদৰেই হ'ব

ক) মূল সভা খ) শাখাসভা গ) স্বীকৃত সভা আৰু ঘ) জিলা সাহিত্য পৰিষদ।

চতুৰ্থ ছেদ : সভা

১২) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ হিতাকাংক্ষী — . ..

পঞ্চম ছেদ :

২১) লিখিতভাৱে গ্ৰহণযোগ্য কাৰণ নেদেখুওৱাকৈ

২২) কোনো সভাৰ বিষয়ববীয়াৰ ঠাই খালী হ'লে এই সমিতিয়ে কোনো সদস্যক মনোনয়ন দি সেই ঠাই পূৰাই ল'ব পাৰিব।

২৩) এই সমিতিয়ে সভ্য, শাখা সভা, স্বীকৃতসভা আৰু জিলা সাহিত্য-পৰিষদক অসম সাহিত্য সভাৰ অন্তৰ্ভুক্ত কৰি ল'ব পাৰিব।

২৮) (শেহত সংযুক্ত হ'ব)
কিন্তু কাম চলি থকা উপ-সমিতিসমূহৰ কাৰ্যকাল নতুন কাৰ্য-নিৰ্বাহক সমিতিয়ে প্ৰথম সুযোগতে বৰ্ধন কৰিব পাৰিব।

ষষ্ঠ ছেদ :

৩৩) বছেৰেকীয়া বৰঙণি আৰু অন্যান্য দেয় ধন আদায় নকৰা আৰু

নৱম ছেদ :

৪০) আবেদন-পত্ৰৰ বহীসহ চলিত বছৰৰ বৰঙণি আৰু অন্যান্য দেয় ধন আদায় কৰা শাখা সভাৰ নিয়ম সম্মতভাৱে নিৰ্বাচিত সকলো প্ৰতিনিধি, কাৰ্য নিৰ্বাহক সমিতিৰ সভ্য, প্ৰাক্তন সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, আজীৱন সভ্যৰ মাজৰপৰা নিৰ্বাচিত প্ৰতিনিধি আৰু জিলা সাহিত্যপৰিষদৰ সভাপতি আৰু সম্পাদকে সন্মিলনৰ বিষয়-বাছনী সভাত যোগদান কৰিব আৰু ভোট দিব পাৰিব।

সভাপতি নিৰ্বাচন

৪১) সন্মিলনৰ সভাপতি বাছনিৰ বাবে

৪২) "কাৰ্যকালৰ ভিতৰত" নহৈ "কাৰ্যভাৰ লোৱাৰ আগতে" হ'ব।
"আৰু"ৰ পৰা বাক্যৰ শেহৰ অংশ ৪৩ ছেদৰ পিছলৈ যাব।

৪৬) (১) (ক) বিষয়-বাছনি সভাত প্ৰতিনিধিত্ব কৰা

৩) (ট) প্ৰধান সম্পাদক যদি গুৱাহাটীৰপৰা নিৰ্বাচিত হয়, তেওঁ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ সমিতি আৰু সংগীতাচাৰ্য লক্ষীৰাম বৰুৱা সদন অৱৰক্ষণ সমিতিৰো সম্পাদক হব। প্ৰধান সম্পাদক গুৱাহাটীৰ নহ'লে গুৱাহাটীৰ সহকাৰী সম্পাদক দুযোটা ভৱনৰ অৱৰক্ষণ সমিতিৰ সম্পাদক হ'ব।

একাদশ ছেদ

৫১) (ক) সন্মিলনৰ সকলো কাৰ্য-ক্ৰমনিকা

দ্বাদশ ছেদ :

৫২। (প্ৰথম বাক্যৰ পিছত) সন্মিলনৰ অন্ততঃ এদিনৰ আগতে কাৰ্য-নির্বাহক সমিতিৰ সভা

প্ৰত্যেক শাখা সভা, স্বীকৃত সভা আৰু জিলা সাহিত্য পৰিষদৰ প্ৰতিনিধি
৫৭। সভাৰ সভ্য, শাখা সভা, জিলা সাহিত্য পৰিষদ আৰু আদৰণী সমিতিয়ে
৫৮। (খ) সভাৰ নিয়মাৱলী এবাৰ সংশোধন কৰাৰ পিছত তিনিবছৰলৈকে সংশোধন কৰা নহ'ব।

৬৭। মূল সভাই অৰ্জা কোনো সম্পত্তিৰ ওপৰত শাখা-সভাৰ বা জিলা সাহিত্য-পৰিষদৰ, কোনো স্বত্ব নাথাকে আৰু শাখা সভা আৰু জিলা সাহিত্য পৰিষদে অৰ্জা সম্পত্তিৰ ওপৰতো মূল সভাৰ সাধাৰণতে কোনো স্বত্ব নাথাকে, কিন্তু কোনো শাখাৰ বা জিলা সাহিত্য পৰিষদৰ যদি অবলুপ্তি ঘটে, সেই শখা বা জিলা সাহিত্য-পৰিষদৰ নামত থকা সকলো স্থাবৰ-অস্থাবৰ সম্পত্তি মূল সভাৰ তত্বাৱধানত থাকিব।
উপবিধি : হিচাপ-পত্ৰ
(পৰামৰ্শ :
সভাপতিয়ে ৰেলৰ প্ৰথম শ্ৰেণীত ভ্ৰমণ কৰোঁতে হোৱা অতিৰিক্ত ব্যয় 'বিশেষ পৰিবহন' শিতানৰপৰা কৰিব)।
ঘ) ১৬। পত্ৰিকা সম্পাদকে ১০০'০০ (এশ) টকালৈকে সাধাৰণ খৰচৰ বাবে হাতত ৰাখিব পাৰিব।
২৪। ৪। ৮২ তাৰিখৰ বিষয় বাছনী সভাত গৃহীত।

স্বা : শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী- সভাপতি,
অসম সাহিত্য সভা
২৪। ৪। ৮২
২৫।৪।৮২ তাৰিখৰ মুকলি অধিবেশনত গৃহীত স্বা : শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী। সভাপতি, অসম সাহিত্য সভা।

স্বা° শ্ৰীদুৰ্গেশ্বৰ শৰ্মা—প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
২৪। ৪। ৮২, ডিফু

ডিফু অধিবেশন : এটি পর্য্যালোচনা

শ্ৰীনৰেন্দ্ৰদেৱ শাস্ত্ৰী

কাৰদম নাংলিতুম আফান

কাৰদম— নমস্কাৰ। কাৰদম নাংলিতুম আফান আপোনালোকলৈ নমস্কাৰ। শেষৰ বাক্যটো লিখা আছিল ডিফুৰ ৰাংছিনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ প্ৰকাণ্ড সভাৰ সন্মুখৰ তোৰণত। নগাৱঁৰ পৰা কাৰ্বি আংলঙলৈ যোৱাৰ বাটতো ঠায়ে-ঠায়ে তোৰণ নিৰ্ম্মাণ কৰি তাত কাৰদম বুলি লিখি দিয়া হৈছিল। ৰাংছিনা নগৰতো অধিবেশন উপলক্ষ্যে ডিফুলৈ সোমোৱা পথত ৰাংছিনা চাৰণ', ডিফু চৰকাৰী কলেজত পতা শিৱিৰৰ সন্মুখত ৰাইচং, ভোজন গৃহৰ প্ৰবেশ পথত চন্দ্ৰসিং তেৰণ আৰু প্ৰদৰ্শনীৰ মুখত ছেমচন ইংতিৰ নামত, মুঠতে ৪টা তোৰণ নিৰ্ম্মাণ কৰা হৈছিল। শিৱিৰৰ দক্ষিণে বাঁহ আৰু খেৰেৰে বংঘৰৰ আহিত সজোৱা ডিঙাকাৰ সভামণ্ডপ, পশ্চিমে প্ৰদৰ্শনীৰ স্থান, উত্তৰে ভোজন গৃহ নিৰ্ম্মাণ কৰা হৈছিল। এডোখৰ দ ঠাইত আয়োজন কৰা প্ৰদৰ্শনীখনৰ দৃশ্য নিশা অতি উপভোগ্য হৈ উঠিছিল।

ডিফু— ডি মানে পানী, ফু মানে বোলা। এই চহৰৰ সোঁ মাজেদি বৈ যোৱা নদীখনৰ নাম ডিফু। প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰ-পূৰ, ওখ-চাপৰ, পাৰ্ব্বত্য সমভূমিৰ ওপৰত অৱস্থিত ডিফুত অসম সাহিত্য সভাৰ ৪৯ তম অধিবেশন। এই অধিবেশন বহুদিশৰ পৰা বৈশিষ্ট্য আৰু তাৎপৰ্য্যেৰে পৰিপূৰ্ণ। প্ৰকৃতাৰ্থত এইবাৰেই পোনপ্ৰথমবাৰৰ কাৰণে ৬৮ বছৰৰ মূৰত অসমৰ এখন পাৰ্ব্বত্য জিলাত অসম সাহিত্য সভাৰ অধিবেশন সম্পন্ন হ'ল। ইয়াৰ আগতে এবাৰ শ্বিলঙত বহিছিল যদিও শ্বিলঙত বহা আৰু ডিফুত বহাৰ মাজত আকাশ-পাতাল পাৰ্থক্য। শ্বিলং এসময়ত অসমৰ ৰাজধানী আছিল। সেয়ে তাত অসমীয়া ভাষা সাহিত্যৰ এটা পৰিবেশ গঢ়ি উঠিছিল। তাৰ বাহিৰে অসম সাহিত্য সভাই অসমৰ কোনো এখন পাৰ্ব্বত্য জিলাতে (কাছাৰৰ কথাতো বাদেই) অনুকূল ভাষা-সাহিত্যৰ পৰিবেশ গঢ়ি তুলিব পৰা নাছিল। সেইটো কৰিব পৰাহেঁতেন, এতিয়া ৰাজ্য হোৱা অসমৰ আগৰ পাৰ্ব্বত্য জিলা কেইখনৰ ভাগ্যলিপি অন্যধৰণৰ হ'লহেঁতেন।

"এই অধিবেশনৰ দ্বিতীয় বৈশিষ্ট্য হ'ল—চৰকাৰী আৰ্থিক সাহায্য নোপোৱাকৈ এই অধিবেশন সুকলমে সম্পন্ন হোৱাটো। অসম সাহিত্য সভা

তথা অসমৰ ভাষা-সাহিত্য প্ৰেমী "চিৰ চেনেহী মোৰ ভাষা জননী"ৰ একান্ত সেৱক অসমৰ ৰাইজে দেখুৱাই দিলে যে চৰকাৰৰ সাহায্য অবিহনেও মহৎ কাম সম্পন্ন হ'ব পাৰে। ডিফু অধিবেশনৰ আইন-শৃংখলা ৰক্ষা কৰিবলৈ পুলিচৰ লোক নিযুক্ত আছিল স'চা, কিন্তু তেওঁলোকৰ কোনো প্ৰয়োজনেই হোৱা নাছিল। অৰ্থাৎ ডিফু অধিবেশনে এইটোও প্ৰমাণ কৰি দেখুৱালে যে পুলিচৰ সাহায্য নহ'লেও অগণন জনতাৰ মাজত শান্তি শৃংখলা ৰক্ষা কৰাৰ যোগ্যতা অসম সাহিত্য সভা তথা অসমীয়া ৰাইজৰ আছে।

পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ক্ষেত্ৰত ডিফু অধিবেশনে যে অসমক আৰু এখোজ আগবঢ়ালে তাত কোনো সন্দেহ নাই। ইয়াৰ উৎকৃষ্টতম দিশটো হ'ল — ইমানদিনে কাৰ্বিভাষা সাহিত্যৰ চৰ্চা কাৰ্বিলোকৰ মাজতহে সীমাবদ্ধ আছিল। ডিফু অধিবেশনৰ পৰিবেশে তাৰ ব্যাপক প্ৰচাৰ আনি দিলে। অসমৰ প্ৰায় আটাইকেইখন বাতৰি কাকত আৰু আলোচনীত কাৰ্বিভাষা-সংস্কৃতিৰ ওপৰত বহুতো প্ৰবন্ধ ওলাল। কিছুমানে তাৰ ওপৰত কিতাপো ৰচনা কৰিলে। অন্য এটা উল্লেখযোগ্য দিশ হ'ল, এইবাৰেই পোনপ্ৰথমবাৰৰ কাৰণে অসম সাহিত্য সভাৰ মঞ্চত মন্ত্ৰী, বিধায়ক বা সংসদী সদস্য বা ৰাজনৈতিক নেতা দেখিবলৈ পোৱা নগ'ল।

দুহেজাৰৰ ওপৰ প্ৰতিনিধিয়ে যোগদান কৰা এই অধিবেশনৰ মুকলি সভাত প্ৰায় ৫০ হাজাৰ জনতা, নিশা সাংস্কৃতিক অনুষ্ঠানত ততোধিক সংখ্যাৰ যোগদান উল্লেখযোগ্য। কোৱাবাহুল্য, অসম সাহিত্য সভাৰ প্ৰতি চৰকাৰে দেখুওৱা দুৰ্ব্যৱহাৰৰ ফলত "সভা" আৰু অসমৰ ৰাইজে প্ৰত্যাহ্বান স্বীকাৰ কৰি লৈ অধিবেশনখন কৃতকাৰ্য্য কৰি তোলাটো সঁচাকৈয়ে এক অনুকৰণীয় আহি'। তদুপৰি এই ক্ষেত্ৰত অপৰাজেয় মানসৰ অধিকাৰী অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীছবিসিং টেৰণ আৰু সম্পাদক শ্ৰীছামছিং হাঞ্চেৰ নাম মানুহে যুগে-যুগে সুঁৱৰি থাকিব। এই দৃঢ় মনা পুৰুষ দুগৰাকীৰ সাহস অবিহনে ডিফুত এই অধিবেশন হ'ব পাৰিলেহেঁতেন নে নাই, সি সন্দেহজনক।

অসম সাহিত্য সভা : উন্মুক্ত আকাশৰ তলত

কাৰ্বি আংলঙৰ হৃৎপিণ্ড ডিফুৰ বাগিছনা নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৪৯তম অধিবেশনত মুখ্য অতিথিৰ ভাষণ দিয়ে সৰ্বজনপ্ৰিয় গীতিকাৰ, সুৰকাৰ ড° ভূপেন হাজৰিকাই। কাৰ্বি পোছাকেৰে সুশোভিত, মূৰত কাৰ্বি গামোচা বন্ধা ড° হাজৰিকাই আৱৰ্তনৰ পৰা শেষলৈ সহস্ৰ-সহস্ৰ জনতাৰ মুহুৰ্মুহু হাত

তালিৰ মাজত নিজৰ সাবুৱা সুশ্ৰাব্য ভাষণ পাঠ কৰি শুনায়। ছপা ভাষণৰ মাজত থকা দুই এটা গীতৰ কলিও গীতৰ সুৰত গাই অগণন শ্ৰোতা দৰ্শকক আপ্যায়িত কৰে। নিজৰ ভাষণত তেওঁ কয়, অসম সাহিত্য সভা ৰজাঘৰৰ মেৰপাকৰ পৰা এইবাৰ উন্মুক্ত আকাশৰ তললৈ আহিল। ই বৰ আনন্দৰ কথা। আৰু আনন্দৰ কথা হ'ব যদি অসম সাহিত্য সভাৰ অঙ্গন খনি দলীয় ৰাজনীতিৰ বহু উৰ্ধ'ত থাকে। সুসাহিত্যই মুহূৰ্তে মুহূৰ্তে দল সলোৱা পটভূমিত উৎকৰ্ষ সাধন কৰিব নোৱাৰে। ড' হাজৰিকাই অসমীয়া ভাষা উত্তৰ পূৰ্ব ভাৰতৰ সংযোগী ভাষা হোৱা কথাটোত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ এই সম্পৰ্কত শ্ৰীবং বং তেৰঙৰ উদ্ধৃতি দি কয়, "উত্তৰ-পূৰ্ব ভাৰতত থকা বিভিন্ন জাতি-উপজাতিৰ মাজত ভাৱৰ আদান প্ৰদান কৰিবৰ বাবে মূল অসমীয়া ভাষাৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে এজন কাৰ্বি আৰু নগাৰ ভিতৰত কথা-বতৰা পাতিবলৈ হ'লে মূল অসমীয়া ভাষাৰ সহায় ল'ব লাগে। এতেকে এই দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে সংযোগী ভাষা স্বৰূপে মূল অসমীয়া ভাষাৰ গুৰুত্ব উপলব্ধি নকৰি নোৱাৰি।"

লিপি সম্পৰ্কত ড° হাজৰিকাই কয় লিপিৰ প্ৰশ্নই অসমবাসীৰ ভাষা-সাহিত্যৰ মাজত বিভেদ অনাটো দুখৰ কথা। ই কাকো সহায় নকৰে। অৰুণোদয় ছপাবলৈ ইংৰাজ মিছনেৰী সকলেই অসমীয়া লিপি এদিন সংগ্ৰাম কৰি গ্ৰহণ কৰিছিল, এই কথাটো সোঁৱৰাও যুক্তিসঙ্গত হ'ব যেন লাগে। এই সম্পৰ্কে তেওঁ আৰু কয় যে লিপিতকৈ দৃষ্টিভঙ্গীহে ডাঙৰ কথা। লিপি আৰু ভাষা-সাহিত্যই মনে-মনে সেতুহে গঢ়ে, নেভাঙে।

"প্ৰসঙ্গ-সাহিত্য ৮২ নামৰ ছপা ভাষণ যোগে ড° হাজৰিকাই যুদ্ধোত্তৰ অসমীয়া সাহিত্যৰ দুটা ধাৰা (পশ্চিমীয়া আধুনিকতাবাদী আৰু সমাজবাদী প্ৰগতিশীল) ৰ কথা উল্লেখ কৰি ষাঠীৰ দশকৰ পৰা নিজা ৰূপত বিকশিত হোৱা অসমীয়া সাহিত্যৰ কবিতা, চুটি গল্প, উপন্যাস, গীতি-সাহিত্য আৰু নাটকৰ ক্ষেত্ৰত শ্ৰেষ্ঠ স্ৰষ্টা সকলৰ নাম সোঁৱৰে। মুকলি অধিৱেশনৰ প্ৰথমদিনা মঞ্চত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীসীতা নাথ ব্ৰহ্মচৌধুৰী-সহধৰ্মিনী শ্ৰীমতী-অম্বাৰতী ব্ৰহ্মচৌধুৰী আৰু বৰেণ্য বাৰীয়েকৰ উপৰিও "আৱাহন" যুগৰ গল্পলেখক গোবিন্দ চন্দ্ৰ পেগু, অভ্যৰ্থনা সমিতিৰ কাৰ্য্যকৰী সভাপতি শ্ৰীজয়সিং দলে আৰু শ্ৰীগান্ধীৰাম চেতুং উপস্থিত আছিল।

"সাহিত্য মানুহৰ দাসত্বৰ বিৰোধী"

প্ৰথম দিনাৰ মুকলি অধিৱেশন মুকলি কৰি বিশিষ্ট কবি তথা সাংবাদিক শ্ৰীৰঘুবীৰ সহায়ে তেওঁৰ হিন্দী ভাষণত কয় যে সাহিত্য মানুহৰ দাসত্বৰ

বিৰোধী। সি লেখকক মুক্ত কৰে, পাঠকক। লেখক অন্যায় আৰু বৈষম্যক সমৰ্থন কৰি সাহিত্যিক হ'ব নোৱাৰে। সাহিত্যৰ বিষয়ে তেওঁ কয়, "সাহিত্যই যিটো দেখে, তাকেই কয়। সি সংগঠনৰ আৱশ্যকতা কি অক ক'ব পাৰে, একতাৰ ক্ষুধা জগাই তুলিব পাৰে, অসত্য আৰু অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জগাই তুলিব পাৰে, কিন্তু এইখিনিয়েই যথেষ্ট নহয়। সাহিত্যিকে অবিচল হৈ সমাজত নিজৰ সহযোগী স্থান চিনি লোৱাৰ, নিজৰ শ্ৰেষ্ঠত্বৰ অহংকাৰ ত্যাগ কৰাৰ সময় অহা নাই জানো? তেওঁ প্ৰশ্ন কৰে। শ্ৰীসহায়ে শ'কীয়াই দিয়ে যে সমাজৰ পৰিবৰ্তনৰ অন্যান্য সংগঠিত সামগ্ৰীসমূহৰ পতনৰ লগে-লগে সাহিত্যিক সকলৰ দায়িত্ব বঢ়া কথাটো তেওঁলোকে স্বীকাৰ কৰিব লাগিব।

নিজৰ ভাষণৰ শেষত শ্ৰীসহায়ে কয়, "ভাৰতৰ ভাৰতীয়ত্ব হৈছে সম্প্ৰদায়ৰ বিভিন্নতাৰ সংস্কৃতি। আনহাতে একতা বলপূৰ্বক উৎপন্ন দাসত্বৰ নাম নহয়, বৰঞ্চ ইতিহাস নিৰ্মাণত সমুদায়ে ভাগ লোৱাৰহে অন্য নাম। সাহিত্যয়ো ইয়াত যোগদান কৰি আহিছে। সংকটৰ সময়তো সি অকলে হলেও এই ভূমিকা পালন কৰি যাবই লাগিব, কিন্তু সি অকলশৰীয়া নহয়, অসমে তাৰ প্ৰমাণ দিছে। তদুপৰি অসম অকলশৰীয়া হৈ নাথাকে। ভাৰতৰ এই যাত্ৰাপথত সাহিত্যিকসকলে যি ঐতিহাসিক পথ-প্ৰদৰ্শন কৰিলে, সি যে ব্যৰ্থ হব নোৱাৰে, সেই বিষয়ত কোনো সন্দেহ থকা উচিত নহয়।"

সভাত অন্য এজন বিশিষ্ট বক্তা শ্ৰীদেৱীপ্ৰসন্ন পট্টনায়কে উৰিয়া ভাষাত ভাষণ দি কয়, "অসম শব্দৰ অৰ্থ হৈছে ভাৰতত এনে কোনো স্থান নাই, যাৰ লগত ইয়াৰ তুলনা কৰিব পাৰি।" তেওঁ অসম সাহিত্য সভাৰ প্ৰতি এই বুলি প্ৰশংসাসূচক বাণী উচ্চাৰণ কৰে "আজি সাহিত্য সভাৰ মণ্ডপত যিদৰে বিভিন্ন ভাষা-ভাষী লোক গোট খাইছে সি সমগ্ৰ ভাৰতীয়ৰ কাৰণে আৰ্হি স্বৰূপ।

পৰ্বত-ভৈয়াম সম্প্ৰীতি চিৰস্থায়ী হওক

১৫ এপ্ৰিল তাৰিখে ডিব্ৰুৰ বাংছিনা নগৰত তিনিদিনীয়াকৈ বহা অসম সাহিত্য সভাৰ অধিবেশনৰ সামৰণি পৰে। এইদিনা দ্বিতীয় মুকলি অধিবেশন উদ্বোধন কৰে অসমৰ প্ৰখ্যাত কথাশিল্পী ড. ভবেন্দ্ৰ নাথ শইকীয়াই। ড: শইকীয়াই সভা মুকলি কৰি কয়, যে যুবকসকলৰ সৃষ্টিধৰ্মী ৰচনা প্ৰকাশৰ কাৰণে সাহিত্য সভাই এখন আলোচনী প্ৰকাশ কৰক। ইয়াৰ বাবে ড শইকীয়াই এজন সম্পাদক নিৰ্বাচন কৰি ৪ বছৰৰ কাৰণে এটা পৰীক্ষামূলক প্ৰচেষ্টা চলাব লাগে বুলি কয়।

সন্মিলনৰ দ্বিতীয়দিনা শ্ৰীচং বে শ্ৰীমণিৰাম লাংনে আৰু শ্ৰীমতী বনেলী খংমেনক আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। শ্ৰীচংবেই আবেগ বিহ্বল স্বৰে কয় "মোৰ জীৱনত এয়ে প্ৰথম, অসম সাহিত্য সভাৰ মঞ্চত থিয় দিছোঁ।" শ্ৰীবে-ই ১৮৩৬ চনত জেনকিন্স চাহাবৰ ষড়যন্ত্ৰত কেনেকৈ অসমীয়া ভাষাটো লুপ্ত কৰিব ধৰিছিল, কেনেকৈ অসমীয়া ভাষাৰ উদ্ধাৰ হ'ল, তাৰ এটা সংক্ষিপ্ত বৰ্ণনা ডাঙি ধৰে। ইয়াৰ পিছত তেওঁ আশ্চৰ্য প্ৰকাশ কৰি কয় যে অসমত অসমীয়া ৰাজ্য ভাষা কৰাৰ লাগে বুলিও আন্দোলন কৰিবলগীয়া হ'ল।

নিজৰ দেশ বা ঠাইৰ নাম যাতে লুপ্ত নহয় তাৰ বাবে সদায় সচেষ্ট হব লাগে বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে শ্ৰীচং বে-ই অসম সাহিত্য সভাৰ দীৰ্ঘ জীৱন কামনা কৰি ভাষণৰ সামৰণি মাৰে।

মেঘালয়ৰ শ্ৰীমতী বনেলি খংমেনে আগৰ শিক্ষা ব্যৱস্থা আৰু আজিৰ শিক্ষা ব্যৱস্থাৰ তুলনা কৰি কয় যে এতিয়া মাতৃভাষাৰ জৰিয়তে শিক্ষা প্ৰচলন হোৱাত বহুত সুবিধা হৈছে। আগতে একোজন লৰাই মেট্ৰিক পৰীক্ষা পাছ কৰাই টান আছিল। তেওঁ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি আহ্বান জনাই তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত পোৱা সা-সুবিধাবোৰ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

সামৰণিত তেওঁ কয়, আজি কাৰ্বি আংলঙত সাহিত্য সভাৰ অধিবেশন বহাটো অতি আনন্দৰ কথা কিন্তু যিসকল প্ৰতিনিধি কাৰ্বি আংলঙলৈ আহিছে, তেওঁলোক যাতে কোনো প্ৰকাৰৰ উচ্চাভিলাষিকাবোধৰ চিকাৰ নহয়। উল্লেখযোগ্য যে শ্ৰীমতী খংমেনৰ ইংৰাজী ভাষণৰ তৰ্জমা লগে লগে শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্যই কৰি গৈছিল।

"এইখন অসম সাহিত্য সভাৰ ৪৯ তম অধিবেশন। আপোনালোকে ঊনপঞ্চাশ বায়ুৰ নাম শুনিছে। ই অতি শক্তিশালী। গতিকে এই অধিবেশনত শক্তিশালী হৈ ভাষা-সাহিত্যৰ কাম কৰি যাব" এইদৰে দ্বিতীয় দিনাৰ মুকলি অধিবেশনত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্বনি কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই ভাষণ আৰম্ভ কৰে। তেওঁ কয় যে অসম সাহিত্য সভাক কোনোবাই কিবা বাধা দিলে আমি তাক প্ৰতিৰোধ কৰিবই লাগিব।

অন্যতম প্ৰাক্তন সভাপতি শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে ডিফু অধিবেশনে পৰ্বত-ভৈয়ামৰ যি সম্প্ৰীতি আনি দিলে সি যাতে চিৰস্থায়ী হয়, তাৰ কামনা কৰে। অসমৰ উন্নতিৰ বিষয়ে তেওঁ কয়, কাৰ্বিৰ যদি উন্নতি নহয়, তেন্তে অসমৰ উন্নতি কেনেকৈ হ'ব? অসমৰ উন্নতি মানে সকলোৰে উন্নতি তেওঁ কয়।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই কয়, এনেকুৱা কিছুমান গ্ৰন্থ আমি পঢ়িছোঁ, যিবোৰে আমাক পৃথক পৃথক ভাৱে দেখুৱাইছে। এই দৃষ্টিভঙ্গীৰ পৰা মুক্ত হ'ব নোৱাৰিলে আমি আগবাঢ়িব নোৱাৰোঁ। ড° ভট্টাচাৰ্য্যই এই কথাত গুৰুত্ব দিয়ে যে আমাৰ মাজত কি অমিল আছে, তাক দেখুৱাতকৈ কি মিল আছে, সেইবোৰ দেখুৱালেহে আমি উপকৃত হ'ব পাৰিম।

সভাত শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্য্য আৰু সদৌ অসম ছাত্ৰসন্থাৰ সম্পাদক শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ো অসমীয়া ভাষা সাহিত্যৰ ভিতৰে বাহিৰে থকা শত্ৰুৰ কথা উল্লেখ কৰে আৰু সেইসকলৰ পৰা সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়।

এক ঐতিহাসিক শোভাযাত্ৰা

২৪ এপ্ৰিল তাৰিখে দুপৰীয়া ১ বজাৰ পৰা মুকলি সভা আৰম্ভ হোৱাৰ কথা আছিল যদিও সভাপতিক লৈ কৰা শোভাযাত্ৰা পলমকৈ সভাস্থলিত উপস্থিত হ'বলগীয়া হোৱাত দুই বজাৰ পৰাহে আৰম্ভ কৰাটো সম্ভৱপৰ হয়। শোভাযাত্ৰাটো উভতি আহোঁতে এক অপূৰ্ব দৃশ্যৰ সৃষ্টি হৈছিল। শোভাযাত্ৰা দৰ্শন কৰিবলৈ মানুহে সভাস্থলিৰ আশে-পাশে, ৰাস্তাৰ দাঁতিত, আন কি ডিফু চৰকাৰী কলেজৰ ওপৰত তথা দুমহলীয়া ঘৰৰ বাৰান্দাৰ ৰেলিঙত ধৰি থকা দেখা গৈছিল। ডিফুত পোনপ্ৰথমবাৰৰ কাৰণে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ, এই শোভাযাত্ৰাটোৱে এক অভিনৱ ইতিহাসৰ সৃষ্টি কৰিবলৈ সফল হয়। সুসজ্জিত হাতী সহকাৰে কৰা এই শোভাযাত্ৰাত অসমৰ সকলো জিলাৰ পৰা অহা প্ৰতিনিধিসকলৰ উপৰিও নিজস্ব পোছাকেৰে সুশোভিত হৈ, নিজস্ব বাদ্য-বাজনা সহ বিভিন্ন জনগোষ্ঠীৰ শিল্পীসকলে যোগদান কৰি শোভাযাত্ৰাটো বৰ্ণাঢ্য কৰি তুলিছিল।

সভাপতিক সভাস্থলিলৈ আগবঢ়াই অনাৰ দৃশ্যটোও অতি মনোৰম আছিল। শোভাযাত্ৰাটো ঠিক দুই বজাত সভামণ্ডপত সোমালহি। একাদিক্ৰমে ঢাল তৰোৱাল সহ পুৰুষৰ দল, কাৰ্বি নাচনীৰ দল, ধুতি পিন্ধা কাৰ্বিসকল বিহু নাচনীৰ দল, সত্ৰীয়া নৃত্যৰ দল নাচি-নাচি অপূৰ্ব ভঙ্গিমাৰে সোমাই আহে আৰু এটা এটাকৈ মঞ্চৰ একাষেদি বাহিৰলৈ ওলাই যায়। সভাপতি শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী ডাঙৰীয়া সভা মণ্ডলৈ আগবাঢ়ি যোৱাৰ লগে-লগে আয়তী সকলৰ উৰুলি ধ্বনি, "চিৰ চেনেহী মোৰ ভাষা জননী", "অসম সাহিত্য সভা দীৰ্ঘজীৱি হওঁক" আদি ধ্বনিৰে ৰাংছিনা নগৰৰ আকাশ-বতাহ মুখৰিত হৈ উঠে। ঠিক সেই মুহূৰ্ততে কাৰ্বি সাজ-পাৰেৰে সভাপতিয়ে মঞ্চত আৰোহণ কৰে-দদম্-দদম্কৈ ঢোল বাজি উঠে।

অতুলনীয় স্মৃতি-গ্ৰন্থ *

"ৰজাৰ্ আহিৰ"

২৩ তাৰিখে পুৱাবেলা সভাপতিয়ে "সভাৰ" পতাকা উত্তোলন কৰাৰ লগে-লগেই সন্মিলনৰ কাৰ্য্যসূচীৰ পাতনি মেলা হয়। স্মৃতি তৰ্পনো অনুষ্ঠিত হয় সভাপতিৰ দ্বাৰাই। স্মৃতি-গ্ৰন্থ আৰু সভাৰ প্ৰকাশন উন্মোচন কৰে যথাক্ৰমে শ্ৰীমতী নিৰুপমা হাগজেৰ আৰু শ্ৰীৰংলং তেৰাঙে। আটক ধুনীয়া প্ৰদৰ্শনীখন মুকলি কৰে শ্ৰীমতী লবঙ্গলতা বৰুৱাই।

এই সন্মিলন উপলক্ষ্যে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ-"ৰজাৰ্ আহিৰ"ৰ সম্পাদক শ্ৰীৰংবং তেৰাং আৰু সহকাৰী সম্পাদক শ্ৰীশৈলেন দাস। ইয়াত কাৰ্বি সমাজ-সংস্কৃতিৰ ওপৰত, ৩৯ জন লেখকৰ ৩৯ টা সাৰগৰ্ভ প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। কাৰ্বি সমাজখনক সহজে প্ৰত্যক্ষ কৰিবলৈ এই স্মৃতিগ্ৰন্থখনে যে এখন উজ্জ্বল দাপোনৰ কাম কৰিলে, তাত কোনো সন্দেহ নাই। কাৰ্বিসকলৰ ওপৰত এনে বিস্তৃত ভাৱে আমাৰ ভাষাত ইয়াৰ আগতে কোনো গ্ৰন্থ ৰচনা কৰা হৈছে বুলি আমি নাজানো। ই অকল স্মৃতি গ্ৰন্থই নহয়, এখন গৱেষণা গ্ৰন্থৰ পৰ্য্যায় পাইছেগৈ। অসম সাহিত্য সভাই ইয়াক বেলেগ গ্ৰন্থাকাৰে ছপাই প্ৰচাৰৰ ব্যৱস্থা কৰিলে এটা মহৎ কাম সম্পন্ন কৰা হ'ব।

নৃতত্ত্ব আৰু সংস্কৃতিৰ পটভূমিত

কাৰ্বি সমাজ আৰু সংস্কৃতিৰ ইতিহাস

২৪ এপ্ৰিলৰ দিনা পুৱাবেলা মুকলি সভাৰ মঞ্চত নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° ভুবন মোহন দাসৰ সভাপতিত্বত বুৰঞ্জী সন্মিলন অনুষ্ঠিত হয়। আলোচ্য বিষয় আছিল "অসমৰ নৃতাত্বিক আৰু সাংস্কৃতিক ইতিহাসৰ পটভূমিত কাৰ্বি সমাজ আৰু সংস্কৃতিৰ ইতিহাস।" বুৰঞ্জী সন্মিলনত অংশগ্ৰহণ কৰি অধ্যাপক ফুকন চন্দ্ৰ ফাংচু অধ্যাপক ড° গোপাল চন্দ্ৰ মেধি আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীযজ্ঞোৰাম গগৈয়ে একো-একোটি গৱেষণামূলক আলোচনা আগবঢ়ায়।

সন্মিলনীৰ আৰম্ভণিতে অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা বিশিষ্ট সাহিত্যিক শ্ৰীৰংবং তেৰাঙে বিশিষ্ট ব্যক্তি কেইগৰাকীক কাৰ্বি জেকেট আৰু গামোচাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। লগে-লগে কাৰ্বি কিশোৰী এজনীয়ে আগবাঢ়ি তিনিওকে মালা পিন্ধায়।

সভাপতি ডঃ ভুবন মোহন দাসে বিষয়টোৰ ওপৰত ছপা অভিভাষণ পাঠ কৰে। ২৩ পৃষ্ঠা জোৰা অভিভাষণ খনৰ শেষৰ ফালে ২৫ খন গ্ৰন্থৰ প্ৰসংগোল্লেখ কৰা হয়। ভাষণৰ শেষৰ ফালে ডঃ দাসে উল্লেখ কৰা—গুৱাহাটীৰ ওচৰৰ কাৰ্বি গাঁৱৰ এখন মানুহৰ ঘৰলৈ গ'লে বাহিৰ নঙলামুখ পাৰহৈ চাৰিও-ফালে থকা ঘৰৰ দ্বাৰা পৰিবেষ্টিত চোতালত প্ৰৱেশ কৰাৰ লগে-লগে গৃহস্থৰ নিৰ্দেশত লৰা-ছোৱালীয়ে পিৰালিত পাৰি দিয়া পীৰাত বহিবলৈ কৈ গৃহস্থ যেতিয়া ওচৰত বহে আৰু ক্ষন্তেক পিছতে ঘৰৰ গৃহিনীয়ে তামোল পান লৈ ওচৰতে বহি তামোল কাটি বটাত দি আগবঢ়ায় দিয়ে, তেতিয়া মনলৈ নাহে সেইখন কাৰ্বিৰ নে অসমীয়া জাতি গোটৰ ঘৰ। তেতিয়া সংস্কৃতৰ সূক্ষ্ম উপ-াদানবোৰ বিশ্লেষণ কৰাৰ চিন্তাই মনত ঠাই নলয়। অসমৰ এক বিশাল সংস্কৃতিৰ পৰিবেশৰ অন্য সকলো কথা গৌণ হৈ পৰে। এই সংস্কৃতিৰ সংৰক্ষণ, বিকাশ প্ৰসাৰ আৰু প্ৰচাৰ সকলোৰে মহান আৰু পবিত্ৰ কৰ্তব্য। কথাখিনি অতি তাৎপৰ্য্যপূৰ্ণ।

সন্মিলনত অংশগ্ৰহণ কৰি অধ্যাপক ফাংচুয়ে কাৰ্বিসকলৰ প্ৰব্ৰজন প্ৰসঙ্গত কয় যে মঙ্গোলীয় জনগোষ্ঠীৰ লোকসকলেই মহাভাৰত আদিত উল্লেখিত কিৰাত। কাৰ্বিসকলো উক্ত কিৰাত জনগোষ্ঠীৰ লোক। তেওঁ খৃঃ পূঃ এহেজাৰ বছৰ আগতে কাৰ্বিসকলে এই অঞ্চলত বাস কৰিছিল বুলি কয়। গিয়াৰ্চন চাহাবৰ উদ্ধৃতি দি তেওঁ এই কথা ন দি কয় যে কাৰ্বি ভাষাৰ লগত মণিপুৰী ভাষাৰ মিল আছে।

ডঃ গোপালচন্দ্ৰ মেধিয়ে কাৰ্বিসকলৰ আহাৰ সংগ্ৰহৰ বিষয়ে কওঁতে কাৰ্বিসকলৰ বিয়া-বাবু আদি বিভিন্ন সামাজিক ৰীতি-নীতিৰ কথাও উল্লেখ কৰে।

কাৰ্বিসকলৰ ওপৰত বিশেষভাৱে গৱেষণা কৰি থকা শ্ৰীমাঝৰাম গগৈয়ে কাৰ্বি সমাজৰ বৈশিষ্ট্য দাঙি ধৰি এটি যুক্তি আৰু আবেগ মিহলি ওজস্বী ভাষণেৰে সকলোকে মুগ্ধ কৰে। তেওঁ কয়, সকলো আহক—ইয়াত আমি মানৱ জাতিৰ মঙ্গল মন্দিৰ সাজিবলৈ ওলাইছোঁ। বিভিন্ন জন-গোষ্ঠীৰ ঐক্যৰ মাজেদিহে সেইটো সম্ভৱপৰ হ'ব। কাৰ্বিসকল এই বিষয়ত পিছপৰা নহয়। শ্বহীদ হামছন ইংতিৰ পৰিয়াল আজিও নগাঁৱত আছে। কাৰ্বিসকলে বৈবাহিক সম্বন্ধৰ আদৰ্শ দেখুৱাই গৈছে।

ভাষণৰ শেষত শ্ৰীগগৈয়ে কয়, আমি বৃহৎ অসমীয়া জাতি গঠন কৰিবলৈ ওলাইছোঁ, কিন্তু কাৰ্বিসকলক বুজিবলৈ, জানিবলৈ বহুত দিন লাগিব।

স্থাপিত বাস কৰা কাৰ্বিসকলক কোনোবাই আৰ্থিক দিশত শোষণ কৰিব পাৰে, কিন্তু সাংস্কৃতিক দৃষ্টিও কাৰ্বিসকল বহু ওপৰত। তেওঁ সকলো ভেদাভেদ পাহৰি ঐক্যবদ্ধহৈ জাতিক আহ্বান জনাই কয়—"ধ্লে ধ্লে", অৰ্থাৎ জাগি উঠা, জাগি উঠা।

কোন সৰগৰ ৰাজকুঁৱৰীয়ে

সখী পাতে তোমাৰ সতে

মিৰদুংকেক মিৰমে' চিকিদু পুপে। খেলান দাং চাম এ। তাং লাং আথাই আৰে—মিৰদুংকেক। কোন সৰগৰ ৰাজকুঁৱৰীয়ে খোপাত গুঁজি লৈ সখী পাতে তোমাৰ সতে।

মিৰদুংকেক ঢেকীয়াফুল। এই মিৰদুংকেক কিন্তু পাৰ্বত্য বনভূমিৰ মিৰদুংকেক নহয়। ই আছিল ডিফুৰ ৰাংহিনা নগৰৰ কবি সন্মিলন উপলক্ষে প্ৰকাশিত কবিতাসমূহৰ সংকলন। সংকলনটো আটক ধুনীয়াকৈ সম্পাদনা কৰি উলিয়াইছিল শ্ৰীশৈলেন দাসে। সহকাৰী শ্ৰীকামিনী দাস। প্ৰচ্ছদপট শ্ৰীবীৰেন সিংহৰ।

মিৰদুংকেকৰ ভূমিকাত অভ্যথনা সমিতিৰ প্ৰধান সম্পাদক শ্ৰীছামছিং হাঞ্চেই এই কবিতা সংকলনটোৱে অসমীয়া সাহিত্য আকাশৰ অন্য এক উজ্জল তৰা হৈ দেখা দিব বুলি তাৎপৰ্য্যপূৰ্ণ অভিমত প্ৰকাশ কৰে।

মিৰদুংকেকত একোগৰাকী কবিৰ একাধিক কবিতা সংকলিত হৈছে। সেয়েহে আমি তাত ২৩ জন কবিৰ মুঠতে ৪৫টা কবিতা দেখিবলৈ পাওঁ। সংকলনটোত শ্ৰীছাৰ এংহাঞ্চে ("বিভীষণ", "সূৰ্য্যোদয়") শ্ৰীঅৰুণ টেৰণ ("আজো কৰাৰ স্মৃতিত", "সমাধিত আইৰ চকুলো") শ্ৰীমোলান ইংতি ("কুমলীনৰ সপোন") আৰু শ্ৰী হাৰ্ডে কাথাৰ ("এতিয়া সময় উকলি গ'ল," এতিয়া সময় পকিল") এই কেইজন কাৰ্বি কবিৰ কবিতা সন্নিবিষ্ট হৈছে।

চেমনীৰা কবি শ্ৰীছাৰ এং হাঞ্চেৰ দুয়োটা কবিতা যদিও বিদ্ৰোহ, বিপ্লৱ, বীৰত্ব স্বদেশপ্ৰেম আৰু প্ৰতিকাৰৰ ভাৱনাৰে প্ৰোজ্জ্বল। সংকলনটোৰ ৫০ ভাগ কবিতাই স্বদেশপ্ৰেম আৰু অসম আন্দোলনৰ পটভূমিত ৰচিত। শ্ৰীবীৰেন বৰকটকীৰ "সূৰ্য্য উঠা প্ৰান্তৰ মানুহ", ডঃ লক্ষহীৰা দাসৰ "মই কনকলতাই কৈছো," ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ "আই" আৰু "স্ব-প্ৰকাশ" আদি কবিতা তাৰেই মূৰ্ত্ত প্ৰকাশ। "প্ৰত্যাশাৰ স্বপ্নৰ" নায়িকা কুমাৰী ৰীতা চৌধুৰীৰ" "মোৰ কবিতা হওক জাগৃতিৰ দীপ" আৰু "সদায় চিঞৰ যাম

এয়া মোৰ দেশ ” এই দুটা কবিতাৰ শেষৰটো অতি অনবদ্য আৰু মুক্তি-যুঁজাৰুৰ ত্যাগ তিতিক্ষাৰে মহিমা মণ্ডিত।

শ্ৰীদিব্য জ্যোতি গোহাঞিৰ “ সমন্বয়ত” শ্ৰীকামিনী দাসৰ “সমন্বয়” আৰু শ্ৰীহাৰ্ত্তে কাথাৰৰ ‘সময় উকলি গল” কবিতাত সমন্বৰ আহবান প্ৰত্যক্ষ কৰা যায়। সেইদৰে শ্ৰীসৰ্ব্বেশ্বৰ শৰ্মাৰ “অসমৰ বুদ্ধিজীৱীলৈ” বোলা কবিতাটোত শোষনৰ বিৰুদ্ধে বিদ্ৰোহ আৰু তাৰ বিৰুদ্ধে যুঁজাৰ অবিচল সংকল্প ফুটি ওলাইছে। শ্ৰীসতীশ চন্দ্ৰ চৌধুৰীৰ “ সভ্যতাৰ ফলক ” নামৰ কবিতাত আৰ্থিক অনাটনে জুৰুলা কৰা একোটাইত দুখীয়া পৰিয়ালৰ একো-জনী অসহায়া গাভৰু কেনেকৈ দেহোপজীৱিনীৰ ভূমিকা লবলৈ বাধ্য হয় তাক মৰ্মস্পৰ্শীৰূপত ব্যক্ত কৰা হৈছে। শ্ৰীযজ্ঞোৰাম গগৈৰ “ফায়াৰ মেন” কবিতাটো নিঃসন্দেহে এটা নতুন দিগ্‌দৰ্শী বৈপ্লবিক কবিতা :

এই জুইৰে লক্ষ লক্ষ
দেহ বয়লাৰৰ জুই জ্বলাওঁ
জীৱন ইঞ্জিনৰ চকৰি ঘূৰাওঁ
জগাওঁ, মানুহ জগাওঁ
কৃবি শতিকাৰ লংকাপুৰীলৈ
দলে-বলে যাওঁ।

যুগৰ আহ্বানক স্বীকৃতি দিয়া বাবে প্ৰেমৰ সপোন দেখা বা প্ৰাকৃতিক সৌন্দৰ্য্যত আপোনভোলা হোৱা কবিৰ কবিতা সংকলনটোত দেখিবলৈ পোৱা নাযায়। অৱশ্যে শ্ৰীবীৰেন বৰকটকীৰ ‘অচিনাকি খোজ” কবিতাত প্ৰকৃতি বৰ্ণনাৰ সামান্য আভাস পোৱা যায়।

কবি সন্মিলন

২৪ এপ্ৰিলৰ দিনা নিশা মুকলি সভাৰ মঞ্চত কবি সন্মিলনখনি অনুষ্ঠিত হয়। সন্মিলনৰ আৰম্ভণিতে কবিসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰি কবি সাজ-পাৰ উপহাৰ দিয়া হয়। এই সন্মিলনতে কবিতা সংকলন-মিৰদুংকেক উন্মোচন কৰি ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই কয়, এই কবিতা সংকলনত প্ৰতিষ্ঠা-শীল, প্ৰতিষ্ঠামুখী আৰু প্ৰতিষ্ঠাপ্ৰয়াসী কবিৰ কবিতা আছে। আধুনিক কবিতা কথাৰাৰ মই শুদ্ধ বুলি নাভাবোঁ। আজিৰ আধুনিক কবিতা কালিলৈ পুৰণি হৈ যায়। এসময়ৰ ৰোমাণ্টিক কবিতা আজি বাহী হৈ গৈছে। ৫০ বছৰৰ পিছত কবিতা পুৰণি হৈ যায় বুলি ড শৰ্মাই অভিমত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কবি সন্মিলনত অংশ গ্ৰহণ কৰিবলৈ যিসকল কবিয়ে কবিতা পঠাইছিল তাৰ পৰাই এই সংকলনটো যুগুত কৰা হৈছিল। কবি সন্মিলনত কবি সকলক একোখন "নিৰ্ঝৰকেক" উপহাৰ দিয়া হৈছিল আৰু তাৰ পৰাই তেওঁলোকে নিজ-নিজ কবিতা পাঠ কৰিছিল।

কবি সন্মিলনত সভাপতিত্ব কৰি ৰূপা অভিভাষণ যোগে শ্ৰীনলিনীধৰ-ভট্টাচাৰ্য্যই অসমীয়া কবিতাৰ মূলধাৰা সমূহৰ এটা থূলমূল আভাস দাঙি ধৰে। তেওঁ এই আলোচনাত অসমীয়া ৰোমাণ্টিক কবিসকলৰ ওপৰত পশ্চিমীয়া বিশেষকৈ ইংৰাজী সাহিত্যৰ প্ৰভাৱ, "ৰামধেনু" যুগৰ অৱদান, অসমীয়া কবিতাত নব্য-ৰোমাণ্টিক ধাৰা আদিৰ বিষয়ে আলোচনা কৰে। কবি সন্মিলন খন পৰিচালনা কৰিছিল অসম সাহিত্য সভাৰ (তৎকালীন) সাধাৰণ সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শৰ্মাই। বতৰৰ দুৰ্যোগৰ কাৰণে এই সন্মিলন আগবঢ়াই নিওঁতে বিজুলিৰ বিজুতিকে আদি কৰি বহুতো বাধাৰ সন্মুখীন হ'ব লগীয়া হৈছিল যদিও সন্মিলনখন অন্যান্যবাৰতকৈ বিশেষ উপভোগ্য হৈছিল।

যি সকল প্ৰবীন-নবীন কবিয়ে কবিতা পাঠ কৰি প্ৰতিনিধি তথা অন্যান্য শ্ৰোতাবৃন্দক অপ্যায়িত কৰিছিল সেইসকল হ'ল, শ্ৰীবীৰেন বৰকটকী ড° নিৰ্মলপ্ৰভা বৰদলৈ ড' লক্ষ্যহীৰা দাস শ্ৰী টীকাৰাম উপাধ্যায় শ্ৰীহিতেন শৰ্মা, শ্ৰীচিৰঞ্জীৱ জৈন, শ্ৰীমতী পদুমী গগৈ, শ্ৰীছাৰ এং হাপ্পে, শ্ৰীলক্ষেশ্বৰ শৰ্মা, কুমাৰী ৰীতা চৌধুৰী কুমাৰী দিব্য জ্যোতি গোহাঁই, শ্ৰীশৈলেন দাস, শ্ৰীকামিনী দাস, আৰু শ্ৰীমোলান ইংতিয়ে। শ্ৰীযজ্ঞেৰাম গগৈয়ে কবিতা পাঠ কৰাৰ পৰিবৰ্তে আবৃত্তি কৰি অগণন শ্ৰোতা-দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰাটো এই প্ৰসঙ্গত উল্লেখযোগ্য।

অসমৰ লোক-সাহিত্যৰ বৈচিত্ৰ আৰু ঐক্য

২০ এপ্ৰিল দেওবৰে পুৱা বেলা ডিফু চৰকাৰী কলেজ ভৱনৰ ওপৰ মহলাৰ ওপৰত এটা কোঠাত আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচ্য বিষয় আছিল "অসমৰ লোক সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্য।" আলোচনা চক্ৰ উদ্বোধন কৰে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে। তেওঁ লোকগীত সমূহত বহু বৈচিত্ৰ্য বিৰাজ কৰিছে আৰু স্থানভেদে সেইবোৰত স্থানীয় ৰহণ লাগিছে বুলি কৈ সেই সম্পৰ্কে এটা বিশ্লেষণ দাঙি ধৰে। গোৱালপৰীয়া লোকগীত সমূহৰ বৈশিষ্ট্যৰ বিষয়ে ড° বৰদলৈয়ে কয় যে এই লোকগীত সমূহ জীৱন ধৰ্মী, অতি উত্তপ্ত সেইবোৰৰ প্ৰকাশ ভঙ্গী। বোধহয় অনেকুৱা লোকগীত আৰু

কৰিব পৰা নাই। কাৰ্বি লোকগীত সমূহেও কাৰ্বিসকলৰ জীৱনৰ সকলো দিশ সামৰি লোৱা বুলি ভেঙ্ক কয়।

আলোচনা চক্ৰৰ সভাপতি ড° বীৰেন্দ্ৰ নাথ দত্তই মাত্ৰ ৮ পৃষ্ঠাৰ সংক্ষিপ্ত অথচ সাৰগৰ্ভ অভিভাষণত "অসমৰ লোক সাহিত্যৰ বৈচিত্ৰ্য আৰু ঐক্যৰ ওপৰত আলোচনা দাঙি ধৰে। অসমৰ লোক সাহিত্যৰ আলোচনা প্ৰসঙ্গত ড° দত্তই কয় যে ভাষা বাদ দি সাহিত্যৰ আলোচনা হ'ব নোৱাৰে। অসমৰ সাহিত্যৰ কথা উঠিলে স্বাভাৱিকতে অসমীয়া ভাষাৰ সাহিত্যই আগভাগ পাব। কিন্তু অকল কৰ্তাৰ সংখ্যাধিক্যই ইয়াৰ কাৰণ নহয়। অসম তথা পূৰ্বোত্তৰ অঞ্চলৰ সংযোগী ভাষা হিচাপেও অসমীয়া ভাষাৰ স্থান অতি গুৰুত্বপূৰ্ণ। ইয়াৰ পিছত ড° দত্তই অৱশ্যে এই কথাও কয় যে অসমীয়া ভাষাই অসমৰ একমাত্ৰ থলুৱা ভাষা নহয়। ইয়াৰ সৰু-বৰ গোষ্ঠীৰ নিজ-নিজ ভাষাও আছে। এইবোৰ ভাষাত লিখিত সাহিত্যৰ ৰূপ সীমিত নাইবা একেবাৰে অনুপস্থিত হলেও লোক সাহিত্যৰ সম্পদৰ বিচাৰত কিন্তু কোনোটো ভাষাই নিঃস্ব নহয়। লোক-সাহিত্যত থকা বিভিন্ন সম্ভাৰ আমাৰ উমৈহতীয়া সম্পদ। এনে সম্পদক ৰক্ষা কৰা আৰু তাৰ সমাদৰ কৰাটো আমাৰ সকলোৰে জাতীয় কৰ্তব্য বুলি ড° দত্তই সকলোকে সোঁৱৰাই দিয়ে। আলোচনাত অংশ গ্ৰহণ কৰি সৰ্বশ্ৰী ৰাজেন ৰাভা, আৰু ইন্দ্ৰেশ্বৰ পেগুৱেও বিষয়টোৰ ওপৰত আলোকপাত কৰে। চক্ৰত শ্ৰোতা-দৰ্শকৰ সংখ্যা কম আছিল যদিও আলোচনা চক্ৰ অতি উপভোগ্য আৰু গাম্ভীৰ্যপূৰ্ণ হৈছিল। চক্ৰৰ মাধুৰ্য্য বঢ়াইছিল শ্ৰীহামছিং হাঞ্চে (কাৰ্বি)ই পৰিৱেশন কৰা "নাহৰ ফুলে নুশুৱায়" গীতটোৰ কাৰ্বি ভাষাত ৰূপান্তৰিত কৰা গীতটোৱে।

দুইত-বৰাক কেতিয়া মিলিব ?

এই নিবন্ধৰ মুখবন্ধতে বাংছিনা নগৰত বহা অসম সাহিত্য সভাৰ বৈশিষ্ট্য আৰু ফলশ্ৰুতিৰ আলোচনা কৰা হৈছে। উপসংহাৰত আৰু অন্য এটা কথাহে কব খুজিছোঁ। অৱশ্যে এয়া কোনো নতুন উদ্ভাৱন নহয়। আনেও ভাবিছে। অসম সাহিত্য সভায়ো চিন্তা কৰিছে। বৰাক উপত্যকাৰ খিলঞ্জীয়া অসমীয়া সকলেও ভাবিছে।

কথাটো হ'ল, অসম সাহিত্য সভাৰ জীৱন কালত এবাৰো সুৰমা উপত্যকাত ইয়াৰ অধিৱেশন অনুষ্ঠিত হোৱা নাই। হোৱা যে নাই তাৰ কাৰণ পৰিৱেশ নাই নাইবা তাত পৰিৱেশ সৃষ্টি কৰিব পৰা হোৱা নাই। এইটো স্বীকাৰ্য যে সুৰমা উপত্যকাত অসম সাহিত্য সভাৰ অধিৱেশন

পৰ্য্যন্ত কিছুমান অসুবিধা আৰু জটিলতা আছে। দিন যোৱাৰ লগে লগে সেইবোৰ বাঢ়িহে গৈছে। গতিকে আৰু পলম নকৰি এই বিষয়ত কাৰ্য্যকৰী পদক্ষেপ আগবঢ়োৱা উচিত। পৰিবেশ সৃষ্টিৰ কাৰণে পোণতে পৰিস্থিতি অধ্যয়ন কৰিবলৈ অসম সাহিত্য সভাই তালৈ এটা দল পঠোৱাটো যুক্তিযুক্ত হ'ব। উক্ত দলৰ পৰামৰ্শ অনুসাৰে অসুবিধা আৰু জটিলতা সমূহ আঁতৰোৱাত অগ্ৰসৰ হ'ব পৰা যাব।

কাছাৰ সম্পৰ্কে বহুতে বহুত কথা বিচ্ছিন্নতাবাদৰ দৃষ্টিৰে আলোচনা আৰম্ভ কৰিছে, কিন্তু এনে দৃষ্টিৰে ৰাজ্যখনৰ কল্যাণ সাধন নহ'ব। ঐতিহাসিক বিৱৰ্তন আৰু ৰাজনৈতিক পাকচক্ৰত দুটা উপত্যকাৰ মাজত আজি যি ব্যৱধান তাক দূৰ কৰাৰ দায়িত্ব অসম সাহিত্য সভাৰো আছে। লৌহিত-বৰাকৰ পূণ্য সংগম সংঘটন অসম সাহিত্য সভাৰ দায়িত্ব এটা পবিত্ৰ কৰ্তব্য বুলি বিবেচিত হোৱা উচিত।

— —

শুভেচ্ছা বাণী

(উদলগুৰিত ডিব্ৰু অধিবেশনৰ কৃতকাৰ্য্যতা কামনা কৰি তলত উল্লেখ কৰা ব্যক্তিসকলে আমালৈ শুভেচ্ছা বাণী পঠিয়াইছে। তলত সেই বাণীসমূহ উল্লেখ কৰা হ'ল)

অধিবেশনলৈ নিমন্ত্ৰণ পাই ভাল পালোঁ। অসুস্থতাৰ বাবে যোগ দিব নোৱাৰি দুখিত আৰু অনুতপ্ত। মহাসভাৰ সৰ্বতোপ্ৰকাৰ কৃতকাৰ্য্যতা কামনা কৰিলোঁ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, গুৱাহাটী

অসম সাহিত্য সভাৰ ডিব্ৰু অধিবেশন অসমীয়া জাতিৰ অতি সংকটপূৰ্ণ সময়ত অনুষ্ঠিত হৈছে। মই অধিবেশনৰ সফলতা কামনা কৰিলোঁ।

শ্ৰীমিত্ৰদেৱ মহন্ত, যোৰহাট

এই গুৰুত্বপূৰ্ণ অধিবেশনত উপস্থিত থাকিব নোৱাৰি দুখ পাইছোঁ। অধিবেশনৰ সফলতা কামনা কৰিলোঁ।

শ্ৰীমাধৱ শৰ্মা, নগাঁও

সন্মিলনৰ সৰ্বাঙ্গীন সাফল্য কামনা কৰিলোঁ।

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা
গুৱাহাটী।

কাৰ্বি মাইজৰ সহযোগিতাত ডিফুত অসম সাহিত্য সভাৰ অধিবেশন পাতিব পৰাটো সমগ্ৰ অসমৰ মাইজৰ বাবে গৌৰৱ আৰু আনন্দৰ খবৰ। মই অধিবেশনৰ সফলতা কামনা কৰাৰ লগতে কাৰ্বি মাইজক অভিনন্দন জ্ঞাপন কৰিলোঁ।

শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী, নলবাৰী

মই সন্মিলনত উপস্থিত থাকিব নোৱাৰিম। চৰকাৰে বিৰোধিতা কৰিছে। যদিও মাইজৰ সহযোগিতা আছে যেতিয়া অধিবেশন সৰ্বতোপ্ৰকাৰে সফল হ'বই।

শ্ৰীপ্ৰসন্নলাল চৌধুৰী, বৰপেটা।

অধিবেশনৰ সফলতা কামনা কৰিলোঁ।

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা
ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়

আজিৰ এই পবিত্ৰ দিৱসত আমি সকলোৱে ব্যক্তিগত স্বাৰ্থ বলিদান দি জাতীয় ঐক্য, সংহতি ৰক্ষাত প্ৰতিজ্ঞাবদ্ধ হব লাগে। অধিবেশনৰ সফলতা কামনা কৰিলোঁ।

শ্ৰী শ্ৰীহৰিবংশ চন্দ্ৰ দেৱ গোস্বামী
আউনী আটী সত্ৰ, মাজুলী